# Centre for Studies in Social Sciences, Calcutta

## Documentation of rare Assamese books in collaboration with Assam Sahitya Sabha, Jorhat and the Ford Foundation: microfilmed and digitised in October 2006

| | |
|---|---|
| Record No: 2006/ 109 | Language of work: Assamese |
| Author (s) / Editor (s): Premodhor Rajkhowa | |
| Title: অসম সাহিত্য সভা পত্ৰিকা | |
| Transliterated Title: Asama Saāhaitaya Sabhaā Patraikaā | |
| Translated Title: Magazine of Asam Sahitya Sabha | |
| Place of Publication: Jorhat | Publisher: Asam Sahitya Sabha - Jorhat - |
| Year: 1955 (1877 Sak) | Edition: |
| Size: 24 cms 11+ 176 pages | Genre: Magazine |
| Volumes: 14 - 3 issues | Condition of the original: good |
| Remarks: Illust. 1st volume published in the year 1927 and has been continuing, | |
| Holding institute: Assam Sahitya Sabha, Jorhat | Microfilmed and digitised by: Centre for Studies in Social Sciences, Calcutta, 2006. |

| | | |
|---|---|---|
| Microfilm Roll No: | From gate: | To gate: |

অসম সাহিত্য সভাৰ হৈ শ্ৰীপ্ৰেমধৰ ৰাজখোৱাৰ দ্বাৰা প্ৰকাশিত আৰু শ্ৰীসৰ্ব্বেশ্বৰ গগৈৰ দ্বাৰা ফ্ৰন্টিয়াৰ প্ৰিণ্টাচত মুদ্ৰিত।

Cover Engraved & Printed at the Tribune Press, Gauhati.

অসম সাহিত্য সভা

# পত্ৰিকা

সম্পাদক

শ্ৰীপ্ৰেমধৰ ৰাজখোৱা



# অসম সাহিত্য সভাৰ

## বঁটা ঘোষণা ঃ—

১৯৫৫-৫৬ (১৮-৭৭ শক) চনৰ বাবে

### আনন্দৰাম ঢেকিয়াল ফুকন বঁটা ঃ—

এই বঁটা বছৰটোৰ সৰ্ব্বশ্ৰেষ্ঠ অসমীয়া উপন্যাসৰ বাবে দিয়া হব।

### হেমচন্দ্ৰ বৰুৱা বঁটা ঃ—

এই বঁটা বছৰটোৰ সৰ্ব্বশ্ৰেষ্ঠ অসমীয়া নাটকৰ বাবে দিয়া হব।

### গুণাভিৰাম বৰুৱা বঁটা ঃ—

এই বঁটা বছৰটোৰ সৰ্ব্বশ্ৰেষ্ঠ চুটি গল্পৰ পুথিৰ বাবে দিয়া হব।

### আনন্দৰাম বৰুৱা বঁটা ঃ—

এই বঁটা বছৰটোৰ সৰ্ব্বশ্ৰেষ্ঠ বুৰঞ্জীমূলক অথবা আন যি কোনো বিষয়ৰ গধুৰ চিন্তাশীল প্ৰবন্ধৰ পুথিৰ বাবে দিয়া হব।

***চাবলগীয়া ঃ*** — প্ৰতিটো বঁটাৰ মূল্য দুশ টকা হব। এই বছৰৰ ৩০ চ'তৰ ভিতৰত ছপা হোৱা সকলো পুথি প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হব। সাহিত্য-সভাই নিযুক্ত কৰা পৰীক্ষকমণ্ডলীৰ সিদ্ধান্তকেই চূড়ান্ত বুলি ধৰা হব। এই বিষয়ে কিবা কথা জানিব খুজিলে সম্পাদকলৈ লিখে যেন।

বিনীত—

***শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা***

প্ৰধান সম্পাদক—

অসম সাহিত্য সভা, গুৱাহাটী।

# পত্ৰিকাৰ নিয়মাৱলী।

১। এই পত্ৰিকা বছেৰেকত তিনিখন ওলাব। সাধাৰণতে সকলো গ্ৰাহকেই প্ৰথম সংখ্যাৰ পৰা কাকত পাব, যেতিয়াই গ্ৰাহক হওক।

২। ইয়াৰ বছেৰেকীয়া বৰঙণি ৪৲ আগধৰি দিব লাগে। প্ৰতি সংখ্যাৰ বেচ ডেৰ টকা। অসম সাহিত্য সভাৰ সভ্যৰ কাৰণে বছেৰেকীয় বৰঙণি ৩৲।

৩। ইয়াত প্ৰকাশ কৰিবলৈ পঠোৱা প্ৰবন্ধ আদি এপিঠিত ফটফটীয়াকৈ লিখি "সম্পাদক, অসম সাহিত্য সভা পত্ৰিকা, তিনিচুকীয়া (লক্ষীমপুৰ), এই ঠিকনাত পঠাব, আৰু কাকত সম্পৰ্কে আন চিঠিপত্ৰ আৰু টকা কড়ি "সহকাৰী সম্পাদক, অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট" এই ঠিকনাত পঠাব।

৪। অমনোনীত প্ৰবন্ধ ঘূৰাই পঠোৱা আৰু সেই প্ৰসঙ্গৰ কোনো প্ৰশ্নৰ উত্তৰ দিয়া নহয়।

৫। মৌলিক আলোচনা অনুসন্ধান আদিৰ গৱেষণামূলক প্ৰবন্ধহে ইয়াত ঠাই পাব।

## জাননীৰ নিৰিখ।

প্ৰতি সংখ্যাত।

| | | | | |
|---|---|---|---|---|
| এপিঠিত | ... | ... | ... | ৪০৲ |
| আধা পিঠিত | ... | ... | ... | ২২৲ |
| সিকি পিঠিত | ... | ... | ... | ১২৲ |
| বেটুপাতৰ তৃতীয় পিঠিত | ... | ... | | ৫০৲ |

সিকিৰ নিৰিখতকৈ তাকৰ ঠাই দিয়া নহয়; আৰু নিৰ্দ্দিষ্ট দৰতকৈ সুবিধা নোলায়।

জাননীৰ লগতে তাৰ খৰচ কেৰি আগধৰি পঠাব লাগে।

শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী
সহকাৰী সম্পাদক।
অসম সাহিত্য সভা, যোৰহাট।

## —বিশেষ ঘোষণা—

চতুৰ্দ্দশ বছৰৰ পত্ৰিকাৰ বৰঙণি অলপ সাল-সলনি কৰা হৈছে।

১। সভ্যৰ বছেৰেকীয়া বৰঙণি ... ২৲
২। সাধাৰণৰ কাৰণে " " ... ৩৲
৩। ২য় — ৩য় সংখ্যা পত্ৰিকাৰ বেচ ... ২।০

শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী
সহঃ সম্পাদক।
অসম সাহিত্য সভা পত্ৰিকা।

## সূচী।

বিষয়। লেখক। পিঠি।


১। অসমৰ স্বাধীনতা আন্দোলনৰ বুৰঞ্জীৰ পৰ্বতিৰ (Back Ground) |
একাংশ — ৰাজনৈতিক চেতনা ... শ্ৰীযুক্ত মহাদেৱ শৰ্ম্মা ... ৬৮
২। অসমীয়া উপাখ্যান ... ... " ফণী তালুকদাৰ ... ৭৫
৩। দোৱনীয়া ... ... " সৰ্ব্বানন্দ ৰাজকুমাৰ ... ৮২
৪। মাধৱদেৱৰ ৰচনাত ভক্তি ৰসৰ অভিব্যক্তি " ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্ম্মা ... ৮৫
৫। বড়ো কছাৰী জাতিৰ সংস্কৃতি (কুটীৰ শিল্প) " ৰূপ নাথ ব্ৰহ্ম ... ৯২
৬। তীৰ্থ যাত্ৰা ... শ্ৰীযুতা সুপ্ৰভা গোস্বামী ... ৯৬
৭। দুটি কামৰূপী লোক-গীতি (১) জগন্নাথৰ নাম
(২) দেৱীৰ নাম শ্ৰীযুক্ত হেমন্ত কুমাৰ শৰ্ম্মা ... ৯৯
৮। অতীত মাধুৰী ... ... " প্ৰেমধৰ ৰাজখোৱা ... ১০৮
৯। কাব্য ভাৰতী শ্ৰীযুক্তা ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানী " জিতেন্দ্ৰ নাথ বুজৰবৰুৱা ... ১১৮
১০। কাব্য প্ৰসঙ্গ ... ... " যতীন্দ্ৰ নাথ গোস্বামী ... ১২৮
১১। আনন্দ ... ... ৺শৰৎ চন্দ্ৰ গোস্বামী ... ১৩১
১২। শব্দৰ অপব্যৱহাৰ, — কৃষ্টি আৰু সংস্কৃতি শ্ৰীযুক্ত ৰত্নকান্ত বৰ কাকতি ১৩২
১৩। অসমীয়া ভাষাত আহোম ভাষাৰ শব্দ ৺গোলাপ চন্দ্ৰ বৰুৱা ... ১৩৩
১৪। অসমীয়া জন-সাহিত্যত নাৰীৰ চিন্তাধাৰা শ্ৰীযুক্ত শ্ৰীৰাম চন্দ্ৰ দাস ... ১৩৮
১৫। অসমৰ জন-সাহিত্যত সীতা-স্বয়ম্বৰ " লোক নাথ পাঠক ... ১৪০
১৬। "বহু জনৰ" সাহিত্য বা সাহিত্যৰ বিস্তীৰ্ণ ক্ষেত্ৰ " যাত্ৰা নাথ বৰুৱা ... ১৪৫
১৭। তিনিচুকীয়া শাখা সাহিত্য সভাৰ তৃতীয়
বাৰ্ষিক অধিৱেশনৰ সভাপতিৰ ভাষণ " শৈলধৰ ৰাজখোৱা ... ১৪৯
১৮। অসম সাহিত্য সভাৰ বাহিৰে ভিতৰে ... " অতুল চন্দ্ৰ হাজৰিকা ... ১৫৭
১৯। পুথি সমালোচনা ... ... সম্পাদক ... ১৭২
২০। সম্পাদকৰ চ'ৰা ... ... ... ... ... ১৭৩

## অসম সাহিত্য সভাৰ দ্বাৰা প্ৰকাশিত পুথি।

১। ***শ্ৰীশ্ৰীব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ***— ৰলোৰাম দ্বিজ ৰচিত। **শ্ৰীশ্ৰীনৱদেৱ গ্ৰন্থাৱলীৰ** তৃতীয় গ্ৰন্থ। বেচ এটকা।

২। ***সাত্বত তন্ত্ৰ***— ভাগৱতী মিশ্ৰৰ দ্বাৰা ৰচিত। **শ্ৰীশ্ৰীনৱদেৱ গ্ৰন্থাৱলীৰ** চতুৰ্থ গ্ৰন্থ। বেচ দহ অনা।

৩। **লৱকুশৰ যুদ্ধ**— (সচিত্ৰ) প্ৰাক্ শঙ্কৰী যুগৰ কবি হৰিবৰ বিপ্ৰ ৰচিত আৰু অধ্যাপক শ্ৰীযুত মহেশ্বৰ নেওগৰ দ্বাৰা সম্পাদিত। **শ্ৰীশ্ৰীনৱদেৱ গ্ৰন্থাৱলীৰ** পঞ্চম গ্ৰন্থ। বেচ ছুটকা।

৪। ***বুৰঞ্জীমুলক প্ৰৱন্ধাৱলীৰ তালিকা***—(প্ৰথম ভাগ) ১৮৪৬ চনৰপৰা বৰ্ত্তমানলৈকে অসমীয়া আলোচনীত প্ৰকাশিত বুৰঞ্জীমূলক প্ৰৱন্ধাৱলীৰ তালিকা। ডঃ সূৰ্য্য কুমাৰ ভূঞাৰ দ্বাৰা সম্পাদিত। বেচ ছুটকা।

৫। ***অসম সাহিত্য সভা বাৰ্ষিকী*** (প্ৰথম খণ্ড) অসম সাহিত্য সভাৰ ত্ৰয়োবিংশতি অধিবেশনত সভানেত্ৰী শ্ৰীযুতা নলিনী বালা দেৱী, অভ্যৰ্থনা সমিতিৰ সভাপতি শ্ৰীযুত ৰাধা নাথ ফুকন, বুৰঞ্জী-শাখাৰ সভাপতি শ্ৰীযুত সুৰেশ চন্দ্ৰ ৰাজখোৱা আৰু বিজ্ঞান শাখাৰ সভাপতি ডঃ শ্ৰীযুত হিৰণ্য চন্দ্ৰ ভূঞাৰ অভিভাষণ, প্ৰধান সম্পাদকৰ প্ৰতিবেদন আদি একেলগে সঙ্কলিত মূল্যৱান বছেৰেকীয়া সংগ্ৰহ। বেচ ২৲ টকা।

প্ৰকাশিত সকলো পুথি সভ্য সভ্যাই আধা মূলীয়াকৈ পাব।

***শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী***
সহকাৰী সম্পাদক।
অসম সাহিত্য সভা,
**চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট।**

---

## সৃষ্টিৰ নতুন অৱদান

***অসমৰ মুখ্যমন্ত্ৰী শ্ৰীবিষ্ণুৰাম মেধি ডাঙৰীয়াৰ বহুমুলীয়া আগ-কথাৰে সৈতে—***

শ্ৰীকুশ দত্তৰ—

## —লুইত পাৰৰ কেচা ইতিহাস—

(গৱাখহনীয়া)

***লগতে আৰ্ট পেপাৰত বান খহনীয়াৰ ধ্বংসলীলাৰ***
***১৫ খনি ছবি আৰু দুখনি মেপ।***

—মূল্য এটকা—

প্ৰকাশক: ***সৌমাৰ সাহিত্য পৰিষদ, তিনিচুকীয়া।***

প্ৰাপ্তিস্থান:—

লয়াৰ্চ বুক ষ্টল— গুৱাহাটী, চপলা বুক ষ্টল— শ্বিলং, প্ৰগতি পুথি ভঁৰাল— ডিব্ৰুগড়।




উপন্যাস সম্ৰাট,
ৰজনীকান্ত বৰদলৈ

# অসম সাহিত্য সভা পত্ৰিকা।

নং ২০৫৪/৫৫
তাং ৩/২/৮৫

চতুৰ্দশ বছৰ } ১৮৭৭ শক. { দ্বিতীয় আৰু তৃতীয় সংখ্যা

অসমৰ স্বাধীনতা আন্দোলনৰ বুৰঞ্জীৰ (BACK GROUND) একাংশ —

## ৰাজনৈতিক চেতনা

শ্ৰীযুক্ত মহাদেৱ শৰ্ম্মা।

স্বাধীনতা আন্দোলনৰ বুৰঞ্জীৰ পৰ্বতি ( মুখবন্ধ বা পাতনি ) স্বৰূপে যিখিনি কথা আগতে সঙ্কলন কৰা হৈছে তাৰপৰা এইটো কথা ফটফটীয়াকৈ দেখা যায় যে আমাৰ মানুহে অৱস্থাত পৰি স্বাধীনতা হেৰুৱালেও ততালিকে বশ্যতা স্বীকাৰ কৰা নাছিল। বিদেশী শাসনৰপৰা মুক্ত হবলৈ তেতিয়াই তেতিয়াই চেষ্টা কৰিছিল। কিন্তু কৃতকাৰ্য্য হব নোৱাৰিলে। আনহাতে সু চতুৰ বৃটিছ জাতিয়েও আমাৰ দেশখন অধিকাৰ কৰাৰ লগে লগে সিবিলাকৰ ধৰণৰ শাসন পদ্ধতি একেদিনাই প্ৰৱৰ্ত্তন কৰা নাছিল। অসম ৰজাৰ দিনত প্ৰচলিত নিয়ম কানুন, ৰাজ-নীতি আদৱ কায়দা ৰাখিয়েই আৰু পুৰণি বিষয়া সকলক যিখিনি পাৰে বিষয় বাব দি দেশৰ শাসনকাৰ্য্য আৰম্ভ কৰিলে। দিন পুৰণি হৈ অহাৰ লগে লগে দূৰদৰ্শী শাসক সম্প্ৰদায়ে নিজৰ সুবিধাৰ কাৰণে লাহে লাহে হাত ফুৰাই কেনে চতুৰালিৰে আমাক বশ, শেহত সিবিলাকৰ পূৰ্ণ সমৰ্থনকাৰী পৰ্য্যন্ত কৰি ললে, অলপ মন দি কাৰ্য্য প্ৰণালীবোৰ চাই গলেই বুজা যায়।

মোৰ বোধেৰে বিজেতা ইংৰাজৰ শিক্ষা নীতিয়েই আন সকলো বিধানতকৈ বিশেষ কৃতকাৰ্য্য হৈছিল। ভাবিলে আচৰিত হব

নালাগেনে বাৰু— সেই নীতিয়ে আমাক এনেকুৱা কৰি পেলালে যে আমি নিজকে ঘিণ কৰিবলৈ শিকিলোঁ,— নিজৰ সভ্যতা, নিজৰ কৃষ্টি, নিজৰ ধৰ্ম্ম, নিজৰ আচাৰ-ব্যৱহাৰ সকলো নিকৃষ্ট। উৎকৃষ্ট বা অনুকৰণীয় সেই পাশ্চাত্য শিক্ষা আৰু সভ্যতা। মুঠতে আমাক " নিজ বাসভূমে পৰবাসী " কৰি তুলিলে। আমাৰ ভিতৰৰ-পৰা জাতীয়তা বোধ যেন একেবাৰে লোপ পালে। এনে বোধৰ অভাৱতহে আমি প্ৰকৃত দীনহীন হলোঁ, মনুষ্যত্বৰ একেবাৰেই তলখাপত পৰিলোঁ। অকল পাৰ্থিৱ সম্পদৰ অভাৱত মানুহ ইমান তললৈ নাযায়। জ্ঞান লাভ কৰি জগতত মনুষ্যত্ব পাবলৈ আমাৰ আকাঙ্খাৰ পৰিবৰ্ত্তে হ'ল স্কুল কলেজত পঢ়ি জীৱিকাৰ পথ মুকলি কৰি চাকৰী কৰিবৰ বাবে উপযুক্ত হোৱা। অৱশ্যে শাসক সম্প্ৰদায়ে বিচৰাৰ দৰে আমি শিক্ষা লাভ কৰি চাকৰিয়াল হবৰ যোগ্যতা লাভ কৰিলোঁ— কিন্তু সমাজত পালোঁ একেবাৰে অকামিলা এদল আকাশীলতা। অৰ্থাৎ আমাৰ স্বভাৱ হ'ল পৰৰ হাতলৈ চোৱা আৰু দস্তুৰ হ'ল " পৰৰ মূৰত খাওঁ ভটীয়া পানীত যাওঁ।" লগতে জাতীয় চেতনা প্ৰায় সম্পূৰ্ণ বিলোপ। এই অৱস্থাত যেতিয়া জাতীয়তাবোধ আমাৰ নোহোৱা হ'ল তেতিয়া আমাক চিৰকালৰ কাৰণে কৰ্কাল তুলিব নোৱাৰা কৰি শাসকবৰ্গই বিস্তাৰ কৰিলে ভেদ-নীতি। এই ভেদ-নীতিৰ চৰম ফল সাম্প্ৰদায়িক দাঙ্গা হাঙ্গামা আৰু শেষত দেশ বিভাজন, অখণ্ড ভাৰত খণ্ডিত হৈ পৰিল, হিন্দুস্থান আৰু পাকিস্তান। ভেদ নীতিৰ ফলত দেখা দিয়া চৰম দুৰ্গতি হিচাপে যেতিয়া আমি এটা সাধাৰণ চাকৰী পাবলৈকো সাম্প্ৰদায়িক হিচাপে ঈৰ্ষান্বিত হব লগাত পৰিল সেই অধঃপতনৰ পিচত প্ৰতিক্ৰিয়াই দেখা দিয়া আচৰিত একো নহয়। বৰং মানুহৰ স্বভাৱ জাত শক্তিত বিশ্বাস ৰাখি সেই অৱস্থাৰপৰা উদ্ধাৰ পাবলৈ চেষ্টা কৰা সমধিক যুক্তিযুক্ত ( স্বাভাবিক ) নহয়নে ?

উত্থান-পতন জগতৰ ৰীতি। কোনো জাতিয়েই চিৰকাল তলপৰি থাকিব নোৱাৰে। ব্যক্তি হিচাপে মানুহৰো স্বভাৱ ক্ৰমোন্নতি হে, অধঃপতিত অৱস্থাত পৰি থকাতো নহয়। আমাৰ দেশতো সেইদৰে অধঃপতনৰ পৰা নিজক মুক্ত কৰিবৰ চেষ্টা ক্ৰমে দেখা দিবলৈ ধৰিলে। আমাৰ দেশে একে দিনাই ৰাজনৈতিক বা অৰ্থনৈতিক স্বাধীনতা হেৰুৱা নাই। তাক হেৰুৱাৰৰ পিচতো একেদিনাই আমাৰ দেশে বশ্যতা স্বীকাৰ কৰা নাই। স্বাধীনতা লাভ কৰিবলৈ পোন প্ৰথম ৩০ বছৰে ক্ৰমাগত ছেগ বুজি ( ১৮২৮ চনৰপৰা ১৮৫৫ চনলৈকে ) স্বাধীনতা লাভ কৰিবলৈ চেষ্টা কৰিয়েই আছিল। কিন্তু ক্ৰমে যেন সেই তেজ চেঁচা পৰি আহিবলৈ ধৰিলে আৰু তেতিয়াহে আমাৰ ওপৰত বিদেশী শাসকৰ প্ৰভুত্ব নিগাজী হৈ প্ৰতিষ্ঠিত হ'ল। এই শাসনৰ তলত থাকি আমি ক্ৰমে আমাৰ মনুষ্যত্ব হেৰুৱাবলৈ ধৰিলোঁ। আমি সকলো প্ৰকাৰে পৰমুখাপেক্ষী হৈ পৰিলোঁ। সেই পৰমুখাপেক্ষীতাৰ পৰিমাণ বুজিবলৈ আমাৰ সৰহ সময় নালাগে। আমাৰ নিজৰ অৱস্থাৰ ফালে চালেই ওলাই পৰিব। আমি থকা, খোৱা, পিন্ধাউৰা, আনকি চলন ফিৰণতো পৰানুকৰণকাৰী, পৰমুখাপেক্ষী। পৰাধীন হোৱাৰ আগলৈকে আমি এই বিলাকত স্বাৱলম্বী নাছিলোনে ? তেন্তে এনে অৱস্থা আমাৰ মাজলৈ আহিল কেনেকৈ ?

বিদেশী শাসক সম্প্ৰদায়ে ইয়াত যিবোৰ কাৰণত স্থায়ীভাবে নিজৰ প্ৰভুত্ব আৰু প্ৰভাৱ বিস্তাৰ কৰিবলৈ পালে সেই দুৰ্ব্বলতাবিলাকৰ সুযোগত আমাৰ দেশ শাসনৰ নামত শোষণ চলাবলৈ সুচল পালে। ক্ৰমে আমি তামস ভাৱৰ অতল গৰ্ভলৈ নামি মনুষ্যত্ব হেৰুৱালোঁ। কিন্তু শাসনৰ যি বহিঃৰূপ তাত আমি ভাবিবই লগীয়া হ'ল যে, — " আমি ভালে আছোঁ।" অকল সেয়ে নহয়, শাসক শ্ৰেণীৰ লোকৰ গুণ গানতো পঞ্চমুখ। নহবইবা কিয় ? এতিয়াও সেই সময় ( মহাৰাজ ৰুদ্ৰ সিংহৰ পিচৰপৰা বৃটিছৰ আগমনলৈকে এই চোৱা কালৰ ) অৱৰ্ণনীয় অত্যাচাৰ, উৎপীড়ন, লুণ্ঠন, হত্যা প্ৰভৃতিৰ কথা মানুহে পাহৰিব পৰা নাই। দেশ যেন অৰাজক। তাৰ পাচত যেতিয়া স্থায়ী ভাবে এটি পৰিস্থিতিয়ে মানুহৰ মুখলৈ পানী অকণ আৰু ভৰসা দিয়ে স্থায়ী শান্তিৰ, তেতিয়া কিয় মানুহে এবাৰ উশাহ নলব ?

কিন্তু দুখেৰেই সত্যকথা কব লাগিব এই স্বস্তিৰ উশাহ লোৱা সংসাৰত হেৰুৱাব লগা হ'ল কেৱল মাত্ৰ সম্পদেই নহয় আমাৰ সভ্যতা আৰু কৃষ্টিৰ ওপৰতো হাত পৰিছিল। ৰাজনৈতিক স্বাধীনতাতো গলেই আগতে। এইটো নিশ্চিত যে এটা জাতি পৰপদানত হবলৈ তাৰ নিম্নতম প্ৰয়োজনীয় গুণখিনিও নোহোৱাত পৰিব লাগিব।

এটি জাতি কিন্তু অধঃপতনৰ চূড়ান্ত অৱস্থাত পৰিও কেতিয়াও বহি থাকিব নোৱাৰে। তাৰপৰা উদ্ধাৰ পাবলৈ চেষ্টা কৰাই তাৰ পক্ষে বৰং স্বাভাৱিক। গতিকে প্ৰয়োজন সময়ত যেতিয়া নিজৰ অসহায় অৱস্থাৰ কথা গম পায় তেতিয়াই সেই অস্বাভাৱিক অৱস্থাৰপৰা উদ্ধাৰ পাবলৈ মানুহে চেষ্টা কৰে। এই চেষ্টা সেই চেতনাৰে এটি বিকাশ বা তাৰ ৰূপ। উদাহৰণ স্বৰূপে ধৰক আমাক পৰাধীন কৰাৰ লগে লগে আইনৰ বলেৰে আমাক কৰিলে নিৰস্ত্ৰ। এই নিৰস্ত্ৰকৰণে যেতিয়া অসহায় ভাৱে আমাৰ হাজাৰ হাজাৰ মানুহ গুলি কৰি প্ৰতিপক্ষই বধ কৰে সেই সময়ত মানুহৰ মনলৈ কেনে ভাব আহিব পাৰে ? তেনে অসহায় অৱস্থাৰ পৰা উদ্ধাৰ পাবলৈ চেষ্টা কৰাহে বৰং স্বাভাবিক। এয়ে চেষ্টাৰ আগ্ৰহ। ইয়েই চেতনা প্ৰসূত।

এইটো সঁচা যে আমাৰ প্ৰদেশে ভাৰতৰ আন সকলো প্ৰদেশতকৈ পিচতহে স্বাধীনতা হেৰুৱাইছে। প্ৰাকৃতিক অধিষ্ঠানো যে তাৰ বাবে কিছু পৰিমাণে দায়ী সেইটো অস্বীকাৰ কৰিব নোৱাৰি। আকৌ আন-ফালে এইটোও মানিব লগাত পৰে যে এই প্ৰাকৃতিক অধিষ্ঠানৰ বাবে ইয়াৰ মানুহবিলাক কৰ্ম্মঠ আৰু স্বাধীন চিতীয়া আছিল। কিন্তু স্বাধীনতা হেৰুৱাত আমাৰ অলপ বিশেষত্ব আছিল ; সেইটো হ'ল ৰাজনৈতিক আৰু আন অধিকাৰৰ লগত আমাৰ ভাষাৰো স্বতন্ত্ৰ লোপ পাইছিল। ইং ১৮৩৬ চনত আমাৰ প্ৰদেশত স্কুল আৰু অফিচ বা কছাৰী ঘৰত অসমীয়া ভাষা নহৈ বঙ্গ ভাষাৰ প্ৰচলন কৰি শাসনকৰ্ত্তা সকলে ঘোষণা কৰিছিল। অৰ্থাৎ আমি ৰাজনৈতিক স্বাধীনতাতো হেৰুৱালোঁৱেই এনেকি নিজ মাতৃভাষা প্ৰচলন বা শিকাৰ পৰাও বঞ্চিত হব লগা হ'ল! ভাৰতৰ আন কোনো প্ৰদেশেই এনে অস্বাভাৱিক অৱস্থাত পৰা নাছিল এনে অস্বাভাৱিক অৱস্থাৰপৰা উদ্ধাৰ পাবলৈকে আমাৰ আকৌ কিমান চেষ্টা কৰিব লগাত পৰিছিল, কিমান শক্তি ক্ষয় হৈছিল ?

এনে হবৰ কাৰণ অনুসন্ধান কৰি " অসমীয়া ভাষা আৰু সাহিত্যৰ বুৰঞ্জী " লিখক স্বৰ্গীয় দেবেন্দ্ৰ নাথ বেজবৰুৱাই

এইদৰে লিখিছে ; " আহোম ৰাজত্বৰ শেষ ভাগৰ কালত ভাষাই বিশেষ আগ বাঢ়িব নোৱাৰিছিল। দেশত সদায় মৰা মৰি, কটা-কটি ; শান্তিৰ নাম মাত্ৰহে আছিল। আৰু যি এফেৰা আছিল মানৰ তিনি বাৰ আক্ৰমণত বিশেষতঃ তৃতীয় বাৰ আক্ৰমণত সিও চাৰখাৰ হ'ল। ......... ভাষা সমাজ সকলোবোৰ বিশৃঙ্খল হ'ল। এনেকুৱা হোৱা ভাষাক ইংৰাজ গৱৰ্ণমেণ্টে পাই আকৌ ঠন ধৰোৱালে, কিন্তু অসমীয়া ভাষাই সৰহ দিন এনে আদৰ নাপালে। ইংৰাজ অসম দেশ ললতে অসমৰ আদালত বঙালীৰে ভৰি পৰিল। অসম আৰু বঙ্গদেশৰ ভিতৰত সেই সময়ত অহা যোৱাৰ সুবিধা নাছিল আৰু বঙ্গালী সকলে অসমলৈ আহি চাকৰি লৈ একোজন প্ৰত্নতত্ত্ববিদ্ ভাষা তত্ত্ববিদ্ পণ্ডিত হৈ নতুনকৈ অহা ইংৰাজ সকলক অসমীয়া ভাষা এটা বেলেগ ভাষা নহয়, বঙ্গলা ভাষাৰ চহা অৱস্থা বুলি বুজাই ১৮৩৬ খৃ.ত অসমীয়া ভাষা আদালতৰপৰা উঠাই তাৰ ঠাইত বঙ্গলা ভাষাক বহুৱালে। ইংৰাজ সকলে সাধাৰণ শিক্ষা বহলাই মানুহক জ্ঞানৰ বাটলৈ আনিবলৈ চেষ্টা কৰিলে। ইংৰাজে সেই সময়ত অসমীয়া নাজানিছিল আৰু বঙালীক কটকী পাতি অসমীয়া ভাষাৰ ভু লৈছিল। বঙ্গালী সকলে এই সুবিধা পাই চাহাব সকলক নানা উপায়েৰে বুজাই অসমৰ আদালত আৰু পঢ়াশালীৰ পৰা অসমীয়া ভাষাক খেদালে। জাকে জাকে বঙালী কেৰাণী আৰু বঙালী স্কুল মাষ্টৰ অসম পালেহি কিন্তু ইফালে তেতিয়া অসমীয়া মানুহৰ গাত ভাষা খাইনে কাণত পিন্ধে একো খবৰ নহ'ল। অসমীয়া ভাষাৰ ঠাইত বঙলা ভাষা সুমুৱাত অসমীয়াৰ বহুত হানি হ'ল। অসমীয়া ভাষা পঢ়াশালীত আৰু আদালতত নথকা বাবে বহুত অসমীয়া মানুহে বঙলা ভাষাৰে কাম চলাব নোৱাৰি আদালত আৰু স্কুলৰপৰা বিদায় লৈছিল আৰু জীৱিকা অৰ্জনত বহুত বিখিনি হৈছিল। শিক্ষা বিষয়তো অসমীয়া মানুহে বঞ্চিত হৈ আনৰ তুলনাত পিচ পৰিব লগা হৈছিল।

* * *

কিন্তু অসমীয়া সাত পুৰুষীয়া ভাষাৰ মুক্তিৰ অৰ্থে এনে সময়তে অৰ্থাৎ ১৮৩৮ খৃঃত আমেৰিকাৰ বিখ্যাত বেপ্টিষ্ট মিচন চোচাইটিৰ সভ্য সকল অসমত সোমালহি। আকৌ অসমীয়া ভাষাৰ কপাল মুকলি হবৰ আগন্তুক হ'ল। তেওঁবিলাকে ঠিৰাং কৰি জানিলে যে অসমীয়া ভাষাৰ আশ্ৰয় নহলে অসমীয়াৰ হিয়াত খৃষ্টধৰ্ম্মৰ গুটি কেতিয়াও পচাব নোৱাৰে আৰু উদাৰ পাদুৰী চাহাব সকলে নিজৰ বুকৰপৰা মাতৃভাষা কাঢ়ি নিয়া কিমান হৃদয় বিদাৰক কথা এইটো ভালকৈ টং কৰি চালে।

এইদৰে স্বাৰ্থৰ ফালৰপৰা হলেও প্ৰথমেই এই মিচনাৰী সকলেই যে অসমীয়া ভাষাৰ পুনৰোদ্ধাৰৰ অৰ্থে চেষ্টা কৰিছিল সেই বিষয়ে সন্দেহ নাই। তেওঁবিলাকে ছপাখানা আনি অসমীয়া ভাষাৰ কাকত উলিয়ালে, বাইবেলৰ অসমীয়া ভাঙনি ছপা কৰি উলিয়ালে, ব্যাকৰণ লিখিলে ব্ৰাউন চাহাবে ১৮৪৮ চনত ; অৰুণোদই প্ৰথম কাকত প্ৰকাশ কৰে ১৮৪৬ খৃ:ত। এনেকি ব্ৰনচন চাহাবে ১৮৪৬ খৃঃত অসমীয়া ইংৰাজী অভিধান প্ৰভৃতি প্ৰকাশ কৰিলে। পৰোপকাৰী পাদুৰী সকলে এইদৰে অসমীয়া ভাষাত ব্যাকৰণ, অভিধান, মাহেকীয়া কাকত উলিয়াই অসমীয়া সাহিত্য ভৰালক অনেক গুণে চহকী কৰিলে। ১৮৬৪ খৃঃত মিচেচ



ওৱাৰ্ডে ইংৰাজী আৰু অসমীয়া শব্দকোষ নামে এখনি পুথি প্ৰকাশ কৰিছিল।

" পাদুৰী সকলে যে অকল অসমীয়া পুথি লিখি ক্ষান্ত আছিল এনে নহয়। তেওঁবিলাকে ইংৰাজী অসমীয়া প্ৰবন্ধ ( বাতৰি কাকতত) লিখি অসমীয়া ভাষা এটি স্বতন্ত্ৰীয়া ভাষা বুলি গৱৰ্ণমেণ্টৰ আগত জনালে আৰু অসমীয়াৰ বুকুৰপৰা অসমীয়া ভাষাক কাঢ়ি নিয়াত কিমান ক্ষতি হৈছে এই কথাও গৱৰ্ণমেণ্টক বুজাই দিলে। মিচনাৰী সকলৰ লগতে সেই কালত প্ৰাতঃস্মৰণীয় পুৰুষ ৺আনন্দৰাম ঢেকিয়াল ফুকনেও অসমীয়া ভাষাৰ হকে মাতি উঠে। ১৮৩৯ খৃঃত যদুৰাম বৰুৱাই অসমীয়া আৰু বঙালী ভাষাত এখন অভিধান লিখে। ১৮৪৪ খৃঃত ৰাধা নাথ বৰবৰুৱা আৰু কাশীনাথ তামুলী ফুকনে অসমৰ বুৰঞ্জী লিখে। ১৮৪৯ খৃঃত আনন্দৰাম ঢেকিয়াল ফুকনে " লৰা-মিত্ৰ " লিখে। এইবিলাকৰ ফলত আৰু ১৮৭৪ খৃঃত অসম যেতিয়া বঙ্গদেশৰ শাসন কৰ্ত্তাৰ তলৰপৰা চিফ কমিচনাৰৰ অধীনত হ'ল প্ৰায় তেতিয়াৰ পৰা বঙালী ভাষাৰ ঠাইত অসমীয়া ভাষা স্থাপিত হ'ল। ইয়াৰ পিচত গুৱাহাটীত হেম চন্দ্ৰ বৰুৱা আৰু নগাওঁত ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰে অসমীয়া ভাষাত অভিধান, ব্যাকৰণ, বুৰঞ্জী আদি লিখি অসমীয়া ভাষা টনকিয়াল কৰিলে। ইবিলাকৰ চেষ্টাত " আসাম নিউজ " আৰু " আসাম বন্ধু " নামৰ সাদিনীয়া আৰু মাহেকীয়া কাকত প্ৰকাশ পাইছিল।

বঙালী ভাষাৰ গৰাহৰপৰা অসমীয়া ভাষা উদ্ধাৰ কৰিবলৈ যত্ন কৰোঁতে পাদুৰী সকলে ভাষাক এটা নতুন ভাঁজ দি আমাক এটা নতুন ঠাঁচ শিকাই গ'ল। তেওঁলোকে পাশ্চাত্য সভ্যতা আৰু ভাৰতবৰ্ষীয় সভ্যতা দুইৰো সুৰ মিলাই এটি নতুন সুৰ বান্ধি থৈ গ'ল আৰু তাক আজিও প্ৰত্যেক অসমীয়া লেখকৰ লেখাত পোৱা যায়। ......এইটো কেৱল পাদুৰী সকলৰ যহত। পাদুৰী চাহাবৰ লগত অসমীয়া ভাষাৰ হকে যুজ কৰোঁতে জন চেৰেক দেশীয় লোকেও মুখ মেলিবলৈ ধৰিলে। সেই কিজনৰ ভিতৰত ঘাই হৈছে স্বৰ্গীয় আনন্দৰাম ঢেকিয়াল ফুকন। আমাৰ পৰম দুৰ্ভাগ্য যে এখেত নিচেই কম বয়সতে অৰ্থাৎ ৩১ বছৰ বয়সত স্বৰ্গী হ'ল। ইয়াৰ ভিতৰত তেখেতে যিখিনি কাম কৰি গ'ল সেই বিষয়ে শলাগ লৈ কৰ্ণেল হপ্‌কিনচন চাহাবে লিখি গৈছে।— "বঙ্গদেশত ৰাজা ৰাম মোহন ৰায় যেনে অসমৰ আনন্দৰাম ফুকনো তেনে ; কিন্তু এই দুই দেশৰ অৱস্থাৰ প্ৰভেদ লৈ আৰু আনন্দৰাম ফুকনৰ নিজৰ উন্নতিৰ নিমিত্তে যিমান অসুবিধা আছিল তালৈ চাই তেওঁক ৰামমোহন ৰায়তকৈ অসাধাৰণ বোলা উচিত।" আচলতে ৰামমোহন ৰায়ৰ ওচৰত বঙ্গভাষা যিমান ধৰুৱা অসমীয়া ভাষাও আনন্দৰাম ফুকনৰ ওচৰত সিমান ধৰুৱা। তেওঁৰ পিচতে অসমীয়া ভাষাৰ উন্নতিৰ অৰ্থে যত্ন কৰোঁতা যদুৰাম ডেকা বৰুৱা ফুকনেই। এই ডেকা বৰুৱাই লিখা অভিধান খনিৰ বিষয়ে মন্তব্য কৰিছিল— " যদুৰাম বৰুৱাৰ অভিধানখনি এখনি বৰ ডাঙৰ অভিধান আৰু ইয়াত প্ৰায় সকলোবোৰ শব্দ পোৱা যায়।"

এইদৰে সকলো ফালৰপৰাই চেষ্টাৰ ফলত লাহে লাহে গৱৰ্ণমেণ্টে আকৌ অসমীয়া ভাষাৰ ফালে ঢাল ললে। শেহত বঙ্গদেশৰ ছুৱলীয়া লাট চাৰ জৰ্জ্জ কেম্বেল চাহাবে ১৮৭১ খৃঃত পঢ়াশালী আৰু আদালতৰপৰা বঙালী ভাষা গুচাই তাৰ ঠাইত অসমীয়া ভাষাক আকৌ থাপিলে। তেতিয়াৰপৰা অসমীয়া লেখাক সকলে

অসমীয়া ভাষাত লিখিবলৈ উৎসাহ পালে।

তেতিয়াৰ দিনত কেনেকৈ ভাষাবিদ্ বিদেশী পণ্ডিত সকল আৰু আমাৰ ভিতৰতো যোগ্য লোক সকলৰ সহায়ত ক্ৰমে অসমীয়া ভাষাৰ সাহিত্য পুষ্ট হৈ আহিল বৰ্ণনাৰ ঠাই ই নহয়। কিন্তু কৃতজ্ঞ অন্তৰেৰে এটি কথা উল্লেখ নকৰি নোৱাৰি যে সেই চাৰ জৰ্জ্জ কেম্বেল চাহাবেই ১৮৭৪ খৃঃত বেঙ্গল চেক্ৰেটৰীয়েত প্ৰেছৰ পৰা "ভাৰতবৰ্ষৰ ভাষাবিলাকৰ নমুনা" নামে এখনি পুথি প্ৰকাশ কৰে আৰু এই পুথিত অসমীয়া ভাষাৰ বিষয়েও উল্লেখ আছে। ১৮৯৪ খৃঃত প্ৰকাশিত নিকলস্ চাহাবৰ ব্যাকৰণ এখনি সুন্দৰ কিতাপ আৰু ১৮৯৬ চনত "কলিকতা ৰিভিউ" নামে কাকতত "অসমীয়া আৰু বঙলা ভাষা" নামেৰে এটি প্ৰবন্ধ ওলায়। তাত অসমীয়া এটা স্বতন্ত্ৰীয়া পৃথক ভাষা এই কথা ভালকৈ প্ৰমাণ কৰিছে।

অসমীয়া ভাষাৰ পুনৰুদ্ধাৰ সম্পৰ্কে এটি কথাৰ উল্লেখ নকৰিলে কথাখিনি পূৰ্ণ নহয়। সেইটি হ'ল কলিকতা প্ৰবাসী অসমীয়া ছাত্ৰ সকলৰ দ্বাৰা ১৮৮৮ চনৰ ১৫ আগষ্ট তাৰিখে "অসমীয়া ভাষাৰ উন্নতি সাধনী সভা" নাম দি এটি অনুষ্ঠানৰ স্থাপন। যি উদ্দেশ্যেৰে আৰু দেশমাতৃকাৰ উন্নতিৰ আকাংক্ষাৰে এই সভা পত্তন কৰিছিল সেই কথাখিনি ইয়াত তুলি দিলেই তেতিয়াৰ অৱস্থা আৰু আমাৰ কৰ্ত্তব্য সম্বন্ধে সকলো কথা ওলাই পৰিব।

এই সভাৰ উদ্দেশ্য কি তাক জানিবৰ নিমিত্তে সভাৰ কাৰ্য্য বিৱৰণীৰপৰা শাৰী-দিয়েক তুলি দিয়া হ'ল— "অসমৰ সকলোবিধ পঢ়াশালীতে যাতে অসমীয়া ভাষা প্ৰচলিত কৰা হয় আৰু অসমীয়া লৰা-ছোৱালীয়ে যাতে নিজ নিজ ভাষা শুকলমে পঢ়িবলৈ পায় তাৰ নিমিত্তে অসমৰ শিক্ষা বিভাগৰ অধিকাৰ (কৰ্ত্তৃপক্ষ) সকলৰ মনোযোগ আকৰ্ষণ কৰিবলৈ; লেখাপঢ়া কাৰ্য্যত অশুদ্ধ ব্যাকৰণ, অশুদ্ধ বৰ্ণবিন্যাস, ক্ৰমে লোপ কৰি তাৰ স্থলত শুদ্ধ ভাষা ব্যৱহাৰ কৰিবলৈ; পঢ়াশালী আদিত দূষিত ভাষাৰ পুথিৰ সলনি শুদ্ধ ভাষাৰ পুথি চলাবৰ নিমিত্তে আন্দোলন কৰিবলৈ; শ্ৰীধৰ কন্দলি, শঙ্কৰদেৱ আদি পুৰণি গ্ৰন্থকাৰ আৰু কবি সকলৰ জীৱনী আৰু তেওঁবিলাকে লেখা পুথিবিলাকৰ টান টান ভাগৰ টীকা টিপ্পনী লেখিবলৈ আৰু দোষ গুণ আলচ কৰিবলৈ; আমাৰ ভাষাত নোহোৱা লাগতিয়াল পুথিবিলাকৰ সংস্কৃত বা আন ভাষাৰ পৰা অনুবাদ কৰি বা সংক্ষিপ্ত সাৰ সংগ্ৰহ কৰি আমাৰ ভাষালৈ আনিবলৈ ...... অসমৰ ইতৰ সাধাৰণ লোকৰ সকলো শ্ৰেণী মানুহৰ ভিতৰত যাতে লেখাপঢ়াৰ চৰ্চ্চা হয়, তাৰ নিমিত্তে উজু উপায় উলিয়াবলৈ। বাতৰি কাকতৰ প্ৰতি আগ্ৰহ বঢ়াবলৈ আৰু অসমৰ সকলো অঞ্চলতে এটা মাত্ৰ লিখিত ভাষাৰ সৃষ্টি কৰিবলৈ এই সভাৰ যত্ন থাকিব।" প্ৰকৃত পক্ষে এই সভাই যি সঙ্কল্প কৰিছিল তাক পাৰ্য্যমানে সাধিছিল। এই সভাৰ সৃষ্টিৰ দিনৰ পৰা অসমীয়া সাহিত্যৰ এটা নতুন যুগ আৰম্ভ হ'ল বুলি ধৰিব পাৰি।

অসমীয়া সাহিত্যৰ উন্নতিৰ অৰ্থে নিজ কৰ্ম্ম শক্তি সংযত ভাবে প্ৰয়োগ কৰিবলৈ উপায় স্বৰূপ ১৮৮৯ খৃঃৰ পৰাই "জোনাকী" নামে এখনি মাহেকীয়া আলোচনী কাকত প্ৰকাশ কৰে। ৭।৮ বছৰ এই কাকত কলিকতাৰ অঃ, ভাঃ, উঃ, সাঃ, সভাৰ পৰাই প্ৰকাশিত হৈছিল। ই প্ৰবন্ধ সম্ভাৰেৰে উন্নত ধৰণৰ কাকত আছিল আৰু



খ্যাতনামা সকলো সাহিত্যিকেই ইয়াত যোগ দিছিল।

যি সকল প্ৰবাসী ছাত্ৰৰ যত্নত এই উন্নতি সাধিনী সভাৰ জন্ম হৈছিল, যি সকলে পঢ়া শেষ কৰি নিজ নিজ ঠাইলৈ সময়ত ঘূৰি আহি থিতাপি ললে, সি সকলে এই সভাৰ কাৰ্য্যকাৰিতা গুণ দেখা পাই অসমৰ প্ৰতি ঠাইত একোখন শাখা সভা স্থাপন কৰিলে, তাৰ জৰীয়তে আমাৰ দেশৰ সাহিত্য সাধনাৰ ক্ষেত্ৰ বৰ্দ্ধিত হৈ ক্ৰমে অভাৱ পূৰণ কৰিবলৈ ধৰিলে।

এইটো কথা সঁচা যে চাৰ জৰ্জ্জ কেম্বেল চাহাবে ১৭৭১ চনতে যদিও অসমীয়া ভাষা স্কুল আৰু আদালতত চলাব লাগে বুলি হুকুম দিলে তথাপি সেই হুকুম মতে কাৰ্য্য হবলৈ অৰ্থাৎ সকলোতে অসমীয়া চলন হবলৈ বহুত সময় লাগিছিল। স্কুল-বিলাকত ১৯০১।১৯০২ চনলৈকে বঙলা ভাষা চলিয়েই আছিল ঠাই বিশেষত। কিন্তু কলিকতা বিশ্ববিদ্যালয়ে যেতিয়া অসমীয়া ভাষাক স্বতন্ত্ৰ ভাষাৰূপে গ্ৰহণ কৰি একেবাৰে বি, এ পৰ্য্যন্ত পঢ়াৰ অধিকাৰ দিলে তেতিয়াৰ পৰাহে ই সৰ্ব্বত্ৰ জোৰেৰে চলিবলৈ ধৰিলে। একেবাৰে শেষত ই এম, এ উপাধী পৰ্য্যন্ত পৰীক্ষা দিবৰ অধিকাৰ পালে কলিকতা বিশ্ববিদ্যালয়ৰ বিধান ক্ৰমে। এই বিধান প্ৰৱৰ্ত্তনৰ গুৰিত আছিল পণ্ডিত আৰু উদাৰমনা চাৰ আশুতোষ মুখোপাধ্যায়ৰ চেষ্টা। তেখেতৰ দিনত কিন্তু বি, এ অনাৰ্চ পৰীক্ষালৈকেহে অসমীয়া ভাষা চলাব পাৰিলে আৰু তেখেতৰ সুযোগ্য পুত্ৰৰ দিনত এম, এ পৰীক্ষালৈকে ইয়াক স্বীকাৰ কৰি লোৱা হ'ল।

মুঠতে কটন কলেজৰ প্ৰিন্সিপেল মিঃ চুদমাচন চাহাবৰ অসমীয়া আৰু বঙালী ভাষা সম্পৰ্কীয় "টোকা" নামে কিতাপত লিখা কথা কিমান সঁচা? তেখেতে এঠাইত লিখিছে,– "বঙালী ভাষা চৰকাৰী অফিচ-বিলাকত প্ৰায়ে ৫০ বছৰ মান চলোৱা হৈছিল। এনেকুৱা হোৱা অৱশ্যে এটা ভাষাৰ কাৰণে অমঙ্গলজনক। এই ভাষাটো জীয়াই ৰাখিবৰ কাৰণে অসমীয়াই বৰ বাদ কৰিব লগীয়া হৈছিল।"

এটা জাতি হিচাপে উন্নতি কৰিবলৈ যিবোৰ উপাদানৰ প্ৰয়োজন তাৰ ভিতৰত ভাষাই প্ৰধান। গতিকে আমাৰ জাতীয় জাগৰণ হিচাপে কোনো কথাৰ সম্ভেদ লওঁতে ভাষাৰ কথাও আহি পৰে। এতেকে অলপ সাধাৰণ ভাবেও এই ভাষাৰ সম্পৰ্কে যি বিশেষত্ব আমাৰ প্ৰদেশৰ কাৰণে সংঘটিত হৈছিল সম্প্ৰতি তাৰ উল্লেখ কৰা হ'ল।



# অসমীয়া উপন্যাস

( আলোচনা )

শ্ৰীযুক্ত ফণী তালুকদাৰ, এম. এ ।

পাশ্চাত্য সাহিত্যৰ অধ্যয়ন আৰু অনুকৰণতেই অসমীয়া উপন্যাসৰ সৃষ্টি। স্বৰ্গীয় ৰজনীকান্ত বৰদলৈ ডাঙৰীয়ায়ো স্বীকাৰ কৰিছে যে কলেজত থাকোঁতে Sir Walter Scottৰ নভেলবোৰে তেখেতক উপন্যাস লিখিবলৈ প্ৰেৰণা যোগায়। তেখেতে 'দন্দুৱাদ্ৰোহৰ' পাতনিত লিখিছে যে Scottৰ উপন্যাসবোৰ পঢ়ি তেখেতে মনতে ভাবিছিল— "হায় মোৰ অসম জননী, তুমি কেনে প্ৰকৃতিৰ কাম্য কানন। তোমাৰ কোলাত Scotlandৰ দৰে Highland, Lowland, Hills, Dales, Lakes সকলোবিলাক আছে। তোমাৰ অতীতকালৰ বুৰঞ্জী নানা ঘটনাৰে পৰিপূৰ্ণ ; কিন্তু তোমাক এই সমস্ত স্বাভাৱিক সৌন্দৰ্য্য বৰ্ণাবলৈ, অতীতৰ বুৰঞ্জীৰ উপন্যাস লিখিবলৈ Sir Walter Scott ৰ নিচিনা বা ৺বঙ্কিম চেটাৰ্জ্জীৰ দৰে উপন্যাস-কাৰক প্ৰতিভাশালী সাহিত্যিক কত ?"— বৰদলৈদেৱে এনেদৰে আক্ষেপ কৰিয়েই ক্ষান্ত থকা নাছিল। দুখুনী অসমীৰ সাহিত্যৰ ভঁড়াল টনকিয়াল কৰিবলৈ তেখেতে দৃঢ়-প্ৰতিজ্ঞ হৈছিল ; আৰু চৰকাৰী কামৰ হেঁচাৰ মাজতো ৮খন মনোগ্ৰাহী উপন্যাস ৰচনা কৰিছিল। সেয়েহে অসমীয়া উপন্যাসৰ কথা ওলালেই ৺ৰজনীকান্ত বৰদলৈদেৱৰ নাম পোণতে মনলৈ আহে।

অৱশ্যে বৰদলৈদেৱৰ সমসাময়িক কালত ৺লক্ষ্মীনাথ বেজবৰুৱা আৰু ৺পদ্মনাথ গোহাঁই বৰুৱাইও উপন্যাস লিখাত হাত নিদিয়াকৈ থকা নাছিল। কিন্তু সাহিত্যৰথীৰ আহোম ৰাজত্বৰ পটভূমিত লিখা একমাত্ৰ উপন্যাস 'পদুমকুঁৱৰী' আৰু ৺গোহাঁই বৰুৱাৰ দুখনি ঘৰুৱা সামাজিক উপন্যাস 'লাহৰী' আৰু 'ভানুমতী'ক আনি বৰদলৈদেৱৰ উপন্যাস কেইখনৰ শাৰীত থব নোৱাৰোঁ। প্ৰত্যেক সাহিত্যিকৰে প্ৰকাশভঙ্গী বেলেগ আৰু বিশেষ এটা প্ৰকাশৰ মাধ্যমত ( Medium of expression ) তেওঁ কৃতিত্ব লাভ কৰিব পাৰে। বোধ হয় তেনে ধৰণৰ বৈশিষ্টৰ কাৰণেই বৰদলৈদেৱে উপন্যাস লিখাত যি কৃতিত্ব লাভ কৰিছিল,— ৰসৰাজ বেজবৰুৱা বা সাহিত্যিক গোহাঁই বৰুৱাই সেইখিনি পাব পৰা নাছিল। আনহাতে এখেত সকলৰ আগতে ৺পদ্মাৱতী দেৱী ফুকননীয়ে 'সুধৰ্ম্মাৰ উপাখ্যান' আৰু তাৰো আগতে ১৮৭৭ চনত শিৱসাগৰৰ মিচনাৰীসকলে "কামিনীকান্ত" নামৰ উপন্যাস ছপা কৰি উলিয়াইছিল। পিচে বিষয়বস্তু, প্ৰকাশভঙ্গী, চৰিত্ৰ সৃষ্টি আদিৰ পৰা লক্ষ্য কৰিলে এই দুয়োখনক প্ৰকৃত উপন্যাস বুলি কব নোৱাৰি। 'সুধৰ্ম্মাৰ উপখ্যানক' এটি দীঘলীয়া গল্প আৰু 'কামিনীকান্তক' খ্ৰীষ্টৰ মহিমাৰ প্ৰচাৰ-পুস্তিকা বুলিলেও ভুল কোৱা নহব। 'কামিনীকান্ত'ৰ বিষয়ে এযাৰ উল্লেকিয়াই থোৱা উচিত হব, কাৰণ এতিয়ালৈকে প্ৰায়বোৰ লিখকে 'সুধৰ্ম্মাৰ উপাখ্যানক'হে



প্ৰথম অসমীয়া উপন্যাস বুলি কয়। আচলতে 'কামিনীকান্ত'হে প্ৰথম অসমীয়া ভাষাত ছপা হোৱা তথাকথিত উপন্যাস। 'কামিনীকান্ত' উপন্যাসত লিখকৰ নাম পোৱা নেযায়। নায়ক কামিনীকান্তই খ্ৰীষ্টধৰ্ম্ম গ্ৰহণ কৰিও কেনেকৈ প্ৰেমিকা সৰলাক পাহৰিব পৰা নাছিল, কেনেকৈ তেওঁ সৰলালৈ চিঠি লিখি খ্ৰীষ্টধৰ্ম্মৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰিবলৈ চেষ্টা কৰিছিল, সৰলাই কেনেকৈ পোণতে হিন্দুধৰ্ম্মৰ প্ৰতি অচলাভক্তি থকা স্বত্বেও লাহে লাহে কামিনীকান্তৰ যুক্তিৰ ওচৰত সেও হৈ খৃষ্টীয়ান হল,— এয়ে আছিল উপন্যাসখনিৰ কাহিনী। নায়ক, নায়িকা, আন চৰিত্ৰবোৰ আৰু পটভূমি বঙ্গদেশীয় আছিল, মাত্ৰ কিতাপখনৰ ভাষা আছিল অসমীয়া। এইবোৰলৈ চাই কিতাপখন বঙ্গদেশতে লিখা যেন লাগে। সি যিকি নহওক, কামিনীকান্তকেই অসমীয়া ভাষাত উপন্যাস লিখাৰ প্ৰথম প্ৰয়াস বুলি কব লাগিব। তেনেকৈ চাবলৈ হ'লে,— অসমীয়া উপন্যাস অকল পাশ্চাত্য সাহিত্যৰ অধ্যয়ন আৰু অনুকৰণতেই যে সৃষ্টি এনে নহয়,— ইয়াক লিখাৰ প্ৰথম পথপ্ৰদৰ্শক পাশ্চাত্য মিশ্যনাৰীসকল।

প্ৰকৃতি আৰু সমাজৰ পটভূমিত ব্যক্তিৰ গতিশীল স্থিতিৰ ক্ৰিয়া-প্ৰতিক্ৰিয়া, সংগ্ৰাম-সংঘাত, জয়-পৰাজয়, জীৱন-মৃত্যু আদিৰ ছবি সহজ সৰল সাৱলীল ভাষাত ৰূপদান কৰাই হ'ল উপন্যাসৰ উদ্দেশ্য। এই ৰূপদান কাৰ্যত ৰূপদাতা তথা ঔপন্যাসিকৰ ব্যক্তিগত জীৱন-দৰ্শন আৰু জীৱনানুভূতিয়ে এটি মুখ্য ভাও অভিনয় কৰে। Henry James ৰ ভাষাত " A noval is a personal, a direct impression of life." ঔপন্যাসিক-জন হ'ল এই বিশেষ ব্যক্তি যিজনে নিজস্ব জীৱন-দৰ্শন আৰু অনুভূতিৰে চৰিত্ৰ সৃষ্টি কৰে, পৰিবেশ-পটভূমিৰ ছবি আঁকে আৰু এটি আদৰ্শ ব্যক্ত কৰে বা তাৰ ইঙ্গিত দিয়ে। এনে দৰেই বিভিন্ন লিখকৰ চিন্তাধাৰা ধৰা পৰে তেওঁলোকৰ লিখাৰ মাজেৰে। বৰদলৈ-দেৱৰ উপন্যাসবোৰৰ মাজেৰেও তেখেতৰ নৈষ্টিক জীৱন-যাপন, আদৰ্শবাদী মন, বৈষ্ণৱ-ধৰ্ম প্ৰীতি আৰু অসমলৈ থকা প্ৰগাঢ় প্ৰেমৰ অনুভূতি বিৰিঙি ওলাইছে। আন-হাতে ঔপন্যাসিকৰ ব্যক্তিগত জীৱন-দৰ্শনে গঢ় লয় সমসাময়িক নীতি-ধৰ্ম, সমাজ ব্যবস্থা আদিৰ ওপৰত ; আৰু সেয়েহে সমূহীয়া জীৱন দৰ্শনৰ প্ৰভাৱো পৰোক্ষভাৱে উপন্যাসত পৰে। এইখিনিতেই উপন্যাসৰ ওপৰত দৰ্শনৰ প্ৰভাৱ।

উপন্যাস সাহিত্যলৈ ইতিহাসৰ বৰঙণিও কম নহয়। Sir Walter Scott ৰ দৰে অসমৰ প্ৰথম প্ৰকৃত ঔপন্যাসিক বৰদলৈ-দেৱেও ইতিহাসৰ শুকান জঁকাবোৰত যেনিবা চলিত প্ৰবাদ, সমসাময়িক Probable অৰ্থাৎ সম্ভাব্য ঘটনা আৰু চৰিত্ৰৰ সংঘাত আৰু সমন্বয়ৰ কল্পনাৰ জুমুধি সাজি গঢ়ি তুলিছিল জীৱন্ত, সুন্দৰ ৰোমান্সবোৰ। সচেষ্ট চৰিত্ৰ সৃষ্টিৰ অভাৱ হলেও কাহিনীৰ শক্তি তাত আছিল। ৰবীন্দ্ৰনাথে ঐতিহাসিক উপন্যাস সম্বন্ধে কৈছিল— "ইতিহাস পঢ়িমনে Ivanhoe পঢ়িম ? এই প্ৰশ্নৰ উত্তৰ অতি সহজ। দুয়োটাকে পঢ়া। সত্যৰ বাবে ইতিহাস পঢ়া, আনন্দৰ বাবে Ivanhoe পঢ়া। কাব্যত যদি ভুল শিকো, ইতিহাসেৰে তাক শুধৰাই লম।" এনেকুৱা ধাৰণাই হয়তো ৺বৰদলৈদেৱৰ মনতো ভুমুকিয়াই-ছিল, আৰু তাৰেই ফল স্বৰূপে আমি পালো মনোমতী, ৰঙিলী, ৰহদৈ-লিগিৰী, নিৰ্ম্মল-ভকত, তাম্ৰেশ্বৰীৰ মন্দিৰ, দন্দুৱা-দ্ৰোহ আৰু ৰাধা-ৰুক্মিণী ৰণ,— অসমীয়া উপন্যাস সাহিত্যৰ আধাৰ-শিলাস্বৰূপ এই সাতখন

ঐতিহাসিক উপন্যাস। তেখেতৰ আনখন উপন্যাস 'মিৰি জীয়ৰী' কিন্তু সামাজিকহে,– মিৰি সমাজৰ প্ৰকৃতিৰ লগত গঢ়ি উঠা মুকলিমূৰীয়া স্বভাৱ-সুন্দৰ, উছল উতলা, সাহসী, সহজ জীৱনৰ ছবি। সেই হিচাপে অসমৰ জনজাতীয় পটভূমিত উপন্যাস লিখা বিষয়তো ৺ৰৰদলৈদেৱেই আগৰণুৱা আছিল। 'নিৰ্ম্মল ভকতৰ' কাহিনীটো Tennysonৰ Enoch Ardenৰ পৰা লোৱা যদিও, অসমীয়া বিহা-মেখেলাৰে তাক এনে ধৰণে সজোৱা হৈছিল যে তাত বিজতৰীয়া গোন্ধ কণমানো পোৱা নেযায়। আহোম ৰাজত্বৰ ডা-ডাঙৰীয়াসকলৰ ছল-চক্ৰান্ত, ঘৰুৱা-বিবাদ আৰু মানৰ আক্ৰমণত জুৰুলা হোৱা অসমৰ পটভূমিত মানৱ মনৰ চিৰন্তন আদিৰস; আৰু ঈশ্বৰ ভক্তি-তত্ত্বজ্ঞানেৰে পৃথিৱীৰ জয়-পৰাজয়, 'পাই-হেৰুৱা' আৰু 'বিচাৰিও নোপোৱা' আকুতিৰ পৰিসমাপ্তি.— এয়ে আছিল ৺ৰৰদলৈদেৱৰ উপন্যাস সমূহৰ মূলকথা।

তেখেতৰ পিচত আৰাহন যুগৰ ৺দণ্ডিনাথ কলিতাই মান-ভগনীয়া অসমীয়া সমাজৰ পটভূমিত 'ফুল' আৰু মোৱামৰীয়া বিদ্ৰোহৰ পটভূমিত 'গণবিপ্লৱ' নামৰ দুখনি উপন্যাস লিখে। অৱশ্যে তেখেতৰ উপন্যাসৰ সংলাপ, কাহিনী আৰু পৰিবেশ সৃষ্টি ৰৰদলৈদেৱতকৈ দুৰ্ব্বল আছিল। ৺কলিতাদেৱৰ পিচত ঐতিহাসিক পটভূমিত লিখা কোনো উপন্যাস আজিলৈকে অসমীয়া ভাষাত প্ৰকাশ হোৱা নাই।

৺কলিতাদেৱৰ সমসাময়িক বা পিচৰ লিখকসকলে বিভিন্ন সাহিত্যৰ উপন্যাসৰ অনুবাদ আৰু অসমীয়া সমাজৰ পটভূমিত মৌলিক আখ্যান লিখাতহে মন দিয়ে। অনুবাদ কৰা উপন্যাসবোৰৰ ভিতৰত শান্তিৰাম দাসৰ 'মিলন মন্দিৰ', 'ছদ্মবেশিনী', দীননাথ শৰ্ম্মাৰ 'মাটি আৰু মানুহ', লক্ষেশ্বৰ শৰ্ম্মাৰ 'মাতৃ', 'পম্পিয়াইৰ প্ৰলয় কাহিনী', কীৰ্ত্তিনাথ হাজৰিকাৰ 'ৰামধেনু', চৈয়দ আব্দুল মালিকৰ 'তীৰ্থযাত্ৰী' আৰু ৰোহিনী বৰুৱাৰ পৰম 'ক্ষুদা'ই উল্লেখ যোগ্য। কিছুমান অনুবাদ কৰা উপন্যাস আলোচনীৰ পাততে ৰৈ গ'ল.— তাৰ ভিতৰত ৺ধানেশ্বৰ হাজৰিকাৰ 'লা মিজাৰেবল্'ৰ শক্তিশালী অনুবাদৰ কথা সততে মনত পৰে। দ্বিতীয় মহাযুদ্ধৰ পিচত কিছুমান প্ৰকাশকে ৺বঙ্কিম চেটাৰ্জী, ৺শৰৎ চেটাৰ্জী আদি বিখ্যাত লিখকৰ বঙালী উপন্যাসবোৰৰ ভাঙনি ধাৰাবাহিকৰূপে প্ৰকাশ কৰিবলৈ লৈছে। এই খিনিতে এবাৰ কথা আমি সাহিত্যিক-সকলক সকীয়াই থোৱা উচিত হব। *আজি কিছুদিনৰপৰা কিছুমান অনুবাদ কৰা উপন্যাসত শব্দ প্ৰয়োগ, বাক্যৰচনা, বৰ্ণাশুদ্ধি আদিৰ ফালৰপৰা অতি-মাত্ৰাই খুঁত দেখা গৈছে! আনকি বিশিষ্ট সাহিত্যিক দুই এগৰাকীৰ নামো তেনে অনুবাদৰ লগত সাঙুৰি দিয়া হৈছে।* গতিকে তেখেতসকলে যেন নিজৰ প্ৰতিষ্ঠা আৰু নাম ব্যৱসায়ীৰ হাতত সমৰ্পি এৰি নিদি অলপ যতনেৰে সেইবোৰ চকু ফুৰাই দিয়ে। তাৰ উপৰি অসম সাহিত্য সভা নাইবা তেনে কোনো অনুষ্ঠানে এটা বিশেষজ্ঞ সমিতি গঠন কৰি বিশ্বৰ আন ভাষাৰ শ্ৰেষ্ঠ উপন্যাস-বোৰৰ অনুবাদ কৰিবলৈ ললেও বেয়া নহয়। প্ৰকাশ কৰাৰ সুবিধা নহলেও অনুবাদ উপযোগী কিতাপৰ তালিকা একোখন উলিয়াই আৰু অনুবাদ কৰা কিতাপবোৰ চাই-চিতি শুধৰাই দিলেও এনে আসোঁৱাহ-বোৰৰপৰা হাত সাৰিব পৰা হব। পিচত উল্লেখ কৰা ব্যৱস্থাত অনুবাদক আৰু প্ৰকাশক সকলৰ লগত সেই সমিতিৰ বিশেষ



যোগাযোগৰ আৱশ্যক হব। অলপ চেষ্টা কৰিলেই তেনে যোগাযোগ ৰখাত অসুবিধা নহব।

অনুবাদ উপন্যাসৰ উপৰিও আন এবিধ উপন্যাস লিখাৰ প্ৰচেষ্টা আৰাহন যুগত আৰম্ভ হয়। সেয়া হল ডিটেক্‌টিভ্ উপন্যাস। হত্যাকাণ্ড, চোৰাংচোৱাৰ কৃতিত্ব আদি এই উপন্যাসবোৰৰ মূলকথা। আখ্যানবোৰ জটিলভাবে প্ৰকাশ কৰি শেষলৈকে উত্তেজনা জীয়াই ৰাখি ৰচা এই ধৰণৰ উপন্যাসবোৰে বিশেষকৈ চেমনীয়া পঢ়ুৱৈ শ্ৰেণীৰ মাজত সমাদৰ লাভ কৰে। মানুহৰ অন্তৰৰ অনুসন্ধিৎসা, অবচেতন মনৰ Crime-mentality বা অপৰাধী মনোবৃত্তি আদিৰ খোৰাক যোগায় বুলিয়েই এনে ধৰণৰ উপন্যাসবোৰে সহজে জনপ্ৰিয়তা লাভ কৰে। বঙালী ডিটেক্‌টিভ্ ঔপন্যাসিক পাঁচকড়ি দে, শশধৰ দত্তৰ আৰ্হিত পোণতে কুমুদেশ্বৰ বৰঠাকুৰে এনেধৰণৰ সৰু সৰু উপন্যাস কেইখনমান লিখে। 'প্ৰিয়ে', 'তেজপিয়া', 'পুতুমাইৰ বিয়া', 'গোলাই চোৰ' — এই চাৰিখন কিতাপৰ নাম এই প্ৰসঙ্গত উন্মুকিয়াব পাৰি। তাৰ পিচত ধাৰাবাহিক-ৰূপে প্ৰেমনাৰায়ণ দত্তৰ 'পা-কু চিৰিজ' বুলি এলানি Detective উপন্যাস ওলায়। তেখেতৰ 'নাৰী দস্যু', 'ৰামটাজোন', 'দৰ্পচূৰ্ণ', 'সোণৰ পাহাৰ' আদি কিতাপে বিশেষ জনপ্ৰিয়তা লাভ কৰে। অৱশ্যে Connan Doyle ৰ কথা বাদেই বৰ্ত্তমানে আমেৰিকান জাৰ্ণেলবোৰত প্ৰকাশিত এনে ধৰণৰ 'Crime-fiction'ৰ লেখীয়া শক্তি-শালী কাহিনী অসমীয়া ডিটেক্‌টিভ্ উপন্যাস বোৰত পোৱা নেযায়। এইটোও সঁচা Sherloch Holmes ৰ দৰে বৈজ্ঞানিক উপায়েৰে অপৰাধী ধৰা পেলোৱাৰ আকৰ্ষণীয় কাহিনী আমাৰ সমাজত গঢ়ি উঠা টান; তথাপি বিষয়বস্তু 'আৰু শক্তিশালী'— Suspense 'আৰু ৰোমাঞ্চকৰ' কৰাৰ থল নাই বুলি কলে আত্মপ্ৰবঞ্চনা কৰাহে হব। আনহাতে অভিজ্ঞ লোকে কেনে দৰে আজি কালি বৈজ্ঞানিক উপায়ে Detective সকলে অপৰাধী ধৰা পেলায়, সেই বিষয়ে লিখিব পাৰে। আজিৰ যুগটোৱেই হ'ল অভিজ্ঞতা আৰু বুদ্ধি-বৃত্তিৰ যুগ, আৰু সেয়েহে আজিৰ সাহিত্যৰ আহিলা যোগোৱাত বিজ্ঞানৰ এটি বিশেষ অংশ আছে।

উন্নত দেশৰ শিশু সাহিত্যত বিজ্ঞানৰ প্ৰভাৱ বিশেষ ভাবে লক্ষ্য কৰিব লগীয়া। ফৰাচী লিখক Jules Vern ৰ বিজ্ঞানৰ পটভূমিত লিখা The Mysterious Island, Twenty Thousand Leagues under the Sea আৰু A voyage to the centre of the Earth নামৰ আখ্যান কেইটা গোটেই পৃথিৱীতে জনপ্ৰিয় হৈ উঠিছিল। সেই আৰ্হিতে বিজ্ঞানৰ ভেটিত লিখা H. G. Wellsৰ Time Machine নামৰ গধূৰ ভাবৰ আখ্যানটিয়ে বিশ্বক চমক লগাইছিল। Well এ কেবাখনো বৈজ্ঞানিক কল্পনাৰ উপন্যাস লিখে। Aldous Huxley ৰ Brave New Worldঅতো বিজ্ঞানে ভবিষ্যত জগতক কেনেদৰে শান্তিৰ আকৰ কৰিব তাৰেই কল্পনা আছে। Professor A. W. Stewart ৰ ১৯২৩ চনত প্ৰকাশ হোৱা Nordenholt's Million অত আজিৰ যুগৰ প্ৰথম বোম্ব'ৰ আভাষ পোৱা যায়। ডাক্তৰ, এৰোপ্লেন-চালক আদিয়েও নিজৰ নিজৰ বৈজ্ঞানিক জীৱনৰ অভিজ্ঞতাৰ ভেটিত লিখা উপন্যাস নানান ভাষাত ওলাবই লাগিছে। অৱশ্যে সীমাবদ্ধ অভিজ্ঞতাৰ মাজত অসমীয়া উপন্যাসত হঠাতে তেনেকুৱা ৰচনা আমি আশা নকৰোঁ।।

অসমীয়া সামাজিক উপন্যাসবোৰৰ কাহিনী ৰাজনীতি, ধৰ্ম্ম, আচাৰ ব্যৱহাৰ আদিৰ ভেটিতে লিখা। মিৰি-জীয়ৰী, লাহৰী, ভানুমতীৰ পিচত সামাজিক উপন্যাস হিচাপে লেখত লবলগীয়া হ'ল— ৺দণ্ডিনাথ কলিতাৰ 'সাধনা' 'অদৃষ্ট' আৰু দৈৱ তালুকদাৰৰ 'আগ্নেয়গিৰি', 'বিদ্ৰোহী' আৰু 'অপূৰ্ণ'। ৺কলিতাদেৱৰ উপন্যাস 'সাধনাই' সাহিত্য সভাৰপৰা বঁটা পাইছিল। তালুকদাৰৰ উপন্যাসবোৰত দুষ্ট লৰাও কেনেকৈ শেহত আদৰ্শবাদী হব পাৰে তাকেই দেখুৱাৰ চেষ্টা কৰা যেন লাগে। আদৰ্শ প্ৰচাৰৰ প্ৰত্যক্ষ চেষ্টাই তালুদাৰৰ উপন্যাসবোৰৰ দুৰ্ব্বলতা। অসমীয়া সাধুৰ টেটোনৰ চৰিত্ৰ আৰু শৰৎ চেটাৰ্জ্জীৰ সমাজ সংস্কাৰৰ অস্পষ্ট ইঙ্গিতে তালুকদাৰৰ লিখাবোৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰা যেন লাগে।

আন অসমীয়া সামাজিক উপন্যাসবোৰৰ মাজত উল্লেখ কৰিব লগীয়া হ'ল— দীন নাথ শৰ্ম্মাৰ 'উষা', 'সংগ্ৰাম', তিলক দাসৰ 'জীৱনৰ গতি', বীণা বৰুৱাৰ 'জীৱনৰ বাটত', মহম্মদ পিয়াৰৰ 'মৰহা পাপৰি', জীৱন-নৈৰ জঁাজী', হিতেশ ডেকাৰ 'আজিৰ মানুহ', ৰাধিকা গোস্বামীৰ 'চাকনৈয়া', সুৰেশ গোস্বামীৰ 'সাত ৰঙৰ নতুন কাৰেং', প্ৰফুল্ল দত্ত গোস্বামীৰ 'কেঁচা পাতৰ কপনি', যোগেশ দাসৰ 'সহঁাৰি পাই', নৱকান্ত বৰুৱাৰ 'কলং পাৰৰ সাধু' আৰু কুমাৰ কিশোৰৰ 'শিখাৰ কঁপনি'। যদিও এই-বোৰৰ উপৰি আৰু বহু অসমীয়া উপন্যাস এতিয়ালৈকে প্ৰকাশিত হৈছে, তাৰ বেছি ভাগৰ মান নিম্নস্তৰৰ।

সামাজিক উপন্যাসবোৰত সাধাৰণতে এটা প্ৰচাৰৰ উদ্দেশ্য থাকে। কোনো সমস্যা এটাৰ সমাধানৰ উপায় বা কোনো এটা ৰাজনৈতিক, অৰ্থনৈতিক মতবাদৰ প্ৰচাৰৰ চেষ্টাও তাত থাকিব পাৰে। আনকি ৰবদলৈদেৱৰ ঐতিহাসিক উপন্যাস 'ৰহদৈ লিগিৰী' আৰু 'তাম্ৰেশ্বৰীৰ মন্দিৰতো' বৈষ্ণৱধৰ্ম্ম প্ৰচাৰৰ চেষ্টাৰ আভাষ পোৱা যায়। প্ৰচাৰ-প্ৰয়াসী উপন্যাসে সাহিত্য কলাত আঘাত কৰিব নোৱাৰে,— যদিহে শক্তিশালী লিখকে ইঙ্গিতেৰে সেই প্ৰচাৰকাৰ্য্য চলায়। আনহাতে সংস্কাৰৰ উদ্দেশ্যে ব্যক্তি আৰু সমাজৰ দোষ ত্ৰুটি আঙুলিয়াই দিয়াটো ঔপন্যাসিক তথা সকলো সাহিত্যিকৰে এটি বিশেষ কৰ্ত্তব্য। ৰাজনৈতিক ক্ষেত্ৰত আন্তৰ্জ্জাতিক পৰিস্থিতি, একনায়কত্ব-গণ-তন্ত্ৰৰ সংঘাত; আৰু অৰ্থনৈতিক ক্ষেত্ৰত ধনতন্ত্ৰ-সমাজতন্ত্ৰ-ভাৱৰ সংঘৰ্ষ আদিয়েও আধুনিক উপন্যাসবোৰত সেয়েহে ভুমুকি মাৰে

আনহাতে 'মনস্তত্ব-বিশ্লেষণত' বৰ্ত্তমান ঔপন্যাসিকসকলে মনোযোগ দিয়া দেখা গৈছে। 'প্লট' বা আখ্যান ভাগতকৈ চৰিত্ৰ বিশ্লেষণকে মুখ্য কৰি লিখা এনে ধৰণৰ উপন্যাসৰ কথা ওলালেই ইংৰাজ লিখক Meredith, D. H. Lawrence আৰু বঙ্গদেশৰ শৰৎ চন্দ্ৰ, ৰবীন্দ্ৰনাথলৈ মনত পৰে। এনে ধৰণৰ উপন্যাসত চৰিত্ৰবোৰৰ কথা বতৰা বা কাৰ্য্যকলাপক কেনেদৰে সচেতন বা অৱচেতন মনৰ ঘাত-প্ৰতিঘাতে নিয়ন্ত্ৰণ কৰে— তাৰ যুক্তিপূৰ্ণ বিবৰণ থাকে। আৰু এটা কথা, পূৰণি ঔপন্যাসিকে নায়কক অন্ততঃ শেহলৈকে হলেও সৰ্ব্বগুণে বিভূষিত কৰি আদৰ্শ পুৰুষ বা নাৰী হিচাপে অঙ্কন কৰিছিল। কিন্তু পৰৱৰ্ত্তী লিখক সকলে উপলব্ধি কৰিলে যে, মানুহ পশু নহয় সঁচা কিন্তু দেৱতাও নহয়। মানুহৰ মন পশু সুলভ আৰু দেৱসুলভ গুণৰ সমষ্টি। অকল সম্ভাব্য গুণৰাজিৰে চৰিত্ৰ অঁাকিলে সত্যক



অৱমাননা কৰা হয়। বৰং বৰ্ত্তমান সমাজৰ জটিলতাৰ মাজেদি গঢ়লোৱা মানৱ-মনৰ পৰস্পৰ বিৰোধী ভাৱ-ধাৰা আৰু কাৰ্য্য-কলাপৰ বাস্তৱ ৰূপ ডাঙি ধৰাতহে ঔপন্যাসিকৰ কৃতিত্ব। ভাৰ্জ্জিনীয়া উলফ্, জেমছ্ জয়েছ্ আদিৰ লিখাত মানৱ মনৰ দ্বিমুখী -- 'পশু আৰু দেৱতা সুলভ মনোবৃত্তিৰ' সংঘাত আৰু সমন্বয়ৰ ছবি প্ৰকট হৈ উঠিছে। Traditional বা চিৰাচৰিত ঘটনা-প্ৰধান উপন্যাস আৰু আদৰ্শ নায়কৰ ঠাইত চৰিত্ৰ বিশ্লেষণ আৰু মানৱ মনৰ এন্ধাৰ কোঠালীত মণিমুকুতাৰ লগতে লুকাই থকা সাপ বেঙবোৰ আৱিষ্কাৰ কৰাৰ প্ৰচেষ্টাৰ আৰম্ভণি হয়। ইংৰাজী ভাষাৰ যোগেদি ফৰাচী, ৰাছিয়া আদি দেশৰ উন্নত সাহিত্যৰ সোৱাদ আমাৰ পাঠক সমাজেও পায়। মানৱ মনৰ বিশ্বাসঘাতকতা, কমনীয় ৰমণীৰ বহুমুখী মন, কামনাৰ ঘিণলগা ফাল - মোপাছাৰ গল্পৰ মাজেদি ফুটি ওলাল। মোপাছা, ডষ্টয়ভস্কি, চেকভ্, ফ্লবাৰ্ট আদিয়ে দেখুৱালে যে সাহিত্য সৃষ্টিত অকল কল্পনা বিলাস আৰু আদৰ্শৰ প্ৰত্যক্ষ প্ৰচাৰেই সকলো নহয়। তাৰবাবে লাগে জীৱনৰ সকলো বিষয়ে সকলো ধৰণৰ অভিজ্ঞতা ;— আৱৰ্জ্জনাক আৱৰ্জ্জনা বুলি ভয় খাই বা ঘিণ কৰি লুকুৱাই থোৱাৰ যুক্তি নাই; আৱৰ্জ্জনাকো মুকলি মনেৰে বাস্তৱ ৰূপত দেখুৱাই দিলে পৰোক্ষভাৱে সমাজ সংস্কাৰত সহায় কৰাহে হয়। আনহাতে ই বলিষ্ঠ আৰু সাহসী মনোবৃত্তিৰহে পৰিচায়ক। ফ্ৰয়েডৰ যৌনবিজ্ঞানৰ মূল নীতিবোৰৰ প্ৰভাৱ আমাৰ অসমীয়া লিখক দুই চাৰি জনৰ ওপৰতো পৰে। আৱাহন-বঁাহীৰ পাতত ৰমাদাস, লক্ষীধৰ শৰ্ম্মা, বীণা বৰুৱা আব্দুল মালিক আদিয়ে এনেধৰণৰ গল্প লিখিবলৈ লয়। উপন্যাস হিচাপে মনস্তাত্বিক চৰিত্ৰ বিশ্লেষণ যদিও চেগাচোৰোকাকৈ কব নোৱাৰাকৈ হয়তো ৰজনী বৰদলৈৰ দিনৰ পৰাই হৈছিল, তথাপি সচেষ্টভাৱে তেনে ধৰণৰ উপন্যাস অকল প্ৰফুল্ল দত্ত গোস্বামীয়ে লিখে। তেখেতৰ 'কেচাপাতৰ কঁপনিত' মানুহৰ স্বাভাৱিক যৌনজীৱনৰ দাবীক নতুন ভঙ্গীৰে ৰূপ দিয়াৰ চেষ্টা কৰা হৈছে। আন হাতে ৰাধিকা গোস্বামীৰ 'চাকনৈয়াত' মনোস্তাত্বিক বিশ্লেষণৰ আভাষ থাকিলেও সি অতি ক্ষীণ আৰু সফলতাৰপৰা আঁতৰত। 'ৰামধেনুৰ' পাতত চুটি গল্পৰ যোগেৰে এই প্ৰচেষ্টা চলাইছে এচাম ডেকা লিখকে। তাৰ ভিতৰত বীৰেন ভট্টাচাৰ্য্য, যোগেশ দাস, হেমেন বৰগোহাঁই, বীৰেশ্বৰ বৰুৱা, মেদিনী ঠাকুৰীয়া আৰু চন্দ্ৰ প্ৰসাদ শইকীয়াৰ নাম উল্লেখযোগ্য। এমিল জোলা, ছোমাৰছেট মম্ আদিয়ে একশ্ৰেণী অসমীয়া লিখকক বৰকৈ অনুপ্ৰাণিত কৰিছে। কিন্তু ইন্দ্ৰিয়বিলাসকে মনস্তত্বমূলক কাহিনীৰ Last word বা 'শেষ বায়' বুলি কব নোৱাৰি। আনহাতে ইন্দ্ৰিয় বিলাসৰ নাম গোন্ধ নোহোৱাকৈ সূক্ষ্ম মানৱতাবোধৰ প্ৰকাশৰ চেষ্টাও চলিছে। যোৱা বছৰৰ সাহিত্যত Nobel prize পোৱা Earnest Hemingwayৰ "The old man and the Sea"ৰ শক্তিশালী চৰিত্ৰসৃষ্টিত যৌন সম্পৰ্কৰ কথা নাই, বৰং তাত আমি বিচাৰি পাওঁ বিশ্ব মানৱতাৰ স্থিতিৰ সংগ্ৰাম ;— 'প্ৰকৃতিৰ সতে মানুহৰ সংগ্ৰাম অক্ষয়',— ফলাফলৰ হিচাপ নিকাচ তাত নাই ;— 'কৰ্ম্মণ্যে-বাধিকাৰস্তে মা ফলেষু কদাচন'— গীতাৰ এই মহাবাণীৰে যেন পুনৰাবৃত্তি। প্ৰতিকূল অৱস্থাৰ মাজত মানৱীয় সূক্ষ্ম অনুভূতিবোৰ জী থাকিব ;— জী থাকিব মানুহৰ জীয়াই থকাৰ প্ৰয়াস। তাৰ বাবে সি মূল্য দিব লাগিব যথেষ্ট,— কিন্তু মনুষ্যত্বক নহয়।

এয়ে হল – " The old man and the Sea "ৰ আহ্বান। এনে ভাব ধাৰাই সকলো ঠাইৰে একশ্ৰেণীৰ সাহিত্যিকৰ দৃষ্টি আকৰ্ষণ কৰিছে।

সংখ্যা বৈশিষ্ঠ আৰু বিচিত্ৰতা, সকলো পিনৰেপৰা অসমীয়া উপন্যাস সাহিত্য অতি দুখীয়া। চৰিত্ৰ-সৃষ্টি আৰু মনস্তত্বমূলক কাহিনীৰ ভড়াল প্ৰায় শূন্য। এনে শূন্যতাৰ মাজত আশাবাদী হোৱাটো যে কিমান বিবেচকৰ কাম সেইটো ভাবিব লগীয়া। চুটি গল্পৰ ক্ষেত্ৰত আশাৰ বেঙণি দেখা গৈছে যদিও, এতিয়ালৈকে সি অতি ক্ষীণ। তাৰ উপৰি বৰ্ত্তমানে আন এটা সমস্যা হল – *নকল কৰা। কিছু দিনৰপৰা কোনো কোনোৱে অনা অসমীয়া বিশেষকৈ বঙালী আৰু কেতিয়াবা পূৰণি অসমীয়া আলোচনীৰ পাতৰ পৰাও হুবহু নহলেও অলপ ইফাল-সিফালকৈ নকল গল্প, কবিতা আদি প্ৰকাশ কৰা দেখা গৈছে। এইটো বৰ লাজৰ কথা ;— অকল ব্যক্তিগতেই নহয় – অসমীয়া সাহিত্য আৰু অসমীয়া ভাষাভাষী আটাইৰে কাৰণে।* এই বিষয়ে আমাৰ আলোচনী বোৰৰ সম্পাদক সকল যেন সজাগ থাকে,— যাতে কোনেও আঙুলিয়াই দেখুৱাব নোৱাৰে যে অসমীয়া লিখকৰ মৌলিক চিন্তাশক্তি নাই।

এতিয়া শেষ প্ৰশ্ন হ'ল অসমীয়া সাহিত্যৰ এই দৈন্য আতৰোৱাৰ উপায় কি ? দ্বিতীয় মহাযুদ্ধৰ পিচত অসমত পঢ়ুৱৈ সমাজ এটা গঢ়ি উঠিছে। সুস্থ গতিৰে লাইব্ৰেৰী আন্দোলনো গঢ়ি উঠিব ধৰিছে। অসমীয়া কিতাপৰ চাহিদা ক্ৰমাৎ বাঢ়িছে। এনে অৱস্থাত প্ৰকাশক সকলে লিখকসকলক বেচি পাৰিশ্ৰমিক দি কিতাপ ছপোৱাত উদগনি দিব পাৰে। বিশ্ববিদ্যালয়েও কিছুমান অনুবাদ সাহিত্যৰ ভাৰ লব পাৰে। শিশু সাহিত্যৰ কথাও বিশেষভাবে বিবেচনা কৰিব লগীয়া হৈছে। ৺হৰগোবিন্দ শৰ্ম্মাৰ 'পাতালপুৰী', নবকান্ত বৰুৱাৰ বাতৰি কাকতত প্ৰকাশিত 'শিয়ালী পালেগৈ ৰতনপুৰ', * নাইবা অধুনা-প্ৰকাশিত ইটালীয় সাহিত্যৰপৰা লক্ষেশ্বৰ হাজৰিকাই অনুবাদ কৰা 'পিনিকিঅ'ৰ নিচিনা আখ্যান আমাক বহুতো লাগে।

নতুন লিখকৰ নতুন দৃষ্টি ভঙ্গীক আমাৰ প্ৰবীণ সাহিত্যিক সকলে সন্দেহৰ চকুৰে নেচাই প্ৰকাশ আৰু প্ৰচাৰৰ সুযোগ দিয়া উচিত। আনহাতে বিশ্ব সাহিত্য অধ্যয়ন আৰু বিভিন্ন Values বা মূলনীতি সম্পৰ্কে পৰিবৰ্ত্তিত মতবাদৰ চাঁত গঢ়ি উঠা নতুন লিখক সকলৰ নৱ নৱ ৰচনা সম্ভাৰলৈ আমি অতি আগ্ৰহেৰে বাট চাব পাৰোঁ। বিশ্ব সাহিত্যৰ অনুকৰণত ৰম্য ৰচনা, ভ্ৰমণ-আখ্যান, আত্মকেন্দ্ৰিক মনোবিশ্লেষণ, যৌন জীৱনৰ গবেষণা, অতীন্দ্ৰিয় বিশ্ব মানৱতাৰ সঙ্কেত, 'কম্ৰেড্‌ছিপ'ৰ (Comradeship) মৃত্যু নেওচা আহ্বান,— সকলো বিষয়তে আমাৰ নতুন লিখকসকলে 'এক্সপেৰিমেণ্ট' ( Experiment ) চলাব বুলি আমি আশা ৰাখোঁ। অৱশ্য ডেকা লিখকসকলে যেন এই প্ৰচেষ্টাত ভৰিৰ তলৰ মাটিখিনিৰ কথা পাহৰি নেযায় ; – পাহৰি নেযায় যে অসমৰ জান-জুৰিৰ পাৰত, পৰ্ব্বতৰ টিঙত, চহৰৰ আবৰ্জ্জনাময় গলিত, সত্ৰৰ মণিকূটত, লুইতৰ চাপৰিত বিশ্ব মানৱতাৰে একো একোটা ক্ষুদ্ৰতম ভগ্নাংশই বিৰাট Potentiality বা সম্ভাবনীয়তা লৈ, তেওঁলোকৰ পৰশ-কাঠিৰে সঞ্জীবিত হবলৈ বাট চাই আছে। অহল্যাৰ পাষাণ আকৃতিত নৱ নৱ লিখকৰ পৰশে প্ৰাণৰ সঞ্চাৰ কৰিব। তাৰ বাবে লাগিব অধ্যয়ন– গভীৰ ভাবে অধ্যয়ন ;— বিশ্বসাহিত্যৰ অধ্যয়ন ; – অসমৰ চুকে-কোণে থকা সকলো বস্তুৰে সুচিন্তিত অধ্যয়ন,— জীৱনৰ অভিজ্ঞতাৰ অধ্যয়ন, আৰু সবাতোকৈ বেচি নিজকে অধ্যয়ন— আত্ম-বিশ্লেষণ। কল্পনা বিলাসৰ যুগ কাহানিবাই উকলিল ; এতিয়া আহিছে Intellect বা বুদ্ধিবৃত্তিৰ যুগ। সেয়েহে আমি নতুন কাহিনীকাৰ সকলৰ বুদ্ধিমত্তাৰ ওপৰত যথেষ্ট আশা ৰাখোঁ। আৰু সেয়েহে, তেওঁলোকৰ সাধনা আৰু আগ্ৰহে অসমতো অচিৰে 'পাৰ্ল বাক্', 'ডষ্টয়ভস্কি', 'মম', 'ৰেমাৰ্ক', 'হেমিংৱেৰ' সৃষ্টি কৰাৰ আশাকো আমি উচ্চাশা হলেও দুৰাশা বুলি ভাবিবলৈ টান পাওঁ। ●

# দোৱনীয়া

**শ্ৰীযুক্ত সৰ্ব্বানন্দ ৰাজকুমাৰ।**

দোৱনীয়া অসমীয়া জাতি বা অসমীয়া জাতিৰ অন্তৰ্গত সম্প্ৰদায় বিলাকৰপৰা পৃথক কোনো জাতি বা সম্প্ৰদায় নহয়। তেওঁ-বিলাক নিজৰ ঘৰতে অতিথি; নহলে তেওঁবিলাক সম্পূৰ্ণ অসমীয়া হৈ অসমতে কৰবাৰ পৃথক এটি জনজাতি বুলি পৰিগণিত নহলহেঁতেন। তেওঁবিলাক ডিব্ৰুগড় মহকুমাৰ মাৰ্ঘেৰিটা অঞ্চলৰ ভিতৰত বাস কৰে। দুৱাৰমৰা, এনঠেম্ মুংগং, মুক, উলুপ, বাঁহবাৰী, কিটেটং ( ইটাপৰা, মাৰ্ঘেৰিটা টাউনৰপৰা সাত মাইল পূবে )। ইংঠং ( বৰ্ম্মা ভাষাত " ইং " মানে " ঘৰ " আৰু ঠং মানে " হাজাৰ "।) দিক, আৰু খাৰজান (ডিগবৈৰ ওচৰত) নামে দোৱনীয়া-বিলাক বাস কৰা দহখন গাওঁ আছে। গাওঁবিলাকত ৮ ঘৰৰপৰা ৮০ ঘৰলৈকে মানুহ আছে।

আহোম ৰাজ্যৰ পূব সীমা পাটকাই পৰ্ব্বতলৈকে বিস্তৃত আছিল। পাটকাই পৰ্ব্বত নাময়ন বা নাময়ুন [ আহোম ভাষাত " নাম " মানে " পানী "। ] নামে নদীয়ে দুশাৰীত বিভক্ত কৰিছে। নাময়ন গাওঁ [ ২,১৩৮ ফুট ওখ ] এসময়ত চিংফৌবিলাকৰ সীমান্ত গাওঁ আছিল। তেওঁবিলাকে কাকো সেই গাওঁ পাৰ হৈ যাবলৈ নিদিছিল। এই সীমান্ত আহোম ৰজাৰ তলত আছিল আৰু ১৮১৭ খৃঃলৈকে মানবিলাকে এই সীমান্ত আহোমবিলাকৰ বুলি মানি লৈছিল। ১৭৮০ খৃঃৰ পৰা ১৮৯৪ খৃঃৰ ভিতৰত স্বৰ্গদেৱৰ আদেশ লৈ খামটিবিলাক শদিয়াৰ ওপৰে টেঙাপানী নদীৰ কাষত বসতি কৰিবলৈ লয়। খামটিবিলাকৰ লগে লগে চিংফৌবিলাকো ভৈয়ামলৈ আহি খামটিৰ মাজে মাজে বসতি কৰে।

১৬৬৯ খৃঃত শদিয়াত প্ৰথম মায়ামৰীয়া মৰাণৰ বিদ্ৰোহ আৰম্ভ হয়। বিদ্ৰোহীয়ে

* বৰ্ত্তমান কেইবাখনো ছবিৰে সৈতে শিশু মনোৰঞ্জক ৰূপে ছপা হৈ ওলাইছে। সম্পাদক।

● গুৱাহাটীৰ সবিতা-সভাত পঠিত।

স্বৰ্গদেৱ লক্ষ্মীসি হক বন্দী কৰি ছমাহ ৰাজত্ব কৰে। তেতিয়াৰপৰা আহোম ৰাজ-শক্তিৰ কৰাল পৰিল বুলি কব পাৰি। স্বৰ্গদেৱ গৌৰীনাথ সিংহৰ দিনত মায়ামৰীয়া মৰাণে পুণৰ বিদ্ৰোহ কৰি ১৭৯১ খৃঃত ঠায়ে ঠায়ে সয়ম্ভূ ৰজা পাতে। সেই সময়ত শদিয়াত খামটিবিলাকৰ এজন ৰজা হয় আৰু ব্ৰহ্মপুত্ৰ আৰু বুঢ়িদিহিং নদীৰ মাজৰ অঞ্চলত মায়ামৰীয়া যুৱক চুটিয়া ৺সৰ্ব্বানন্দ সিংহই মটক ৰাজ্য স্থাপন কৰে। সেয়ে হোৱাত মটক ৰাজ্যৰ পূবে আৰু শদিয়াৰ দক্ষিণে থকা আহোম ৰাজ্য [ পশ্চিমে নদিহিং, পূবে মিচিমি পৰ্ব্বত, উত্তৰে ব্ৰহ্মপুত্ৰ আৰু দক্ষিণে পাটকাই পৰ্ব্বত। কালি—১২০০ৰ-পৰা ১৪০০ বৰ্গ মাইল ] আহোম ৰাজ্যৰ আন অংশৰপৰা পৃথক হৈ পৰাত তাত অৰাজকতা হয়। সেই অৰাজকতাৰ সুবিধা লৈ চিংফৌবিলাকে সেই অঞ্চলৰ অসমীয়া বাসিন্দাবিলাক ধৰি বন্দী-বেটী কৰি লৈ যায়। বৃটিছে অসমৰপৰা মানক খেদি দিয়া দিনলৈকে চিংফৌবিলাকে এই অঞ্চলৰ-পৰা বন্দী-বেটী ধৰি নিছিল। সেই কাৰণে আজিও এই অঞ্চলৰ বসতি পাতল। সেই বন্দী-বেটীবিলাক চিংফৌবিলাকে নিজৰ কামত লগাইছিল আৰু ভালেমান বৰ্ম্মা দেশত বিক্ৰি কৰিছিল। চিংফৌবিলাকে নিজে কোনো শাৰীৰিক পৰিশ্ৰম নকৰিছিল। তেওঁবিলাকে যাৱতীয় কাম বন্দী-বেটীৰ দ্বাৰাই কৰাইছিল। চিংফৌৰ মাজত তিৰোতাৰ সংখ্যা কম হোৱাৰ কাৰণে বহুতে বেটী বিয়া কৰাইছিল। Captain Neuvilleএ ১৮২৫ খৃঃত চিংফৌৰ বিছাগাম আৰু ডুফাগামৰ অঞ্চলৰপৰা ৩০০০ বন্দী-বেটী আৰু ১৮২৬ খৃঃত অন্যান্য ১৬ জন চিংফৌ নায়কৰ অঞ্চলৰপৰা ৬০০০ বন্দী-বেটী উদ্ধাৰ কৰে। এই উদ্ধাৰ কৰা বন্দী-বেটীবিলাকৰ সতি-সন্ততিয়েই হৈছে দোৱনীয়াবিলাক। আজিও চিংফৌবিলাকে দোৱনীয়াবিলাকক তেওঁবিলাকৰ বন্দী-বেটী বুলি দাবী কৰে।

চিংফৌৰ তলত থকা বন্দী-বেটীবিলাকে চিংফৌ দোৱান কবলৈ শিকে। Captain Neuvilleএ উদ্ধাৰ কৰাৰ পাচতো তেওঁ-বিলাকে চিংফৌ দোৱানত কথা বতৰা কয়। দোৱানত কথা কোৱাৰ কাৰণেই অসমীয়া-বিলাকে তেওঁবিলাকক "দোৱনীয়া" বোলে। ধৰি নিয়া চিংফৌবিলাকৰ নাম অনুসৰি দোৱনীয়াবিলাকৰ মাজত উম্‌বন্, মাচে, মুংক, গিন্‌চাং, কল, গুম্‌জু [ হিলৈদাৰী কোঁৱৰ। ] পুংখুং, উলুপ, মুংক্ৰক্, লিদয়, গাম্‌ফাং, নিয়দা, চিৰিং, লাজুম্, গুম্‌গি, লাচাই কিয়াং, বাৰে, লুঠং, জিলি, কান্‌মাং, লুচু, গুজু, চাইক [ আহোম কটকী ] ইত্যাদি ভালেমান ভাগ আছে। দোৱনীয়াবিলাকৰ সৰহ ভাগেই আহোম, কছাৰী, মৰাণ, মিৰি আৰু মটক। তেওঁবিলাকৰ মাজত খোৱা-বোৱা বিয়া-বাৰুৰ প্ৰচলন আছে। চিংফৌৰ লগতো দোৱনীয়াৰ অনা-নিয়া হয়।

দোৱনীয়া বিলাকে টুপ নলগোৱা, দীঘলীয়া চাংঘৰত বাস কৰে। সাধাৰণতে চাংবিলাক বাঁহৰ আৰু ঘৰৰ খুটাবিলাক কাঠৰ। ধান, কাপোৰ আদি মেলিবৰ কাৰণে ঘৰৰ পাচফালে নিচাং ৰাখে আৰু আগফালে মাটিত ঢেকি পাতে। ঘৰবিলাক উত্তৰা-দক্ষিণাকৈ সাজে আৰু মুধে দি দুৱাৰ ৰাখে। ঘৰৰ মাজত বেৰ দিয়ে। বহুত জন জাতীয় ঘৰৰ মাজত বেৰ নিদিয়ে আৰু ঢেকিৰ পৰিবৰ্ত্তে উৰাল ব্যৱহাৰ কৰে; চাঙতে পাক কৰে। আজি কালি পৃথক পাকঘৰ আৰু টুপ লগা চাং ঘৰো কৰে। আলহী আগফালেদি ঘৰৰ ভিতৰ সোমায়।

তেওঁবিলাকৰ খাদ্য অসমীয়া সকলৰ দৰেই কিন্তু তেওঁবিলাকে চাৱা দিয়া ভাত খায়। সেই কাৰণে লাহি ধানৰ খেতি কৰে।



খেতিয়েই দোৱনীয়াবিলাকৰ প্ৰধান ব্যৱসায়। তেওঁবিলাকে পথাৰতে ধান মাৰি গুটি ধান হে ঘৰলৈ আনে। তেওঁবিলাকৰ তিৰোতাবিলাকে কঁকালত পছু-ছালৰ পেটী লগাই তাতে তাঁত বান্ধি দীঘল মাকোৰে সৈতে কাপোৰ বয়। তেওঁবিলাকে তোলোঠা আৰু দোৰপতি নোহোৱাকৈয়ে কাপোৰ লগায়। তিৰোতাৰ কঁকাল যিমান ডাঙৰ সেই অনুপাতে হে কাপোৰ বহল হয়। কাপোৰ বোৱাৰ বাহিৰে তেওঁবিলাকৰ মাজত কোনো শিল্পৰ প্ৰচলন নাই।

দোৱনীয়াবিলাক বৌদ্ধ ধৰ্ম্মী। বৃটিছৰ আমোলত বৰ্ম্মাদেশৰপৰা চাবাদ নামৰ এক বাপু আহি তেওঁবিলাকৰ সকলোটিকে বৌদ্ধ ধৰ্ম্মত দীক্ষিত কৰে। তেওঁবিলাক বৰ্ম্ম দেশৰ পঞ্জিকা মতে চলে। প্ৰত্যেক গাঁৱতে বাপুচাং আছে। বাপু হবলৈ ইচ্ছা কৰা বিলাকে বাপুচাঙত বৰ্ম্মা ভাষাৰ আখৰ শিকি পালি ভাষাত বৌদ্ধ ধৰ্ম্মৰ শিক্ষা লয়। বাপুবিলাক উদাসিন। গাঁৱৰ প্ৰত্যেক ঘৰ মানুহে প্ৰত্যেক দিনে কৌপাতত দোটোপোলা ভাত আৰু আঞ্জা বাপুচাঙত দিয়ে। বাপুসকলে সেই ভাত আৰু আঞ্জা খায়েই জীৱন যাপন কৰে। বহাগৰ বিহুত বৌদ্ধ মূৰ্ত্তি চাঙৰপৰা মাটিলৈ নমাই তিনদিন ৰাখে আৰু মূৰ্ত্তিক গা ধুৱায়। সেই কেইদিন ডেকা, গাভৰুৱে ( নিজ বংশ পৰিয়ালৰ বাহিৰে ) ফাকু খেলাৰ দৰে ইজনে সিজনৰ গাত পানী মাৰি খেল কৰে। আজি কালি বোকা চকৰ ছায়া সানে। দোৱনীয়া-বিলাকে তিনিওটা অসমীয়া বিহু পালন কৰে আৰু হুচৰি গায়।

দোৱনীয়াবিলাকে সন্তান জন্মৰ সাত দিনৰ দিনা শুচি হৈ, ফুঙ্গিৰ সৈতে ধৰ্ম্মকাৰ্য্য কৰাই, ৰাইজক ভোজ দিয়ে। মৰিলে বিশ বছৰৰ ওপৰবিলাকক খৰি দিয়ে আৰু তলৰ-বিলাক পুতি থয়। মঙ্গল আৰু শনিবাৰে মৰিলে সেই দিনাই পুতি থয় নাইবা খৰি দিয়ে। আন বাৰে মৰিলে মৃতকক দুই বা তিনি দিনলৈ ৰাখে। ফুঙ্গি আহি মঙ্গল সূত্ৰ গায়। ফুঙ্গিক দক্ষিণা দিব লাগে। সাত দিনত সকাম পাতে। মানুহে ব্যৱহাৰ কৰা বস্ত্ৰ ফুঙ্গিক দান দিয়ে।

দোৱনীয়াবিলাকৰ ভিতৰত বহু বিবাহ আৰু বিধবা বিবাহৰ প্ৰচলন আছে কিন্তু বাল্য বিবাহৰ প্ৰচলন নাই। দৰাৰ ঘৰৰ-পৰা ছোৱালী খুজিবলৈ এজন কটকীক কন্যাৰ ঘৰলৈ পঠায়। কটকীয়ে দুখিলা কৌপাতত তিনটা টকা লৈ যায়। ছোৱালী দিবলৈ ৰাজী হলে কন্যাৰ ঘৰে কৌপাতৰ টকাৰ টোপোলা গ্ৰহণ কৰে। বিয়াত ছোৱালীৰ গা-ধন হিচাপে দুটা ম'হ আৰু ২০০৲ৰ পৰা ৫০০৲ লৈকে টকা দিব লাগে। বিয়া হলে দৰা আৰু কন্যাৰ ঘৰত পৃথকে ধৰ্ম্ম কাৰ্য্য কৰে। ছোৱালী আনিবলৈ দৰা কন্যাৰ ঘৰলৈ নাযায়। দৰাৰ ঘৰৰ মানুহ কন্যাৰ ঘৰলৈ গৈ তাত এদিন থাকি ছোৱালী আনি দৰাৰ ঘৰত ধৰ্ম্ম মতে বিবাহ কাৰ্য্য সম্পাদন কৰে। বিয়া তিন দিন ধৰি হয়। ছোৱালী চুৰ কৰি নিয়া প্ৰথাও তেওঁবিলাকৰ মাজত প্ৰচলিত। ছোৱালী চুৰ কৰি নিলে চোৰটোৱে পাচত ছোৱালীৰ অভিভাবকক টকা দি মিতিৰ পাতে।

দোৱনীয়াবিলাক দুখীয়া আৰু সকলো ফালৰপৰা পাচপৰা। তেওঁবিলাকৰ মাজত লেখত লব লগা ধনী, প্ৰতিপত্তিশালী, বিদ্বান, চৰকাৰী চাকৰীয়াল, আদি নাই।

তেওঁবিলাকৰ মাজৰপৰা কোনেও আজিলৈকে মেট্ৰিক পাচ কৰা নাই। তেওঁবিলাকৰ সৰ্ব্বাঙ্গিন উন্নতি কামনা কৰা প্ৰত্যেক অসমবাসীৰে কৰ্ত্তব্য হোৱা উচিত।

# মাধৱদেৱৰ ৰচনাত ভক্তি-ৰসৰ অভিব্যক্তি

***ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্ম্মা,*** এম এ, ডি-ফিল।

মহাপুৰুষ মাধৱদেৱৰ ৰচনাত ভক্তিৰসৰ অভিব্যক্তি সম্বন্ধে লিখিবলৈ ধৰাৰ আগতে ভক্তিৰস সম্বন্ধেও দুই এষাৰ আলোচনা কৰা প্ৰয়োজন। ভাৰতীয় অলঙ্কাৰ শাস্ত্ৰত নৱ ৰসৰ ভিতৰত ভক্তিৰস বুলি কোনো প্ৰকাৰ ৰস স্বীকাৰ কৰা হোৱা নাই। ইয়াৰ প্ৰধান কাৰণ হ'ল যে অলঙ্কাৰ বা ৰসশাস্ত্ৰৰ প্ৰামাণিক গ্ৰন্থসমূহ ভক্তি-প্ৰধান সাহিত্য ৰাজি সৃষ্টি হোৱাৰ আগতেই ৰচিত হয়। মধ্যযুগীয় ভক্তি আন্দোলনৰ প্ৰবল জোৱাৰ উঠাৰ লগে লগে ভক্তিমূলক কাব্য নাটক আদি ৰচিত হোৱাত ভক্ত সাহিত্যিক সকলে ভক্তিকো ৰস বুলি স্বীকাৰ কৰি ল'লে। মধুসূদন, সৰস্বতী, বোপদেৱ, ৰূপ, সনাতন, জীৱ গোস্বামী আদিয়ে তেওঁলোকৰ ভক্তি-শাস্ত্ৰত ভক্তিকো ৰস স্বৰূপে প্ৰতিষ্ঠা কৰি গৈছে। আমাৰ মহাপুৰুষ শঙ্কৰদেৱ মাধৱ-দেৱ আদিয়ে ভক্তি-ভাৱ ৰসত পৰিণত হব পাৰে নে নোৱাৰে সেই বিষয়ে কোনো আলোচনাত্মক গ্ৰন্থ নেলেখিলেও তেখেত-সকলৰ সকলো ৰচনাতে ভক্তিক ৰস বুলি উল্লেখ কৰি গৈছে মাধৱদেৱে নাম ঘোষাৰ প্ৰথম ঘোষাতেই "ৰসময়ী মাগোহো ভকতি"— এই বুলি ভক্তিৰ ৰসৰত্তা স্বীকাৰ কৰি লৈছে। এই দৰে অন্যান্য ঠাইতো, যেনে,

(ক) হৰিনাম ৰসে বৈকুণ্ঠ প্ৰকাশে
প্ৰেম অমৃতৰ নদী
(খ) মধুৰৰো সুমধুৰ হৰিৰ ভকতি ৰস
মঙ্গলৰো পৰম মঙ্গল।

ইত্যাদি পদত ভক্তিৰ ৰসময়তা মানি লৈছে। ত্ৰয়োদশ শতকাৰ ভক্তিৰসিক বোপদেৱে তেওঁৰ "মুক্তাফল" নামৰ গ্ৰন্থত কৈছে যে— এক ভক্তি ৰসেই হাস্য, করুণ, শৃঙ্গাৰ আদি যোগেদি ন প্ৰকাৰে আস্বাদিত হব পাৰে, অৰ্থাৎ শৃঙ্গাৰ, করুণ আদি ৰস মূল অন্তৰ্নিহিত ভক্তিৰসৰ বহি আৱৰণ হব পাৰে। এইদৰে গৌড়ীয় বৈষ্ণৱ মহাজনসকলেও শান্ত, দাস্য, সখ্য, বাৎসল্য আৰু মধুৰ ভাৱৰ ওপৰত প্ৰতিষ্ঠিত ভগবান বিষয়ক বৰ্ণনা বা গীত নাটক আদি ভক্তি-ৰস জ্ঞাপক সাহিত্য বুলি কৈছে। 'বিদগ্ধ-মাধৱ', 'ললীত মাধৱ' আদি নাটক মধুৰ-ভাৱৰ ওপৰত প্ৰতিষ্ঠিত ভক্তি ৰসাত্মক নাটক বুলি ব্যাখ্যা কৰিছে। শঙ্কৰদেৱ, মাধৱদেও আদি অসমীয়া বৈষ্ণৱসকলৰ ৰচনাৰ উদ্দেশ্যও বাৎসল্যাদি ভাৱৰ যোগেদি ভক্তি ৰস প্ৰৱাহিত কৰা। পাত্ৰভেদে পানীয়ে স্বকীয়া গঢ় লোৱাৰ দৰে, নাইবা নিৰৱয়ৱ আত্মাই উপাধিভেদে বিভিন্ন আকাৰ পৰিগ্ৰহ কৰাৰ দৰে ভক্তি ৰসেও আন ৰসক আশ্ৰয় কৰি সাধাৰণতে প্ৰকাশ পায়,— ইয়াৰ নিজ-স্বৰূপ নাই।



সম অনুভূতি বা সহানুভূতিয়েই ৰসোপ-লব্ধিৰ মূল কথা। বৰ্ণনীয় বিষয়ৰ লগত ঐক্য ভাৱ স্থাপন কৰিবলৈ হলে সেই বৰ্ণনা বা বিষয় আমাৰ অভিজ্ঞতাৰ ভিতৰুৱা বা পৰিচিত হব লাগিব। বৈষ্ণৱ কবি সকলে সেই কাৰণেই ভগবান শ্ৰীকৃষ্ণৰ লগত ওচৰ সম্বন্ধ স্থাপন কৰি নিজকে দাস, সখা, মাতৃ প্ৰণায়ণী আদিৰ আসনত বহুৱাই ভগবানৰ ৰূপ-লীলা অনুভৱ কৰি আনন্দত আপ্লুত হৈছে। এনে কৰাৰ ফলত উপাস্যজন "অবাঙ্ মনেগোচৰ" নহৈ সকলোৰে অতি প্ৰিয় আৰু আপোনজন হৈ পৰিছে আৰু ফলত ভক্ত আৰু ভগবানৰ মাজত এটা সহজ সম্বন্ধ স্থাপন হৈছে। এই সহজ সম্বন্ধই ৰসোপলব্ধিত সহায় কৰিছে। মাধৱদেৱৰ ৰচনাত ভক্তি ৰস প্ৰধানকৈ দুটা প্ৰৱাহেদি অভিব্যক্ত হৈছে— (১) বাৎসল্য ভাৱেদি, (২) দাস্য ভাৱেদি। নাট কেইখনত আৰু বৰগীত সমূহত বাৎসল্য ভাৱৰ প্ৰাধান্য আৰু নামঘোষাত দাস্য ভাৱৰ পৰাকাষ্ঠা লক্ষ্য কৰা যায়। দৰাচলতে বাহ্যিক দৃষ্টিত যিটো বাৎসল্য ভাৱ অন্তৰৰ ফালৰপৰা সেয়ে দাস্য ভাৱত পৰিণত হয়। গৃহস্থৰ ঘৰৰ পুৰাতন দাস দাসীয়ে ঘৰৰ গিৰিহঁতক গৃহস্বামী বা গৰাকী বুলি মানি লৈয়ো বাৎসল্য ভাৱেৰেহে দৃষ্টি বা ব্যৱহাৰ কৰাৰ উদাহৰণ বহুতো দেখা যায়। সেই হিচাপে দাস্য আৰু বাৎসল্য ভাৱৰ ওচৰ সম্বন্ধ।

*চোৰ ধৰা, পিপৰা গুচুৱা, অৰ্জ্জুন ভঞ্জন, দধি মথন* আৰু *কোটোৰা-খেলা* এই আঠাইকেইখন নাটৰ নায়ক বাল-কৃষ্ণ। চতুৰ নোমটেঙৰ বালকৃষ্ণৰ শিশু সুলভ দুষ্টালি আৰু চতুৰালি জীৱন্ত ভাৱে নাট[illegible]কেইখনত চিত্ৰিত হৈছে। ***চোৰ ধৰা*** নাটত লৱনু চুৰি কৰি খালে কৃষ্ণই, কিন্তু শেষত কানাইৰ চতুৰালিত পৰি উভতি গোৱালিনীহে চোৰ সাব্যস্ত হ'ল, চোৰেহে গিৰিহঁতক বান্ধি কিলোৱা অৱস্থা কৰিলে। চোৰ ধৰা পৰিলত কৃষ্ণই "আপুন হাতে লৱনু গোপীক মুখে মাখিয়ে বোলত— 'আহে গোৱাৰীসৱ, দেখু দেখু, আৰৰ সাক্ষীৰ কোন প্ৰয়োজন, উনিকৰ মুখহি সাক্ষী'। শুনি গোপী লাজ পাৱল"। ***পিপৰা গুচুৱা*** নাটত কৃষ্ণই গোৱালিনীৰ ঘৰত লৱনু চুৰ কৰি খাই ধৰা পৰিল। গোপীয়ে যেতিয়া সুধিলে— তই কোন? কৃষ্ণই উত্তৰ দিলে মই বলাইৰ কনিষ্ঠ। কৃষ্ণই নিজৰ নাম নকৈ বলাইৰ নাম কোৱাৰ অৰ্থ আছে। বলাইৰ বল পৰাক্ৰম অহমকালী কাৰো অবিদিত নাছিল। গতিকে বলাইৰ ভায়েক বুলি পৰিচয় দি গোৱালিনীক ভয় খুৱাবৰ এটা চতুৰ প্ৰচেষ্টা উত্তৰটোৰ অন্তৰালত লুকাই আছে। এটা এটাকৈ কেবাটাও প্ৰশ্ন কৰি কানুৰপৰা একো সম্ভেদ উলিয়াব নোৱাৰি গোপীয়ে শেষত পোনপতীয়া ভাৱে কবলৈ বাধ্য হ'ল— 'হে কানাই, তুহু বৰি নাগৰ। হামাক লৱনু খাই ঝুণ্টাবাত কহৈছ। যব তুহু লৱনু নাহি খায়ল, তব বচন বুলিতে তোহাৰ বদন হন্তে লৱনুক গন্ধ কৈছন বাঝ হোই"। কৃষ্ণও পৰি মৰা বিধৰ ল'ৰা নহয়— চুড়া চাই সোপা দিব পৰা উত্তৰৰ তেওঁৰ অভাৱ নাই।

"কানু বোলে শুন অৰে গোপী নিদাৰুণী
তোহোৰ মুখত গন্ধ তইসে চুৰুণী"

হে গোৱাৰি, তুহু বৰ দাৰুণ হৃদয়, আপুন জিহ্বা ৰাখিতে নপাৰি আপুন গৃহে লৱনু খাৱল। অৱ ভতাৰক ভয়ে হামাক অপযশ দেৱত। হামাৰ গৃহে লৱনু কে পুচত?"— গোৱালিনী স্তব্দ হ'ল।

***ভূমি লোটোৱা*** নাটত দেখা যায় যে কৃষ্ণই ভাণ্ডৰ লৱনু নিজে খাই শেষ কৰি

মিছাকৈয়ে আন আন কোনোবাই লৰুনু খায় শেষ কৰিলে বুলি ঠেহ পাতি মাক যশোদাৰপৰা পুনৰ লৰুনু আদায় কৰিছে –
" ভূমি লুটিয়া কান্দে গোপীনাথ ভাণ্ডিতে মাৰুৰে।

চুৰি কৰিয়া ক্ষীৰ-লৰুনু খায়া খালি ঘৰে
কেৱা নিয়া খাইল মোৰ এ নৱ লৱনী
এহি বুলি হুমাহুমি কান্দে যত্নমণি"

উপায় নাপাই যশোদাই – "হৰিক পূজা নিমিত্ত নৱীন লৰুনু থৈয়াছিল, তাহেক যশোদাক কৃষ্ণক দেলহ। সোহি লৰুনু ভোজন কৰিয়ে শ্ৰীকৃষ্ণ নৃত্য কৰিতে লাগল।

**অৰ্জ্জুন ভঞ্জন নাটত** দেখা যায় যে যশোদাই কৃষ্ণৰ উদ্দণ্ডালিত ৰক্ষা নাপাই উৰালত বান্ধি থলে। কৃষ্ণই উৰাল টানি চোতালৰ অৰ্জ্জুন গছ দোজোপাত উৰাল পথালিকৈ লগাই গছে সৈতে উৰালি পেলালে। নন্দ আহি কৃষ্ণক বান্ধি থোৱা অৱস্থাত দেখা পাই খঙত যশোদাক গালি পাৰিবলৈ ধৰে। যশোদায়ো ৰণ ৰঙ্গিনী মূৰ্ত্তি ধৰি নন্দক ভাল-কৈয়ে এজাউৰি গালি শোধালে - "আহে বুঢ়িয়া, কাহেক আগে ঐছন ৰাগ দেখাৱ। তোহো হামাৰ ৰাখোৱাল। নিশা ভাগে উঠিয়ে কলপ, কণ্ডিয়া, বাঁওকা শিকিয়া কান্ধে কৰিয়ে, মলিন বসন পৰিয়ে গোষ্ঠক চলবি, ধেনু ৰাখবি, দুধক ভাৰ বহিবি, তুহু গৃহেৰ কোন অধিকাৰ? হামু গৃহেৰ গৃহিণী, সব অধিকাৰ হামাৰ।" মাক বাপেকৰ মাজত এইদৰে কাজিয়া লগাই চতুৰ শিৰোমণি কানায়ে ৰং চাইছে। এইদৰে বাকীকেইখন নাটতো বালগোপালৰ চুৰি, চাতুৰি, ভেম খেলা আদি মাধৱদেৱে স্বাভাৱিক আৰু সজীৱ ভাৱে ৰূপ দিছে। কিন্তু এনে বাৎসল্য সুলভ বৰ্ণনা পঢ়ি বা দৃশ্য দেখি দৰ্শক আত্মহাৰা হৈ কৃষ্ণৰ ঐশ্বৰিক দিশটোলৈ পাহৰি যায় বুলি নাট্যকাৰে বাল গোপালৰ ঐশ্বৰিক মহিমা আৰু শক্তিলৈ বাৰে বাৰে দৃষ্টি আকৰ্ষণ কৰিছে।

ৰোম বিৱৰ মহ কোটি কোটি অণ্ড, তাণ্ডৱ কৰু সমৰেণুং।
নিজ জন ৰচ্ছন, ভঞ্জন ব্ৰজ দুখ মোদি বিনোদিত বেণুং।
কলসি ভাঙল, দধিসৰ নাশল, কয়লি ভোজন নৱনীতং।
ভীতি পলাৱল বান্ধল জননী অৰ্জ্জুন ভঞ্জন বিতং॥
নাচত গাৱত ভাৱ দেখাৱত হাসত বহু লয় লাসে।
হৰিকহো চৰণ কমল মধু আশে, কহয় দীন মাধৱ দাসে।

বৰগীত বিলাকতো বাৎসল্য ভাৱৰ প্ৰাধান্য লক্ষ্য কৰা যায়। ভক্ত কৱিৰ চিত্তত বালগোপালৰ দৈনন্দিন লীলাৰ প্ৰত্যেক কাৰ্য্যই প্ৰতিভাত হৈছে আৰু সেই কাৰণে নিখুঁট ভাৱে তাৰ বিৱৰণ দিব পাৰিছে। ব্ৰজবাসীৰ সৰল স্নেহ আৰু অকপট ভক্তিৰ বশ হৈ পৰম পুৰুষে কেনেকৈ গৰখীয়া ল'ৰাৰ ভাও ধৰি নানা ৰং ধেমালী আৰু চল চাতুৰিৰ অৱতাৰণা কৰিছিল তাক ভক্ত কৱিয়ে মানস চক্ষুৰে দেখা পাই সেই আনন্দৰ ভাগ আনকো দিবলৈ সক্ষম হৈছে। "তীব্ৰ ভাস্বত্ সূৰ্য্যৰ পোহৰে পাত্ৰভেদে মধুৰ কিৰণ বিলোৱাৰ দৰে পৰম পুৰুষেও পাত্ৰভেদে সেই অঞ্চলা প্ৰাণীসকলৰ মাজত কেনেকৈ লীলা প্ৰকাশ কৰি সকলোৰে জীৱন আনন্দময় কৰি তুলিছিল তাৰ সজীৱ চিত্ৰ বৰগীতবোৰত অঙ্কিত হৈছে।"

বৈষ্ণৱসকলে বৰগীত বোৰক ৬টা বিষয়ত



বিভাগ কৰে— (১) পৰম পুৰুষৰ অৱতাৰী লীলা (২) কৃষ্ণৰ বিদায়ত যশোদা আৰু ব্ৰজবাসীৰ বিৰহ বিচ্ছেদ (৩) পাৰমাৰ্থিক তত্ত্ব (৪) বিৰক্তি (৫) চোৰ (৬) চাতুৰি। লীলা বিষয়ক বৰগীতৰ অধিক সংখ্যাই বাল-গোপালৰ জাগৰণ, চালন, খেলন আৰু নৃত্য বিষয়ক। কৃষ্ণৰ চোৰ আৰু চাতুৰি প্ৰকাশক গীতখিনিকো লীলা বিষয়ক গীতৰেই অন্তৰ্ভুক্ত কৰিব পাৰি; বৈষ্ণৱ সকলে অৱশ্যে এই দুইটা বিষয়ক পৃথক ভাৱে ধৰিছে। মাতৃ যশোদাই পুৱাতে কৃষ্ণক জগাই দি সজাই পৰাই গৰু চৰাবলৈ পঠাই দিয়াৰ দৃশ্যাৱলী জাগৰণ গীতত অঙ্কন কৰিছে। যশোদাৰ মাতৃ স্নেহ আৰু কৃষ্ণৰ শিশুসুলভ ব্যৱহাৰ সুন্দৰকৈ এই জাগৰণ গীতবোৰত প্ৰকাশ কৰিছে।

" উঠৰে উঠ বাপু, গোপালহে, নিশি পৰভাত ভৈল।
কমল নয়ন বুলি ঘনে ঘন যশোৱা ডাকিবে লৈল॥
মোৰ প্ৰাণধন, সুচান্দ বয়ন গাৱচালি তেজ নিন্দ।
সৱ পুৰুষৰ শিৰৰ ভূষণ তুমিসে বাপু গোবিন্দ॥
মোৰ পুত্ৰ বুলি যশোৱা গোৱালী বুকে বান্ধি লৈলা কোলে।
বয়ন চুম্বন কৰি ঘনে ঘন আনন্দে মগন ভৈল॥ ইত্যাদি—

কিন্তু কৃষ্ণ সহজে উঠা ভকত নহয়। মাকে আকৌ সকিয়াব লগা হয় – 'ৰজনী বিদূৰ দিশ ধৱলী বৰণ। তিমিৰ ফেৰিয়া আইসে ৰবিৰ কিৰণ॥ দামে সুদামে ডাকে তেৰি লৈয়া নাম। হেৰ দেখ উঠিয়া আসিল বলৰাম॥' বহুত বেলিৰ মূৰত কৃষ্ণ উঠিল যদিও গাখীৰ নাখোৱাৰ ভাও জুৰিলে – "গোবিন্দ, দুধ পিউ বোলয় যশোদা। দুধ নখায়া হৰিকান্দে ওৱা ওৱা॥" যাহওক বহুত সাধ্য সাধনাৰ পাচত গাখীৰ খাই গৰু চাৰিবলৈ যায়।

জাগৰণৰ গীতসমূহ মাতৃ স্নেহৰ অপূৰ্ব্ব প্ৰকাশ। জাগৰণৰ পাচতে চালন। সমনীয়া গোপবালকৰ লগত গৰু চৰাবলৈ যোৱা আৰু গধূলি উভতি অহাৰ দৃশ্যও অতি সজীৱ আৰু বাস্তৱ ভাৱে চালনৰ গীতত মাধৱদেৱে ৰূপ দিছে:

গোবিন্দ চলয়ে বৃন্দাবনে, গোপ শিশু সঙ্গে
ৰজায়া মোহন বেণু ধেনু ধায় ৰঙ্গে
সকল বালক মাজে কানাই সুন্দৰ
ভুবন মোহন শ্যাম ৰূপ মনোহৰ
গগণ মণ্ডল পূৰে শিঙ্গা বেণু ৰোলে
আভীৰ বালকে বেঢ়ি জয় হৰি বোলে॥

গধূলি উভতি অহাৰ দৃশ্যও সেইদৰে ৰসাল

গোবিন্দ আৱে ভুবন ভুলাই, বালক সঙ্গে ৰঙ্গে যদুনন্দন,
গোধন আগু চলাই॥
গোধূলি ধূসৰ তনু শ্যাম সুন্দৰ বৰ, চঞ্চল নয়ন দুলাৱে
শৰদ চান্দ কোটি বয়ন বিৰাজিত সুমধুৰ মূৰলী বজাৱে॥

বৃন্দাবনত চৰিবলৈ গৰু এৰি দি সমনীয়া গোপবালকবোৰক লগত লৈ কৃষ্ণই যমুনাৰ বালিত, কদম্বৰ তলত বাঁহী বজাই নাচে, সমনীয়াৰ লগত ঢোপ খেলে, বনভোজ খায়।

" ভালি নাচে মদন গোপাল, বজায়া মোহন বেণু গলে বনমাল,
অৰুণ চৰণ দুহো ঠমকে চলায়, ঈষত ঈষত হাসি পঞ্চম গায় ॥ "

নৃত্য এৰি একোবাৰ খেলত ধৰে।

মালতী মালা চাৰু শোভিত সাথে
গেণ্ডুৱা লুফি লুফি ধৰয় হাতে
বলাইৰ হাতৰ খসি গেণ্ডুৱা পৰে
হাসিৰ খলখলি অধিক চৰে ॥

কেতিয়াবা আকৌ বনভোজ খাই আনন্দ উৎসৱ কৰে নাইবা যমুনাৰ পাৰত বালি-ভাত খাই আমোদ কৰে।

কৰত গোপাল ভোজন ব্যৱহাৰা
গোপ বালকসৱ চৌভিতি বেঢ়ল পঙ্কজ পত্ৰ আকাৰা।
দধি দুধ লৱনু চোৰ চাতুৰি ৰসে ভোজন কৰত আনন্দে ॥

চোৰ আৰু চাতুৰিৰ গীতবোৰত কানাইৰ দুষ্টালি, উদ্ভণ্ডালি শিশুসুলভ ভয় আৰু ভেম প্ৰকাশ হৈছে। মাক বাপেকৰ আতোল-তোলত ডাঙৰ হোৱা চতুৰ শিশু এটিৰ জীৱন্ত চিত্ৰ আৰু কাৰ্য্যাৱলী বালকৃষ্ণৰ চৰিত্ৰত ফুটি উঠিছে। কৃষ্ণৰ বালসুলভ অভিযোগৰ সুন্দৰ বৰ্ণনাৰ নিদৰ্শন তলত উদ্ধৃত কৰা গীতৰ অংশ কেইটাই দাঙি ধৰে।

হামো বিহানত খেড়ি খেলাৱত আজু কিছোৱে নাহি খাৱতৰি।
তুমহি হামাকু নাহি ডাকল মাই ডোখহি বৰ দুখ পাৱতৰি ॥
খালি উদৰে হৰি হাত নিবেশিয়ে দেখত বোলত বাণী ॥

কোনো দিনা আকৌ গা ধুবলৈ ঠেহ পাতি মাকক কৈছে :—

যশোৱাকু আগু বোলত হৰি ভাৱ, আজু চিনান কৰব নাহি মাও
ফিৰলো বনে বনে ধেনু বিচাৰি, তৃণে কাটল সৱ শৰীৰ হামাৰি। ইত্যাদি—

চিত্ৰকৰে যেনেকৈ বিভিন্ন ৰঙৰ প্ৰয়োগৰ দ্বাৰাই ওচৰ-দূৰ ঘন-পাতল আৰু পোহৰ-ছাঁৰ সমাবেশ ঘটাই সজীৱ দৃশ্য একোটা আমাৰ আগত দাঙি ধৰে সেইদৰে কবিয়েও শব্দৰ সহায়ত বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱৰ সমাবেশ ঘটাই ৰস সৃষ্টি কৰে। যাক কেন্দ্ৰ কৰি ভাৱৰ উদয় হয় সেয়ে বিভাৱ; কৃষ্ণ যশোদা গোপবালক আৰু বৃন্দাবনৰ বিভিন্ন প্ৰাকৃতিক পৰিবেশ হ'ল বিভাৱ, তেওঁলোকৰ সুখ দুখাদি অনুভূতিৰ বাহ্যিক প্ৰকাশ যেনে, হাঁহি, অশ্ৰু আদিয়েই অনুভাৱ আৰু লাজ ভেম আদি সাময়িক মানসিক অভিব্যক্তিবোৰেই সঞ্চাৰী ভাৱ। এই তিনিৰ সমবায়ত শ্ৰীকৃষ্ণৰ বাল্যলীলাৰ সুন্দৰ চিত্ৰ আৰু পৰিবেশ পাওঁ। কৃষ্ণ আৰু তেওঁৰ লগৰীয়াবোৰৰ কাৰ্য্যত আমাৰ শিশু জীৱনৰ প্ৰতিচ্ছবি দেখা পাই সেই বিষয়ত সহানুভূতি স্থাপন কৰিব পাৰোঁ আৰু ফলত আমাৰ মন ৰসাভিসিক্ত হৈ পৰে।

কিছুমান বৰগীতত বিৰহৰ বৰ্ণনা বৰ মূৰ্ত্তিমান হৈ প্ৰকাশ পাইছে। করুণ ৰসাসিক্ত এই গীতখিনিত বিৰহ বিধুৰা



গোপ-গোপীবিলাকৰ বিচ্ছেদৰ পোৰণি, নন্দ-যশোদাৰ আকুলতা, গোকুল বৃন্দাবনৰ নিৰানন্দতা, সমনীয়াসকলৰ নিঃসঙ্গভাৱ বৰ মৰ্ম্মস্পৰ্শীভাৱে ভক্ত-কবিয়ে ৰূপ দিছে। যি স্থলত মহামুনি কণ্বই তোলনীয়া জীয়েক শকুন্তলাক পতিগৃহলৈ পঠাই বাষ্পাকুল নয়ন হৈছিল, তেনেস্থলত গোকুলৰ প্ৰাণস্বৰূপ, নন্দ যশোদাৰ চকুৰ মণি কৃষ্ণৰ মথুৰা-যাত্ৰা যে কিমান বেদনা-দায়ক হব সি সহজে অনুমেয়। যশোদাৰ বিননীত আমি আমাৰ প্ৰিয় জনৰপৰা বিচ্ছেদ বেদনা কৰোঁ।

" আলো মঞি কি কহবো দুখ, পৰাণ নিগড়ে না দেখিয়া চান্দ মুখ।
কত পুণ্যে লভিলোঁ গুণেৰ নিধি শ্যাম, বঞ্চিয়া নিলেক নিকৰুণ বিধি বাম ॥
শ্যাম কানু বিনে মোৰ নাৰহে জীৱন, হাঁ শ্যাম বুলিতে আকুল কৰে মন।" ইত্যাদি—

গোপীবিলাকৰ বিৰহোক্তিত আমি লৌকিক প্ৰেমিকাৰ বিচ্ছেদৰ প্ৰতিধ্বনি শুনো।

কি কহবো উদ্ধৱ কি কহবো প্ৰাণ, গোবিন্দ বিনে ভয়ো গোকুল উছান।
শূন্য ভৈল অঙ্গিনা বিৰিন্দা বিপিন, নাশোভে ৰজনী যৈচে চান্দ বিহীন ॥
না চাৰৱ ধেনু কালিন্দী কুল, আৰ নুশুনোহো বেণু কদম্বক মূল।
মথুৰা ৰহল সব গোপিনীক পিউ, কেশৱ বিনে কৈছে ধৰব জীউ।

কিন্তু লৌকিক প্ৰেম-বিচ্ছেদৰ চিত্ৰৰ যোগেদি প্ৰকাশ কৰিলেও বৰগীতবোৰৰ উদ্দেশ্য কাম-কলুষিত দেহজ প্ৰেমৰ চিত্ৰ দাঙি ধৰা নহয়; এই বিচ্ছেদ আধ্যাত্মিক। চুফী কবি সকলে ভগবানক প্ৰিয়তম স্বৰূপে ভাবি সেই প্ৰিয়তমৰ লগত মিলনৰ আনন্দ আৰু বিচ্ছেদৰ পোৰণি তেওঁলোকৰ গীত আৰু কাব্যত প্ৰকাশ কৰাৰ দৰেই মহাপুৰুষ দুগৰাকীয়েও শ্ৰীকৃষ্ণৰ মথুৰা যাত্ৰাক উপলক্ষ্য কৰি লৈ তেওঁলোকৰেই আধ্যাত্মিক বিৰহ বৰ্ণনা কৰিছে। বাৎসল্য, সখ্য আৰু মধুৰ ভাৱৰ বৰগীতবোৰত ভক্তি-ৰসৰ এটি অন্তৰ্নিহিত গভীৰ স্ৰোতৰ সৃষ্টি কৰিছে বিৰোধ ভাগ, অলঙ্কাৰ আৰু চিত্ৰৰ যোগেদি। এই আপাত বিৰোধমূলক বৰ্ণনাই কৃষ্ণলীলাৰ অলৌকিকত্ব দৰ্শাই ভক্তি-ৰসৰ উদ্ৰেক কৰিছে। কৃষ্ণৰ মানবীয় কাৰ্য্য বা ব্যৱহাৰ বৰ্ণনা কৰি শেষত সামৰণি মাৰে তেওঁৰ ঈশ্বৰত্বৰ অচিন্ত্য মহিমা কীৰ্ত্তন কৰি।

(১) সনক সনাতন যতহি যোগীজন যাকেৰি চৰণ ধুৱায়
সো হৰি নন্দ গোকুল মহ মিলল, দীন মাধৱে এহি গায়।

* * * * *

(২) কহিতে বিস্ময় বিপৰীত শুনিবাৰ, কোথা শুনি আছ ভাই ব্ৰহ্মৰ বিহাৰ।
অনুমানে কহে যাক সকলে নিগমে, সোহি হৰি ক্ৰীড়া কৰে গোপ শিশু সমে ॥

নাম-ঘোষা দাস্য ভাৱাত্মক গ্ৰন্থ। পৰমানন্দ সাগৰত উঠি যোৱা ই মাধৱদেৱৰ মহাপ্ৰস্থানিক গীত বুলি ৺ডাঃ কাকতীদেৱে আখ্যা দিছে। তেখেতে কৈছে " নাম ঘোষাত

প্ৰধানতঃ তিনটা ভাৱৰ ধাৰা মিহলি হৈ বিশাল আনন্দ সাগৰৰ ফালে প্ৰবহমান হৈছে— পুণ্যশ্লোক শঙ্কৰ স্মৃতি, মাধৱদেৱৰ আত্মলঘিমা আৰু কৃষ্ণভক্তিৰ মাহাত্ম্য।" এই তিনিওটা ধাৰাৰে মূল উৎস হৈছে মাধৱ পুৰুষৰ অন্তৰত বৈ যোৱা ৰসময়ী ভক্তি।

নামঘোষাৰ দাস্য ভাবাত্মক ভক্তি ৰসৰ এটা অভিব্যক্তি হ'ল উপাস্যজনৰ প্ৰতীক স্বৰূপ গুৰুৰ ওচৰত আত্মসমৰ্পণ আৰু তেওঁৰেই যশোগান কীৰ্ত্তনত অভিনৱ আনন্দ স্ফুৰণ। শঙ্কৰ গুৰুৰ পদ নখচন্দ্ৰত হৰিভক্তিৰ ৰাজ-মাৰ্গেদি পদস্খলন নোহোৱাকৈ আগবাঢ়িবলৈ পাই আদৰ্শ ভক্ত আৰু শিষ্য মাধৱদেৱৰ আনন্দৰ অৱধি নাই, সুখৰ পাৰ নাই। সেই কাৰণেই তেওঁ একাধিক ঘোষাত গুৰুৰ যশ-কীৰ্ত্তন কৰি আনন্দ আৰু কৃতজ্ঞতা প্ৰকাশ কৰিছে। নাম ঘোষাত দাস্য ভাবাত্মক ভক্তি-ৰসৰ দ্বিতীয় প্ৰৱাহ হ'ল উপাস্য দেৱতা কৃষ্ণৰ শ্ৰেষ্ঠত্ব গৌৰৱ আৰু মাহাত্ম্য প্ৰকাশ। বুদ্ধি দীপ্ত পাণ্ডিত্যতকৈ ভক্তি-বিগলিত হৃদয়ৰ আকুল আৱেগ প্ৰত্যেক ঘোষাতে স্পষ্টভাৱে প্ৰকাশ হৈছে।

এনে ভাৱাবেগৰ দ্বাৰাই প্ৰণোদিত হৈ তেওঁ লেখিছে :

কৃষ্ণ নিজ ইষ্টদেৱ, আত্মা প্ৰিয়তম গুৰু
সুহৃদ সোদৰ·········· বন্ধুজন।
কৃষ্ণ মোৰ মতিগতি কৃষ্ণত ভকতি ৰতি
কৃষ্ণ পাৱে নিমজ্জোক মন ॥

• • • • •

মাধৱেসে আত্মা নিজ মাধৱেসে ইষ্ট গুৰু
মাধৱেসে দেৱতা পৰম।
পৰম ঈশ্বৰ স্বামী জানি মাধৱক ভজা
মনুষ্যৰ ইসে শ্ৰেষ্ঠ ধৰ্ম্ম ॥

উপাস্যজনৰ চৰণত আত্মসমৰ্পণ কৰি তেওঁৰ কৰুণা প্ৰাৰ্থনা কৰা ভক্তি-বিগলিত তদ্গত চিত্তৰ মাধৱদেৱৰ কৰুণ ছবিটি পাঠকৰ বা শ্ৰোতাৰ মনলৈ নহাকৈ নাথাকে যেতিয়া তেওঁ পঢ়ে বা শুনে "মই দুৰাচাৰ কেৱলে তোমাৰ অপৰাধী নাৰায়ণ। ক্ষমিয়োক হৰি লৈয়ো দাস কৰি পশিলো হেৰা চৰণ ॥ হে কৃষ্ণ স্বামী তয়ু পাৱে আমি কেৱল শৰণ চাওঁ। কৰা অনুগ্ৰহ মায়াৰ নিগ্ৰহ তেৱেসে প্ৰভু এৰাঁও ॥ "কিমতে ভকতি কৰিবো তোমাত হৰি এ, মই মূঢ় মতি নাজানো তাৰ উপায়। তোমাৰ মায়ায়ে মন মোহি আছে হৰি এ। অজ্ঞান আন্ধাৰে পৰিয়া পাৰ নাপাওঁ ॥" এনে ধৰণৰ কাকুতি, খেদ আৰু প্ৰাৰ্থনাসূচক ঘোষাবোৰত ভক্তিৰ গাঢ়তা আৰু তন্ময়তা উপলব্ধি নোহোৱাকৈ নাথাকে।

মাধৱদেৱৰ দাস্য ভাবাত্মক ভক্তিৰ তৃতীয় অভিব্যক্তি আত্মলঘিমা। তৃণতকৈয়ো সুনীচ, তৰুতকৈয়ো সহিষ্ণু আৰু নিজে মান নিবিচাৰি



আনক মান কৰিব পৰাটোৱেই প্ৰকৃত ভক্তৰ লক্ষণ। নামঘোষাৰ খেদ, বিৰক্তি, আত্মনিন্দা, আশ্ৰয় কাকুতি শীৰ্ষক ঘোষাবোৰত এহাতে যেনেকৈ ভক্তসুলভ দীনতা প্ৰকাশ পাইছে আনহাতে তেনেকৈ ভক্তপ্ৰাণৰ ব্যাকুলতা, একাগ্ৰতা আৰু আত্মবিলোপনৰ ভাব সুন্দৰকৈ ফুটি উঠিছে। এই দৰেই ৰসময়ী ভক্তিৰ তিনটা ধাৰা এহেজাৰ ঘোষাৰ মাজেদি প্ৰৱাহিত হৈ পাঠক বা শ্ৰোতাকো সেই ৰস প্ৰৱাহত অৱগাহন কৰাইছে আৰু পাঠকৰ বা শ্ৰোতাৰ মনৰপৰা সাময়িকভাৱে হলেও সকলো কলুষতা আৰু সাংসাৰিকতা আঁতৰ কৰি ভগৱৎ প্ৰেমানন্দ উপলব্ধি কৰায়।

কোনো কাব্য বা গীতত একাধিক ৰসৰ সমাবেশ থাকিব পাৰে কিন্তু তাৰে এটা প্ৰধান আৰু আনবোৰ গৌণ বা সঞ্চাৰী ৰস বুলিব পাৰি। আপাত দৃষ্টিত ৰাজসূয় কাব্যত বীৰ আৰু ৰৌদ্ৰ ৰসৰ প্ৰাধান্য লক্ষ্য কৰা যায়। কিন্তু কাব্যখনৰ উদ্দেশ্য হ'ল বীৰ আৰু ৰৌদ্ৰাদি ৰসৰ যোগেদি কৃষ্ণৰ শ্ৰেষ্ঠত্ব আৰু কৃষ্ণভক্তিৰ মহিমা প্ৰচাৰ কৰাহে, পাঠকৰ অন্তৰত বীৰ ৰস সঞ্চাৰিত কৰা নহয়। এইদৰে বৰগীতবোৰতো কৰুণ, শান্ত হাস্য ৰসৰ সমাবেশ থাকিলেও সেই ৰস অন্তৰ্নিহিত ভক্তি ৰসৰেই বাহ্যিক আৱৰণ মাত্ৰ। নানা ঠাইৰপৰা নানা পথেদি নদীৰ প্ৰৱাহ গৈ সাগৰৰ মিলি যোৱাৰ দৰে মাধৱ-দেৱৰ ৰচনাৰ বিভিন্ন ভাৱ আৰু ৰস "মধুৰবো সুমধুৰ, মঙ্গলবো পৰম মঙ্গল" স্বৰূপ ভক্তি-সাগৰৰ বিলীন হৈছে।

# বড়ো কছাৰী জাতিৰ সংস্কৃতি

কুটীৰ শিল্প ]

শ্ৰীযুক্ত ৰূপনাথ ব্ৰহ্ম।

অসমৰ প্ৰাচীন ঐতিহ্যৰ বিশিষ্ট গৰাকী বড়ো কছাৰী জাতিৰ কৃষি আৰু শিল্প নৈপুণ্যৰ পূৰ্ণ পৰিচয় আজিও এওঁলোকৰ কাম-কাজত বিশেষভাৱে পোৱা যায়। প্ৰায় পঞ্চাশ বছৰৰ আগত কছাৰী সকলৰ কৃষি কাৰ্য্য সম্বন্ধে বড়ো কছাৰীৰ হিতৈষী বন্ধু স্বৰ্গীয় বেভাৰেণ্ড এচ, এণ্ডেল চাহাবে তেওঁৰ কিতাপত লিখিছে—

" Agriculture is the great industry of the Kacharis They are especially skilful in the construction of irrigation canals and earthwork embankments diverting water from river beds into their ricefield. The Kacharis have a highly efficient and very inexpensive Public Works Department of their own and vigorous efforts of self-help of this character would seem to be worthy of high commendation and hearty support"

ভাবাৰ্থ – "কৃষিয়েই কছাৰীসকলৰ মুখ্য কাম। ধান-খেতত পানী সৰবৰাহৰ কাৰণে নৈত বান্ধ বান্ধি পয়ঃ-প্ৰণালী নিৰ্ম্মাণ কৰাৰ

কামত এওঁলোক বিশেষভাৱে দক্ষ। কছাৰী সকলৰ অতি উচ্চ খাপৰ নিজস্ব Public works Depaitment ( গড়কাপ্তানী বিভাগ ) আছে। এইবোৰ কামত এওঁলোকৰ স্বাৱলম্বনৰ প্ৰচেষ্টা অতি উচ্চ প্ৰসংশনীয়।"

বোৱা-কটা কামত বিশেষকৈ ডিজাইনৰ কামত বড়ো কছাৰী তিৰোতাসকলে আজিও শ্ৰেষ্ঠ ঠাই অধিকাৰ কৰি আছে। চুইডেনৰ মহিলা শ্ৰদ্ধেয়া লেডী হায়দৰী তেওঁৰ আদৰ্শ স্বামী চাৰ আকবৰ হায়দৰীৰ গোৱালপাৰা জিলাৰ বড়ো কছাৰী গাওঁবোৰত পৰিভ্ৰমণৰ সময়ত বড়ো কছাৰী ভনীসকলৰ অপূৰ্ব্ব ডিজাইনেৰে বোৱা কাপোৰৰ নমুনা দেখি মুগ্ধ হৈ মন্তব্য প্ৰকাশ কৰিছিল —

" These exhil its which I have seen to-day are the best specimens l have ever seen in Incia and abrcad "

ভাবাৰ্থ - " মই আজি বোৱা কাপোৰত যি নমুনা দেখিলোঁ ই ভাৰতত আৰু ভাৰতৰ বাহিৰত শ্ৰেষ্ঠ ধৰণৰ।"

ৰেভাৰেণ্ড এচ, এণ্ডেল চাহাবে তেওঁৰ কিতাপত লিখিছে — " One of the chief industries a very profitable one among the Kacharis is that of the culture of silk worm known as ' Eri ' and the manufacture of the eri-cloth The fabric itself ( Eri-cloth ) so produced is one of the great value especially for use in the cold season being atcnce soft and warm as well as remarkably str ng and durable "

ভাবাৰ্থ— " এওঁলোকৰ প্ৰধান শিল্পৰ ভিতৰত এড়ি পলু পালন কৰা আৰু এড়ি কাপোৰ তৈয়াৰ কৰাই এটা লাভজনক শিল্প। এই এড়ি সূতা আৰু কাপোৰ বৰ মূল্যবান। বিশেষকৈ জাৰকালি ব্যৱহাৰ কৰিবৰ কাৰণে নৰম, ভাল আৰু গৰমো। ই বিশেষভাৱে বৰ ডাঠ আৰু স্থায়ী।" সঁচাকৈয়ে স্থায়ীত্বত আৰু বিশুদ্ধতাত আজিও বড়ো কছাৰীবিলাকৰ এড়ি কাপোৰৰ তুলনা নাই।

অবিভক্ত বঙ্গদেশৰ বিচাৰ বিভাগ আৰু ট্ৰাইবেল উন্নয়ন বিভাগৰ ভাৰ প্ৰাপ্ত ভূতপূৰ্ব্ব মন্ত্ৰী মোৰ শ্ৰদ্ধেয় বন্ধু সমাজ সেৱক শ্ৰীযুত নীহাৰেন্দু দত্ত মজুমদাৰ ( বেৰিষ্টাৰ ) ডাঙৰীয়াই মোৰ লগত গোৱালপাৰা জিলাৰ উত্তৰ অঞ্চলত বড়ো কছাৰী গাওঁবিলাকত পৰিভ্ৰমণ কৰাৰ পাচত ভাৰতীয় আদিম জাতি সেৱক সঙ্ঘৰ ' বন্য জাতি ' পত্ৰিকাত ( Vol. II. January 1954 No 1. এটা বিবৃতি প্ৰকাশ কৰিছিল। তাত তেওঁ এইদৰে লিখিছে—

" The Bodos, I found are good agriculturists efficient handloom weavers with charming designs in evidence of their high artistic attainments. They are possessed of talents for melodious music drawn from their ancient songs of the Bodo language."

ভাবাৰ্থ - " বড়ো সকল ভাল খেতিয়ক আৰু তাঁতত কাপোৰ বোৱাত বৰ নিপুণ। এওঁলোকৰ কাপোৰৰ ডিজাইন বা ফুলজাবিয়ে অতি ওখ খাপৰ শিল্প নৈপুণ্যৰ পৰিচয় দিয়ে। বড়ো ভাষাত সুমধুৰ সঙ্গীততো তেওঁলোকৰ অপূৰ্ব্ব প্ৰতিভাৰ পৰিচয় পোৱা যায়।"

এই সিদিনাখনো ৰাজ্য পূৰ্ণ গঠন কমিচনৰ বিশিষ্ট সভ্য জনজাতিৰ দৰদী বন্ধু শ্ৰদ্ধেয় পণ্ডিত হৃদয় নাথ কুঞ্জুকদেৱে ধুবুড়ী মহকুমাৰ বড়ো কছাৰীসকলৰ শিল্প আৰু কৃষ্টি প্ৰদৰ্শনী দেখি মুগ্ধ হৈ কৈছিল— " মই ভাৰতৰ বিভিন্ন ঠাইৰ জন জাতীয় ভাই-ভনী-সকলৰ সংস্পৰ্শলৈ আহিছোঁ ; কিন্তু আজিহে মই অসমৰ বড়ো কছাৰী ভাই ভনীসকলক প্ৰথম দেখিলো আৰু তেওঁলোকৰ অতি উচ্চ ধৰণৰ শিল্প আৰু কৃষ্টি নিদৰ্শন দেখি সঁচাকৈয়ে বৰ আচৰিত মানিছোঁ। ই সঁচাকৈয়ে অতি অপূৰ্ব্ব আৰু বিশিষ্ট নৈপুণ্যৰ পৰিচায়ক।

The Bodo Kacharis of Assam have really a highly developed cultural heritage.

অসমৰ বড়ো কছাৰীসকলৰ বাস্তৱতে অতি উচ্চ ধৰণৰ কৃষ্টিগত ঐতিহ্যৰে আছে। বড়ো কছাৰী ভনীসকলে বোৱা-কটাত সঁচাকৈয়ে অতি সুনিপুণা।'

বড়ো কছাৰীসকলৰ প্ৰতি গাৱেঁ গাৱেঁ আৰু প্ৰতি ঘৰে ঘৰে বড়ো কছাৰী তিৰোতা-সকলে এতিয়াও বৰ হেঁপাহেৰে এড়ি পলু পোহে আৰু এড়ি সূতা কাটি অতি উৎকৃষ্ট এড়ি কাপোৰ বই লয়। গোৱালপাৰা জিলাৰ উত্তৰ অঞ্চলৰ বড়ো কছাৰী বাই ভনী-সকলে নিজৰ দেশী তাঁতত বিচিত্ৰ ৰঙৰ সূতা দি মনোমহা বিচিত্ৰ ডিজাইনৰ নিজৰ পিন্ধা-উৰা কাপোৰ তৈয়াৰ কৰি লয়। এওঁলোকে বজাৰৰ কাপোৰ ব্যৱহাৰ নকৰে। এড়িৰ কামত এওঁলোকৰ বিশেষ পৰিদৰ্শিতা দেখা যায়। কাপোৰ বোৱা কামত বড়ো কছাৰী তিৰোতাসকলক Born weaver বুলি কব পাৰি। বোৱা-কটা নজনা ছোৱালীক সমাজত অৱজ্ঞা কৰা হয় আৰু তেনেকুৱা ছোৱালীৰ বিয়া হোৱাই টান হৈ পৰে।

বড়ো কছাৰী ছোৱালীবোৰে অতি সৰু কালৰেপৰা তাঁত শালত বহি মাকৰহঁতৰ লগত তাঁত বোৱা আৰু এড়ি সূতা কটা কামবোৰ যত্নেৰে শিকি লয়। এওঁলোকৰ বোৱা কটাৰ বৰ সুন্দৰ এটি লোক গীতিকা আছে। তলত এই লোকগীতিকাৰ কিয়দংশ দিয়া হ'ল। ইয়াৰ পৰাই বুজিব পাৰি বোৱা-কটা শিকিবৰ কাৰণে এওঁলোকৰ কিমান আগ্ৰহ।

গীতিকা— " দেহায় লাগো বিমা বুঢ়ীনি দানায় লুনায় আগৰ হেৱনায়খৌ সোলাংদিনি। সিখিৰি বিদৈ সোৰনায় অথাংয়াও দাও বিৰনায় আগৰ দৈখাংনানৈ ৰয়মাৰ খিছানি লাগো খিছানি।"

ইংৰাজী ভাৱাৰ্থ— " Oh friends, let us learn the arts of weaving and spining from our old mother. Butterflies lying on flowers and birds flying in the open sky— let us weave all these in our cloths and show them to all."

অসমীয়া ভাৱাৰ্থ— " অ' মোৰ লগৰীয়া সখি, আহাঁ আমাৰ বুঢ়ী আইৰপৰা বোৱা-কটা কাম শিকোঁ। ফুলত পৰি থকা পখিলা, আকাশত উৰি যোৱা চৰাই এইবোৰ আমাৰ কাপোৰত বই সকলোকে দেখুৱাই দিওঁ আহা।" এওঁলোকৰ তাঁত শালৰ সজুলি-বিলাকৰ নিজস্ব নাম আছে। যেনে— মাকো, গান্দৈ, শাল, ছৰকি, মুচুৰা, গৰখা। অসমত প্ৰথম সূতা আমদানি হোৱা সময়লৈকে বড়ো কছাৰী সকলে কপাহৰ খেতি কৰি সূতা কাটি কাপোৰ তৈয়াৰ কৰি লৈছিল। কপাহক এওঁলোকে খুন্ বুলি কয়। ছুং মানে সূত্ৰ বা সূতা। কপাহৰ সূতাক এওঁলোকে খুন্ছুং বুলি কয়।

এওঁলোকৰ পুৰতি নিশা কপাহ ধুনাৰ মধুৰ লোক গীতিকা এতিয়াও এওঁলোকৰ বাদ্য-যন্ত্ৰত ছন্দবদ্ধ হৈ আছে। এই গীতিকাৰ কিয়দংশ তলত দিয়া হল। - "বুঢ়ী অই অই বুঢ়ী অই ওখানাইছি নাইছি খুন লুনায়া হনৈ লাফাছাইখয়ালায় উবাও মাবি মাবি গাব্‌লায়লাংবাৰা।" অসমীয়া ভাৱাৰ্থ - "অ' বুঢ়ী অ' বুঢ়ী পুৱতি নিশা কপাহ ধুনাটো লৌৱা, কেতেকী চৰায়ে আকাশেদি উৰি উৰি মাত লগায় গ'ল।" কাপোৰক এওঁলোকে 'বি' বা 'সি' বুলি কয়। অসমীয়া 'বিহা' শব্দটো এই 'বি' শব্দৰ পৰাই অহা যেন লাগে। বড়ো কছাৰী তিৰোতাসকলৰ মাজত এতিয়াও ডিজাইন বা ফুলজাৰিৰ অফুৰন্ত ভাণ্ডাৰ বৈ আছে। এইবোৰ ডিজাইনৰ কেইটামান বিশেষ বিশেষ ডিজাইন কিছুমান ঠাইত অনুকৰণ কৰি চলোৱা দেখা গৈছে। এতিয়া এইবোৰ গৱেষণা কৰি প্ৰকাশ কৰিবৰ সময় হৈ আহিছেহি। ভাৰত তথা বিশ্বৰ দৰবাৰত এই বড়ো কছাৰী জাতীয় ডিজাইনবোৰ বিশিষ্ট ঠাই অধিকাৰ কৰিবলৈ সমৰ্থ হব বুলি মোৰ দৃঢ় বিশ্বাস। আমাৰ ৰাজ্যিক গৱৰ্ণ-মেণ্টৰ সংশ্লিষ্ট বিভাগৰ দৃষ্টি আজি এই বিষয়ত আকৃষ্ট হৈছে আৰু এই বিষয়ে গৱেষণা কৰি প্ৰকাশ কৰিবৰ কাৰণে এটি প্ৰচেষ্টা চলিছে। ধুবুৰী মহকুমাৰ বড়ো কছাৰী তিৰোতাসকলে নিজৰ দেশী তাঁতত চিলাই নকৰাকৈ গাৰু কাপোৰ ( Pillow case ) আৰু দীঘল ঠেং চোলা ব'ব পাৰে। ই এওঁলোকৰ নিজস্ব বৈশিষ্ট্য। বহুতে এইটো ধাৰণাই কৰিব নোৱাৰে। তলত এওঁলোকৰ কেইটামান ডিজাইনৰ নাম দিয়া হ'ল—

১। দাওবাই মখেপ্ — মৰা চৰাইৰ চকুৰ চাৱনি।
২। ফাবাও মগন্— পাৰ চৰাইৰ চকু।
৩। দাওথু গদ
৪। আগৰ গেদেৎ
৫। আগৰ ফিছা
৬। থাইগিৰ বিবাৰ
৭। ধাৰা মহৰ
৮। দিংকিয়া আগৰ
৯। জাহাও মহৰ
১০। বৈগিৰি বিবাৰ
১১। মৈদেৰ আগান্
১২। মাওজি আগান্
১৩। ছিংগ্ৰি বিলায়
১৪। নাছেৰ বিবাৰ
১৫। জলোঙ্গা আগৰ
১৬। গাংগুগদ
১৭। ফুলমাল্লা
১৮। লিচু আগৰ
১৯। হাথৰখি আগৰ
২০। গান্দুসি
২১। সিকিৰি

ইয়াৰ বাহিৰেও এওঁলোকৰ বহুধৰণৰ ডিজাইন আছে। এই সকলোবোৰ ডিজাইন বৰ সুন্দৰ আৰু আকৰ্ষণীয়। এইবোৰ ডিজাইন সংগ্ৰহ কৰি বিভিন্ন ডিজাইনত বেলেগ বেলেগ ৰকমৰ কাপোৰ বই উলিয়াব পাৰিলে ভাৰতৰ বিভিন্ন ঠাইত যথেষ্ট সমাদৰ লাভ কৰিব বুলি মোৰ বিশ্বাস।

বোৱা-কটাৰ বাহিৰেও এওঁলোকৰ আন আন হাতৰ কামো বিশেষ উল্লেখযোগ্য। গৃহস্থৰ যাৱতীয় লাগতীয়াল বস্তু নিজে তৈয়াৰ কৰি লয়। কাঠ, বাহ আৰু বেতৰ কামবোৰ সুন্দৰ আৰু মজবুত। এওঁলোকে বাহ আৰু বেতেৰে বৰ সুক্ষ্মকৈ ভাল ভাল বস্তু তৈয়াৰ কৰি লয়। কলা, পাচি, চালনি, পেড়া, জাকৈ, খালৈ, জাপি, পল, ঢৰা ইত্যাদি। সজুলি বোৰত এটা বিশিষ্ট



দেখা যায়। এওঁলোকে বৰ পৰিপাটিকৈ নিজে উৰাল, গাইন, নাঙল, যুৱলি ইত্যাদি তৈয়াৰ কৰি লয়। সাৰঙ্গ ( সেৰজা ), মৃদঙ্গ ( খাম্ ), বীণা ( বিডি ), বাঁহী ( চিফুং) ইত্যাদি বাদ্যযন্ত্ৰও এওঁলোকে বৰ সুন্দৰকৈ নিজে তৈয়াৰ কৰি লয়। অসমত এই বড়ো কছাৰী জাতি কৃষি শিল্পত সঁচাকৈ এটা স্বাৱলম্বী উন্নত জাতি। এই বিষয়ে অসমৰ কৃতী শিল্পীসকলৰ সুদৃষ্টি আকৰ্ষণ কৰি ইয়াতেই মোৰ প্ৰবন্ধৰ সামৰণি মাৰিলো।

# তীৰ্থযাত্ৰা

শ্ৰীযুতা সুপ্ৰভা গোস্বামী।

পৃথিবীৰ প্ৰায় সকলো ধৰ্ম্মতেই ধৰ্ম্ম-কৰ্ম্মত তীৰ্থযাত্ৰাৰ প্ৰধান স্থান আছে। সকলো ধৰ্ম্মাৱলম্বীয়েই নিজ নিজ ধৰ্ম্মমতে 'তীৰ্থস্থান' বুলি খ্যাত একো একোখন ঠাইলৈ গৈ অন্তৰত পৰম তৃপ্তি, অসীম প্ৰেৰণা অনুভৱ কৰে। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলো হিন্দুধৰ্ম্মাৱলম্বীয়েই হিন্দুৰ পৱিত্ৰ তীৰ্থস্থানবিলাকলৈ গৈ মনত গভীৰ আনন্দ লাভ কৰে। খৃষ্টীয়ানসকলে যীশুখৃষ্টৰ লীলা-ভূমি 'জেৰুজেলম্'লৈ গৈ, যীশুৰ প্ৰতি তেওঁলোকৰ প্ৰাণত শ্ৰদ্ধা ভক্তিৰ ভাব গভীৰ ভাবে অনুভৱ কৰে। তেনেকৈ মুছলমান ধৰ্ম্মাৱলম্বীসকলে মক্কালৈ গৈ সেই একে তৃপ্তিকে পায়। বৌদ্ধ ধৰ্ম্মাৱলম্বীসকলে বুদ্ধ গয়াৰ 'বোধি বৃক্ষ' জোপা দেখিলে, তেওঁলোকৰ মন সকলো পাৰ্থিব সুখ চিন্তাৰ পৰা ওপৰলৈ উঠি গৈ, মনুষ্য জন্মৰ সৰ্ব্ব উচ্চ লক্ষ্যৰ সন্ধানত বিয়াকুল হৈ উঠে।

যদিও সকলো ধৰ্ম্মতেই প্ৰত্যেকৰে নিজ নিজ মতে তীৰ্থস্থান আছে আৰু সকলোৱেই সেইদৰে ব্যগ্ৰ ঔৎসুক্য লৈ তীৰ্থলৈ যায়, তথাপি হিন্দুসকলৰ মাজতেই তীৰ্থক্ষেত্ৰৰ মহিমা আৰু প্ৰভাৱ সকলোবিলাকতকৈ বেচি পৰিমাণে থকা যেন দেখা যায়। হিন্দুধৰ্ম্মত তীৰ্থস্থানৰ সংখ্যাও আন আন ধৰ্ম্মতকৈ যে বহুগুণে বেচি তাক সকলোৱেই জানে। হিমালয়ৰ আকাশলঙ্ঘী শৃঙ্গৰপৰা, কন্যা-কুমাৰিকাৰ অসীম নীলা সাগৰলৈ, দ্বাৰকাৰ পৰা কুণ্ডিললৈ, এই বিশাল ভাৰতভূমি হিন্দুৰ তীৰ্থস্থানেৰে বিয়পি আছে।

ভাৰতৰ প্ৰায় প্ৰত্যেক প্ৰদেশতে একোখন তীৰ্থস্থান আছে। প্ৰায় সকলো-বিলাক চহৰ আৰু গাঁৱত নিজ নিজ একোটা দেৱদেৱীৰ মন্দিৰ আছে। এই অসংখ্য ডাঙৰ সৰু তীৰ্থক্ষেত্ৰ, দেৱালয় আদি যে কেতিয়া, কেনেকৈ, কিয় গঢ়ি উঠিবলৈ পালে, তাক সঠিককৈ কোৱা সহজ নহয়। কিন্তু সাধাৰণতে দেখা যায় যে প্ৰায়বিলাক তথা-কথিত তীৰ্থস্থানবিলাকৰ লগত, এনে কোনো ঘটনা, দৃশ্য বা পাৰিপাৰ্শ্বিকতা জড়িত আছে যে সেইবিলাকেই মানুহ মনৰ আধ্যাত্মিক ভাৱৰ উদ্দীপনা যোগানত সহায় কৰে, আৰু এইদৰে একো একোখন তীৰ্থস্থানে গঢ় লয়। এনেকৈ হিন্দুৰ একাৱন্নখন পীঠস্থান আৰু বদৰিকাশ্ৰম, পুৰীধাম, মথুৰা, বৃন্দাৱন আদি কৰি, অগণিত স্থান পুণ্যক্ষেত্ৰ ৰূপে স্থাপিত

হৈছে। এইবিলাকৰ প্ৰত্যেকৰে গুৰিত যে নানা আখ্যান, ঘটনা, উপাখ্যান আদি জড়িত আছে, তাক হিন্দু মাত্ৰেই অলপ নহয় অলপ জানে।

এইটো এটা মন কৰিব লগীয়া কথা, যে মনোমুগ্ধকৰ প্ৰকৃতিৰ হৃদয়গ্ৰাহী দৃশ্যাৱলীৰ মাজতেই প্ৰায় সকলোবিলাক তীৰ্থক্ষেত্ৰ অৱস্থিত। হিমালয়ৰ প্ৰেৰণা-উদ্দীপক, হিমপূৰ্ণ পটত, নীলা সাগৰৰ ঢেউ খেলি থকা বিস্তৃত বালিময় পাৰভূমি, সুবৃহৎ নদ-নদীৰ বিবিধ দৃশ্যপূৰ্ণ উৎপত্তি-স্থল, গতিপথ, আদিৰ মাজত হিন্দুসকলৰ প্ৰায়বিলাক তীৰ্থস্থান আমি দেখিবলৈ পাওঁহক। ভাৰতৰ ধাৰ্ম্মিক মনিষীসকলে, প্ৰকৃতি দেৱীৰ সৰস সম্ভাৰপূৰ্ণ প্ৰত্যেকখন ঠাইতেই, কৰ্ম্মক্লান্ত মানুহৰ ক্লেশপূৰ্ণ আত্মাৰ শান্তিৰ আৰু শান্তনাৰ একোখন যাউতী যুগীয়া স্থান কৰি থৈছে। সেই মহাপুৰুষসকল যে কেনে বিস্তৃত ভাবে ভ্ৰমণ প্ৰিয়, আৰু তেওঁলোকৰ মন যে কেনে কল্পনাপ্ৰসূ সৌন্দৰ্য্যগ্ৰাহী আছিল, এই তীৰ্থস্থানবিলাকেই তাৰ আটাইতকৈ জাজ্বল্যমান প্ৰমাণ। প্ৰাকৃতিক সৌন্দৰ্য্য ভাৰতীয় মানুহৰ মনত ঈশ্বৰৰ বিশাল ৰূপৰ চিত্ৰ বিচিত্ৰময় বিকাশ। ভগিনী নিবেদিতাই কৈছিল যে, যদি নায়েগ্ৰা জলপ্ৰপাত ভাৰতবৰ্ষত হলহেঁতেন, তেনেহলে তাৰ মূল্য ভাৰতীয়ৰ মনত একেবাৰে অন্যৰূপে প্ৰতিপন্ন হ'লহেঁতেন।

তীৰ্থযাত্ৰীৰ মনত, তীৰ্থক্ষেত্ৰৰ মহিমা কেনেদৰে প্ৰভাৱিত হয়, তাক বিশ্বাসী মনৰ বাহিৰে, আনে সম্যকৰূপে উপলব্ধি কৰিব নোৱাৰে। চৰ্ম্মচক্ষুৰে যত কেৱল মৱলা আৰু আবৰ্জ্জনাহে দেখি, বিশ্বাসী মনে হয়তো তাতেই পূৰ্ণব্ৰহ্মৰ সন্ধান পায়। বিশ্বাসী, অন্বেষী মনে যেনেকৈ মহাশূণ্যৰপৰা প্ৰৱল শক্তিৰ সম্ভেদ উলিয়াই, তেনেকৈ তীৰ্থক্ষেত্ৰতো বিশ্বাসী, অন্বেষণকাৰী মনে শিলাখণ্ডৰ মাজতে, বা এজোপা গছত, এটা ঘোলা পানীৰ কুণ্ডত নাইবা আকাৰ আকৃতি-হীন এটুকুৰা কাঠৰ মাজতে দেৱতাৰ সান্নিধ্য লাভ কৰে।

অতীতৰপৰা 'তীৰ্থযাত্ৰা' হিন্দুসকলৰ মাজত উৎকৃষ্ট ধৰ্ম্ম-কৰ্ম্ম বুলি খ্যাতি পাই আহিছে। মহাভাৰতৰ ৰজা যুধিষ্ঠিৰে, হিমালয়ৰপৰা বিন্ধ্য পৰ্ব্বতলৈকে কেৱল তীৰ্থকে কৰি ফুৰিছিল।

গতানুগতিক সাংসাৰিক জীৱন যাপনে, মানুহৰ মনত বিৰক্তি, ভগৱানৰ প্ৰতি অবিশ্বাস আদি নানা প্ৰকাৰ শান্তি-বিৰুদ্ধ ভাব জন্মায়। তেতিয়া তীৰ্থ-যাত্ৰাই মানুহৰ ক্ষত-বিক্ষত মনত শান্তিৰ প্ৰলেপ সানি দিয়ে। প্ৰকৃতিৰ নানাৰূপ দৃশ্য, দেশ-বিদেশৰ অসংগত লগৰীয়া তীৰ্থযাত্ৰী আদিৰ লগ পাই, অশান্ত অবিশ্বাসী মনে পুনৰ নতুন উদ্যম, নতুন প্ৰেৰণা পায়। সংসাৰ যাত্ৰা নিৰ্ব্বাহ আকৌ মধুৰ কৰ্ত্তব্য বুলি ভাবিবলৈ সক্ষম হয়।

তীৰ্থ যাত্ৰা হিন্দু ধৰ্ম্মৰ উদাৰ মতৰ আন এটা নিদৰ্শন। কাৰণ জাতি বৰ্ণ নিৰ্ব্বিশেষে, সকলো সম্প্ৰদায়ৰ হিন্দুৱেই, একে লক্ষ্যকে আগত ৰাখি, একেখন ঠাইত গৈ গোট খায়। প্ৰকৃতিৰ বিশাল সৌন্দৰ্য্যৰ মাজত, তীৰ্থভূমিৰ গভীৰ ধৰ্ম্ম-ভাবৰ প্ৰভাৱত, মানুহৰ ক্ষুদ্ৰ মনোবৃত্তি সমূহৰ বিনাশ ঘটে। এনেকৈ প্ৰত্যেকে প্ৰত্যেকৰ ধৰ্ম্ম-মতৰ মূল্য হৃদয়ঙ্গম কৰিবলৈ সমৰ্থ হয়। পুৰীত জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে, সকলোৱে কোনো ঘৃণা বা হেয় ভাব মনত নাৰাখি, অতি ভক্তি ভাৱে, তৃপ্তি সহকাৰে জগন্নাথৰ মহাপ্ৰসাদ খাই আনন্দ লাভ কৰে।

তীৰ্থযাত্ৰা হিন্দু সকলৰ মাজত, নানা



প্ৰকাৰ শিক্ষাৰো এটা পন্থা। এনেকৈ দেশৰ সকলো মানুহৰ, সকলোৰে লগত সমিল মিল হবৰ এটা সুযোগ হয়। নিজৰ দেশ খনক, দেশৰ মানুহক, চিনিবৰ, জানিবৰ উপায় থাকে। আনকি যি বিলাক তিৰোতা সহজতে ঘৰৰ বাহিৰ নহয় বা হবলৈ সুযোগ নঘটে সেইবিলাকেও তীৰ্থৰ নামত সকলো দ্বিধা-সঙ্কোচ কাটি কৰি থৈ তীৰ্থযাত্ৰালৈ ওলায়। তেওঁলোকৰ জীৱনত তীৰ্থযাত্ৰাৰ যে অতি শিক্ষাপ্ৰদ মূল্য আছে, তাক নুই কৰিব নোৱাৰি।

তীৰ্থস্থানবিলাকত দেশ বিদেশৰ নানা মানুহৰ সমাগম হয়। এই হেতুকে সেই-বিলাক ঠাইত, বেপাৰ বানিজ্য, শিল্প, স্থাপত্য আদিয়েও প্ৰধান স্থান লাভ কৰা দেখা যায়। তীৰ্থযাত্ৰাই পৰোক্ষে দেশৰ বানিজ্য, শিল্প, স্থাপত্য আদিতো সহায় কৰে।

ভাৰতীয় জাতিৰ ধাৰ্ম্মিক মনোবৃত্তিয়ে এই বিশাল দেশখনৰ প্ৰত্যেক ডোখৰ সুন্দৰ ঠাইতে, মঠ, মন্দিৰ, সাঞ্জি নাইবা এজোপা গছকে প্ৰতিষ্ঠা কৰি তাক ধৰ্ম্মস্থান ৰূপে স্থাপিত কৰিছে। এনেকৈ গঙ্গা নদীৰ পাৰে পাৰে অসংখ্য দেৱদেৱীৰ মন্দিৰ গঠন হৈছে। হিমালয়ৰ দুৰ্লঙ্ঘ্য পৰ্ব্বতৰ মাজত, সমুদ্ৰৰ নিৰ্জ্জন পাৰত, অৰণ্যৰ গহন বনত, গাৱেঁ, ভূঁয়ে, চহৰে, নগৰে কত যে তীৰ্থ, কত যে মঠ মন্দিৰ তাৰ আদি অন্ত নাই। এইবিলাক তীৰ্থক্ষেত্ৰত, পূব, পশ্চিম, উত্তৰ, দক্ষিণ, সকলো ঠাইৰ মানুহে, দেশ, কাল, জাতি, ধৰ্ম্ম সম্প্ৰদায় আদি সঙ্কীৰ্ণ মনোবৃত্তিৰপৰা উত্তীৰ্ণ হৈ, একেটা ধৰ্ম্মভাৱত অনুপ্ৰাণিত হৈ, প্ৰত্যেকে প্ৰত্যেকক আঁকোৱালি ধৰে।

মানুহে কত কষ্ট সহ্য কৰি, নানা প্ৰবন্ধৰে বাটৰ খৰচ পাতি যোগাৰ কৰি, আত্মীয়-স্বজন, ভাই বন্ধুৰ স্নেহ-বন্ধনক কাটি কৰি থৈ, তীৰ্থযাত্ৰালৈ ওলায়। যিবিলাকে হয়তো কোনো কাৰণ ৰশতঃ নিজৰ বসতি স্থানৰপৰা বাহিৰলৈ যোৱাৰ কথা কেতিয়াও নাভাবিলেহেঁতেন, সেইবিলাকেও তীৰ্থকে উদ্দেশ্য কৰি, নানা দেশ-বিদেশ ফুৰিবলৈ, দেখিবলৈ সুযোগ পায়। জ্ঞানৰ পৰিধি বঢ়াত সহায় হয়। ধন খৰচ হলেও, হয়তো তেওঁলোকৰ কষ্টাৰ্জ্জিত ধনখিনিৰ অপব্যৱহাৰ হোৱা নাই বুলি ভাবি স্বস্তি অনুভৱ কৰে।

তীৰ্থলৈ যাব পৰা বিলাকে মনত গভীৰ তৃপ্তি, শান্তি আৰু নানা জ্ঞান লাভ কৰি নিজ নিজ কৰ্ত্তব্যত আগ বাঢ়ে। যাব নোৱাৰা সকলে আশা কৰে, হয়তো জীৱনত কেতিয়াবা এদিন তীৰ্থ দৰ্শন ভাগ্যত ঘটিব আৰু পৃথিবীত মানৱ জনম সাৰ্থক হব।

# দুটি কামৰূপী লোক গীতি

## (১) জগন্নাথৰ নাম ; (২) দেৱীৰ নাম।



শ্ৰীযুক্ত হেমন্ত কুমাৰ শৰ্ম্মা।

সুজলা সুফলা অসমদেশ এফালে যেনেকৈ প্ৰকৃতিৰ বিচিত্ৰ ৰূপেৰে বিভূষিতা আনফালে তেনেকৈ বিহুগীত, হুচৰীগীত, বিয়ানাম, আইনাম আদি জাতীয় আৰু লোকগীতেৰেও ইয়াৰ আকাশ মুখৰিত। অতীজৰেপৰা মানুহৰ মুখে মুখে চলি আহি এই গীত আৰু উৎসৱ সমূহে এফালে যেনেকৈ অসমৰ অতীত কৃষ্টি সংস্কৃতি আৰু লোক বিশ্বাসৰ কথা সোঁৱৰাই দিছে আনফালে তেনেকৈ আনন্দ আৰু ৰং-ৰহইছৰ উৎস স্বৰূপ হৈ মানুহৰ মনত বিমল আনন্দও দান কৰি আহিছে।

উদ্দেশ্যৰ ফালৰপৰা চাই এই গীতবোৰ দুই ভাগত ভাগ কৰিব পাৰি ; এক হৈছে আনন্দ বিনোদক আৰু আনবিধ হৈছে মাঙ্গলিক। বিয়ানাম, ধাইনাম, মহোহোগীত, গৰখীয়াগীত, টোকাৰীগীত আদি গীত সমূহ গোৱা হয় প্ৰধানকৈ আনন্দ লাভ কৰিবৰ কাৰণেহে ; কিন্তু আইনাম, জগন্নাথৰ নাম, অপেশ্বৰীৰ নাম আদি লোকগীত সমূহ নিজৰ বা দহৰ মঙ্গলৰ কাৰণেই গোৱা হয় বুলি তাক মাঙ্গলিক গীতৰ ভিতৰত ধৰিব পাৰি। এই গীত সমূহৰ প্ৰচলন যে অসমৰ সকলো ঠাইতে আছে বা থাকিব লাগিব তাৰো কোনো মানে নাই। দেশৰ ভিন্ ভিন্ ঠাইত ভিন্ ভিন্ গীতৰ প্ৰচলন দেখা যায়। লোক উৎসৱ সমূহৰ বেলিকাও তেনে। উদাহৰণ স্বৰূপে মহোহো উৎসৱ নামনি অসমতহে পালন কৰা হয় ; কিন্তু হুচৰী মহোহোৰ নিচিনাই এটি উৎসৱ যদিও নামনি অসমত তাৰ প্ৰচলন নাই। তাৰ প্ৰচলন উজনি অসমতহে। এই প্ৰবন্ধত নামনি অসম তথা উত্তৰ কামৰূপ অঞ্চলত প্ৰচলিত "জগন্নাথৰ নাম" আৰু "দেৱীৰ নাম" এই দুটি লোকগীতি সম্বন্ধে আলোচনা কৰা হব।

(১) জগন্নাথৰ নাম :— এই নাম ধৰা হয় অসমীয়া বছৰৰ প্ৰথম মাহটোত অৰ্থাৎ এক বহাগৰপৰা আৰম্ভ কৰি একত্ৰিশ বহাগলৈ। আন মাহত এই নাম ধৰাৰ নিয়ম নাই। দহজনৰ মঙ্গল কামনা কৰিয়েই এই নাম পতা হয় কাৰণে এই নামক মাঙ্গলিক গীতৰ শাৰীতে থব পাৰি। এই নামৰপৰা মানুহৰ অতীত লোক বিশ্বাস সম্বন্ধে অলপ কথা জানিব পাৰি। গীতত কোৱা হৈছে যে প্ৰভু জগন্নাথৰ ঘৰ উৰিষ্যাত অৰ্থাৎ পুৰীত। বছৰৰ প্ৰথম মাহত প্ৰভু জগন্নাথ ৰাইজৰ মঙ্গল চিন্তিবলৈ পুৰীৰপৰা আমাৰ দেশলৈ আহে। তেওঁ আহিলে দেশত মাৰি-মৰক, অন্ন চিন্তা আদি দূৰ হৈ ৰজাঘৰে, প্ৰজাঘৰে জয় জয় ময়ময় হয়। সেয়েহে এই নাম বছৰৰ প্ৰথম মাহতে ধৰা হয়। এই নাম সাধাৰণতে সৰু ছোৱালীয়েহে ধৰে ; মতা নাইবা তিৰোতা মানুহে ধৰাৰ নিয়ম নাই।

জগন্নাথৰ নামবোৰ আইনাম, সুবচনীৰ নাম আদিৰ দৰে তেনেই চুটি চুটি হলেও ইয়াৰ অৰ্থ বৰ মধুৰ। সহজ সৰল গাওঁবাসী সকলৰ মনৰপৰা ওলোৱা ভাৱ আৰু কল্পনা যে কেনে সহজ সৰল— এই কথাই প্ৰকাশ পাইছে গীতবোৰত।



প্ৰথম গীতত কোৱা হৈছে যে, জগন্নাথৰ নাম কোনো গোসাঁইঘৰ, থান নাইবা আন কোনো আশ্ৰম আদিত ধৰা নহয় ; কাৰণ জগন্নাথ প্ৰভুৱে নিজে নিৰ্দ্দেশ দিছে যে, তেওঁৰ নাম বাটতহে ধৰিব লাগে। সেই কাৰণে এই নাম বাটৰ চুকত থকা বেল, নামত আম আদি গছৰ তলত ধৰা হয়। দিয়া হয়। কঠাল আদি বিবিধ ফলৰ উপকৰণ কদম, বৰ

বাটৰে তুবৰি মই তোলো উভাৰি  
জগন্নাথ আহিব শুনি ॥ ( অ ৰাম )

জগন্নাথ আহে ৰাইজৰ কাৰণে।  
কি দিয়া পূজিম হৰি তুখনি চৰণে ॥

জগন্নাথ আহে —

ওপৰে কদম তলে সিংহাসন  
জগন্নাথ তাতে বহে ॥

আমে কঠালে লেটুক পানীয়লে  
বছৰে বছৰে লাগে।  
প্ৰভু জগন্নাথে লেখা দি খেদেছি  
বাটত নাম ধৰিব লাগে ॥

জগন্নাথ নামলৈ আহে ; কিন্তু তেওঁৰ মনত চিন্তা যে, দেশখন আজি ইমান দিনে কুশলে আছে নে নাই।

জগন্নাথ আহিছে বাটতে বহিছে  
মাৰিছে থৰমৰ খুটি।  
আধা বাটৰপৰা সোধন পোচন কৰে  
ৰাইজখন সুখী নে দুখী ॥

কিন্তু জগন্নাথে দেখে যে, ৰাইজৰ মাজত নানা অপায় মিলিছে। তেওঁ মানুহৰ মুখত শুনিবলৈ পালে কেৱল অমঙ্গলৰহে কথা। কিন্তু সেই অমঙ্গলৰপৰা ৰক্ষা কৰ্ত্তা হৈছে একমাত্ৰ প্ৰভু জগন্নাথহে।

মাছৰে ভিতৰে কলি সোমাই আছে  
নাজানি মাৰিলোঁ মাছ।  
ৰাতিৰে শিয়ালে দিনত হোৱা দিয়ে  
ৰক্ষা কৰা জগন্নাথ ॥

কিন্তু ৰাইজে প্ৰভুৰ পৰা জানিব পাৰিলে যে, হৰিৰ নামহে একমাত্ৰ ৰক্ষা কবচ যি বিপদে সম্পদে মানুহৰ আশ্ৰয় হৈ থাকে আৰু সিয়ে একমাত্ৰ বিপদ-বত্তি

হৈ মানুহৰ এক্কাৰ জীৱনত পোহৰ পেলাই দিয়ে। পানীৰ সোঁতত উটি যোৱা গুৰি পকৰাৰ নিচিনা মানুহৰ যেতিয়া দশা হয়, তেতিয়াও মানুহক উদ্ধাৰ কৰিব পাৰে এক মাত্ৰ হৰিৰ নামেহে।

মাজ পথাৰত চৰি মাৰা পানী
পিপৰা সাঁতুৰি মৰে,
বাইজৰ ভিতৰে অগনি জ্বলিছে
নামেহে সুমাব পাৰে।

মানুহে জগন্নাথৰ নাম ধৰিবলৈ আয়োজন কৰিলে। এই নামত কেনে ধৰণৰ উপকৰণ যোগাৰ কৰিব লাগিব, তাক গীতৰ মাজেদি কেনে সুন্দৰ ভাৱে প্ৰকাশ কৰা হৈছে—

জগন্নাথৰ নামলৈ কিনি আনিলো চাউল।
জগন্নাথৰ নাম ধৰিব সকলে কৰা হাউচ ॥
জগন্নাথৰ নামলৈ কিনি আনিলো দালি।
জগন্নাথৰ নাম ধৰিব কেও নাপাৰে গালি ॥
জগন্নাথৰ নামলৈ কিনি আনিলো কল।
জগন্নাথৰ নাম ধৰিলে সকলে পাবা বল ॥
জগন্নাথৰ নামলৈ কিনি আনিলো আম।
জগন্নাথৰ নাম ধৰিলে সকলে বোলা ৰাম ॥
জগন্নাথৰ নামলৈ কিনি আনিলো লোণ।
জগন্নাথৰ নাম ধৰিলে সকলে পাবা গুণ ॥
জগন্নাথৰ নামলৈ কিনি আনিলো আদা।
জগন্নাথৰ নাম ধৰিলে কেও নকৰে বাধা ॥
জগন্নাথৰ নামলৈ কিনি আনিলো তামোল।
জগন্নাথৰ নাম ধৰিলে সকলে পাবা আমোল ॥
জগন্নাথৰ নামলৈ কিনি আনিলো পান।
জগন্নাথৰ নাম ধৰিলে সকলে পাবা মান ॥
জগন্নাথৰ নামলৈ কিনি আনিলো তেল।
জগন্নাথৰ নাম ধৰিবা সকলে কৰা মেল ॥
জগন্নাথৰ নামলৈ কিনি আনিবা চাকি।
জগন্নাথৰ নাম ধৰিব বহা আসন পাতি ॥
জগন্নাথৰ নামলৈ কিনি আনিলো শিহা।
জগন্নাথৰ নাম ধৰিব সকলে কৰা দিহা ॥
জগন্নাথৰ নামলৈ কিনি আনিলো ধূপ।
জগন্নাথৰ নাম ধৰিব সকলে হোৱা থুপ ॥
জগন্নাথৰ নামলৈ কিনি আনিলো ধূনা।
জগন্নাথৰ নাম ধৰোঁ কাণ পাতি শুনা ॥



জগন্নাথৰ নামৰ বিবিধ উপকৰণৰ যোগাৰ হ'ল। তাৰ পিচত নাম আৰম্ভ কৰা হ'ল। নামত ভকতসৱে অটল বিশ্বাসৰ সৈতে গদ গদ কণ্ঠে ভক্তি জনাই আকুল ভাৱে কাকুতি কৰি কৈছে—

ৰাখা ৰাখা জগন্নাথ সঙ্কট সময়ে ( ৰাম ৰাম )
সঙ্কট সময়ে।
তুমি নাৰাখিলে প্ৰভু ৰাখোঁতা নাই (এ)
ৰাখা ৰাখা জগন্নাথ এ ॥

জগন্নাথৰ গীতবোৰত প্ৰভুক ভক্তি জনোৱা আৰু তেওঁৰ মহিমা কীৰ্ত্তন কৰাৰ উপৰিও প্ৰভুৰ ৰূপ আৰু থকা ঘৰ দুৱাৰৰ সুন্দৰ বৰ্ণনা এটি পোৱা যায়।

প্ৰভু জগন্নাথৰ হাত দুখন সোণৰ আৰু ভৰি দুখন হ'ল নীল বৰণৰ। তেওঁৰ মূৰত সদায় ম'ৰাৰ পাখী বিৰাজমান। ৰাম কলৰ বাৰীৰে আগুৰা তেওঁৰ নাম-ঘৰটো। ঘৰটোৰ মাৰলিবোৰো হ'ল সোণৰ। দ্বাপৰ যুগৰ কলীয়া কৃষ্ণৰ দৰে প্ৰভু জগন্নাথেও গৰু পোহে আৰু নিজে তাৰ যতন লয়।

জগন্নাথ প্ৰভু তোমাৰ নীলা চৰণ।
সেৱা কৰি থাকো আমি দুখনি চৰণ ॥

বলভদ্ৰ জগন্নাথ মাথাত ম'ৰাৰ পাখী।
গন্ধ পুষ্পৰ মালা লৈ ধেনু আছে ৰখি ॥

বৃন্দাবনতে দামুৰি হেম্বেলিয়াই
মালিকে বান্ধিলা গাই।
হাতে কৰিয়া লৈ প্ৰভু দোৰ যায়
বাচক মেলোতা নাই ॥

চাঁচে চাঁচিলোঁ। কৰতে কাটিলোঁ।
ভকতৰ বাৰীৰে কৰা।
প্ৰভু জগন্নাথে নাম ঘৰ সাজিছে
সোণৰে মাৰলি দিয়া ॥

জগন্নাথৰ বাৰী ৰামকলৰ শাৰী
চেনেহে নাকাটে পাত।
প্ৰভু জগন্নাথে নাচিব লাগিছে
সোণৰে দুখনি হাত ॥

জগন্নাথৰ থকা ঘৰটো পানীৰ মাজত অৱস্থিত যদিও ঘৰলৈ যোৱা বাটটো সিন্দুৰেৰে বন্ধা। সকলো যাত্ৰীয়ে প্ৰভুৰ পুৰীত খোৱা-বোৱা কৰিব পাৰে ; কিন্তু তাত জাতিৰ বিচাৰ নাই। জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে সকলোৱে একেলগে বহি প্ৰভুৰ প্ৰসাদ খাব পাৰে। গাওঁবাসীসকলৰ কিছুমানে বিশ্বাস কৰে যে, প্ৰভুৰ প্ৰসাদ লক্ষ্মী আয়ে বিনা জুয়ে ৰন্ধন কৰে।

জগন্নাথৰ থানক গলোঁ চাৰিওফালে পানী ।
মাজতে বান্ধি থৈছে সিন্দুৰৰ আলি ॥

*    *    *    *

দাঁতত খৰিকা নলয় নপখালে ভৰি ।
ধুতি-শুতি নসলায় চুৰা নাইকা বুলি ॥
মাহপাতৰ দিহখিনি লফাৰে ব্যঞ্জনে ।
আগে ৰান্ধে পাচে খায় বামুণ সজ্জনে ॥
জগন্নাথৰ অন্নপ্ৰসাদ খাইতে বৰ মিঠা ।
তাম কলসীত পানী নাই মাথে হাত মোচা ॥

অসমীয়া কবিয়ে জগন্নাথ প্ৰভুৰ প্ৰসাদৰ কথা বৰ্ণনা কৰোঁতে অসমীয়াৰ প্ৰিয় বস্তু "মাহপাত আৰু লফাশাক"ৰ কথা পাহৰা নাই ।

জগন্নাথৰ গীত সমূহৰ ৰচক কোন নাইবা গীত সমূহ কেতিয়া ৰচিত হৈছে সেই সম্বন্ধে বিশেষ একো জনা নাযায় । সম্ভৱ বিহুগীত, বনগীত আদিৰ দৰে ইয়াৰ গীত সমূহেই মানুহৰ মুখে মুখে বাগৰি আহি আজিৰ এই অৱস্থা পাইছে ।

***দেৱীৰ নাম*** :- কামৰূপত কিছুমান ঠাইত প্ৰচলিত আন এটি লোকগীতৰ নাম হ'ল 'দেৱীৰ নাম' । দেৱী বুলিলে আমি লক্ষ্মী সৰস্বতী আদি আৰাধ্যা গোঁসানী সকলকে বুজোঁ যদিও "দেৱীৰ নাম" শব্দই কেৱল "দুৰ্গা দেৱীৰ নাম"কহে বুজায় । আগেয়ে মানুহৰ বিশ্বাস আছিল যে কলেৰা, বসন্ত আদি সংক্ৰামক বেমাৰবোৰৰ একো গৰাকীকৈ অধিষ্ঠাত্ৰী দেৱী থাকে । এই দেৱীসকলক পূজা পাতল দি সন্তুষ্ট কৰিব পাৰিলে হেনো তেওঁলোকে দেশৰপৰা মহামাৰী আতৰাই নিয়ে । সেয়ে হৰলা এনে বিশ্বাসৰ বশৱৰ্ত্তী হৈ আজিও গাওঁবোৰতে তিৰোতাসকলে আই নাম ধৰে । আই নামৰ দ্বাৰা শীতলাক সন্তুষ্ট কৰাৰ নিচিনা দেৱীৰ নামৰ দ্বাৰাও দুৰ্গাদেৱীৰ সন্তুষ্ট কৰিব পাৰিলে তেওঁ হেনো গাৱঁৰপৰা কলেৰা মহামাৰী আঁতৰাই নিব পাৰিছিল । ঘৰৰ কাৰোবাৰ বসন্ত ওলালেই আই নাম ধৰা হয়, কিন্তু দেৱীৰ নাম কাৰোবাৰ কলেৰা হোৱা মাত্ৰকেই ধৰা নহয় । এই নাম ধৰা হয় দুৰ্গা পূজাৰ সময়ত অৰ্থাৎ অষ্টমী, নৱমী আৰু বিজয়া দশমী এই তিথি তিনিটাত । আইনামৰ দৰে এই নামো তিৰোতা মানুহেহে ধৰে ।

দেৱীৰ নাম কেইটাত দুৰ্গাদেৱী সম্বন্ধে জনসাধাৰণৰ যি ধাৰণা সি সুন্দৰভাৱে প্ৰকাশ পাইছে । গীত কেইটাত ভক্তিৰসৰ আস্বাদ পোৱা যায় যদিও প্ৰধানকৈ বৰ্ণনাকহে স্থান দিয়া হৈছে । ফলত গীত কেইটা চিত্ৰ প্ৰধান হৈ উঠিছে । গীত কেইটাৰ থুল মূল ভাব হৈছে এই :— হিমালয় পৰ্ব্বত দক্ষৰ ঘৰত দেৱী আইৰ জন্ম হয় আৰু শেষত তেওঁক ভাঙ্‌বা শিৱৰ লগত বিয়া হয় । দক্ষ যজ্ঞত পিতাকৰ মুখত স্বামী নিন্দাৰ কথা শুনিব নোৱাৰি সতীয়ে দেহত্যাগ কৰে আৰু পৰ জনমত পাৰ্ব্বতী ৰূপে জন্ম লৈ পুনৰ সদাশিৱকে স্বামী হিচাপে লাভ কৰে ।



হিমালয় পৰ্ব্বতে আছিলা দেৱী আই
তোমাৰ নাম আছিলা সতী ।
পিতৃৰে যজ্ঞতে স্বামীৰ ভাগ নেদেখি
ই জন্মে ভৈলা পাৰ্ব্বতী ॥

যেতিয়া মানুহে মণ্ডপ সাজি পঞ্চঘটত পূজা আৰম্ভ কৰিব, তেতিয়া দেৱী আয়ে অম্বিকা, চণ্ডীকা আদিকৈ পাঁচ গৰাকী ভনীয়েকক লগত লৈ মৰতলৈ পূজা খাবলৈ আহে । দেৱী আই এনেয়ে ৰূপৱতী তাতে সূতাৰে পহুতোলা গাৰ কাপোৰ, জলমল্ কৈ জলি থকা কাণৰ সোণ আৰু পাৰিজাত ৰেণুৰে আঁকা কঁপালৰ ৰেখাই দেৱীৰ ৰূপৰ জেউতি আৰু এখোপ চৰাই তুলিছে । সেয়েহে আজি "দুৰ্গতি নাশিনী" "অসুৰ ঘাতিনী" দুৰ্গা দেৱীক আৰু পূজা কৰিবলৈ অসংখ্য ৰাইজ আহি গোট খাইছে ।

(১) অ' আই ভগৱতী এ মণ্ডপে নামিলা ।
সুবৰ্ণৰ পঞ্চঘটে পূজা আৰম্ভিলা ॥

(২) পূজা পূজা বুলি পূজাৰ ঘৰ বান্ধিলো
হাবিৰ ৰবি সূতা কাটি ।
হাবিৰ ৰবি সূতা দুৱাৰে মুকুতা
সাজিছে বিচিত্ৰ কৰি ॥

"হাবিৰ ৰবি সূতা" কি সেইটো বুজা নেযায় ।

(৩) অম্বিকা চণ্ডীকা দুষ্টা দুৰ্গা মাজে বিশ্বেশ্বৰী আই ।
পাঁচ-ভনীয়েকে একেখন আসনে বহি নানান পূজা খায় ॥

(৪) বেলৰ তলত বহি আই মনে গুণ কি ?
তোমাৰ দাসে পূজা কৰে হাতে খড়্গ লৈ ॥

(৫) দেৱৰ জননী মাতা কামৰ কামিনী ।
ৰক্ত বীৰ্য্য বিনাশিনী অসুৰ ঘাতিনী ॥

(৬) দুৰ্গতি নাশিনী দুৰ্গা দুঃখ বিনাশিনী ।
দুৰ্গতিক নাশ কৰা ভৈৰৱ গোঁসানী ॥

(৭) কাণৰ সোণা কাণে জ্বলে ।
তাতো কৰি দেৱী জ্বলে ॥
কমল লোচন হৰি ।
ৰাইজে চায় বেঢ়ি বেঢ়ি ॥

(৮) দেৱী আইৰ কাপোৰৰ তুলি থৈছে পহু ।
দেৱী আইক চাব লাগি ৰাইজ হৈছে বহু ॥

(৯) দেৱী আইৰ কপালত পাৰিজাতৰ ৰেখা ।
চামুণ্ডা ৰূপ ধৰি ৰাইজক দিছে দেখা ॥

দুৰ্গা দেৱী অকল মানুহৰ দুখ-দুৰ্গতি দূৰ কৰিবৰ কাৰণেই জন্ম লোৱা নাছিল দেৱতাসকলৰ প্ৰধান বৈৰী মহিষাসুৰক বধ কৰিবৰ উদ্দেশ্যও দুৰ্গাৰূপে জন্ম লৈছিল। সেয়েহে গীতত কৈছে –

অ' মইতো জানিলোঁ। ৰে, অ' মইতো শুনিলো ৰে।
অসুৰক বধিবা দেৱী জন্মিলা ৰে ॥

দেৱী আইৰ পূজা আৰম্ভ হ'ল ; কিন্তু এই পূজা অকল মৰত ৰাজ্যতে সীমাবদ্ধ হৈ নাথাকিল, স্বৰ্গ আৰু পাতালতো দেৱীৰ পূজা চলিল।

(১) স্বৰ্গে কৰে পূজা পাতাল পূজা বুলি।
নৰ মনিচে পূজা কৰে জয় দুৰ্গা বুলি ॥
স্বৰ্গে কৰে দেৱগণে পাতালে কৰে নাগে।
নৰ মনিচে পূজা কৰে বিধি ব্যৱহাৰে ॥

(২) বঙালীৰ ৰাজ্যতে তাম পিতল অহম ৰাজ্যতে আই।
কামৰূপ ৰাজ্যতে বেলপাত তুলসী আইকে পূজা কৰ যায় ॥

আই দুৰ্গা দেৱতাৰ কন্যা যদিও মানুহে শ্ৰদ্ধা আৰু ভক্তি সহকাৰে দিয়া কোনো বস্তুকে তেওঁ প্ৰত্যাখ্যান নকৰে। সেয়ে ভক্তই দিয়া তামোল-পান আৰু চূণ তামাখুকো তেওঁ অতি আগ্ৰহেৰে গ্ৰহণ কৰে।

তামোল খাই দেৱী আই পান খাই দেৱী আই
চূণ খাই দেৱী আইকে ডাকে।
তামাখু খাই দেৱী আইৰ হেকেটি ধৰিলা
দোলাৰপৰা বাগৰি পৰে ॥

দেৱী আই পিতাকৰ ঘৰত থাকোতে প্ৰতি সাজতে মহৰ বলি খাইছিল ; কিন্তু এতিয়া ভক্তই সাধাৰণ কোমোৰা এটিকে দিব পৰা টান বুলি কৈ আক্ষেপ কৰিছে ; যিহেতু ভক্ত হ'ল দুখীয়া দেশৰ মানুহ। তথাপি ভক্তই নিজৰ দাৰিদ্ৰ আৰু অজ্ঞতা বিনয় ভাৱে স্বীকাৰ কৰি অৱশেষত নিজ গুণে সন্তুষ্ট হবলৈ দেৱী আইৰ ওচৰত কাকুতি জনাইছে।

দক্ষৰে ঘৰতে আছিলা দেৱী আই
সাজে মহৰ বলি খাই।
আমাৰে ৰাজ্যকে আহিলা দেৱী আই
কোমোৰা পাবৰে নাই ॥

কিছুমান মানুহৰ এইটো বিশ্বাস আছিল যে, দেৱী আই শহুৰেকৰ ঘৰৰপৰা মৰত ৰাজ্যলৈ পূজা খাবলৈ আহি কেবাদিনো থাকি যায়। পূজা তিনিদিন হয় যদিও ভক্তৰ মায়া ছিঙি এৰি যাব নোৱাৰি দেৱী বাৰ দিন পৰ্য্যন্ত থাকে। দেৱীৰ চিন্তাত



ইপিনে মহাদেৱ আকুল হৈ পৰে। শেষত উপায় নাপায় দেৱীক আনিবলৈ তেওঁ নিজৰ দূত পঠিয়াই দিয়ে। ইয়াতে আমাৰ গাৱঁলিয়া জীৱনৰ ছবি এটি সুন্দৰ ভাৱে ফুটি উঠিছে। সাধাৰণতে বোৱাৰী বেটীয়ে মাকৰ ঘৰৰপৰা শহুৰেকৰ ঘৰলৈ যাব টান পায়। সেয়ে যিবিলাক বোৱাৰীয়ে মাকৰ ঘৰৰপৰা শহুৰেকৰ ঘৰলৈ যোৱাত পলম কৰে, সিবিলাকে শাহু-শহুৰেক নাইবা গিৰিয়েকৰপৰা গালি-গালাজৰ বাহিৰেও কেতিয়াবা মাৰো খাব লগাত পৰে। আই দুৰ্গা যেতিয়া মৰতত কেবাদিন থাকি আৰু মাকৰ ঘৰেদি পাক এটা মাৰি শহুৰেকৰ ঘৰলৈ যায়, তেতিয়া তেৱেঁ। ভাঙুৰা শিৱৰ গালি-গালাজ খাব লগা হয়।

দেৱী আহিবৰ হ'ল বাৰ দিন
মহাদেৱে পঠাইলা সাৰা।
যাবানে নাযাবা হৰৰ মহামায়া
কৈলাস হৈ আছে সুদা ॥

দেৱী আইৰ পুখুৰীৰ চৌপাশে বগৰী
চোকাই ধুনি ধুনি খায়।
দেৱী আইৰ পিতাকে কান্দিব লাগিছে
দেৱী আই শহুৰীক যায় ॥

এই গীতটো কিছুমানে আকৌ এনেকৈও গায় :—

শাকৰ মাজে মাজে জবা ফুল ফুলিছে
ছয় কুৰি চকোৱাই খায়।
ছয় কুৰি চকোৱাই অলঙ্কাৰ পিন্ধিছে
দেৱী আই শহুৰীক যায় ॥

কিহলৈঁ কান্দাহে ৰূপহী দেৱী আই
বাইজৰ পুৰিব হিয়া।
হিমালয় পৰ্ব্বতে বাখিব নোৱাৰি
দিলা ভাঙুৰাত বিয়া ॥

দুৰ্গা দুৰ্গা বুলি শিৱে সদায় পাৰে গালি।
পক্ষ মুখে শব্দ কৰে জয় দুৰ্গা বুলি ॥

সোণৰ শলাকাঠি ৰূপৰ পাঁজি মুঠি।
দেৱী যায় আসনত উঠি ॥

দুৰ্গাদেৱী সম্পৰ্কে গাৱঁৰ কিছুমান ঠাইত আৰু এটি লোক বিশ্বাস আছিল যে, যিদিনাখন দেৱী আই পূজা খাই শহুৰেকৰ ঘৰলৈ যায়, সিদিনাখন ভাঙুৰা শিৱে খঙতে তেওঁক ঘৰত থাকিবলৈ নিদিয়ে। সিদিনা দেৱী আই হেনো কচুৰ তলত

জিবাব লগা হয়। এই বিশ্বাসৰ বশবৰ্ত্তী হৈ আমাৰ গাওঁবোৰৰ কিছুমান কুমাৰী ছোৱালীয়ে দশমীৰ দিনা পুৱাখন নিজে পাঁজিৰে সূতা কাটি সেই সূতাৰে কেই ডালমান কচু মেৰুৱাই এটি কচুৰ ঘৰ সাজে। এই ঘৰৰ তলত থাকিয়ে হেনো দেৱী আয়ে কুমাৰী ছোৱালীবোৰক বোৱন কাটনত পাকৈত হওক বুলি আশীৰ্ব্বাদ দিয়ে। অৱশ্যে আজিকালি এনে লোক বিশ্বাসৰ প্ৰতি মানুহৰ আস্থা লাহে লাহে কমি আহিব ধৰিছে।

দেৱীৰ নাম এবিবৰ সময়ত নামতী সকলে নিজৰ কাকুণা প্ৰকাশ কৰি গায় :–

কিদিয়া পূজিম আই চৰণ তোমাৰে।
ধন-জন পতি-পুত্ৰ সমস্ত তোমাৰে।

× × × ×

যি ফুলে পূজিম আই সিও ফুল চুৱা।
তোমাৰ নামে তোমাক পূজিম গধূলি পুৱা॥
যি ফুলে পূজিম আই সিও ফুল কড়ি।
অৰুণ চৰণত আই থাকিম ধৰি॥

জগন্নাথৰ নামৰ দৰে দেৱীৰ নামৰ ৰচক কোন বা এই নামৰ উৎপত্তি কেতিয়া এই সম্বন্ধে বিশেষ একো জনা নাযায়। অৱশ্যে এইবোৰৰ গৱেষণা চলালে নাজানিবৰ কোনো কাৰণ নাথাকে। বৰ সুখৰ কথা যে, আজি কিছুদিনৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে আমাৰ এই লোক-গীতি সমূহ তথা জন-সাহিত্য সংগ্ৰহ আৰু তাক বৈজ্ঞানিক শকতিৰে আলোচনা কৰিবলৈ বেছ এটি প্ৰচেষ্টা চলাইছে। এই লোক-গীতিবোৰেই হ'ল আমাৰ জনসাহিত্য তথা অসমীয়া সাহিত্যৰ এটি বিশেষ অঙ্গস্বৰূপ; কিন্তু যি দেখা গৈছে নগৰৰ আৱহাৱা পাৱেই হওক নাইবা যুগৰ বলতেই হওক এই গীতবোৰৰ আদৰ আৰু প্ৰচলন লাহে লাহে গাওঁবোৰতো নাইকীয়া হৈ যাব ধৰিছে। হয়তো এনে এটি দিন আহিব পাৰে যেতিয়া এইবোৰৰ চিন-চাপেই নাথাকিব। সেই কাৰণে এইবোৰৰ আশু সংগ্ৰহ অতি আৱশ্যক হৈ পৰিছে। এই ক্ষেত্ৰত চৰকাৰ আৰু সাহিত্যমোদী ৰাইজ সকলোৰে সহযোগ বাঞ্ছনীয়।

জগন্নাথৰ নাম আৰু দেৱীৰ নামৰ নিচিনাকৈ বহুতো লোক-গীতি আমাৰ দেশত প্ৰচলিত হৈ আছে। জিজ্ঞাসুলোক সকলে সেইবোৰ সংগ্ৰহ আৰু আলোচনা কৰিব বুলি আশা কৰা হ'ল।০

• ১৭।১।৫৫ ইং তাৰিখে গুৱাহাটীৰ "সবিতা সভা"ত পঠিত। —লিখক

# অতীত মাধুৰী

শ্ৰীযুত প্ৰেমধৰ ৰাজখোৱা।

জীৱনত ঘটা দুই একোটা সৰু সৰু ঘটনাই মানুহৰ মনত এনেদৰে ছাপ বহুৱাই যে সেই ছাপৰ চিন আজীৱন কাল বৈ যায়। প্ৰকাৰান্তৰে সৰু কথা হ'লেও তেনে বহুত কথা, কাৰ্য্য অথবা ঘটনাৰ মাজত একোটিহঁত ডাঙৰ ভাব নিহিত থাকে। খোৱতে কৰলৈ গ'লে বিয়াখন সুকলমেই পাৰ হৈ গ'ল। বিয়ালৈ বুলি অহা আত্মীয়-স্বজন, বন্ধু বান্ধৱ, বাই-ভনী, সকলোবোৰেই ঘৰা-ঘৰি যাবলৈ আয়োজন কৰিছে,— নিজৰ বয়-বস্তু বিচাৰ খোচাৰ কৰিছে। তাৰ মাজতে দেখো আমাৰ চাৰি কুৰি বছৰীয়া আয়ে কিবা বিচাৰি ফুৰিছে, খপ্ জপ্ কৈ। কি হেৰালে, তাৰ সন্ধান কৰি বুজিব পাৰিলোঁ যে আইৰ কটাৰীখন বোলে হেৰাল। সাধাৰণ কটাৰী এখনৰ বাবে আইৰ উচ্-পিচনি দেখি হাঁহিও উঠিল পুতৌও জন্মিল। বাহিৰলৈ ওলাই যাওঁতে এখন ভাল বিলাতি ছুৰী কটাৰী এখন আনি আইক ক্ষতি পূৰণ হিচাপে দিওঁতে আয়ে মনতে বং পোৱাৰ ঠাইত এটি বিষাদৰ হুমুনিয়াহ কাঢ়ি ক'লে, "সেই তেনে এখন গড়ুগঞা ডাব-কটাৰী ক'ত পাম, অ' পায়।"

উত্তৰত ক'লো,— "এইখনো ভাল,— বিলাতি।"

আয়ে কলে,— "তথাপি আৰু………, দে বাৰু," বুলি কটাৰীখন হাতত লৈ বেজাৰ মনেৰে খুন্দনাটোৰপৰা খুন্দা তামোল এধানিমান লৈ মুখত স্থান দিলে। মই ইমান ভাল কটাৰীখন আনি দিয়াতো আইৰ মন গুজুৰুৱাত অলপ বিৰক্তিৰ ভাব এটা লৈয়েই ক'লোঁ—

"তোৰনো সেই গড়ুগঞা ডাব-কটাৰীখনত কি সোণ খটোৱা আছিল?" আয়ে উত্তৰ দিলে, "নহয় অ'…… পায়, সেইখন আছিল মোৰ শাহু-আইৰ কটাৰী। তেখেতক বোলে বিয়াৰ জোৰণত আজো-শাহু-আয়ে দিছিল। তেখেতে বা ক'ত পাইছিল জানো। মোক বিয়া কৰাই অনাৰ পাচতে আয়ে সেই মৰমৰ কটাৰীখন মোক দিছিল। আজি ইমান যুগ লৈ ফুৰালো;— কালি মাত্ৰ উলিয়াইছিলো সৰু বোৱাৰীকেই দি যাওঁ বুলি। কিন্তু পগলা মন ক'ত জানো হেৰুৱালো।

তেতিয়াহে বুজিব পাৰিলোঁ আইৰ মনৰ কথা। মনতে বৰ দুঃখ পালো। ঘৰৰ অটাই মথাকে লগাই দিলোঁ, কটাৰী বিচৰাত। বিচাৰি পোৱা গ'ল, বিচনাৰ তলত। সৰু এধানমান ডাব কটাৰীখন,— দেখিলেই মৰম লগা। হাতী দাতৰ ডাবটোত ৰঙ্গা বোল দিয়া। কটাৰীখন পাই আয়ে হেৰোৱা পো ঘূৰাই পোৱাদি পালো ন বোৱাৰীয়েকক বৰ আগ্ৰহেৰে কটাৰীখন উপহাৰ দি কলে, "ল আই, তোক দিম বুলিয়েই আজি তিনিকুৰি বছৰ সাঁচি থৈছিলো। মোৰ শাহু-আইক তেখেতৰ শাহুৱেকে দিছিল,— এতিয়া মই সেই খনকে তোক দিছো। ভালকৈ ৰাখিবি আই।" বোৱাৰীকেও আশীৰ্ব্বাদ স্বৰূপে কটাৰীখন গ্ৰহণ কৰি সালগ্ৰাম ৰখাদি

আজিও ৰাখিছে। আই আজি ইহ সংসাৰত নাই। সেই অতীত কালৰ স্নেহ বিজৰিত কটাৰীখন কিন্তু আছে।

ভাবিলো আইৰ সেই কটাৰীখনৰ বাৰে ইমানটো হেঁপাহ কিয় ? সেই কটাৰীখনতে বোধ কৰোঁ আয়ে দেখা পাইছিল অতীত কালৰ সোণাময় স্মৃতি, — সেই অতীতৰ স্নেহ সনা ৰঙা ডাবৰ সক কটাৰীখন হাতত ললেই কিজানি আইৰ মানস পটত জিলিকি উঠিছিল সেই চিৰস্মৰণীয় দিনটোৰ কথা, যি দিনাখন গোত্ৰ ছেদ কৰি আই ওলাই আহিছিল স্বামী গৃহৰ প্ৰতি, যি দিনাখন সমাজৰ প্ৰথা অনুযায়ী পাচ ফালৈ চাউল মুঠি চটিয়াই আহি আহি ঘৰ গচকিছিলহি আৰু যি দিনাখন আইৰ শাহুৱেকে এই এধানমান কটাৰীখন আইক উপহাৰ দিছিল। ভাবিলো, অতীতৰ স্নেহ সনা স্মৃতি জড়িত সেই কটাৰীখনৰ মূল্য কিমান ? মই আনি দিয়া বিলাতি 'ৰজাৰ্স' কটাৰীখন সেই গড়গঞা ডাব কটাৰীখনৰ ওচৰত নগণ্য,— মূল্যহীন। অতীত আৰু অতীতৰ স্নেহ জড়িত বস্তুৰ প্ৰতি মানুহৰ বৰ আগ্ৰহ। অতীত কালৰ কাৰুকাৰ্য্য, পুথি-পাজি, চিত্ৰ-কলা, সাহিত্য, ভাস্কৰ্য্য আদিৰ প্ৰতিও মানুহৰ অতি মাত্ৰাই আগ্ৰহ আৰু আগ্ৰহ হৈছে প্ৰত্যেক মানুহৰ জীৱনৰ পাৰ হৈ যোৱা সোণাময় কাল ছোৱালৈ। সোণালী অতীত কেনে সুন্দৰ, কেনে মনমোহা। অতীত কালৰ ভাস্কৰ্য্য হৈছে দেশৰ অমূল্য নিধি। সেই অমূল্য সম্পদৰাশী সংৰক্ষণ কৰি ৰাখিবৰ বাবে প্ৰত্যেক দেশতে আপ্ৰাণ চেষ্টা চলে।

সেই ইংৰাজ আমোলৰ প্ৰাৰম্ভনীতে ৰংপুৰৰ আহোম স্বৰ্গদেউসকলৰ গড়গঞা কাৰেং মৰিশাখিলৈ পৰিণত হোৱাৰ কিছু বছৰৰ পাচত যেতিয়া ৰংপুৰত ইংৰাজৰ সদৰ পাতিলে, তাৰ বছৰ চেৰেকৰ পাচতেই বোধকৰো জিলাৰ বৰমূৰীয়াসকলে ইংৰাজ সকলৰ লগত এখন আলোক-চিত্ৰ তুলিছিল। কেনেবাকৈ গুং-সূত্ৰ ওলালে যে সেই ছবিখন এতিয়াও বিলাত চহৰত কাৰোবাৰ পো-নাটি নে নাতি-আজোনাতিৰ ঘৰত আছে। ৰতৰাটো পায়েই আমাৰ সু-সাহিত্যিক বুৰঞ্জীবিদ পণ্ডিত শ্ৰদ্ধেয় বেণুধৰ শৰ্ম্মাদেৱেৰ গা সাতখন আঠখন কৰিবলৈ ধৰিলে আৰু নানান প্ৰবন্ধে বিলাতৰ এজন ফটোগ্ৰাফাৰৰ হতুৱাই সেই ছবিখনৰ নকল এটা আনি এদিনাখন আমাক দেখুৱাই মুখত যিটিহে হাঁহি বিৰিঙাই তুলিছিল, সেই হাঁহিটি আজিও আমাৰ চকুৰ আগত জিলিকি আছে।

মাত্ৰ সিদিনাৰ কথা। চাবুৱাৰ শ্ৰীশ্ৰীদিনজয় সত্ৰৰ প্ৰভু ঈশ্বৰৰপৰা আমাৰ শ্ৰদ্ধেয় পণ্ডিত অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, পুৰাতত্ত্ববিভাগৰ ডাইৰেক্টৰ ডক্টৰ সূৰ্য্য কুমাৰ ভূঞাদেৱে এখনি পুৰণা পুথি আৰু বিৰাটকায় শঙ্খ এটা সংগ্ৰহ কৰি আনি যি হে আতোল তোল কৰি যেনে ধৰণহে নিজৰ শেতেলিৰ মূৰ শিতানত স্থান দিছিল, আমি আকৌ ভাবিছিলোঁ, তেখেতে ফুলেশ্বৰী কুঁৱৰীৰ হীৰা খটোৱা গাম-খাৰু যোৰকে উদ্ধাৰ কৰি আনিছে হʼবলা। পুথিখন অনাৰ পাচৰপৰাই জন-সাধাৰণে তেখেতৰ সৈতে সাক্ষাত কৰিবলৈ আমনি পোৱা হৈছিল এটা কাৰণত যে তেতিয়াৰেপৰা সাহিত্য, ৰাজনীতি, সমাজ-নীতি, সংস্কৃতিমূলক আলোচনাই হওক অথবা শিল্প-কলা, নৃত্য-সঙ্গীত, বোল ছবিৰ অলোচনাই হওক, ইনৃছিওৰৰ কেনভাচাৰৰ নিচিনাকৈ তেখেতৰ আলোচনাবিলাক কেন্দ্ৰীভূত হৈ পৰিছিল শ্ৰীশ্ৰীদিনজয় সত্ৰৰ সত্ৰাধিকাৰ প্ৰভুৰ গুণানুকীৰ্ত্তন আৰু তেখেতৰ



দ্বাৰা সংগ্ৰহিত সেই পুথিখন আৰু শঙ্খটোৰ প্ৰতি।

মহাপুৰুষ শ্ৰীমাধৱদেৱে সুন্দৰীদিয়া থান পৰিত্যাগ কৰি বৰপেটালৈ গৈ সত্ৰ স্থাপন কৰাৰ পাচত থানৰ ওচৰতে এটি সুন্দৰ ৰঙ্গিয়াল ঘৰ নিৰ্ম্মাণ কৰাবলৈ মন মেলিলে। গুৰুজনৰ ইচ্ছা সেৱক সকলে গম পোৱাত সকলো বিলাক সেৱক এক মুঠ হৈ গুৰুজনৰ আকাঙ্ক্ষিত ৰঙ্গিয়াল ঘৰটি নিৰ্ম্মাণ কাৰ্য্যত উঠি পৰি লাগি গʼল। সকলোৱে বেত, বাঁহ, কৰা, চʼতি, শালকাঠ আদিৰ যোগান ধৰিলে। চিত্ৰকৰ খনিকৰ আদিয়ে খুটা চʼতি মাৰলিত ফুল বছাৰ উপৰিও বাঁহৰ কৰা বিলাকত হেঙুল-হৰিতাল আৰু সোণ-ৰূপৰ ৰহণ আদিৰে বিচিত্ৰ কৰি তুলিলে। সেই ৰঙ্গিয়াল ঘৰটিৰ চালত শ্ৰীগুৰু মাধৱদেৱে নিজ হাতেৰে প্ৰথম পঞ্চনখী গাঁঠি এটা দি নিৰ্ম্মাণ কাৰ্য্য আৰম্ভ কৰোৱাত সেই ঘৰটি ভক্তসকলৰ প্ৰতি মহাপুৰুষীয়া ধৰ্ম্মৰ প্ৰতীক ৰূপে ব্যৱহৃত আৰু পৰিগণিত হবলৈ ধৰিলে।

ৰজাঘৰৰ আৰু শঙ্কৰ বিৰোধী সম্প্ৰদায়ৰ ওচৰত লাঞ্ছিত হোৱাত মনতে কষ্ট পাই গুৰুজনে বৰপেটা পৰিত্যাগ কৰি কোচ বিহাৰলৈ গতি কৰিলে আৰু তাৰ কিছু দিনৰ পাচতে সেই ভক্তসকলৰ আদৰৰ ধন, স্নেহ, প্ৰীতি আৰু ধৰ্ম্মভাৱৰ প্ৰতীক উক্ত ৰঙ্গিয়াল ঘৰটিত বিৰোধী দলে অগ্নি সংযোগ কৰি ভস্মস্তূপলৈ পৰিণত কৰিলে। এই দুৰ্ঘটনাত ভক্তসকল বৰ বিমৰিষ হʼল। মনৰ দুঃখত বুঢ়া আতা প্ৰমুখ্যে ওঠৰজন ভক্তই বৰপেটা থানকে পৰিত্যাগ কৰি গুৰুজনৰ সন্ধানত ভেলা দুৱাৰৰ ফালে যাত্ৰা কৰি গʼলগৈ। আনহাতে বুঢ়া আতাৰ ভাৰ্য্যাই সেই ৰঙ্গিয়াল ঘৰটিৰ ছাই-ধূলিবিলাককে ভেটিটিৰ ওপৰতে গোটাই একে ঠাই কৰি তাৰ ওপৰতে চৈ এখন দি, তাতে বস্তি এগছ জ্বলাই বুঢ়ী ভকতনীসকলৰ সৈতে তিনি প্ৰসঙ্গ কৰি তাতেই থাকিবলৈ ললে। গুৰুজনে নিজ হাতেৰে প্ৰথম পঞ্চনখী গাঁঠি দি নিৰ্ম্মাণ কৰোৱা ৰঙ্গিয়াল ঘৰটিৰ প্ৰতি ভকতনী আই সকলৰ কি অগাধ স্নেহ-সনা ধৰ্ম্ম-ভাব আছিল সেই কথা উক্ত কাৰ্য্যৰ পৰাই প্ৰমাণিত। আমাৰ আইৰো সেই ডাব কটাৰীখন নাতি পুতিয়ে বাঁহ-বেত কাটি ভাঙি চুৰি খাস্তাং কৰা হলেও কিজানি সেই ভকতনী আইসকলে ঘৰৰ ছাই সোপাকে স্নেহ কৰাৰ দৰে আমাৰ আয়েও কিজানি ভগা কটাৰীখনকেই সযত্নে সংৰক্ষণ কৰিলে হেঁতেন, অতীতৰ স্মৃতি ৰক্ষাৰ্থে।

মহামানৱ মহাত্মা গান্ধীৰ চিতা ভস্ম দৰ্শনৰ কাৰণে সমগ্ৰ ভাৰতবৰ্ষৰ জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে পুৰুষ-মহিলা, বৃদ্ধ-বৃদ্ধা, বালক বালিকা উত্তেজিত হৈ পৰাৰ কথাও বেচি দিন হোৱা নাই। মহামানৱৰ সেই পৱিত্ৰ চিতা-ভস্ম স্পৰ্শ কৰিলেই যেন সৰ্ব্ব পাপ মোচন হʼব। তাৰে এধানমান ভস্ম সযত্নে নিজৰ হাতত সংৰক্ষণ কৰিব পাৰিলেই যেন সকলো অপায় অমঙ্গল দূৰ হʼব, এয়ে হৈছিল সকলোৰে মনোভাব, বিশ্বাস অথবা অন্ধ বিশ্বাস।

যথা সময়ত মহামান্য মন্ত্ৰী ডাঙৰীয়াই খালী গাৰে, শুদা ভৰিৰে পৰশুৰাম কুণ্ডৰ পাৰত দুই হাতেৰে ভস্মৰ পাত্ৰটি ধৰি, দুই চকুৰেদি লোতকৰ নৈ বোৱাই দি ভস্ম নিক্ষেপৰ অৰ্থে কুণ্ডৰ পাৰত স্থিতি-লওঁতেই হাজাৰ হাজাৰ জনতাৰ গুণ-গুণনি কাঁহ পৰি লীন গʼল। সকলো নৰ নাৰীৰে চকুত লোতক। মিলিটেৰী বেণ্ডৰ করুণ সুৰ সাম কটাৰ লগে লগে নীৰৱতা ভঙ্গ কৰি ওখ পাহাৰৰ ওপৰৰপৰা পাহাৰৰ বুকু ভেদ কৰি প্ৰতিধ্বনিত হʼল সঙ্গীতজ্ঞ শ্ৰীযুক্ত

প্ৰফুল্ল বৰুৱাৰ পুৰুষ সুলভ কণ্ঠৰ সেই সৰ্ব্বজন প্ৰিয় গীতষাৰি,

"ৰঘুপতি ৰাঘৱ ৰাজা ৰাম,
পতিত পাৱন সীতা ৰাম।"

আৰু তাৰ লগতে সোণত সুৱগা স্বৰূপে প্ৰকাশ পালে ডাক্তৰ বৰুৱাৰ জীয়াৰী প্ৰমুখ্যে কেই গৰাকীমান পৰিচিতা অপৰিচিতা আইদেউহঁতৰ কোমল কণ্ঠৰ ৰাগিনী। সেইদিনা, সেই পৰিস্থিতিত হিমালয়ৰ পাদ দেশত পাহাৰৰ ওপৰৰপৰা প্ৰতিধ্বনিত হোৱা সেই 'ৰঘুপতি ৰাঘৱ গীতটি যি ধৰণে উপভোগ কৰিলোঁ, কব নোৱাৰোঁ। জীৱনৰ আৰু বাকী কাল ছোৱাত সেই গীতফাকি তেনে পৱিত্ৰ ভাবেৰে উপভোগ কৰা ভাগ্যত ঘটিবনে নঘটে। অথচ আজিও নগৰ সংকীৰ্ত্তন কৰি পুৱা দোক মোকালিতে কেঞা-মহাজন সকলে তাল-খোল আদিৰে সামঞ্জস্য ৰক্ষা কৰি মোৰ ঘৰৰ ওচৰেদি গাই যোৱা শুনিছিলোঁ, "ৰঘুপতি ৰাঘৱ ৰাজা ৰাম, পতিত পাৱন সীতাৰাম।" একো প্ৰতিক্ৰিয়াই ন'হল। বৰঞ্চ "টোপনি চিকুন পুৱা, কটাৰী চিকুন গুৱা"ৰ মোল বুজা এই মহাজনসকলৰ প্ৰতি বিতৃষ্ণাৰ ভাব এটাহে মনত স্থান লভিলে। নিহালীখন ভালদৰে টানি লৈ বাগৰ সলাই শুই থাকিলোঁ।

ভস্ম নিক্ষেপ কৰাৰ শুভ মুহূৰ্ত্ত আহি পৰিল বুলি জাননী দিলে মন্ত্ৰী মহোদয়ৰ কাণে কাণে আমাৰ চিৰপূজ্য শ্ৰীশ্ৰী গড়মূৰ সত্ৰৰ ডেকা অধিকাৰে আৰু প্ৰায় লগে লগেই মন্ত্ৰী মহোদয়ে ভস্ম পাত্ৰৰ সাঁফৰটি খুলি ওচৰতে থকা পলিটিকেল অফিচাৰক ধৰিবলৈ দিলে। নীৰৱ, কেয়োফালে নীৰৱ-নিস্তব্ধ। ভস্ম নিক্ষেপ কাৰ্য্য ভাল ধৰণে চাবৰ অভিপ্ৰায়ে প্ৰায় তিনি ঘণ্টা মানৰ পূৰ্ব্বে পাহাৰৰ ওখ টিলা এটাৰ ওপৰত বহু কষ্টে নিজৰ ছুমোনীয়া দেহাটো ভেজা দি থোৱা এই লিখকৰ অন্তৰত কি যে এক আকস্মিক উন্মাদনাই স্থান ললে ক'ব নোৱাৰো। প্ৰায় উন্মাদৰ নিচিনাকৈয়ে পাহাৰৰ টিলাটোৰ ওপৰৰপৰা বাগৰ মৰাদিয়েই নামি আহি মন্ত্ৰী মহোদয়ৰ হাতৰপৰা থাপ মাৰি এমুঠি ভস্ম লৈ আহিলোঁ। কিয়, কেলৈ আনিলোঁ আজিও কব নোৱাৰোঁ। এনেতে অধৰমী লাউড্ স্পীকাৰটোৱে আটাহ পাৰি উঠিল,— "ভস্ম কেৱে নিব নোৱাৰে,, সাৱধান।" সেমেকা চকু হালিৰে মন্ত্ৰী মহোদয়ে ঘূৰি চায় দেখিলে যে মোৰ হাতৰ মুঠিত থকা ভস্মকণত যেন শ-ত শগুণহে পৰিছে। একো কথাকে নকৈ পুনৰাই মুখ ঘূৰাই হাতৰ পাত্ৰটো উবুৰিয়াই কুণ্ডত ভস্ম নিক্ষেপ কৰিলে। কেয়োফালে হৰিধ্বনি প্ৰতিধ্বনিত হ'ল। মিলিটেৰীৰ হিলৈৰ আৱাজত কাণ তাল মাৰি গ'ল। হেজাৰ হেজাৰ জনতাই কুণ্ডৰ অতল গৰ্ভত পগলাৰ নিচিনাকৈ জপিয়াই পৰিল, পুণ্যাত্মাৰ পুণ্য ভস্মৰে সু-পৱিত্ৰ হোৱা পুৰাণ-প্ৰসিদ্ধ পৱিত্ৰ পৰশুৰাম কুণ্ডৰ পূত সলিলত স্নান কৰি জীৱন সাৰ্থক কৰিবলৈ।

লৰা কালত যি জোপা গছৰ তলত খেলা-ধূলা কৰা হয়, কালৰ সোঁতত সেই গছৰ চিন ছাপ নোহোৱা হ'লে, অথবা কোনোবাই কাটি নিৰ্ম্মূল কৰি পেলালে মনতে বৰ কষ্ট পোৱা যায়। সৰু কালতে জৰী গছ জোপাৰ তলতে থকা সুৰেন যতীনৰ ভাড়া ঘৰটোতে দীঘলীয়াকৈ কেইবাটা বছৰো বাস কৰিছিলোঁ। আজি সুদীৰ্ঘ ত্ৰিশ বছৰৰ পাচত মটৰেৰে গুৱাহাটীলৈ যাওঁতে মৰি-দিখৌৰ কাষেদি আমগুৰি ঘাটলৈ যোৱা চমু আলিটো পৰিত্যাগ কৰি দ'লৰ মুখেদি পাক মাৰি যোৱাৰ উদ্দেশ্য আছিল যে মোৰ অতীতৰ সেই চিনাকি গছ জোপা



এবাৰ চাই যাওঁ। কিন্তু গৈ দেখিলো, গছ জোপাৰ চিন ছাপ নাই। কেতিয়াবা যে তাত এনে বিৰাট গছ এজোপা আছিল তাক বুজিবকে নোৱাৰি। ভালেমান পৰ মটৰখন ৰখাই সেই ঠাইতেই মনে মনে বহি থাকোঁতেই কিবা এটা ভাৱত মোৰ চকু যোৰ চলচলীয়া হৈ উঠিল। মন্থৰ গতিৰে গাড়ীখন চলাই লৈ গৈ যোৰহাট পালোঁগৈ। গছ জোপা নেদেখি মনত যি বেজাৰ পালোঁ, সেই বেজাৰ আজিও ৰৈ গ'ল। সেই গছ জোপাতে মোৰ লৰালী জীৱনৰ এটি সোণালী স্মৃতি জড়িত আছিল। সেই যোগ-সূত্ৰ আৰু লোপ পালে। তাৰ ডাল পাত এখিলাও যদি পালোহেঁতেন।

পুৰণা স্নেহ জড়িত গছ গছনিয়ে কেৱল মাত্ৰ লৰা কালৰ স্মৃতিকেই জগাই নোতোলে। পিতাক ককাকে কই যোৱা আম কঠালৰ বাৰীখনলৈ মানুহৰ বৰ হেপাহ। পিতৃ-পিতামহৰ স্মৃতি জড়িত ঘৰ বাৰী কোনেও পাৰিতপক্ষত পৰিত্যাগ কৰিব নোখোজে। বোধকৰোঁ এই একেটি কাৰণতে তিনিচুকীয়াৰ বিখ্যাত সদাগৰ, তিনিচুকীয়াৰ গোটেই ভূমিখণ্ডৰ দুই তৃতীয়াংশৰ মালিক, লক্ষ্মীৰ আইক বেয়া ধৰণে আৱদ্ধ কৰি ৰখা ধনী ব্যৱসায়ী চেনাইৰাম ভুজৰমল ফাৰ্ম্মত কাম কৰা কৰ্ম্মচাৰীৰ গোটেই দলটো আজি কাম কৰিব লগীয়া হৈছে কেৱল মাত্ৰ চালে বেৰে থকা জৰা জীৰ্ণ এখনি টিনৰ চালিৰ তলত আৰু উক্ত ফাৰ্ম্মৰ মালিক সকলেও সেই চালি খনৰ তলত বহি দৈনন্দিন কাম কাজ নকৰিলে মনত শান্তি নাপায়। অতুলনীয় ধনবল, অসীম মনবল, অলঙ্ঘনীয় বাক্য বলত বলিয়ান হৈয়ো উক্ত ফাৰ্ম্মৰ মালিক সকলে নিজৰ সু বৃহৎ অট্টালিকাৰ ওচৰত অৱস্থিত সেই জৰা জীৰ্ণ চালিখনৰ ঠাইত আধুনিক মাল-মছলাৰে, আধুনিক সাজত সজ্জিত এটি অট্টালিকা নিৰ্ম্মাণ কৰাৰ বিষয়ে ভাবিব পৰা নাই। সেই বোপা ককা দিনৰ অতীতৰ স্নেহ বিজৰিত চালিখনকে ৰাটি বুটি লৈ তাৰ তলতে অসমৰ ৰাজ্যপাল শ্ৰীশ্ৰীপ্ৰকাশ প্ৰমুখ্যে বহুতো মন্ত্ৰী উপমন্ত্ৰী দেশ নেতাক সময়াসময়ে সম্বৰ্দ্ধনা জনাই তৃপ্তি লাভ কৰিছে।

মহাপুৰুষ শ্ৰীমাধৱদেৱে নিজ হাতে বৰপেটাত আমৰ গুটি এটা পচাইছিল। সেই গুটিৰ পৰা গছ এজোপা গজি কাল ক্ৰমত প্ৰকাণ্ড গছ হৈ পৰিল। গুৰুজনে কই যোৱা গছ জোপাৰ প্ৰতি সকলোৰে বৰ আগ্ৰহ হ'ল আৰু আনকি বৰপেটাৰ কীৰ্ত্তন ঘৰ দৰ্শনাৰ্থে দূৰ-দূৰণিৰ পৰা যোৱা যাত্ৰী সকলে সেই আম গছ জোপাও দৰ্শন কৰি মূৰ দোঁৱাই অহা নিয়মো বহুকাল প্ৰচলিত আছিল। সেই গছ জোপা প্ৰায় চাৰি শ বছৰ জীয়াই থাকি অৱশেষত বুঢ়া হৈ মৰিল। সেই গছৰে শুকান একো একোডুখৰি সৰু সৰু টুকুৰা তেনো আজিলৈকে বৰপেটা সত্ৰৰ বিশিষ্ট সাধু ভকত সকলে অতি সযত্নে 'সেৱাইত' বস্তু কৰি ৰাখিছে। হেজাৰ হেজাৰ মোন বহুমূলীয়া চন্দন, অগুৰু, চেগুণ কাঠৰ পৰিবৰ্ত্তেও তেখেত সকলৰ হাতৰপৰা সেই সেৱাইত বস্তু সৰকাব পৰা ন'হব। গুৰুজনৰ পৱিত্ৰ হাতৰ পৰশ লাভ কৰা গছৰ শুকান টুকুৰাবিলাকৰ প্ৰতিও মানুহৰ কি অপৰিসীম স্নেহ আৰু ভক্তি। সেই প্ৰকাৰান্তৰে মূল্য হীন শুকান কাঠৰ টুকুৰা-বিলাকতেই বা মানুহে কি মানসিক মূল্য দান কৰি তৃপ্তি লাভ কৰিছে।

অতীত কালৰ শিল্প ভাস্কৰ্য্যাদিৰ প্ৰতি মানুহৰ যে অতি মাত্ৰাই হেপাহ, সেই বিষয়ে পূৰ্ব্বেই উল্লুকিওৱা হৈছে। অতীত ভাস্কৰ্য্যাদি নষ্ট হ'লে অথবা নষ্ট হ'বৰ

উপক্ৰম কৰিলে আমি মনতে বৰ কষ্ট পাওঁ। সেই কাৰণেই যোৱা মহা যুদ্ধৰ কালত এই অতীত ভাস্কৰ্য্যৰ নিৰাপত্তাৰ বিষয়ে প্ৰত্যেক দেশৰ চৰকাৰে বৰ ব্যস্ত হ'ব লগীয়া হৈছিল। ৰাজ্য গ'লে যাওক, কিন্তু অতীত কালৰ স্নেহ প্ৰীতি মিশ্ৰিত ভাস্কৰ্য্য সমূহ ৰক্ষা কৰিব লাগিব, সেয়ে হৈছিল সেই কালৰ মনোভাৱ,—ৰাইজৰ আৰু চৰকাৰৰ। এই যুগৰ যুদ্ধ বিগ্ৰহ হৈছে বৈজ্ঞানিক যুদ্ধ। মানুহৰ মনৰ স্বাভাবিক কোমলতা মধুৰতাই যদিও অতীত কালৰ শিল্প ভাস্কৰ্য্যৰ প্ৰতি শ্ৰদ্ধা ৰাখি সেইবোৰ বিনষ্ট নকৰাকৈ যুদ্ধ কৰিব পাৰে, সেই প্ৰেম, প্ৰীতি অনুভূতি বিহীন বিজ্ঞানে কিন্তু ধ্বংস লীলা সমানে চলাই যায়। অতীত কালৰ স্নেহ সনা ভাস্কৰ্য্যই বিজ্ঞানৰ প্ৰাণ টলাব নোৱাৰে। সেই কাৰণেই আজি বৈজ্ঞানিক যুগৰ যুদ্ধ বিগ্ৰহে নাগাচাকি আৰু হিৰোশিমাত পুৰুষ মহিলা, বৃদ্ধ বৃদ্ধা, বালক-বালিকা, সাধু সন্থ, চোৰ-জুৱাচোৰ, সকলোৰে ওপৰত সমান ব্যৱস্থা দান কৰি সেই ভূ-খণ্ডকে মৰিশালিলৈ পৰিণত কৰিলে।

• দ্বিতীয় মহাযুদ্ধৰ কালত ফৰাচী দেশ শত্ৰুৰ হাতত পৰাৰ কালৰ কথা। দেশ ৰক্ষা কৰাৰ আশা আৰু নাই। কিন্তু অতীত কালৰ স্মৃতি চিহ্ন ভাস্কৰ্য্যাদি ৰক্ষা কৰিবৰ কাৰণে তেতিয়াও চলিছিল আপ্ৰাণ চেষ্টা। সেই দেশৰ অতীত কালৰ অমূল্য সম্পদ ৰাশী কি ৰূপে ৰক্ষা কৰা হ'ব, তাতেই চিন্তাত সকলো ব্যস্ত। কটিয়াই নিৰপৰা শিল্প ভাস্কৰ্য্যাদি তত্তালিকে নিলগ হ'ল,—কিন্তু বদ্ধ-মূল ৰূপী স্তম্ভ, ভাস্কৰ্য্য আৰু শিল্পাদি ৰক্ষাৰ হেতু নানান প্ৰকাৰৰ ব্যৱস্থা হাতত লব লগীয়া হৈছিল। কোনো তেনে স্তম্ভ অথবা ভাস্কৰ্য্যৰ ওপৰত গছৰ ডাল পাত দি অথবা বোকাৰ প্ৰলেপ দি আকাশী বথৰ দৃষ্টিৰপৰা নিলগ কৰি ৰাখিলে, কেতবোৰত আকৌ ডাঙৰ ডাঙৰ বৃক্ষ ৰোপণ কৰি ওপৰৰ পৰা মনিব নোৱৰা কৰিলে। কোনোটো গ'ল, কোনোটো ৰ'ল আৰু লগে লগে দ্বিতীয় মহাযুদ্ধও শেষ হ'ল। ৰাজ্য পুনৰ্গঠন কাৰ্য্য আৰম্ভ হ'ল। যুগ যুগান্তৰৰ ঐতিহ্যপূৰ্ণ সম্পদ ৰাশীক পুনৰাৱস্থালৈ আনয়নত সকলো দেশেই আত্মনিয়োগ কৰিলে।

দেশৰ শিল্প ভাস্কৰ্য্যাদি কেৱল মাত্ৰ শত্ৰুৰ বোমাতেই বিধ্বস্ত নহয়। বহুত ক্ষেত্ৰত এখন দেশ পতন হ'লে শত্ৰুৰ দ্বাৰা সেইখন দেশৰ অমূল্য সম্পদৰাশী লুণ্ঠিত হোৱাৰ প্ৰমাণো ভুৰি ভুৰি। যোৱা মহাযুদ্ধৰ কালত ব্ৰহ্মদেশ শত্ৰুৰ হাতত পৰাত, তাৰপৰা প্ৰাণ লৈ পলাই অহা বহুত ইংৰাজ আৰু আমেৰিকাৰ সৈন্যই লাখে লাখে ব্ৰহ্মদেশীয় টকা অতি উচ্চ হাৰে কমিছন দি স্থানীয় মুদ্ৰালৈ পৰিণত কৰিছিল। তাৰপৰাই বুজিব পাৰি যে পলকৰাৰ হাততেই যেতিয়া লাখ লাখ নকৈ অধিকাৰ কৰা সকলৰ হাতত লুণ্ঠিত ধনৰ পৰিমাণ নিশ্চয় নিযুত, কোটি, খৰ্ব্ব, নিখৰ্ব্ব, পৰাৰ্দ্ধ ইত্যাদিৰ কম নহ'ব।

মহাযুদ্ধৰ কালত যে কেৱল মাত্ৰ অতীতৰ স্থাপত্য কীৰ্ত্তি সমূহেই ধ্বংস প্ৰাপ্ত হৈছিল এনে নহয়। মানুহৰ ব্যক্তিগত ক্ষতিও অপৰিসীম। কিন্তু যুদ্ধৰ অন্তত প্ৰত্যেক দেশৰ চৰকাৰে সাধাৰণ ৰাইজৰ যুদ্ধ বিধ্বস্ত ঘৰ-বাৰী, কল কাৰখানা, পুনৰ্গঠনতকৈ, অতীতৰ স্মৃতি চিহ্ন, স্থাপত্য কীৰ্ত্তি, ভাস্কৰ্য্যাদি মেৰামতিতহে বেচি মনযোগ দিছে। ঐতিহাসিক কীৰ্ত্তি আৰু ঐতিহ্যৰ গৰিমা সনা স্মৃতি চিহ্নৰ প্ৰতি সকলো মানুহৰেই এটা স্বাভাবিক দুৰ্ব্বলতা আছে। সেই দুৰ্ব্বলতাৰ বশৱৰ্ত্তী হৈয়েই যে আমাৰ



আধুনিক স্কুল কলেজৰ শিক্ষাৰ বেঙলি নোপোৱা সেই তেতিয়াৰে চাৰিকুৰি বছৰীয়া আয়ে 'ৰজাৰ'ৰ নাম খোদিত কৰা বিলাতী ছুৰী কটাৰীখনতকৈ সেই অতীতৰ স্নেহৰ গৰিমা সনা সৰু গড়ৃগঞা ডাব কটাৰীখনক উচ্চ স্থান দি আমাক প্ৰকাৰান্তৰে বুজাই দি গ'ল যে অতীত, সোণাময় অতীতক পাহৰাৰ খোজা কোনো বৰ্ত্তমান আৰু ভৱিষ্যতলৈকে আমাৰ আগ্ৰহ হোৱা অনুচিত। অতীত, হেৰোৱা অতীত, সদায়েই সোণাময়। অতীতৰ বস্তু বিশেষতো লুকাই আছে এক অমূল্য নিধি, আৰু সেই কাৰণেই অতীত কালৰ স্নেহ, প্ৰীতি, মৰম, প্ৰেম, কোমলতা, মধুৰতা সনা কোনো বস্তুকেই আধুনিক যুগৰ মুদ্ৰাৰে ক্ৰয় কৰিব নোৱাৰি। মানুহৰ এই স্বাভাবিক দুৰ্ব্বলতাৰ কাৰণেই গিৰ্জ্জা, মন্দিৰ, নামঘৰ, মসজিদ আদি লুণ্ঠনকাৰীৰ সন্মুখত ঠিয় দি মানুহে বাধা জন্মায়। খৃষ্টীয় ১০২৬ চনত চুলতান মামুদে অতীতৰ স্নেহ সনা সোণাময় সোমনাথ মন্দিৰটি ধ্বংস কৰোতে শ শ মানুহে সেই লুণ্ঠনকাৰীৰ বল-বিক্ৰমৰ কথা জানিও সোমনাথৰ মন্দিৰ ৰক্ষাৰ্থে বাধা দিওঁতে নিজৰ জীৱন পৰ্য্যন্ত বিসৰ্জ্জন দিব লগীয়া হৈছিল। সেই লুণ্ঠন কাৰ্য্যত বাধা দিবলৈ যি বিলাক মানুহ আগবাঢ়ি গৈছিল, তেওঁ বিলাক নিশ্চয় উন্মাদ নাছিল; কিন্তু মগজুৰ উন্মাদনা নাথাকিলেও পুৰণা স্থাপত্য কীৰ্ত্তি আৰু স্মৃতি চিহ্ন সংৰক্ষণাৰ্থে প্ৰত্যেক জন মানুহৰেই অন্তৰত যে আন্তৰিক উন্মাদনাই দেখা দিছিল ই ধ্ৰুৱপ। যদিও সোমনাথ মন্দিৰ প্ৰায় এহেজাৰ বছৰৰ পূৰ্ব্বে লুণ্ঠিত হ'ল, তথাপি ভাৰতবাসীয়ে তাৰ ঐতিহ্যৰ কথা কোনো দিনেই পাহৰিব পৰা নাই। গতিকে ভাৰত স্বাধীন হোৱাৰ প্ৰথম সুবিধাতেই চৰ্দ্দাৰ বল্লভভাই পেটেলৰ প্ৰচেষ্টাত পুৰণা ধ্বংস স্তূপৰ ওপৰত সোমনাথ মন্দিৰৰ নতুন সৌধ তৈয়াৰ হ'ল,—ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদে মন্দিৰৰ দুৱাৰ মুকলি কৰিলে।

১৯৪৬ চনৰ কথা। অষ্ট্ৰীয়াৰ ভিয়েনা কেথেড্ৰেলটোত তিনি দিন তিনি ৰাতি একে লেঠাৰিয়ে জুয়ে পুৰি ছাই কৰি পেলাইছিল। যোৱা কেই বছৰ মানতে উক্ত ঐতিহাসিক কেথেড্ৰেলটোত পূৰ্ব্বৰ ৰূপ দান কৰি পুনৰ্নিৰ্ম্মাণ কৰা হ'ল। যোৱা মহা যুদ্ধত নিডাৰলেণ্ডৰ প্ৰায় এহেজাৰৰ ওপৰ প্ৰাচীন কীৰ্ত্তি স্তম্ভ বিধ্বস্ত হৈছিল। তাৰ ভিতৰত বহুত বিলাকেই পুনৰ্নিৰ্ম্মিত হ'ল,-- কেতবোৰৰ মেৰামতি আজিও চলি আছে। যুদ্ধ বিগ্ৰহৰ বাহিৰেও বহুত কীৰ্ত্তি কালৰ সোঁতত, বহুকাল অৱহেলিত অৱস্থাত থকাৰ বাবে আৰু ভূমিকম্প আদি প্ৰাকৃতিক দুৰ্য্যোগৰ কাৰণেও ধ্বংস প্ৰাপ্ত হোৱাৰ প্ৰমাণো ভুৰি ভুৰি। এনে ধৰণৰ প্ৰাকৃতিক দুৰ্যোগে বহুত স্নেহ বিজৰিত অতীত কীৰ্ত্তি বিনষ্ট কৰিছে। চতুৰ্থ লুইৰ ভৰ্সেলিৰ জগত বিখ্যাত ৰাজ ভৱনটি আজি তিনি শ বছৰৰ বিপদ, বিদ্ৰোহ, যুদ্ধ, প্ৰাকৃতিক বিপৰ্য্যয়ৰ ঘাত প্ৰতিঘাতত বিনষ্ট হ'বৰ উপক্ৰম কৰিছে ভালেমান দিন ধৰি। এই জগৎ বিখ্যাত ভৱনটোৰ ওপৰত বিৰাটকায় ফাটে দেখা দিছে। সেই চতুৰ্দ্দশ লুইৰ আশ্চৰ্য্য অথচ সুন্দৰ ভৱনটিৰ বহুতবিলাক কক্ষই আৱৰ্জ্জনালৈ পৰিণত হৈ পৰিছিল। সেই ৰাজ ভৱনটো কিন্তু ফৰাসী দেশৰ চৰকাৰে অতীজৰ এজন ৰজাৰ ব্যক্তিগত বিলাস ভৱন বুলি পৰিগণিত কৰা নাই। চৰকাৰে সেইটি গণ্য কৰিছে ফৰাচী সভ্যতাৰ গৌৰবোজ্জ্বল স্মৃতি চিহ্ন ৰূপে আৰু সেই কাৰণেই ফৰাচী চৰকাৰে ইতিমধ্যে এটা ডাঙৰ তহবিল গঠন কৰিছে যি তহবিল গঠনত জন সাধাৰণেও যোগ দান কৰিছে।

বৰ্ত্তমান অৱস্থাত সেই ৰাজ ভৱনটিৰ অৱশ্যে বহুতবিলাক কক্ষই সু-সজ্জিত অৱস্থাত। এই ভৱনটি আজি আৰু যাদুঘৰ হিচাপেই খ্যাতি লাভ কৰা নাই,— বৰ্ত্তমান তাত নাটক আৰু সঙ্গীত অনুষ্ঠান স্থাপিত হৈছে।

দেখা গৈছে যে ইউৰোপ আদি পাশ্চাত্য দেশ সমূহৰ চৰকাৰে সকলো পুৰণা কীৰ্ত্তি, শিল্প, ভাস্কৰ্য্যাদি কেৱল মাত্ৰ সেই দেশ সমূহৰ ব্যক্তিগত সম্পত্তি হিচাপে গণ্য কৰা নাই! সেইবিলাক গণ্য কৰিছে বিশ্বব্ৰহ্মাণ্ডৰ চিৰন্তন সৌন্দৰ্য্য আৰু সম্পদ হিচাপে। সেই বাবেই পৃথিবীৰ প্ৰায় ভাগ দেশৰেই পাৰস্পৰিক সহায় আৰু উপদেশৰ দ্বাৰাই কালৰ সোঁতত অথবা প্ৰাকৃতিক দুৰ্য্যোগত বিধ্বস্ত হোৱা সেই অতুলনীয় সম্পদৰাশীত পূৰ্ণজীৱন দান কৰা কাৰ্য্যত দেশ বিদেশৰ ইঞ্জিনীয়াৰ, শিল্পী আৰু বিশেষজ্ঞ ব্যক্তিয়ে আলম যোগাইছে— যাতে বিশ্বৰ সেই সৌন্দৰ্য্যৰাশী, অতীতৰ স্নেহ সনা সম্পদৰাশী আধুনিক বৈজ্ঞানিক যুগৰ বেঙণি নোপোৱা, প্ৰাক্ বৈজ্ঞানিক যুগতে নিৰ্ম্মিত, অতীতৰ তথাকথিত পিচপৰা যুগৰ আগবঢ়া কাৰুকাৰ্য্য ভাস্কৰ্য্যাদিক কালজয়ী কৰি তুলিব পৰা হয়, য'ত বিশ্ব জগতৰ নৱ সমাজে দেখা পাব ভূত বৰ্ত্তমান আৰু ভৱিষ্যত কাৰুকাৰ্য্যৰ চানেকি।

যোৱা বিশ্ব যুদ্ধৰ পাচৰ পৰাই ইউৰোপত শিল্প, ভাস্কৰ্য্য সম্পদৰাশী পুনৰুদ্ধাৰৰ এটা বৰ ডাঙৰ প্ৰচেষ্টা চলিছে। আকাশী ৰথে বোমা বৰ্ষণ কৰি বিধ্বস্ত কৰা কাৰুকাৰ্য্য পুনৰবাৰ পূৰ্ব্বৰ অৱস্থালৈ অনাৰ প্ৰচেষ্টাই আগ শাৰীত স্থান পাইছে,— মানুহৰ ব্যক্তিগত ক্ষতি, পাৰিবাৰিক সুখ শান্তি তল পৰি আছে। যুদ্ধৰ কালত যিবিলাক অতীত কালৰ ঐতিহাসিক গিৰ্জ্জা, স্থাপত্য কীৰ্ত্তি ভাস্কৰ্য্য নষ্ট হ'ল, সেইবিলাক পুনৰ্নিৰ্ম্মাণত যিমান ধন ভগন হ'ব, সেই ধনেৰে নিশ্চয় আধুনিক ধৰণৰ গিৰ্জ্জা, মন্দিৰ, মসজিদ আদি নিৰ্ম্মাণ কৰিব পাৰি। কিন্তু কৰা হোৱা নাই। অতীতৰ স্নেহ সনা সেই স্মৃতি ৰক্ষাৰ্থে তাকেই মেৰামতি কৰিছে, তাকেই পুনৰুদ্ধাৰ কৰিছে, সেইবিলাকত আধুনিক ৰূপ দান নকৰি কৰিছে সেই পূৰ্ব্বৰ ৰূপ দানৰ প্ৰচেষ্টা। সোণাময় অতীতৰ স্মৰণ হিচাপেই যে উক্ত কাৰ্য্যত দেশীয় চৰকাৰে হাত দিছে তাক মুই বুলিব নোৱাৰি। আমাৰ আইৰ সেই বৰ ডাঙৰ ডাব কটাৰীখন নষ্ট হোৱা হ'লে নিশ্চয় তাকে বাটি বুটি লৈ অতীতৰ ঐতিহ্য ৰক্ষা কৰিলেহেঁতেন। আধুনিক যুগৰ কাৰখানাত দি সেই ডাব কটাৰীখন 'পেন নাইফলৈ' ৰূপান্তৰিত কৰা প্ৰস্তাৱৰ নিশ্চয় বিৰোধিতা কৰিলেহেঁতেন। এইটো ভাবৰ বাবেহে, চৌধুৰীৰ ঘৰৰ 'মুঠি খাৰু যোৰ' কোনেও ব্যৱহাৰ নকৰিলেও তাক ভাঙি আধুনিক অলঙ্কাৰলৈ পৰিণত কৰা নাই। ভৰালীৰ ঘৰৰ কিংখাপৰ সাজযোৰ আজিও অব্যৱহাৰ্য্য অৱস্থাতে আছে। তাক কাটি কুটি আধুনিক যুগৰ ব্লাউজ আদি চিলাই লবৰ কাৰণে ইচ্ছা থাকিলেও সেই প্ৰস্তাৱ উত্থাপন কৰিবলৈ আমি পকা মূৰীয়া সকলৰ আসৈ পোৱা নাই। সেই বাবেই সেই কিংখাপৰ সাজযোৰ আজিও অন্ততঃ প্ৰদৰ্শনীত দেখুৱাব পৰা হৈ আছে আৰু দেখুৱাব পৰা যায়,— স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজ পোছাকযোৰ, বাবাজান আলি হাজৰিকাৰ ঘৰত থকা আহোম স্বৰ্গদেও সকলৰ সেই অতীতৰ পুৰণা সোণ খটোৱা তৰোৱালখন, আৰু আমাৰ গৃহিনীয়ে সাল গ্ৰামৰ দৰে সংৰক্ষন কৰা সেই শাহুৰেকৰ, শাহুৰেকৰ, শাহুৰেকৰ গড়গঞা ৰঙা ডবীয়া ডাব কটাৰীখন। আজি আইৰ শ্ৰাদ্ধৰ দিনা সেই ডাব কটাৰীখন পৰিষ্কাৰ কৰি তাত



তেল তেঙা ঘঁহা হৈছে। এটি মাত্ৰ অতীতৰ স্মৃতিৰ উদ্দেশ্যে এটোপাল চকুলো সৰি পৰিছে। কৰ্ম্মময় জীৱনৰ গতানুগতিকতাৰ দোহাই দি। আজিৰ শ্ৰাদ্ধ কাৰ্য্যাদি শেষ হ'লে সেই কথা আৰু পাহৰিম। সেই ডাব কটাৰীয়ে স্থান লভিব বাকছত। যোৱা গ'ল, থকা বিলাকক ৰাখিবৰ কাৰণে আৰু ভাল ধৰণে ৰাখিবৰ কাৰণে অৰ্থৰ অন্বেষণত আত্মনিয়োগ কৰিম কালিলৈ।

যোৱা বিশ্বযুদ্ধত ইউৰোপৰ প্ৰায় প্ৰত্যেক দেশেই নানান ৰূপে ক্ষতিগ্ৰস্ত। শিল্প ভাস্কৰ্য্যাদিৰ ক্ষতিৰ পৰিমাণো কম বুলিব নোৱাৰি। শুনিলে আচৰিত হ'ব লাগে যে যোৱা যুদ্ধত কেৱল মাত্ৰ ইটালিতেই প্ৰায় পাচ হেজাৰ সুন্দৰ সুন্দৰ গীৰ্জ্জা আৰু বুৰঞ্জীমূলক ভৱন ধ্বংস স্তূপলৈ পৰিণত হৈছিল। তাৰ ভিতৰত যিবিলাক আংশিক ৰূপে ক্ষতিগ্ৰস্ত, তাৰ বেচি ভাগেই ইটালিৰ চৰকাৰে ইতিমধ্যে মেৰামতি কৰিলে।

ঐতিহ্যৰ গৰিমা সনা স্মৃতি বহি, ভৱন আৰু ভাস্কৰ্য্যৰ কাৰণে ভাৰতবৰ্ষ হৈছে বৰ চহকী। সমগ্ৰ ভাৰততেই সেই অতীত যুগৰ স্নেহ সনা ভাস্কৰ্য্যাদি ভৰি আছে। সুখৰ বিষয় যে মোগল আক্ৰমণৰ পাচৰে পৰা সেই সম্পদৰাশী ধ্বংস কৰিবলৈ কোনো উদ্যত হোৱা নাই। দ্বিতীয় মহাযুদ্ধ আহি যদিও ভাৰতবৰ্ষৰ শিল্প, সাহিত্য সমাজ, শিক্ষা, দীক্ষা আদি সকলো বিলাকেই ধ্বংস কৰি গ'ল, সেই যুদ্ধকালিন বাতাবৰণৰ মাজত যদিও বহুতেই গা এৰা দি নিজৰ মনুষ্যত্ব পৰ্য্যন্ত জলাঞ্জলি দিলে, যদিও মানুহৰ মনৰ স্থিৰতা নোহোৱা হৈছিল, তথাপি আমাৰ শিল্প ভাস্কৰ্য্য বোমাবৰ্ষণৰ দ্বাৰা বিধ্বস্ত হোৱা নাছিল। তদুপৰি ইমান প্ৰকোপিত শীত আৰু প্ৰকোপিত জহ হোৱা স্বত্তেও সেই হেজাৰ হেজাৰ বছৰৰ আগৰে স্মৃতি বিলাক আজিও ঠিয় দি আছে। কিন্তু দুঃখৰ বিষয় যে যিবিলাক স্মৃতি ভাস্কৰ্য্যই হৈছে অতীত ভাৰত আৰু ভাৰতবাসীৰ প্ৰাচীন সভ্যতাৰ পৰিচায়ক, যিবিলাক ভাস্কৰ্য্যৰ পৰাই অতীত কালৰ সমাজৰ উত্থান পতনৰ জাঁত উলিয়াই লৈ সু-বৃহত বুৰঞ্জী ৰচিত হৈছে, যি গৌৰবময় অতীতৰ কথাকে কৈ আজিও ভাৰতবাসীয়ে পৃথিবীৰ নৱ সমাজৰ ওচৰত গৌৰৱ কৰে, সেই বহুমূলীয়া সম্পদৰাশীৰ সংৰক্ষণৰ বাবে ৰজাঘৰ আৰু প্ৰজাঘৰ কোনেও চকু দিয়া নাই। ইফালে ইংৰাজৰ আমোলত, ভাৰতৰ নগৰ চহৰৰ মাজ ভাগতে কবৰখানা বিলাক স্থাপন কৰি খৃষ্টিয়ান ধৰ্ম্মালম্বী সকলৰ মৃত দেহৰ ওপৰত সৌধ নিৰ্ম্মাণ কৰি সুসজ্জিত অৱস্থাত সেই কবৰখানাবোৰ সংৰক্ষণ কৰি সুদূৰ ভৱিষ্যতত এটি সোণালী অতীত স্মৃতি গঢ়ি তুলিবৰ কাৰণে প্ৰচেষ্টা কৰা সেই ইংৰাজ সকলেই আকৌ কাব্য কৱিতা, বুৰঞ্জীৰ আলম যোগাব পৰা দিল্লীশ্বৰ সাজাহানৰ দাম্পত্য প্ৰেমৰ চকুলো স্বৰূপ ভাৰতবাসীৰ আদৰৰ ধন, বিশ্ব বিখ্যাত তাজমহলটো নিঃচিহ্ন কৰি ভাঙি পেলাবলৈ দিহা কৰিছিল। সুদীৰ্ঘ সাতোটা বছৰ এই বিষয়ে গুণা গঁথা কৰি ভাৰতবাসীৰ মন বিদ্ৰোহী হৈ উঠাৰ আশঙ্কা দেখি সেই কাৰ্য্যৰপৰা তেওঁবিলাকে বিৰত থাকিব লগীয়া হ'ল। বুঢ়ালোকৰ মুখে শুনিবলৈ পাইছিলো যে আমাৰ ৰংপুৰৰ ৰাজ কাৰেংটোও হেনো তাহানিতে ইংৰাজসকলে এবাৰ বিক্ৰী কৰি পেলাইছিল। গৌৰৱময় অতীতৰ কথা পাহৰাই ৰাখিবৰ কাৰণেইযে তেনে ধৰণে লাহে লাহে পুৰণা কীৰ্ত্তি স্তম্ভ বিলাক নিঃচিহ্ন কৰাৰ আয়োজন

কৰিছিল তাক মুই বুলিব নোৱাৰি। এই উজনি অঞ্চলৰ মটক ৰজা স্বৰ্গদেও সৰ্ব্বানন্দ সিংহৰ ৰাজবাৰী আজি মাৰোৱাৰী ব্যৱসায়ীৰ কবলত। উক্ত ৰাজ বাৰী কেতিয়া, কেনেকৈ, কিৰূপে তেওঁবিলাকৰ কবললৈ আহিল সেই বিষয়ে চৰকাৰী নথি-পত্ৰ নিমাত। অলপতে আমাৰ বিধান সভাৰ সদস্য বন্ধুবৰ শ্ৰীযুক্ত যদুনাথ ভূঞাদেৱ প্ৰমুখ্যে স্থানীয় হেজাৰ হেজাৰ প্ৰজাই এই ৰাজ নগৰখন পুনৰুদ্ধাৰৰ দাবী জনাই এটা ডাঙৰ আন্দোলনই চলাইছিল।

"জনতাকা য়হ নাৰা হৈ।

ৰাজ নগৰ হমাৰা হৈ।" বুলি উচ্চ কৰি ধ্বনি কৰি কৰি উক্ত নগৰৰ গৰ্ভতে জাতি ধৰ্ম্ম নিৰ্ব্বিশেষে নগৰ চহৰৰ প্ৰজাই আস্ফালন কৰি দাবী জনালে, আবেদন, নিবেদন বহুত প্ৰকাশিলে ;— কিন্তু দুদিনৰ পাচতেই সকলো সাম কাটিলে। চৰকাৰী বিবৃত্তি এটাও আমি পঢ়িবলৈ নাপালোঁ। মুঠৰ ওপৰত সেই কালৰ ৰংপুৰীয়া ৰাইজে ৰংঘৰ কাৰেংঘৰ ইংৰাজে বিক্ৰী কৰাৰ বিৰোধিতা কৰি সেই অতীতৰ কীৰ্ত্তি ভাস্কৰ্য্য ৰক্ষা কৰিব পাৰিলে। আজি স্বাধীন যুগত কিন্তু স্বৰ্গদেউ সৰ্ব্বানন্দ সিংহৰ শেষ স্মৃতি চিহ্ন ৰাজ নগৰখন বে-দখলকাৰীৰ হাতৰপৰা পুনৰুদ্ধাৰৰ যি প্ৰচেষ্টা চলিল, সেই আন্দোলনৰ একো ফল নধৰিল আৰু ভবিষ্যতে ধৰাৰো আশা কম।

সি যি কি নহওক, অতীত কালৰ বহুত দৌল-দেৱালয় পুখুৰী আদি কালৰ সোঁতত লয় পালে আৰু পাবলৈ উপক্ৰম কৰিছে। ৰংপুৰৰ সাত তৰপীয়া কাৰেং আজি এটা তৰপলৈ পৰিণত হ'ল। গড়গাঁৱৰ ৰাজ কাৰেংটো ওপৰা ওপৰি তিনিটা ভূমিকম্পই ভালেমান ক্ষতি কৰিলে। শিৱদৌলৰ সোণৰ কলচী আৰু ওপৰলৈ মুঠে মুঠে যেন দেখিছিলোঁ।— ভাগ্য অলপতে যোৰা খুউৱা হ'ল। এতিয়া কিমানদিন তিষ্ঠি থাকে তাৰেহে চিন্তা। সেই অতীত ভাস্কৰ্য্যৰ পৰিচায়ক শিৱদৌলটিৰ গাত যি ফাঁট মেলিলে, সেই ফাঁট মাৰ নিউৱাৰ কোনো কাৰ্য্যকৰী পন্থাই হাতত লোৱা নাই। শিৱসাগৰ পুখুৰীৰ বিতোপন দৃশ্য আজিও আছে। কিন্তু সেই তাহানিতে ইংৰাজসকলে এটা পাৰ ইটাৰে বান্ধি দিয়াৰ পাচত আৰু বাকী কেইটা পাৰ সংৰক্ষণৰ দিহা কৰা আজিও নহ'ল। শিৱসাগৰ জিলাৰ বাহিৰেও অসমৰ বহু ঠাইত বহুত দৌল-দেৱালয়, মঠ-মন্দিৰ অৱহেলিত অৱস্থাত পৰি আছে। তাত ঠাকুৰ পুৰোহিত নাই, সন্ধিয়াৰ আৰতি ধ্বনি তাত শুনিবলৈ পোৱা নাযায়। বহুত দৌল দেৱালয় জৰী গছৰ শিপাই ছাটি ধৰি প্ৰায় নিঃচিহ্ন কৰি পেলাইছে। সেইবোৰ পুনৰুদ্ধাৰৰ ব্যৱস্থা কৰা হোৱা নাই। কালৰ সোঁতত যেতিয়া সৰ্ব্বানন্দ সিংহৰ ৰাজ-নগৰৰ নিচিনাকৈ এই সকলোবিলাক ধ্বংস প্ৰাপ্ত হ'ব আমাৰ ভবিষ্যত বংশধৰসকলে আৰু হেৰোৱা অতীতৰ স্মৃতি দেখিবলৈ পাবনে? সোণাময় অতীতৰ উদ্দেশ্যে এটোপাল চকুলো পেলাবলৈ সক্ষম হবনে? অতীত বুৰঞ্জীৰ গবেষণা কৰিবলৈ কিবা আঁত বিচাৰি পাবনে?

যুদ্ধোত্তৰ পৰিকল্পনা, পঞ্চ বাৰ্ষিকী পৰিকল্পনা, দ্বিতীয় পঞ্চ বাৰ্ষিকী পৰিকল্পনা আদিত কোটি কোটি টকা ভগন কৰা হৈছে। কিন্তু অতীত ভাস্কৰ্য্য আৰু অতীতৰ সম্পদ-ৰাশী সংৰক্ষণাৰ্থে কিবা পৰিকল্পনা হাতত লোৱা বুলি আমি ক'ব নোৱাৰোঁ। আনকি শঙ্কৰী যুগৰ বহুত নামঘৰ ধ্বংসৰ পথত আগুৱাই গৈছে। অভাৱ, অনাটন আদি নানান সমস্যাৰ সন্মুখীন হ'ব লগীয়া ৰাইজে গুৰুৰ ঘৰকে সোধাব নোৱৰাত পৰিলহি।



ধৰ্ম্মগুৰুসকলে সেইবোৰ মেৰামতি কৰাবৰ কাৰণে শক্তি পাব ক'ত? ৰাইজৰপৰা ধন সংগ্ৰহৰ কথাও আজিৰ দিনত ভাবিব নোৱাৰি। উচ্চপদস্থ ৰাজ-কৰ্ম্মচাৰী আৰু প্ৰভাৱশীল ব্যক্তিৰ বাহিৰে আন কোনোৱেই ধন সংগ্ৰহ কৰিব নোৱাৰে। তেনে স্থলত সেই অতীত কালৰ দৌল-দেৱালয়ৰ লগতে শঙ্কৰী যুগৰ স্মৃতি ভাস্কৰ্য্যাদি সংৰক্ষণ কৰাত জাতীয় চৰকাৰে চকু দিয়া উচিত নহবনে? *

# কাব্য ভাৰতী শ্ৰীযুক্তা ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানী

*শ্ৰীজিতেন্দ্ৰ নাথ বুজৰ বৰুৱা* বি-এ, বি-টি।

আজি আমাৰ পৰম শ্ৰদ্ধেয়া ধৰ্ম্মেশ্বৰী বৰুৱানীৰ জীৱনী লেখিবলৈ ধৰোতেই আগধৰি মনত পৰিল বহুদিন আগতেই তেখেতে কোৱা এই মৰ্ম্মভেদী কথা কেইষাৰীলৈ — "প্ৰভুৱে মোক কি কৰিলে কব নোৱাৰো। কিমান যে ভুগিম! একোবাৰ ধৈৰ্য্য হেৰুৱাওঁ। ভগবানক কওঁ ৰাখিব খুজিছা ৰাখা।" এনে অন্তৰ বেদনাৰ কথা আৰু যে কিমান মনলৈ আহে! আৰু এদিনৰ কথা। হ'ল কিছু দিন! কলে এইদৰে -- "বাছা, কিনো দিম, কিনো কম! শৰীৰটো চেপি চেপি আনিছে। কলিজাটো টিপা মাৰিলেই যায়।" কথা-খিনিয়ে বৰ দুখ দিয়ে।

মানুহে বিচাৰে সুখ। কিন্তু পায় কেই জনে? দুখেই দেখোন বেছি। আজি পুৰুষ জগত বাদ দি নাৰী জগতলৈ চকু ফুৰাওকচোন। আৰ্য্যাৱৰ্ত্তৰ সীতা, দ্ৰৌপদী, সাবিত্ৰী; চিতোৰৰ পদ্মিনী; অসমৰ জয়মতী; আৰৱৰ ৰাবিয়া, ফ্ৰান্সৰ জোৱানডাৰ্ক প্ৰভৃতি নাৰীসকলৰ জীৱন কি দুখৰে কাহিনী নহয় জানো? তেনেহলে মানৱী জীৱন কি? সুখৰ দুখৰ মিহলি। কিন্তু সুখে পাহৰায়, দুখে সোঁৱৰায়। সুখে আঁতৰায়, দুখে ওচৰ চপায়। সুখ দুখে তাকে শিকায়।

বৰুৱানী দেৱীৰ জীৱনী সুখ দুখৰে কাহিনী। তেখেতৰ জন্ম হয় ১৮১৪ শক, ১৮৯২ চনত। গুৱাহাটীৰ বৰ্ত্তমান "পঞ্চবটী" আশ্ৰমৰ ঠাই ডোখৰেই তেখেতৰ জন্ম ভূমি। এই ঠাই আদিতে পিতৃ ৺বাপুৰাম শৰ্ম্মা উকীল ওৰফে ৺যজ্ঞেশ্বৰ শৰ্ম্মাৰ আছিল। তেখেত সকলৰ মূলঘৰ গোলাঘাটৰ দেৰগাৱঁত। তেখেত গুৱাহাটীলৈ মুক্তিয়াৰী পঢ়িবলৈ আহি ইয়াতে থাকি যায়। গুৱাহাটীতে ওকালতি কৰে। সেই সময়ত ইন্দ্ৰবংশী আহোম ৰজাসকলৰ শেষ বস্তি কন্দৰ্পেশ্বৰ সিংহ গুৱাহাটীৰ বৰ্ত্তমান বয়ন বিদ্যালয়ৰ ঠাইতে বাস কৰি আছিল। বাপুৰাম শৰ্ম্মা কন্দৰ্পেশ্বৰ সিংহৰ পেঞ্চনাদি অনা আৰু মাটিবাৰী চলোৱা মোক্তাৰ আছিল।

* সাহিত্যৰথী বেজ বৰুৱাৰ "শঙ্কৰদেৱ মাধৱদেৱ," খন দিয়েক ইংৰাজী আলোচনী, বঙ্গালী দেশ পত্ৰিকা আৰু Sunday Standard অত সময়াসময়ে প্ৰকাশিত গোটাচেৰেক প্ৰবন্ধৰ সহায় লোৱা হৈছে।

লিখক—

বাপুৰাম শৰ্ম্মা উকীলে দুগৰাকী ভাৰ্য্যা বিয়া কৰাইছিল। প্ৰথমা ভাৰ্য্যা ৺চন্দ্ৰী দেৱী। দেৰগাঁৱৰে জীয়াৰী। এখেতৰ কোনো সন্তানাদি নেহোৱাত নগাওঁৰ পুৰণি গুদামৰ "বাহবৰীয়া কটকী ঘৰৰ" জীয়াৰী ৺তিলেশ্বৰী দেৱীক বিয়া কৰায়। তিলেশ্বৰী দেৱীৰ পিতৃ ৺হেমধৰ কটকী, মাতৃ ৺বানেশ্বৰী দেৱী। এখেত সকলৰ আদি ঘৰ শিৱসাগৰৰ জাঁজিত। মান ভগনত পুৰণি গুদামলৈ উঠি আহে। তিলেশ্বৰী দেৱীৰ সহোদৰ ককায়েক ৺হিতেশ্বৰ কটকী, ভায়েক ৺যোগেন্দ্ৰ কটকী ( পঞ্চবটী আশ্ৰমৰ স্বামী সুৰেশানন্দ ) আৰু ৺নন্দেশ্বৰ কটকী। বায়েক ৺লক্ষ্মী প্ৰিয়া দেৱী, ভনীয়েক ৺গণেশ্বৰী দেৱী, ৺সোমেশ্বৰী দেৱী আৰু ৺ৰত্নেশ্বৰী দেৱী।

প্ৰথমা ভাৰ্য্যা চন্দ্ৰীদেৱী কাশীধামলৈ তীৰ্থ কৰিবলৈ গৈ তাত পৰলোক হয়। তিলেশ্বৰী দেৱী বাৰটি সন্তানৰ মাতৃ হয়। বাৰটি সন্তানৰ চাৰি জনী কন্যা আৰু চাৰিটি ল'ৰা অকালতে ঢুকায়। বৰ্ত্তমান চাৰি গৰাকী বিধৱা কন্যা জীবিতা। তেখেত সকল হ'ল— ১ম সন্তান শ্ৰীযুতা লক্ষ্মীপ্ৰিয়া দেৱী; গুৱাহাটীৰ ৺লক্ষ্মীপ্ৰসাদ বৰুৱাৰ ভাৰ্য্যা, দ্বিতীয় সন্তান শ্ৰীযুতা কালীপ্ৰিয়া দেৱী গুৱাহাটীৰ ৺অন্নদা কুমাৰ বৰুৱাৰ ভাৰ্য্যা, ৮ম সন্তান শ্ৰীযুতা অম্বিকা সুন্দৰী দেৱী গুৱাহাটীৰ ৺নন্দেশ্বৰ বৰুৱাৰ ভাৰ্য্যা আৰু ১২ শ সন্তান হ'ল আজি যাৰ জীৱনী লেখিব ওলাইছোঁ তেখেতেই।

উক্ত "পঞ্চবটী আশ্ৰমৰ" ঠাইৰ ঘৰতে ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানীৰ শিশুকাল বৰ সুখেৰে অতিবাহিত হয়। সেই অঞ্চল তেতিয়া অতি নিৰ্জ্জন আছিল। মানুহ বৰ পাতল। ঘৰ তেনেই কম। "কুকুৰমুতা" বুলি জনাজাত। উত্তৰে নৱগ্ৰহ দেৱালয়, ওচৰত শ্মশান, অ'ত ত'ত জঙ্গল, পূবে শিলপুখুৰী, দক্ষিণে শৰণীয়া পৰ্ব্বত আৰু বেলৰ আলিয়ে ঠাই ডোখৰৰ গাম্ভীৰ্য্য অটুট ৰাখিছিল। এনে হেন ঠাইতে তেখেতৰ মধুৰ শিশুকাল কি দৰে গ'ল তাক তেখেতৰ অনুপম "জীৱন স্মৃতি কাব্যৰ" ভাষাৰেই জনাও :—

পান কৰি
জননীৰ স্তনৰ অমৃত, লাহে লাহে
শিশুকাল হ'ল যে বৰ্দ্ধিত, পিতৃ মাতৃ
উভয়েৰে স্নেহৰ পৰশ পাই
লগুৱা লিগিৰী আদিৰ কোলাত
সুখেৰে কটালো শৈশৱ কাল অতি
উলাহেৰে, কটালো ইদৰে কাল
মনৰ ৰঙেৰে।

মানৱী জীৱন স্তৰে স্তৰে আগবাঢ়ি যায়। শিক্ষা আৰম্ভ হয় ঘৰত, গঢ় লয় বিদ্যালয়ত আৰু পূৰা হয় সংসাৰত। তেতিয়া আধুনিক নাৰী শিক্ষা নাছিল। লেখা পঢ়া জনা পিতৃ মাতৃ থাকিলে ঘৰতে মাত্ৰ জীয়াৰী সকলৰ যি অলপমান শিক্ষা হয়। তেতিয়াৰ দিনত মুখে মুখে শিকি অনেক বামুণ গোসাই, শূদিৰৰ তিৰোতায়ো "ৰামায়ণ" "মহাভাৰত" "কীৰ্ত্তন", "নামঘোষা" সুৰ লগাই মাতিব পাৰিছিল।



সুচণ্ডী, থুলকী, গোলাপী, যুতি, ঘৰগুৱা, নয়নতৰা, জানেকী, লাহী, বহাগী, ভদৰী, ডালিমী—তাহানিৰ এই নামতী বাইসকলেও এই দৰেই গীতপদ শিকিছিল। আজি তেনে নামতী ক'ত ?

বৰুৱানী দেৱীৰ মাতৃ শিক্ষিতা নাৰী আছিল। পিতৃ বৰ ধাৰ্ম্মিক আছিল। আদিতে পিতৃয়ে মুখে মুখে তেখেতক স্তৱ স্তুতি, বন্দনা শিকালে। স্তৱ স্তুতি বন্দনাই আধ্যাত্মিক দুৱাৰ মোকলায়। পিতৃয়ে কি দৰে এইবোৰ শিকালে তাকে তেখেতে এইদৰে কৈছে :—

শিকালে পিতৃয়ে
মোক কত স্তৱ কত স্তুতি অতি
আদৰেৰে, জোনাকৰ সন্ধিয়াত বহি
চোতালত।

পিতৃয়ে তেখেতক যথাসময়ত লেখাপঢ়া শিকালে। লেখিব পঢ়িব পৰা হ'ল। হাতৰ পৰা কিতাপ সুগুচাই হ'ল। তেতিয়া অসমীয়া কিতাপ বহুতো ওলাইছিল। ৰবি ঠাকুৰৰ "গীতাঞ্জলি," "গীতালী," "গীতিবিতান," "খেয়া," "চয়নিকা," বঙ্কিমচন্দ্ৰৰ "বিষবৃক্ষ," "আনন্দমঠ," "মৃণালিনী," "কপালকুণ্ডলা," ইত্যাদি; শৰৎচন্দ্ৰৰ "স্বামী," "দত্তা," "অৰক্ষণীয়া," ইত্যাদি; সুৰেন্দ্ৰ মোহন বন্দোপাধ্যায়ৰ "ইহলোক পৰলোক তত্ত্ব"ৰ পুস্তকাদি আৰু শ্ৰীৰামচন্দ্ৰৰ কাহিনীৰ "কবিতালতা," আৰু নিজ মাতৃভাষাৰ "কীৰ্ত্তন," "নামঘোষা," অধ্যয়ন কৰি নানা জ্ঞান মুকুতা আহৰণ কৰি মনমোহা সাহিত্য কাননৰ চিৰ শুভ্ৰ কাব্য-মন্দিৰলৈ ধীৰে ধীৰে আগবাঢ়ি গ'ল।

বয়স বৈ নাথাকে। তেখেতৰ বালিকা জীৱন অন্ত হৈ আহিল। ডাঙৰ হ'ল। মাকে কাম শিকায়। কৰে। দেউতাকেও পাচে, কৰে। গোঁসাই ঘৰৰ বাচন ধোৱে। গোঁসাই ঘৰ মচে। ফুল তোলে। ধূপ, ধূনা, চন্দন ঠিক কৰে। সন্ধ্যা চাকি দিয়ে। তাকেই তেখেতে কৈছে :—

প্ৰথম পুৱাতে উঠি
দেউতাৰ সতে ফুলনি সোমাই তুলি
নানা তৰহৰ ফুল, আনো কৰণি
ভৰাই, থৈ দিওঁ গোঁসাই ঘৰত।
দেউতাৰ পূজাৰ কাৰণে আৰু গাধৈ।
ফুল মালা, সিদৰে সন্ধিয়া হ'লে,
বেলিটি বুৰিলে জলাওঁ গোঁসাইৰ
চাকি আৰু কৰোঁ প্ৰণিপাত দেৱতাৰ
চৰণত।

দেউতাকে গা ধুই গোঁসাই ঘৰলৈ যায়। জীয়েক বৰুৱানী দেৱীকো গা ধুৱাই দিয়ে। জীয়েকো লগত যায়। সন্ধ্যা শেষ হয়। দেউতাকে সেৱা কৰে। জীয়েকেও কৰে। দেউতাকে তেতিয়া শিকাই দিয়ে— "প্ৰাৰ্থনা কৰিবি বাছা ভাল স্বামী লাগে বুলি।"

জীয়েকৰ প্ৰতি মাক-বাপেকৰো সেই একে কামনা।

এই দৰে তেখেতৰ শৈশৱ কাল বাগৰি যায়। কালৰ চকৰিত তেখেতৰ দুখৰ দিন আহিল। মৰমৰ দেউতাক জ্বৰত পৰিল। চিকিৎসাৰ কাৰণে মাজু জোৱায়েক ৺অন্নদা কুমাৰ বৰুৱাৰ উজানবজাৰৰ ঘৰত থাকিলেহি। ধৈণীয়েক জীয়েকো লগতে আহিল। সান্নিপাতিক জ্বৰ। ক্ৰমাৎ বাঢ়িছে। এনেতে খুলশালী ৺যোগেশ্বৰ কটকীয়ে ভনীহিয়েকক কুকুৰমূতাৰ নিজৰ ঘৰলৈ নিবলৈ আহোতে তেখেতে কলে— " এয়া পঞ্চতীৰ্থ। এতিয়া নাযাওঁ। মৰিলে ইয়াতে মৰিম।" সেয়ে হ'ল। ১৬ দিনৰ দিনা সকলোকে কন্দুৱাই চিৰশান্তি ধামলৈ গুচি গ'ল। এইদৰে ৯ বছৰ বয়সতে বৰুৱানী দেৱী পিতৃহীনা হ'ল। তেখেতৰ বেদনাৰ সুৰেৰে কওঁ :-

মাতৃয়ে কান্দিলে মাথো হিয়া
ধ্বনি ধ্বনি— মায়ো যে কান্দিলো জননীৰ
ডিঙিত সাবটি ধৰি আৰু কান্দিলেক
বাইদেউ সৰে।

দেউতাক গ'ল। বিধৱা ভাৰ্য্যা আৰু সুমলীয়া কন্যা পুনৰ নিজ ঘৰলৈ গ'ল। যোগেশ্বৰ কটকী লগতে থাকিল। দেউতাকৰ অৱিহনে বৰ ঘৰ, মাৰল ঘৰ, শোৱনি ঘৰ উকঙা হ'ল। এইদৰে এবছৰ গ'ল। আকৌ দুৰ্দ্দিন আহিল। এইবাৰ মাকৰ জ্বৰ। এৰা নাই। চিন্তা হ'ল। মাজু বাইদেৱেক আৰু ভনীহিদেৱেক অন্নদা কুমাৰ বৰুৱাই শুশ্ৰূষা আৰু চিকিৎসাৰ নিমিত্তে তেখেতক নিজ ঘৰলৈ আনিলে। জীয়েকো লগতে আহিল। মাকৰ বেমাৰ টান। নিউমুনীয়া। ভাল হোৱাৰ আশা নাই। সেইদিনা পুৱতি নিশা। যোৱা থোৱা অৱস্থা। সৰু জীয়েকক শেষ বাৰলৈ চাব খুজিলে। আনিলে। চালে। গ'ল। তেখেতৰ মৰ্ম্মভেদী ভাষাৰে কওঁ :—

যাবৰ বেলিকা
আয়ে বিচাৰিলে মোৰ মুখখনি
চাই লবলৈ, মাজু বাইদেৱে আনিলে
জগাই টোপনিৰ পৰা তুলি
জননীৰ কাষতে বহিলোঁ মই।
পলক বিহীন নেত্ৰে সজল দৃষ্টিৰে
আয়ে চালে মোৰ মুখলৈ, বৈ গ'ল
দুচকুৰে দুধাৰি চকুলো। বুকুত
সাবটিলৈ দুয়োখনি হাত অন্তৰত
ৰাম নাম জপি কেনিবাদি উৰি গ'ল
আইৰ প্ৰাণ পখী। কাতৰে মাতিলো
মই— আই, আই, আই— কিন্তু হায়
নেপালোঁ উত্তৰ। আই আৰু পৃথিবীত
নাই।



মাকো গ'ল। এই ১০ বছৰ বয়সতে মাতৃহীনাও হ'ল। নিজ ঘৰত অকলে অকলে থাকে কেনেকৈ! একেবাৰে নিঠৰুৱা হ'ল। কি কৰে এতিয়া! মাজু বায়েক আৰু ভনীহিয়েকে— " আমি আছোঁ, নাকান্দিবি তই। একো ভয় নাই তোৰ " এই বুলি সান্ত্বনা বাণী কৈ তেখেতক লগতে ৰাখিলে।

সময়ৰ লগে লগে তেখেতৰ জীৱনৰ নতুন অধ্যায় আৰম্ভ হ'ল। বাৰ বছৰত ভৰি দিলেহি। সুপাত্ৰ বিচাৰিবৰ হ'ল। ভিনীহিয়েক ৺অন্নদা কুমাৰ বৰুৱাই কলে মৰমতে— " নিদিও তাইক মই আনৰ হাতত, ৰাখিম ঘৰতে মোৰ মৰমৰ ভতিজা বোৱাৰী কৰি।" এই কামনাই ৰ'ল। ৺দুৰ্গানাথ বৰুৱা এখেতৰ ভতিজাক। এখেতসকল " ৰসেন্দ্ৰৰ ঘৰৰ " বুলি জনাজাত।

এতিয়া "ৰসেন্দ্ৰৰ ঘৰৰ" পৰিচয় চমুকৈ জনা যাওক। এই ঘৰৰ আদি পুৰুষজনা হ'ল পৰমানন্দ। পৰমানন্দৰ দুজনা ভাৰ্য্যা ৰুক্মিণী দেৱী আৰু ভক্তিপ্ৰিয়া দেৱী। আদিতে এখেত সকল তেজপুৰৰ ওচৰৰ বিশ্বনাথত আছিল। তাৰ পাচত শিৱসাগৰৰ ৰংপুৰলৈ উঠি যায়। এখেত সকলেহে অসমত প্ৰথম নিদানিক চিকিৎসা বিস্তাৰ কৰি হিঙ্গুলৰ পৰা ৰস নিষ্কাশনৰ প্ৰণালী উলিয়ায় কাৰণে "ৰসেন্দ্ৰৰ ঘৰ" বুলি প্ৰখ্যাত হ'ল।

পৰমানন্দৰ আজোনাতি কালীনাথ। কালীনাথৰ দুই পুত্ৰ পশুপতি আৰু যজ্ঞেশ্বৰ। কালীনাথৰ সহোদৰ ভায়েক শূলপাণি ভঁড়ালী বৰুৱা। যজ্ঞেশ্বৰৰ বৰ পুতেক ব্ৰজনাথ, সৰু পুতেক মহেশ চন্দ্ৰ। ব্ৰজনাথৰ পুতেক গঙ্গানাথ। এখেত গুৱাহাটীৰ সদৰ মুনচিফ আছিল। এখেতৰ পুত্ৰ ৰাধানাথ তহচিলদাৰ। ৰাধানাথ তহচিলদাৰৰ দ্বিতীয় পুত্ৰ হ'ল উক্ত দুৰ্গানাথ বৰুৱা। খুৰাক অন্নদাকুমাৰ কালীকুমাৰৰ পুতেক। কালীকুমাৰ মৌজাদাৰ আছিল। কালীকুমাৰৰ পিতৃ মহেশ্চন্দ্ৰ ডেপুটী-কালেক্টৰ আছিল। মহেশ্চন্দ্ৰ ঢকাৰৰ দিনাই নিজৰ পত্নী, বৰ পুতেক, পৰিচাৰক ব্ৰাহ্মণ এজন ঘৰৰ দামুৰি সৈতে গাই এজনী আৰু পোহনীয়া মইনাটো অগাপিচাকৈ মৰে। ই এটা আলৌকিক ঘটনা। শূলপাণি ভঁড়ালী বৰুৱাৰ কনিষ্ঠ পুত্ৰ দিগম্বৰ ভঁড়ালী বৰুৱা মান ভগনত যোৰহাটৰ পৰা গুৱাহাটীলৈ উঠি আহে। এখেত মুনচিফ আছিল। তেতিয়াৰে পৰা "ৰসেন্দ্ৰৰ ঘৰ" গুৱাহাটী বাসী হয়।

১৯০২ চনত দুৰ্গানাথ বৰুৱাৰ লগত ধৰ্ম্মেশ্বৰী দেৱীৰ বৰ সমাৰোহেৰে বিয়া হৈ যায়। বিয়াৰ সময়ত বৰুৱানী দেৱী ১২ বছৰীয়া ছোৱালী। ১৪ বছৰ বয়সত তেখেত স্বামী গৃহলৈ আহে। তেখেতৰ স্বামী দুৰ্গানাথ বৰুৱাই কলিকতাত এফ এ পঢ়িছিল। দুৰ্ভাগ্যবশতঃ পাচ কৰিব নোৱাৰিলে। আৰ্থিক অৱস্থা বেয়া হোৱাই আৰু পঢ়িব নোৱাৰি ঘৰলৈ গুচি আহিল। আহি বহি নাথাকিল। দেৰ মাহ দুমাহৰ কাৰণে স্থানীয় ডেপুটি কমিছনাৰৰ অফি-চত কেৰাণী কামত সোমালে। কিন্তু ওপৰৱালা ৰেভিনিউ চিৰস্তাদাৰৰ অশিষ্ট ব্যৱহাৰত বেয়া পাই কাম এৰি দিলে। কটন কলেজৰ প্ৰথম প্ৰিন্সিপাল চুদমাৰ্টেন চাহাবে বৰুৱাদেৱক বৰ ভাল পাইছিল। উক্ত চাহাবে তেখেতক স্বাধীন ব্যৱসায় কৰিবলৈ উৎসাহ দিলে। এই উদগণিত ১৯০২ চনত ব্যৱসায় আৰম্ভ কৰে। প্ৰথমে খেৰবাঁহৰ ব্যৱসায়, পাচত লগে লগে বাই চাইকেলৰ দোকান আৰু কাঠমিস্ত্ৰীৰ কাৰখানা কৰে। অসমত এইখনেই প্ৰথম বাই চাইকেলৰ দোকান। গুৱাহাটীত

তেখেতেই প্ৰথম "ডে-লাইত," "মেনথল লাইত," "গেচ-লাইত" আনি বেচে। দোকানত কাগজ, ব্লটিং পেপাৰ, দোৱাত, কলম, চিয়াহী আদি যাবতীয় স্কুল কলেজৰ বস্তুবোৰো ৰাখিছিল। এই দোকানেই "দাস-তালুকদাৰ এজেঞ্চি" বুলি জনাজাত। দোকান হ'ল নিজৰ, নাম হ'ল পৰৰ। তাৰ কাৰণ হ'ল এই। দেউতাক ৰাধানাথ তহচিলদাৰ ১৯০১ চনত ঢুকায়। কিছু টকাৰ ধাৰ এৰি যায়। এনে লেঠাৰ নিমিত্তে তেনে নাম হ'ল। 'দাস' হ'ল ৺বিহুৰাম। "তালুকদাৰ" হ'ল চামতাৰ ৺কাশীনাথ।" দুয়ো তেখেতৰ বৰ মৰমৰ। বিহুৰাম তেখেতৰ ঘৰতে জন্মে। মাকক ছোৱালী অৱস্থাতে ৰাখি বিয়া দি গিৰিয়েককো ঘৰতে ৰাখে। ২০।২২ বছৰ বয়সতে বিহুৰাম ঢুকায়। মৰিবৰ দিনা "সৰু দাদাক চাই লওঁ, সৰু দাদাক চাই লওঁ" বুলি বৰুৱাদেৱক হুক হুককৈ কন্দুৱাই বিহুৰাম ঢুকাল। তালুকদাৰ কটন কলেজত পঢ়িছিল।

বৰুৱাদেৱ একেবাৰে সাহিত্যসেৱক, সমাজ সেৱক আৰু দেশসেৱক আছিল। তেখেতৰ "মোৰ চিকাৰ সুখ" প্ৰবন্ধ, "বিয়া কোনে কৰাব?" "শিয়াল ৰজা," "শিয়াল পণ্ডিত," "ঘোৰা ঘাঁহী" আৰু "আগৰ দিনৰ কথা" আদি সাধুকথাবোৰ বৰ উপাদেয়। "জোনাকী," "মইনা" প্ৰভৃতি আলোচনী কাকতবোৰত উক্ত প্ৰবন্ধবিলাক ওলাই পাঠক পাঠিকাসকলক মুগ্ধ কৰিছিল।

তেখেতৰ পৰাই ভাৰ্য্যা বৰুৱানী দেৱীয়ে কবিতা লেখিবলৈ প্ৰথম প্ৰেৰণা পাইছিল।

বৰ দুখৰ কথা যে ২০ বছৰ বয়সৰপৰা তেখেতৰ স্বামীয়ে কাণেৰে শুশুন হৈ মৰণ কাললৈকে তেনে হৈয়ে থাকিল। কত চিকিৎসা কৰিলে। সকলো অথলে গ'ল। তথাপি তাৰ বাবে অকণো হতাশ নহৈ জীৱনৰ সকলো কাম হাঁহি মুখে কৰি গৈছিল।

স্বামী স্ত্ৰীয়ে সন্তান কামনা কৰে। ভবিষ্যতৰ সুখ, ভবিষ্যতৰ আশা আৰু বংশ ৰক্ষা বিশেষকৈ পুত্ৰ সন্তানৰ ওপৰতে নিৰ্ভৰ কৰে। কিন্তু কি দুৰ্ভাগ্য যে বৰুৱা বৰুৱানী এনে কামনাৰ পৰা চিৰকাললৈ বঞ্চিত হ'ল।

স্বাস্থ্য হীন জীৱন অতি কষ্টময়। স্বাস্থ্য ধন আচল ধন। তথাপি প্ৰাৰব্ধ আৰু প্ৰাক্তন অনুযায়ী মানবী জীৱনটো যায়। তাত কাৰো হাত সাৰিবৰ উপায় নাই। ২০ বছৰ বয়সতে বৰুৱানী দেৱীৰ বাত বিষ আৰম্ভ হয়। যুবাকালতে বৰুৱা-দেৱৰ কাণৰ অসুখ হ'ল। কি অদৃষ্ট, যুৱতী কালতে বৰুৱানী দেৱীৰো বাতৰ অসুখ হ'ল। প্ৰথমতে দুই ভৰিৰ তলুৱাতে বাত বিষ আৰম্ভ হৈ শেষত ক্ৰমান্বয়ে গাঁঠিলৈ উজাই আহে। স্থানীয় ডাক্তৰ কবিৰাজক লগালে। কিন্তু একোতে উপশম নহ'ল। অসহ্য যন্ত্ৰনাৰ ওৰ নাই। ২॥ বছৰ কাল এই দৰেই ভুগিলে। তাকে তেখেতে কি দৰে কৈছে বেয়াই লাগে :—

ক'ত চিঞৰিলো, কত যে
কান্দিলো—কৰিলো কাকুতি কত
এৰা, এৰি দিয়া মোক, পাইছো অশেষ
দুখ মই, নোৱাৰো সহিব আৰু।
কিন্তু হায় নিঠুৰা ব্যাধি ন'হল
অলপো দয়া মোৰ প্ৰতি—ব্যৰ্থ হ'ল
সকলো প্ৰয়াস।



অগত্যা স্বামীয়ে ৰোগিণী ভাৰ্য্যাক চিকিৎসাৰ কাৰণে ১৯১৪ চনত কলিকতালৈ লৈ গ'ল। ভিনীহিদেৱেক অন্নদাকুমাৰ বৰুৱাও লগত গ'ল। বৰুৱানী দেৱীৰ স্বামী দেৱতাক ওপজাৰে পৰা কোলাত লৈ ডাঙৰ দীঘল কৰা ৺কেৰী বাই আৰু এজন ৰান্ধনি বামুণকো লগত নিলে। তাত আমৰ্হাষ্ট ষ্ট্ৰীটৰ ৪৩ নং দুমহলা ঘৰত ভাড়া কৰি থাকিল। পুৰা এবছৰ চিকিৎসা-ধীনত আছিল। বিখ্যাত কবিৰাজ ৺শ্যামাদাস বাচস্পতিয়েও চালে। কিন্তু একোতে আৰোগ্য নহৈ নিজ ঘৰলৈ উলটি আহিল।

বৰুৱানী দেৱীৰ জীৱন আকৌ আধি-ব্যাধিৰে যাব ধৰিলে। দুখ যেতিয়া আহে আহেই। মানুহ মৰণশীল। সময় আহিলে অন্তৰ্হিত হবই। কিন্তু বিয়োগ বৰ কষ্টকৰ। তেখেতৰ মাতৃসমা শাহু আয়েক ভাগীৰথী দেৱী গ্ৰহনী ৰোগত ১৯১৬ চনত ঢুকাল। তেখেতৰ পিতৃতুল্য ভিনীয়েক অন্নদাকুমাৰ বৰুৱা বিষম জ্বৰত ১৯১৭ চনত পৰলোক হ'ল।

দিন গৈ আছে। বৰুৱানী দেৱীৰ বাতৰ বিষ বাঢ়িছে, ভৰি উখহিছে। যন্ত্ৰনাত প্ৰাণ যায়। ভৰি পাতিব নোৱাৰা হ'ল।

আৰু এটা উপকৰা অসুখে দেখা দিলে। তেতিয়া ১৯২৭ চন। সোঁ-চকুটোত অসুখ আৰম্ভ হ'ল! দুটা ৰোগে জুৰুলা কৰিলে। গুৱাহাটীৰ চিকিৎসা ব্যৰ্থ হ'ল। স্বামীয়ে পুনৰ কলিকতালৈ লৈ গ'ল। সেইবাৰ জানুৱাৰী মাহ, ১৯২৮ চন। বাদুৰ বাগানৰ, ৪২ নং দুমহলা ঘৰ এটাত ভাড়াকৰি থাকিল গৈ। এইবাৰ দু বছৰ তাত থাকিল। চিকিৎসা পুনৰ আৰম্ভ হ'ল— এলোপ্যাথি, হোমিওপ্যাথি, কবিৰাজী। কিন্তু একোতে কাম নহ'ল! কিজানি ঠাই পৰিবৰ্ত্তনে কাম দিয়ে! চিকিৎসকলেও মত দিলে। পুৰীলৈ গ'ল। সাগৰৰ পাৰত ঘৰ ভাড়া কৰি থাকিল। পুৰী দৰ্শনৰ বাবে মাতি পঠিওৱাত মাজু বাই দেৱেক কালী প্ৰিয়া দেৱী, সৰু বাইদেৱেক অম্বিকা সুন্দৰী দেৱী আৰু স্বামীৰ মধ্যমা ভনীয়েক ঘনকান্তি ফুকননীও আহিল। তাতে কেইদিনমান থাকি মন্দিৰত অনন্ত-জ্যোতিৰ্ম্ময় জগন্নাথ মূৰ্ত্তি; সমুখত অবিৰাম গৰ্জ্জনময়, তৰঙ্গময় আৰু স্ফীতময় অনন্ত সাগৰ দৰ্শনত বৰুৱানী দেৱী ক্ষন্তেকলৈ ৰোগ যন্ত্ৰনা পাহৰি যায়। তাকে তেখেতে কৈছে :—

আজিও কাণত
মোৰ বাজিছে সদায় সাগৰৰ
মুহূৰ্মুহূ ঢৌৰ গৰ্জ্জন ;—প্ৰতি
হিল্লোলত কাণ তালমৰা খলকনি।
নমো নমো আদি দেৱ, নমো জগন্নাথ,
নমো তব পদ অৰবিন্দ, নমো নমো
বিগ্ৰহ মূৰতি।

পুৰী দৰ্শনৰ অন্তত আকৌ কলিকতালৈ আহিল। পুনৰ চিকিৎসা আৰম্ভ হ'ল। তথাপি ৰোগৰ কোনো পৰিবৰ্ত্তন নাই। বিফল মনোৰথ হৈ পুনৰ নিজ ঘৰলৈ গুচি আহিল।

আকৌ বৰুৱানী দেৱীৰ জীৱন-তৰী

সুখ-দুখৰ পাৰে পাৰে, আশা-নিৰাশাৰ চাপৰিৰ কাষে কাষে, মায়ামোহৰ গৰাৰ ওচৰে ওচৰে আৰু ৰোগ যন্ত্ৰনাৰ সোঁতে সোঁতে যাব ধৰিলে। বাত বিষ নেৰাই হ'ল। খোজ কঢ়া শক্তি কমি গ'ল। চুচৰি ফুৰিব লগীয়া হ'ল! বিছনাতে পৰি থাকে। স্বামীয়ে শুশ্ৰূষা কৰে। ইয়ালৈ তালৈ নিবলৈ কলিকতাৰ পৰা চকা লগা ঠেলা গাড়ী এখন আনিলে। স্বামীয়ে নিজেই সেইখন বেছি ভাগে ঠেলি চলাই ফুৰে। শালপতি ৺লক্ষ্মীপ্ৰসাদ বৰুৱাই (জন চাহাব, কালী প্ৰসাদ, ৰাধিকা প্ৰসাদ, ডাঃ গঙ্গা প্ৰসাদ, ভবানী প্ৰসাদ আৰু দেৱী প্ৰসাদৰ দেউতাক) তেখেতক "ড্ৰাইভাৰ" বুলি ঠাট্টা কৰি হাঁহে আৰু তেওঁবিলাক দুয়োকো পাবে মানে হঁহুৱায়।

এইদৰে দিন বাগৰি গৈ আছে। বৰুৱাদেৱ নিজৰ দোকান আৰু নানা-কাৰবাৰত ব্যস্ত। তেনে অৱস্থাতো বৰুৱানীয়ে দেৱী ঘৰৰ কাম নকৰাকৈ নাথাকে। চুচৰি চুচৰি ঘৰ সাৰে। পাকঘৰত জলপান কৰে। শাক পাচলি কুটে। তামোল কাটি পানবটাত সজাই থয়। ভতিজাক ৺শিশিৰ বৰুৱাৰ কেচুৱা লৰাছোৱালীক কোলাত লৈ লৈ গাখীৰ খুৱাই ডাঙৰ কৰিলে। আহৰি সময়খিনি লেখা পঢ়া কৰি কটায়। এনেকৈয়ে বৰুৱানী দেৱীয়ে জীৱন কটাই আছে। ইপিনে বাতৰ বিষ বাঢ়িয়ে গৈছে।

১৯২৮ চন গৈ গৈ ৪২ চনো পাৰ হ'ল। ৪৩ চন পালেহি। সেই দিনা ২৪ জুন। হঠাতে আবেলি ৩ বজাৰপৰা তেখেতৰ স্বামীৰ পিত্তৰ অসুখ হ'ল। অসুখ বেচি হৈ হ'ল। ডাঃ ভুবনেশ্বৰ বৰুৱাই চাইছে তথাপি বিছনাতে বহি বহি একেৰাহে ৪২ বছৰ ধৰি কৰা নিজ ব্যৱসায়ৰ কাগজপত্ৰ লেখা লেখি কৰি আছে। ভতিজাকহঁতে হাক দিয়ে। নামানে। ভাৰ্য্যায়ো হাক দিয়ে। কাণ নকৰে। বৰঞ্চ ভাৰ্য্যাক কয় "মৰ্দ হাতে কলমে যাম।" যি কলে অন্তত সেয়ে ফলিলে। ৰাতি অসুখ বৰ বেচি হ'ল। সকলোৱে পৰ দি আছে। ৰাতিটো কোনোমতে গ'ল। ৰাতি পুৱাল। ২৫ জুন। শুকুৰবাৰ। পুৱা বৰ টান। পেট ফুলিছে। এতিয়া অন্তিম কাল। তথাপি তেতিয়াও বেছ আছে। বৰুৱানী দেৱীৰ কথাকে তুলি দিওঁ:—

পোহৰ

পৃথিৱীখন দেখিলো এন্ধাৰ  
বাগৰি পৰিলো মই স্বামীৰ বক্ষত,  
সম্ভাষি স্বামীয়ে মোক কলে প্ৰিয় বাণী  
"নাকান্দিবা, নহবা অস্থিৰ, ধৈৰ্য্য ধৰা  
তুমি।"

ভৰদুপৰীয়া, ১২॥ বাজিল। ঘৰত কান্দোনৰ ৰিনিনি উঠিল। এনেতে শেষ বাৰলৈ পুত্ৰ তুল্য শিশিৰ বৰুৱাৰ ডিঙিত সাবটি ধৰি—"যাওঁ দেই আজি মই নিজ ঘৰলৈ" বুলি কোৱাৰ লগে লগেই তেখেতৰ প্ৰাণ পখী উৰি গ'ল অসীম অনন্তলৈ। দুখুনী ভাৰ্য্যা শোকদগ্ধা হৈ উকডা ঘৰখনিত পৰি ৰ'ল। মাজু ভায়েকৰ একমাত্ৰ পুত্ৰধন শিশিৰ বৰুৱাই মাহীয়েকক আশ্বাসিলে "আমি আছোঁ। নাকান্দিবি তই।" প্ৰাণে জানো



নাকান্দি পাৰে। তাতে স্বামী বিয়োগ। তথাপি বৃদ্ধা বাইদেৱেকৰ শুশ্ৰূষা, শিশিৰ বৰুৱাৰ সান্ত্বনা, ঘৰৰ সকলোটিৰে পৰিচৰ্য্যা স্বামী বিচ্ছেদ ব্যথা আৰু নিষ্ঠুৰ বাতৰ যন্ত্ৰনাৰ মাজেৰে বৰুৱানী দেৱী ৰোগ শয্যাতে কাল যাপন কৰি গৈ আছে।

ছটি বছৰ এইদৰে গ'ল। ১৯৪৮ চন। ঘৰত আকৌ দুৰ্দ্দিনে দেখা দিলে। দীৰ্ঘকাল ব্যাপি কঠিন ৰোগ ভোগি গুৱাহাটীৰ অন্যতম প্ৰখ্যাত উকীল শিশিৰ কুমাৰ বৰুৱা শেষত বিধবা মাতৃ, বিধবা মাহী, বিধবা ভনী (৺চন্দ্ৰ নাথ শৰ্ম্মাৰ পত্নী), দুটি ল'ৰা, তিনিটি কন্যা, আৰু প্ৰাণৰ ভাৰ্য্যাক শোক সাগৰত পেলাই ৩০ কাতি, ১৬ নবেম্বৰ মঙ্গলবাৰে ৰাতি পুৱা ৫ বজাত অকালতে মায়াৰ সংসাৰ এৰি আমায়া ধামলৈ চিৰকাললৈ গুচি গ'ল। ঘৰৰ মৰমৰ পুহী বাই আৰু লক্ষ্মীনাথ দেউও কেতিয়াবাই গ'ল। ভৰা ঘৰখন এইদৰে উদং হৈ আহিল।

বৰুৱানী দেৱীৰ কথা আৰু কি কম! দুখেৰে জীৱন। দুখ লাগে। আজি তেখেত ৰুগ্না, শয্যাগত, দৃষ্টিশক্তিহীনা আৰু পঙ্গু। কত আশা কৰি সাধু সন্ন্যাসীক দেখুৱালে! কত পূজা পাতলো কৰিলে! কিন্তু হায়, একোতে একো নহ'ল। যাই থৈ গন্ধিয়াৰ দৈৱজ্ঞ এজনে গণনা কৰি কোৱা "আপুনি ৰোগ মুক্ত নহ'ব" বোলা কথাষাৰিয়েই আজি পৰ্য্যন্ত ৰ'ল।

তেখেত আজি একেবাৰে অকলশৰীয়া। শয্যাখনতে দিনেৰাতি পৰি থাকে। এজনে তুলি নিদিলে উঠি বহিব নোৱাৰে। সেয়েহে দুখতে কয় "প্ৰাণটোৱে কিমান শুব? কিমান বহিব?" কিন্তু তেখেতৰ কি অপূৰ্ব্ব আকৰ্ষণী শক্তি! তেখেত অকলশৰীয়া। কিন্তু কোনো দিনতে তেখেতক অকলে পোৱা নাযায়। কাষত এজন নহয় এজনক দেখিবই। বুঢ়া-বুঢ়ী, ডেকা-গাভৰু, ল'ৰা-ছোৱালী, আত্মীয়-স্বজন, শিক্ষক-অধ্যাপক, লেখক-লেখিকা, কবি-সাহিত্যিক, বুৰঞ্জীবিদ-তত্ত্ববিদ, নাট্যকাৰ-শিল্পী, গায়ক-গায়িকা, ছাত্ৰ-ছাত্ৰী, তেখেতৰ তালৈ আহে;— আহে কথা হবলৈ, বতৰা লবলৈ, চাবলৈ, আৰু উপদেশ লবলৈ, আলোচনা কৰিবলৈ, পুৰণি কথা জানিবলৈ, আৰু যে কিমান অইন মানুহো আহে! ধৰ্ম্মপৰায়ণ ৰাধাদেউ আহে ধৰ্ম্মালোচনা কৰিবলৈ। নিৰীহ গোপী কবিৰাজ গোঁসাই আহে শুশ্ৰূষা কৰিবলৈ। নাৰায়ণ সান্ন্যালৰ মাক আহে পইচা খুজিবলৈ। হিন্দুস্থানী বীৰেন বুঢ়াই— "অন্ধকে দয়া কৰো মাই" বুলি কৈ আহে চাউল খুজিবলৈ।

তেখেতৰ তালৈ কত বিশিষ্ট লোকো যায়। বিহগী কবি চৌধাৰীদেৱ এদিন এই ক্ষুদ্ৰ লেখকৰ লগতে গ'ল। বৰুৱানী দেৱীয়ে নানা কথাৰ লগতে তেখেতক কলে— "আপুনি আহিছে। দেখা নাপাওঁ। চকুৰ বিষ। ফুটি যায়, ফুটি যায়। কি কৰোঁ।। কিমান ভুগিম। উপায়কে নাপাওঁ।" কবি চৌধাৰীদেৱে প্ৰবোধ দিলে— "কি কৰিবা! দুখ বুজোঁ।। ধৈৰ্য্যৰ বাহিৰেতো গতি নাই। আৰু কি কম?"

দাৰ্শনিক কবি দুৰ্গেশ্বৰ শৰ্ম্মাদেৱে এদিন মোক লগত লৈ তেখেতক চাবলৈ যাওঁতে বৰুৱানী দেৱীয়ে কলে— "আজি মোৰ কি পৰম ভাগ্য আপুনি আহিছে। কেনেকৈ আপোনাক সম্ভাষণ কৰোঁ? মই ৰুগ্না। চকুৰে দেখা নাপাওঁ। সৰ্ব্ব শৰীৰটোতে অসহ্য বিষ। কিমান আৰু ভুগিম?" শৰ্ম্মাদেৱে তেখেতক সান্ত্বনা দিলে— "দুখে সুখক বুজায়। সুখে দুখক বুজায়। কিন্তু হিচাপ কৰিলে দুয়োটা শূন্যহে হৈ যায়।"

এদিন বুৰঞ্জীবিদ বেণুধৰ শৰ্ম্মাদেৱ

মোৰে লগত তেখেতক দেখা কৰোতে বকৰানী দেৱীয়ে নানা কথাৰ লগতে " তাৰোপৰি " বুলি কলে। স্পষ্ট বাদী শৰ্ম্মাদেৱে কলে – " তাৰোপৰি ভুল। তাৰ উপৰিহে শুদ্ধ। " বকৰানী দেৱীয়ে বিনয় ভাবে কলে -- " মইনো জানো কি! একোকে নাজানো।"

কবি আৰু নাট্যকাৰ অধ্যাপক অতুল হাজৰিকাদেৱ মোৰে লগত এদিন দেখা কৰোতে বকৰানী দেবীয়ে কলে – " বাধাৰ বাধিনী " হাজৰিকাদেৱে অতি সুন্দৰভাবে কলে— " বেদনাই মানুহক পৰীক্ষাহে কৰে।"

সীতা সাবিত্ৰীৰ নিচিনা বকৰানী দেৱীৰো জীৱনৰ কাহিনী বৰ দুখ লগা। এদিন দুপৰীয়া ভাত খাই থাকোতে বকৰানী দেৱীয়ে কান্দিছে। চকুলো দুই গালে বৈ গৈছে। এনেতে মাজু বাইদেৱক দেখি সুধিলে— " কিয় কান্দিছ ? " ভনীয়েকে কলে— "কিয় কান্দিছোঁ— কব নোৱাৰোঁ।" বাইদেৱেকে কলে – " নাকান্দিবি। কান্দি-তো লাভ নাই।"

তেখেতে কোনো কোনো সময়ত দুখৰ হেচা চেপি ৰাখিব নোৱাৰাত দুচকুৰে পানী বৈ যায়, ধৈৰ্য্য হেৰুৱাব খোজে। মাতৃ সমা মাজু বাইদেৱেকেই তেতিয়া সান্ত্বনা বাণীৰে বুজায় – " শোক নকৰিবি। ধৈৰ্য্যৰে সহ্য কৰ। ভগৱানত শৰণ ল। তেওঁ তোক চৰণত স্থান দিব।"

৮৫ বছৰীয়া বৰবাইদেৱেকেও মাজে মাজে আহি তেখেতক সান্ত্বনা দিয়ে। ওচৰতে বহি নানা সুখ দুখৰ কথা পাতে।

বৰবাইদেৱেকৰ আন্তৰিক মৰম আৰু সৰু ভনীয়েকৰ অটল ভক্তি দেখি বৰ ভাল লাগে।

বকৰানী দেৱীৰ জীৱনী প্ৰায়ে শেষ কৰি আনিলোঁ। আজিলৈ তেখেতৰ হৃদয়স্পৰ্শী, চিত্তস্পৰ্শী মৰ্ম্মস্পৰ্শী কথাৰেই সামৰণি মাৰিলোঁ :—

আজি এই জীৱনৰ সন্ধিয়া পৰত
বহি মই জীৱনৰ নৈ খনি পাৰে
একেথৰে চাই আছো সিপাৰৰ
পোহৰৰ দেশখনিলৈ ; – কিবা জানো
আহে নাৱৰীয়া নাওখনি লই
কাষলৈ মোৰ, – ভাবি আছো প্ৰতি
পলে পলে।



# কাব্য প্ৰসঙ্গ

আলোচনা ]

শ্ৰীযুক্ত যতীন্দ্ৰ নাথ গোস্বামী, এম্‌, এ, বি-টি।

যি মানসিক উৎকৰ্ষৰ হেতু মানুহ পশুৰ পৰা বেলেগ, সাহিত্য সেই মানসিক উৎকৰ্ষৰ শ্ৰেষ্ঠতম প্ৰকাশ। আমাৰ আত্মবিচাৰ, আত্মপ্ৰসাদ, আত্মদৰ্শন আদি সাহিত্যৰ মাধ্যমত হয়। সাহিত্যৰ সহায়ত আমি কঠোৰ বাস্তৱৰ হাত সাৰি কল্পনাৰ স্বপ্নলোকত আপোন পাহৰা হওঁ। সাহিত্যই আমাক আনন্দ দিয়ে, সান্ত্বনা দিয়ে, আশা দিয়ে আৰু উদ্বুদ্ধ কৰে। মানুহৰ অন্তৰৰ সৈতে মানুহৰ এয়ে সত্যতম সম্বন্ধ আৰু দৃঢ়তম বন্ধন।

সাহিত্যৰ পৰিধি আজিঅতিশয় ব্যাপক। বুৰঞ্জী, বিজ্ঞান, অৰ্থশাস্ত্ৰ, ৰাজনীতি, সমাজনীতি তথা মানৱ মনীষা-প্ৰসূত সকলো ৰচনা সাহিত্যৰ অঙ্গীভূত, কিন্তু সাহিত্য বুলিলে সাধৰণতে আমি সৃষ্টিধৰ্মী কাব্য-সাহিত্যকে বুজোঁ। এই কাব্য-সাহিত্যৰ বিষয়ে আজি আলোচনা কৰিম।

কাব্য সৃষ্টি কৰিবলৈ হলে কবিয়ে নিজৰ হৃদয়েৰে গোটেই বিশ্বৰ ৰস প্ৰকৃতিক অনুভৱ কৰিব লাগে; তেতিয়াহে অনুভূতি-লব্ধ ৰচিত কাব্যৰ উদ্বোধন সম্ভৱ হয়। সেই কাৰণে এজন সমালোচকে কৈছে "কাব্য বিশ্ব সৃষ্টিৰ ৰসানুবাদ।" বাক্যটো চুটি হলেও ইয়াৰ ভিতৰত কাব্যৰ এটা ভাল সংজ্ঞা সোমাই আছে। প্ৰকৃত পক্ষে কাব্য এক ৰসৰ খেল—ইয়াৰ সৃষ্টিতো ৰস আৰু উপভোগতো ৰস। সংস্কৃত আলঙ্কাৰিকে কাব্যৰ লক্ষণ নিৰূপণ কৰিবলৈ গৈ শেহত কলে, 'বাক্যং ৰসাত্মকং কাব্যম্।' সকলো বাক্যই কাব্য নহয়, কিন্তু ৰস-যুক্ত বাক্যৰ দ্বাৰা কাব্য সৃষ্টি হয়। নাট্য শাস্ত্ৰৰ প্ৰৱক্তা ভৰতে ৰসক সাহিত্যৰ বীজৰূপে বৰ্ণনা কৰিছে। ৰস-বীজৰ পৰা কাব্যৰ উৎপত্তি। ৰসেই কাব্যৰ কলা, কিয়নো কাব্যৰ পৰিসমাপ্তি হয় ৰসানুভূতিত আৰু সহৃদয় পাঠকৰ ৰস আস্বাদনত।

'বাক্যং ৰসাত্মকং কাব্যম্' – এই উক্তিটো আলোচনা কৰা যাওক। প্ৰথমতে মানুহ মাত্ৰই কবি – সকলো সময়তে নহলেও সময় আৰু অৱস্থা বিশেষে কবি। দ্বিতীয়তে ৰস বা অনুভূতি যদি জীৱনৰ লক্ষ্য হয়, কাব্যৰ প্ৰেৰণাও যদি ৰস বা অনুভূতি হয়, তেন্তে প্ৰত্যেক জাতিৰ মাজত কাব্য-সৃষ্টিৰ মূল প্ৰেৰণা থকা উচিত। মনীষী ক্ৰোচেৰ ( Benedett Croce ) আৰ্ট বা কলা হৈছে আবেগ অনুবিদ্ধ অখণ্ড ৰূপ অনুভূতি (lyrical intuition)। তেওঁৰ মতে কাব্যৰ ভেটি হৈছে—

"The first ingenuous theoretic form of the Absolute which is the lyric or the music of the spirit and in which there is nothing philosophically contradictory because the philosophic problem has not yet emerged. It is the region of intuition, of language in its essential character as painting, music or song. In a word it is the region of art"

এই first ingenuous theoretic form of the absolute ( অখণ্ড অদ্বয় নিৰ্ব্বিশেষৰ প্ৰথম বিশেষিত অনুভূতিগম্য ) নো কি? ই জানো জীৱনৰ পাতনিৰ কথা নহয়? সেই কাৰণে Croce ৰ মতেও জীৱন ধাৰা আৰু কাব্য-ধাৰাৰ মন উৎস একেই। কিন্তু মানুহ মাত্ৰেই সম্ভাৱনাত (Potentially) কবি হলেও এই কথাৰ সময়ত ব্যতিক্ৰম ঘটে। কাব্য সৃষ্টিৰ মূল কাৰণটো প্ৰত্যেক মানুহৰ মগ্ন চৈতন্যত ঢাক খাই থাকিলেও প্ৰকাশৰ ক্ষেত্ৰত ই ঘাইকৈ উদ্দীপনা সাপেক্ষ। ইয়াৰ সহজ উদ্দীপনশীলতা সকলো চিত্ত-ধৰ্ম্মত নাই; প্ৰবৃত্তি, ধৰ্ম্ম আৰু মনৰ গঠনৰ বৈশিষ্ট্য অনুসৰি কিছুমান মানুহৰ এইটো আছে; সেই কাৰণে তেওঁলোক কবি, আমি নহওঁ। তেওঁলোকে স্বোপলব্ধ অনুভূতিক ভাষাৰে প্ৰকাশ কৰিব পাৰে। তেওঁলোকৰ জাগ্ৰত ৰসানুভূতিৰ সৃষ্টিসমূহ শিল্প ধৰ্ম্মৰ প্ৰভাৱত আৰু অখণ্ডতাৰ ফলত কাব্য। আমাৰ সুপ্ত চিত্তৰ মৌহূৰ্ত্তিক ৰস প্ৰকাশ কাব্যৰ উপাদান হলেও এই দুটা কাৰণৰ অভাৱত কাব্য নামৰ অযোগ্য। গতিকে 'বাক্যং ৰসাত্মকং কাব্যম্" এই কথাষাৰ সকলো ক্ষেত্ৰতে প্ৰয়োগ কৰিব পৰা সাধাৰণ সংজ্ঞা।

কাব্যৰ ৰসবস্তু আৰু তাৰ অলঙ্কাৰ - এই দুয়োৰে কাৰণে কবিৰ স্বকীয়া চেষ্টাৰ আৱশ্যক নহয়, বৰং এক উদ্যমতে সিদ্ধ হয় - "ৰসৱন্তি হি বস্তুনি অলঙ্কাৰাণি কানিচিৎ।

একেনৈৱ প্ৰযত্নেন নিৰ্ব্বৰ্ত্তন্তে মহাকবেঃ ॥" - আনন্দবৰ্দ্ধন। কবিৰ ৰস উদ্বুদ্ধ চিত্তই যেতিয়া শিল্পৰ ভিতৰেদি আত্ম-প্ৰকাশ কৰে তেতিয়া সি সৰ্ব্বাঙ্গ-সুন্দৰ হৈ প্ৰকাশ পায়। ৰীতি, ৰস, অলঙ্কাৰ, ব্যঞ্জনা আদি সৌন্দৰ্য্যবৰ্দ্ধক হৈ তেওঁৰ শৰীৰত সোমাই থাকে। কিন্তু এই বিলাকক বেলেগে বা একেলগে সৌন্দৰ্য্য বুলিব নোৱাৰি। আৰ্ট বা কলাৰ সৃষ্টি উদ্ভৱধৰ্ম্মী ( Organic ) আৰু অভিব্যক্তি, ই নিৰ্ম্মাণ নহয়।

কাব্যৰ স্বৰূপ লৈয়ো মত বিৰোধ দেখা যায়। সাহিত্যত শব্দ আৰু অৰ্থক বেলেগ কৰিব নোৱাৰি। শব্দ আৰু অৰ্থৰ এই অবিচ্ছেদ্য সম্বন্ধৰ কথা মনীষী Croce এ সুন্দৰ ভাৱে প্ৰকাশ কৰিছে - "......a thought is not thought for us, unless it be possible to formulate it in words." চাণ্টায়ানে (Santayana) কবিক শব্দৰ সোণাৰী ( goldsmith of words ) বোলোতে শব্দৰ ওপৰত জোৰ দিছে, কিন্তু এই উক্তিৰো সীমা বদ্ধতা আছে। জয়দেৱৰ "গীতি গোবিন্দ" পুথিৰ শব্দচয়ন বৰ ভাল লাগে; কিন্তু তেওঁক কালিদাসতকৈ ভাল বুলিব নোৱাৰি, কিয়নো কালিদাসৰ ৰচনাত শব্দ আৰু অৰ্থৰ মধুৰ মিলন হৈছে।

কবি Wordsworth এ কাব্য-ধৰ্ম্মৰ কথা আলোচনা কৰিবলৈ গৈ Lyrical Balladsৰ পাতনিত দুখ-শোক, প্ৰেম-প্ৰীতি, হাঁহি আশ্চৰ্য্য আদি মানৱ মনৰ মৌলিক আবেগবোৰক মূল কথা বুলি কৈছে। তেওঁ ইয়াত কাব্যৰ ৰসাত্মক ৰূপটো স্বীকাৰ কৰিছে। মহৰ্ষি বাল্মিকীয়ে ব্যাধক তিৰস্কাৰ কৰি কোৱা কথাষাৰিত ( 'মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ' ) শোকৰ উচ্ছ্বাস ভৰা অন্তৰৰ ভাব প্ৰকাশ পাইছে। গতিকে ৰস বা ৰসৰ আবেগেই কবিতাৰ প্ৰাণ, তাক প্ৰকাশৰ কাৰণে নিজে নিজৰ ভাষা বিচাৰি লয়। আনহাতে 'কাব্য ৰসাত্মক বাক্য' এই কথাষাৰিত কাব্যৰ ধ্বনি, অৰ্থ, ব্যঞ্জনা, ৰীতি আদি বাহ্যিক



অঙ্গৰ উপাদানবোৰৰ উপৰিও অন্তৰঙ্গ দ ভাবৰ গভীৰ পৰিচয় পোৱা যায়।

এইখিনিতে এটা প্ৰশ্ন উঠিব পাৰে বাল্মিকীয়ে শ্ৰীৰামচন্দ্ৰৰ জীৱন কিয় শব্দত বৰ্ণনা কৰিলে? বাৰিষা সৰোবৰৰ বুকু পানীৰে চপচপীয়া হৈ থকাৰ দৰে কবিৰ অন্তৰো চাকৈ চকোৱাৰ বিৰহ দুখত উদ্বেলিত হৈছিল। চক্ৰবাকীৰ দুখে কবিৰ অন্তৰ অশান্ত কৰিছিল আৰু এই শোক শ্লোকৰ আকাৰত ওলাই পাঠকবৰ্গৰ হৃদয়ত প্ৰবেশ কৰিছিল - অৰ্থাৎ এজনৰ চিত্ত বৃত্তি আন এজনত সংক্ৰামক ৰোগৰ দৰে বিয়পি পৰে। এইদৰে নায়ক, কবি আৰু সহৃদয় পাঠকবৰ্গৰ মাজত ভাব-সাহিত্য ঘটে বা পৰস্পৰৰ ভাবসাম্য ঘটে। গতিকে সাহিত্যৰ সফলতাৰ কাৰণে পাঠকৰ সহৃদয়তাও সমানভাৱে আৱশ্যক। পাঠকবৰ্গৰ অন্তৰত কবিৰ ভাব প্ৰতিবিম্বিত হব লাগে। আনকালে সংস্কৃত আলঙ্কাৰিকসকলে কাব্য জগতত কবিক প্ৰজাপতিৰ লগত তুলনা কৰিছে— কেতিয়াবা তাতোকৈ ওখ আসন দিছে -

" অপাৰে কাব্য সংসাৰে কবিৰেকঃ প্ৰজাপতিঃ
যথাস্মৈ ৰোচতে বিশ্বং তথৈৱ পৰিবৰ্ত্ততে ॥" - ধ্বন্যালোক

কবিয়ে ব্যাকুল হৈ বৃহত্তৰ জীৱনক নিজৰ জীৱনৰ ভিতৰত অনুভৱ কৰিবলৈ চেষ্টা কৰে। নিজৰ অন্তৰত তেওঁ সত্য উপলব্ধি কৰিবলৈ চেষ্টা কৰে। কবি ব্ৰাউনিঙে ( Robert Browning ) একে কথাকে কৈছে —

" Truth is within ourselves ; it takes no rise
From outward things, whatever you may believe
There is an inmost centre in us all
Where truth abides in fulness."

এই আত্মযোগৰ শক্তি কবিৰ দৈৱ-লব্ধ শক্তি— মানুহে ইচ্ছা কৰি ইয়াক স্ৰজন কৰিব নোৱাৰে আৰু এইটো সকলোৰে ভাগতে নঘটে। সেই কাৰণে মনীষী Plato ই কৈছে -

" For all good poets, epic as well as lyric, compose their beautiful poems not by art, but because they are inspired and possessed." ( Ion ) সকলো কবিৰ অন্তৰত যোগজ অনুভূতি সমান ভাৱে সুস্পষ্ট নহয়। যাৰ ভিতৰত এইটো যিমান বেছি সুস্পষ্ট তেওঁ সিমান ডাঙৰ কবি— তেওঁ ব্ৰহ্মাৰ ৰূপ ৰসৰ সিমান ডাঙৰ দ্ৰষ্টা। চাৰিওফালে যেতিয়া আন্ধাৰ, লেশ মাত্ৰও পোহৰ নেথাকে। কবিয়ে তেতিয়া কয় - 'আন্ধাৰ সঁচা নহয়, আন্ধাৰৰ সিপাৰত জ্যোতিৰ্ম্ময় পুৰুষক মই প্ৰত্যক্ষ দেখিছোঁ " ( " বেদাহমেতং পুৰুষং মহান্তং আদিত্যবৰ্ণং তমসঃ পৰস্তাৎ )!" আজি কালিৰ পাঠকবৰ্গই কবিৰ এই বাণীত সন্তুষ্ট নেথাকে, - অতি আধুনিকতাই ৰাজনৈতিক বা সমাজনৈতিক বাস্তৱবাদৰ সন্ধান বিচাৰে।

——(•)——

# আনন্দ

৺শৰৎ চন্দ্ৰ গোস্বামী।

আনন্দৰ স্বৰূপ কি? আনন্দ কি বস্তু বুজিব পাৰিলেহে তাৰ অন্বেষণ কৰিব পাৰি।

আমাৰ পাঁচ ইন্দ্ৰিয়ই বিশ্বৰ বস্তুৰপৰা জ্ঞান আহৰণ কৰে আৰু পাঁচ ইন্দ্ৰিয়ই বাহ্য প্ৰকৃতিৰ লগত সম্পৰ্ক ৰাখি, নানাবিধ কাৰ্য্য কৰে। এই দশেন্দ্ৰিয়ৰ প্ৰতিটো ক্ৰিয়াৰ লগত আমাৰ মনৰ সুখ বা দুখ, তৃপ্তি বা অতৃপ্তিৰ একোটা ভাব ওপজে। মনৰ এই অৱস্থাৰ নাম অনুভূতি।

এই অনুভূতিৰপৰা মনটোৱে তৃপ্তি পালে সেয়ে সুখ, সেয়ে আনন্দ।

পাঁচ ইন্দ্ৰিয়ৰ ভোগৰপৰা বা কৰ্ম্মৰপৰা যি সুখ পোৱা যায়, সি স্থায়ী নহয়। ভোজন-কাৰ্য্যত সুখ আছে। কিন্তু সি অলপ সময়ৰ কাৰণহে। আৰু কেতিয়াবা তাৰপৰা দুখো উদ্ভৱ হয়। সকলো ইন্দ্ৰিয় গ্ৰাহ্য বিষয় ভোগৰপৰা হোৱা সুখ তদ্ৰূপ। তেনে সুখ স্থায়ী নহয় বা অবিমিশ্ৰিত সুখ নহয়।

মানুহৰ আত্মা অলপত অন্তুষ্ট নহয়। ই স্থায়ী আৰু দুখ বিবৰ্জ্জিত সুখ বিচাৰে!

যি সুখ স্থায়ী বা চিৰন্তন, যি সুখৰ লগত দুখ অলপো মিহলি নাই, যি সুখ পালে তাৰ অধিক বা তাৰ বাহিৰে পাবলৈ একো আকাঙ্ক্ষা নাথাকে, যি সুখ এবাৰ পালে তাক হেৰুৱাবৰ ভয় নাথাকে, যি সুখৰ লোভত প্ৰয়াস নাই, ভোগত অৱসাদ নাই, যাৰপৰা পোৱা তৃপ্তিৰ সীমা নাই— সেয়ে চৰম সুখ, পৰম আনন্দ।

সাধাৰণতে সুখ কথা আমাৰে সকলো প্ৰকাৰ সুখকে বুজায়। যি চৰম সুখ তাক আনন্দ বুলি বিশেষ কৰা হ'ল।

এই প্ৰকাৰ আনন্দ অন্বেষণ মানুহৰ জীৱনৰ কাম্য কৰ্ম।

---

শ্ৰীযুক্তা সুপ্ৰভা গোস্বামীৰ যোগেদি পোৱা।



# শব্দৰ অপব্যৱহাৰ,— কৃষ্টি আৰু সংস্কৃতি।

শ্ৰীযুক্ত ৰত্নকান্ত বৰকাকতি।

ইংৰাজী "কালচাৰ" (Culture) শব্দটো আমাৰ ভাষাত আজিও "কৃষ্টি" হে চলিছে। জাৰ্ম্মান "কুলটুৰ" (Kultor) শব্দটোৰপৰা বোলে ইংৰাজী Culture শব্দটো নিষ্পন্ন হৈছে। স্বামী বিবেকানন্দই Culture অৰ বঙ্গলা কৰিছিল কৃষ ধাতুৰ পৰা নিষ্পন্ন কৰি— "কৃষ্টি"। সাহিত্য-সম্ৰাট ৰবীন্দ্ৰনাথে কিন্তু তেওঁৰ "মানুষেৰ ধৰ্ম্ম"বোলা কিতাপত এই "কৃষ্টি" শব্দটোক বৰ ব্যঙ্গ সুৰেৰে সমালোচনা কৰিছে। তেওঁৰ মতে "কালচাৰৰ" বঙ্গলা "কৃষ্টি" অশুদ্ধই নহয়, হাস্যাস্পদও। ৺বঙ্কিম চন্দ্ৰই তেওঁৰ "ধৰ্ম্ম তত্ত্ব" Culture অৰ নাম দিছিল— "অনুশীলন।" "অনুশীলন," "কৃষ্টি" "সংস্কৃতি"— এই শব্দ কেইটাৰ ভিতৰত "কালচাৰ" শব্দটোৰ অৰ্থ "সংস্কৃতি"— এই শব্দটোৱে বেচিকৈ সামৰি ধৰে যেন পাওঁ। ক্ষেত্ৰ বিশেষে "সাধনা" শব্দটোৱেও Culture অৰ্থ সূচায়। আমাৰ ভাষাতত্ত্ববিদ "অসমীয়া ভাষাৰ মৌলিক বিচাৰ আৰু সাহিত্যৰ চানেকি" প্ৰণেতা শ্ৰীযুক্ত দেৱানন্দ ভড়ালী ডাঙৰীয়াই Cultureঅৰ অসমীয়া কৰিছে—"উৎকৰ্ষণ।" কিন্তু "উৎকৰ্ষণাটো"তো কিবা সুৰুঙা থাকি উৰুঙা উৰুঙা লাগে।

'উৎকৰ্ষণা' বুলিলে শাৰীৰিক উৎকৰ্ষণা, মানসিক উৎকৰ্ষণা, এনেকৈ বিতং বিতং কৈ কলেহে খেও খাব। অকল "উৎকৰ্ষণাই" সমগ্ৰ Culture শব্দটোৰ ভাব প্ৰকাশ নকৰিব যেন পাওঁ। গতিকে সু-সংস্কৃত "সংস্কৃতি" শব্দটোকে আমি "ঠাকুৰ মাৰ ঝুলি" অৰ্থাৎ বুঢ়ী আইৰ জোলোঙাৰপৰা লৈছোঁ বুলি কলে একো অগঢ়িত নহব। বঙলা ভাষাতো স্বয়ং ৰবীন্দ্ৰ নাথ আৰু ভাষাবিদ ডাঃ সুনীতি চাটাৰ্জ্জীয়ে এই "সংস্কৃতি" শব্দটোহে গ্ৰহণ কৰিছে।

## 'কৃষ্টি সভা' নে 'কলা সভা'?

"কৃষ্টি" শব্দ Culture অৰ প্ৰতিশব্দ ৰূপে ব্যৱহৃত হলেও "কৃষ্টি"য়ে Fine arts অৰ্থাৎ সু-কুমাৰ কলাকো বুজাবলৈ ব্যৱহাৰ কৰা যায়, যেনে— "কৃষ্টি সভা" অৰ্থাৎ গীতবাদ্য অভিনয় আদি দেখুউৱা সভা। এইটো তেনেই অসঙ্গত যেন লাগে। তথা-কথিত "কৃষ্টি" মানে যদি "কালচাৰ" (Culture) তেন্তে তথাকথিত "মূল সভাত" আলোচনা হোৱা বিষয় বা কথা-জানো "কালচাৰৰ" বহিভূ্ত বিষয়? "কালচাৰ" মানে কেৱল নাচ, গান-বাজনাইহে জানো? আমাৰ মনেৰে উক্ত অৰ্থত পতা সভাক "কৃষ্টি সভা" নুবুলি "কলা-সভা" বোলাহে উচিত। নতুবা আলঙ্কাৰিক ভাষাত "মৌ মেল" বা * "সুৰাগী সভা" ইত্যাদি আখ্যা দি ললেও বেয়া নহয়।

• • •

---

* 'সুৰাগী'ৰ অৰ্থ হেমকোষৰ মতে "লাগী তিৰোতা, স্বামীৰ চেনেহৰ ভাৰ্য্যা।"

সম্পাদক—সাঃ সঃ পঃ।

## ' সৌৰভ সঙ্ঘ ' ' মুকুল সঙ্ঘ '।

" সঙ্ঘ " শব্দই বুজায় চেতন প্ৰাণীৰ সমূহীয়া দল ; Congregation of anemated beings, Assembly, Congress ইত্যাদি। যেনে ' জন-সঙ্ঘ, ' ' ছাত্ৰ-সঙ্ঘ'। " সৌৰভ সঙ্ঘই " বাৰু কি বুজাব ? " সৌৰভ " মানে গোন্ধ্। গোন্ধ বতাহত বিয়পিহে যায়। ফুলৰ গোন্ধে দল লাগি সঙ্ঘ বা কংগ্ৰেছ নেপাতে। " সৌৰভ সঙ্ঘৰ " ইংৰাজী তৰ্জ্জমা কৰিলে হব Assembly of scents বা Congregation of scents. কিম্বা Congress of scents. " সৌৰভ " শব্দটোক একৰকম গুণবাচক বিশেষ্য ( Abstract noun ) বুলিও কব পাৰি। " সৌৰভ সঙ্ঘ " যদি শুদ্ধ হয়, তেন্তে ' মাধুৰ্য্য সঙ্ঘ "ও শুদ্ধ হব। সঙ্ঘই সদায় চেতন প্ৰাণীৰ দলবদ্ধ অনুষ্ঠানকহে বুজায়। "শৃগাল সঙ্ঘ," " ভল্লুক সঙ্ঘ " আনকি " পিপৰা সঙ্ঘ " ও হব পাৰে, কিন্তু " সৌৰভ সঙ্ঘ " " গৌৰব সঙ্ঘ " হব নোৱাৰে। " সৌৰভ সঙ্ঘ " নামে নগাঁৱত ছাত্ৰবিলাকৰ এখন সভাও আছে।

" সৌৰভ সঙ্ঘ"ৰ দৰে "মুকুল সঙ্ঘ"বো নাম শুনা যায়। সৌৰভৰ বহুবচন যেনেকৈ ' সৌৰভ ৰাশি, " মুকুলৰ বহুবচন তেনেকৈ " মুকুল দল, " আনিলেকে ' সঙ্ঘ " শুনা নাই। "মানব মুকুল"ৰ সঙ্ঘ বুলি বুজালেও সি উক্ত থকা নাই, আৰু তেতিয়াও অৰ্থাৎ উক্ত হলেও ব্যাকৰণে " সঙ্ঘ " শব্দক "মুকুল"ৰ অনুকূলে অনুমতি নিদিয়ে।

আমাৰ সাহিত্যত আজি কালি এই দৰে শব্দৰ ভুৰি ভুৰি অপব্যৱহাৰ, ব্যাকৰণৰ নিয়ম ভঙ্গৰ প্ৰচুৰ অত্যাচাৰ য'তে ত'তে দেখি বাস্তৱতে দুখ লগা হৈছে। ক্ৰমে এনে দৃষ্টান্ত আৰু অনেক ডাঙি ধৰিবৰ ইচ্ছা থাকিল।

# অসমীয়া ভাষাত আহোম ভাষাৰ শব্দ

*৺গোলাপ চন্দ্ৰ বৰুৱা।*

( আহোম ভাষাৰ অভিধান প্ৰণেতা ৰায় চাহাব ৺গোলাপ চন্দ্ৰ বৰুৱাৰ ১৯২৭ চনৰ এখন হাতেলিখা টোকা বহী সাহিত্য সভাৰ পুৰণি কাগজ-পত্ৰৰ মাজত পাই তাৰ ভিতৰত থকা এই প্ৰবন্ধটি নকল কৰি পাঠকবৰ্গৰ আগত দাঙি ধৰা হ'ল। ৺বৰুৱাদেৱে এই প্ৰবন্ধটি হাত ফুৰাই চাবলৈ নেপালে। আহোম আৰু অসমীয়া প্ৰতি শব্দৰ তালিকাত " কন্ "ৰ " ফাই"লৈকে দীঘলকৈ এডাল আঁক পৰা আছিল ; ৺বৰুৱাদেৱে কি ভাবি তেনে কৰিছিল কব নোৱাৰোঁ। উক্ত টোকা বহীত " আহোম জাতিৰ হিন্দুধৰ্ম্ম গ্ৰহণ " নামৰ এটি প্ৰবন্ধ আধৰুৱা হৈ থাকিল।

শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী। ]



আহোম জাতি যে অসম দেশৰ আদিম অধিবাসী নহয় আৰু এওঁবিলাক যে ' টাই ' জাতিৰ এটা ঠাল এই কথা বুৰঞ্জীৰ সকলো পাঠকে জানে। আহোম ৰজাসকলে এই অসমদেশখন ৫৯২ বছৰ শাসন কৰে। ইমানদিন দেশখন শাসন কৰিও তেওঁবিলাকৰ নিজ ভাষা ক্ৰমে এৰি দি এই দেশৰ প্ৰচলিত ভাষাকে নিজৰ ভাষা কৰি লৈ তলতীয়া জাতিৰ লগত মিলি যোৱা কথাটো আচৰিত যেন লাগে। কাৰণ বিজিত জাতীয়ে তেওঁবিলাকৰ নিজ ভাষাহে সাধাৰণতে চলায়, তলতীয়া জাতিৰ ভাষা তল পেলাবলৈ চায়। সেইটো নহৈ ওলোটা হোৱাটোৰ কাৰণ এই কেইটাই বুলি অনুমান কৰোঁ।— (১) স্বৰ্গদেৱ চুকাফাৰ লগত অহা আচল আহোমৰ সংখ্যা কম আছিল ; (২) যিবিলাক ' টাই ' ( আহোম ) অসম দেশলৈ আহিল, তেওঁবিলাকৰ লগত মাইকীৰ সংখ্যা নিচেই কম থকাত তেওঁবিলাকে তলতীয়া জাতিৰ ছোৱালী বিয়া কৰাবলৈ বাধ্য হৈছিল আৰু সেই ছোৱালীৰ লগত স্থানীয় ভাষাৰে কথা পাতিব লগাত পৰিছিল ; (৩) তেওঁবিলাকৰ ভাষাৰ সকলো কথা সহজে বুজিব পৰা নাছিল, কাৰণ, এটা আহোম শব্দৰে কেবাটাকৈয়ো অৰ্থ হয় আৰু ঠাই অনুসৰি অৰ্থ কৰি লব লগাত পৰে ; (৪) অসম দেশৰ ভিতৰৰ ৰজা আৰু বঙ্গদেশৰ নবাবসকলৰ ৰাজ্যত আহোম ভাষাৰ প্ৰচলন নথকাত সেই সেই ৰাজ্যৰ ৰজাসকলেৰে আহোম ভাষাৰে চিঠি-পত্ৰ লিখি সকলো কথা বুজোৱা বৰ টান আছিল ; (৫) আহোম ৰজা ডাঙৰীয়াসকলৰ লিগিৰা, লিগিৰী, গা-চোৱা আদি বন্দী-বেটীবোৰ অসমৰ আদিমবাসী লোক আছিল। সেইবিলাকে আহোম ভাষা নজনাত সিইঁতৰে কথা বাৰ্ত্তা হবলৈ ৰজা ডাঙৰীয়াসকলে স্থানীয় ভাষা শিকিব লগাত পৰিছিল। এই কাৰণ কেইটাতে বোধকৰো ৰজাসকলৰ আহোম ভাষালৈ অশ্ৰদ্ধা হৈ আহিল ; শেহত দিওঁধাই, মোহন আৰু বাইলুঙ্‌বিলাকৰ ভিতৰৰ জনদিয়েকে দেওপূজা, মঙ্গলচোৱা আদি কামত লগাবলৈ আহোম ভাষা কিছু পৰিমাণে শিকি থবলৈ ধৰিলে। বৰ্ত্তমানো দেওপূজা, মঙ্গলচোৱা আদি দেওঁধাইবিলাকৰ ভিতৰত চলি আছে ; কিন্তু পুথিৰ অৰ্থ ক'ব পৰা মানুহ নাই।

আহোম ভাষাৰ শব্দ বেচিকৈ অসমীয়া ভাষাত নাথাকিলেও কিছুমান আহোম শব্দ যে অসমীয়া ভাষাত সোমাই আছে তাত সন্দেহ নাই। কোনো কোনো ঠাই, নৈ, মানুহৰ নাম, খেল আদিত আহোম শব্দৰ ব্যৱহাৰ আছে। তাৰ বাহিৰেও কিছুমান শব্দ অসমীয়া ভাষাত সোমাই আছে, যিবোৰ সাধাৰণতে আহোম শব্দ বুলি বহুতে নাজানে। মানুহৰ নামৰ বাহিৰে ব্যৱহাৰ হোৱা আহোম শব্দবোৰৰ তালিকা এটা তলত দিলোঁ।—

| আহোম | | অসমীয়া |
| --- | --- | --- |
| নাম রুক্ (নাম = পানী, রুক্ = ছয় ছখন নৈ থকা ঠাই ) | ... | নামৰূপ |
| টি পাম্ (টি = ঠাই, পাম = চাপৰ চাপৰ ঠাই ) | ... | টিপাম |
| টিং খাঙ্ টিং = ওখ, খাঙ্ = ঠাই ) | ... | টিংখাঙ্ ( ইয়াৰ পৰা টুঙ্খুঙীয়া হৈছে) |
| নাম্ টি ( নাম্ = পানী, টি = ঠাই পানীৰ ঠাই ) | ... | নাম্‌টি |
| নাম্ ডেঙ্ | ... | নাম্‌ডাং |

| আহোম | অসমীয়া |
|---|---|
| ( নাম = পানী, ডেঙ্ = বস ) | |
| টি অক্ | টিয়ক |
| ( টি = ঠাই অক্ ঘিউ, | |
| ঘিউৰ ঠাই ) | |
| পাটু কাই | পাটকাই |
| ( পাট = কটা, কাই কুকুৰা ) | |
| খাম টি | খাম টি |
| ( খাম = সোণ, টি = ঠাই | |
| সোণৰ ঠাই ) | |
| ৰাই লুঙ্ | ৰাইলুঙ্ |
| ( ৰাই = ছুধীয়া, লুঙ্ = ডাঙৰ ) | |
| ছং টক্ | ছাটক্ |
| ( ছং = ছুই, টক্ = টোল ) | |
| টি ফাই | টি ফাই |
| ( টি = ঠাই, ফাই = জুই ) | ( জুহাল ) |
| কন্ | কন্ |
| মাম্ | মাম্ (ভাত) |
| টুপ্ | তুপ ( ঘৰৰ তুপ ) |
| বান্ | বান্ ( বান বাটী ) |
| জী ( বৰ-জী ) | জী |
| টঙ্ | টঙ্ ( টংকৰা ) |
| টুঙ্ | টুঙ্ ( টুঙ টুঙ্ৰা ) |
| লাঙ্খা লিঙ্খি | লাঙ্খা লিঙ্খি |
| লিক্ চৌ | লিক্ চৌ |
| চৌটাঙ্ | চৌটাঙ্ |
| লালিক্ চৌ | লালিক্ চৌ |
| ফুকন | ফুকন |
| ছক্ - লঙ্ | চকলঙ্ ( বিয়া ) |
| বুৰণ জী | বুৰঞ্জী |
| ( বু = নজনা, ৰণ = জনোৱা, | |
| জী = ভৰাল ) | |
| লান্ মাক্ খু | লানমা খু |
| ( লান = সন্ততি, মাক = গুটি, | |
| খু = বেড়েনা | |
| চাওডাং | চাওডাং |

| আহোম | অসমীয়া |
|---|---|
| পাঙ্ | পাং ( পাংপতা ) |
| ৰাংফা | ৰাংফা |
| ক্লঙ্ | কলহ ( ? ) |
| ফাক্ | ফাক্ দাৰ ফাক) |
| ফাই ( জুই ) | ফাঁই ( খং ) |
| ঘিউ | ঘিউ |
| লপ্ | লপলপোৱা |
| জাঙ্ | জাং |
| বক্ | বক্ ( বকা ) |
| জান | জান্ ( to stride ) |
| লুকু খা খুন | লুখুৰাখুন |
| লুক্ = লৰা, খা = বেটা, খুন = ৰজা | |
| ( ৰজাৰ ফালৰ লিগিৰীৰ ল'ৰা ) | |
| ৰাপ্ | ৰাপ |
| চাপ্ | চাপ্ ( চপা ) |
| চাট | চাট ( বিহুৰ ) |
| কাটু | কাটু |
| খাক্ | খেক্ |
| চূণ | চূণ |
| বে | বে |
| কুট | কুটু (কপটীয়া) |
| মিট | মিট (কটাৰী দা আদি) |
| চক্ | চুক্ |
| কা | কা ( কোৱা ) |
| কেন্ | কেন্ (ধুনীয়া) |
| | ( কেন্টোৰ কেন্ জনী) |
| খাপ্ | খাপ্ |
| খিন | খিন (চেৰেলা) |
| খুক্ | খুকুৰী |
| খাঙ্ | খাং |
| খুটু | খুটু [ খুটুৰা ] |
| খেটু | খেদ |
| তাম্ | তাত |
| টিঙ | তিয়ঁহ [ ? ] |
| টুঙ | টুঙ টুঙা |



| আহোম | অসমীয়া |
|---|---|
| পিকাই | ককাই [ ? ] |
| পিঙ | পিং |
| পুঙ | পুং |
| পৌ | পৰীয়া [ ? ] |
| পঙ | পং [ কথা ] |
| পম্ | পম্ [ মিলি যোৱা ] |
| ফা | ফাল |
| ফাঙ | ফাং [ মিছা কথা ] |
| ফাটু | ফাটু [ বেহা কৰা ঠাই ] |
| ফিঙ | ফিং [ ফিঙ ফিঙাই উঠা ] |
| ফুক্ | ফুক [ মন্ত্ৰ ] |
| ফুটু | ফুটু [ ভাতৰ ফুট ধৰা ] |
| বাঙ | বাঙকৰা |
| বং | বং [ জৰী ] |
| মছুঙ | মোহন |
| জিক্ | জেকা |
| জিন | জীন (নিজম ) |
| চাক্ | চাক্ [ চকা ] |
| চুঙ | চুঙা |
| চুটু | চুট [ অলপ ] |
| চঙ | চেং [ ছুলি চেঙ ] |
| চপ | চপচপীয়া |
| খাপ | খাপমৰা |
| বেঙ | কাবেঙ |
| লিন্ | লিন |
| লাও | লাও [ মদ ] |
| ছক্ | চোক্ |
| চয় | চই [ tax ] |
| ছাম্ | চাম [ হাতী বৈঠ পৰাত ] |
| হাঙ | চাং |
| হিত | হিত |
| হাই | হাই |
| উন্ | উম্, উন [ পানীত ] |
| আও | আওতোৱা |
| ডা | ডাক্ |
| ডাং | দাং |
| দেউ | দেউ, দেও |

ওপৰত দিয়াৰ বাহিৰেও আৰু শব্দ ওলাব পাৰে ; কিন্তু বৰ্ত্তমানলৈকে এইখিনিহে পোৱা হৈছে। কোনো কোনো শব্দত অলপ লৰচৰ দেখিবলৈ পোৱা হৈছে। সেইটো মূল শব্দৰ অপভ্ৰংশহে।

ঠাই, নৈ আদিৰ আহোম নামবোৰৰ অৰ্থ বা কাৰণ আছে। সকলোৱে জানিবৰ নিমিত্তে ওপৰত তালিকাত দিয়া নাম আদিৰ ব্যাখ্যা তলত দিলোঁ।—

[১] নামকক -- নামককৰ অৰ্থ ছয়-পানী, [ নাম = পানী, কক = ছয় ]। এই ঠাইত ছখন নৈ বা জান থকা গতিকে ইয়াৰ নাম "নামকক্" থলে। যেনেকৈ পঞ্জাৱত পাঁচখন নৈ থকা হেতুকে ঠাই ডোখৰৰ নাম পঞ্জাব ৰখা হৈছিল। কালক্ৰমত 'নামকক'ৰ ঠাইত 'নামৰূপ' হল। 'নামৰূপ' 'নামকক'ৰ অপভ্ৰংশ। আহোম ভাষাত হলে 'নামকক'হে আছে।

[২] টিপাম্ = চাপৰ ঠাই [ টি = ঠাই, পাম = চাপৰ ]। টিপাম ঠাইডোখৰ চাপৰ অৰ্থাৎ পানীত তল যোৱা দেখি তাৰ নাম টিপাম্ থলে। আহোম ভাষাত এটা 'ট'। তাক মূৰ্দ্ধন্য বা দন্ত্য কৰি দন্ত্যৰূপে ব্যৱহাৰ কৰিব পাৰি। গতিকে টি—পামৰ ঠাইত তিপাম্ লিখা চলি আহিছে। সেইদৰে 'ট' থকা আন আন আহোম শব্দৰ 'ট'ক অসমীয়াত 'ত' কৰি ব্যৱহাৰ কৰে।

৩। (ক) টিঙ-খাঙ = ওখ ঠাই ( টিঙ = ওখ, খাঙ = ঠাই ) অইন ঠাইতকৈ এই ঠাই ডোখৰ ওখ দেখি ইয়াৰ নাম টিঙ খাং ৰখাহল।

(খ) টুঙ খাঙ = সমান ঠাই বা ৰাজ-হুৱা ঠাই। [ টুঙ = সমান বা ৰাজহুৱা, খাঙ = ঠাই ) ঠাইডোখৰ সমান বা ৰাজহুৱা

দেখি ইয়াৰ নাম "টুঙ খাঙ" ৰাখিলে। এই 'টিঙ খাঙ' বা 'টুঙ খাঙ'ৰ পৰা 'তুংখুঙীয়া' শব্দ ওলাইছে।

৪। নাম্ টি = পানীৰ ঠাই [ নাম = পানী, টি = ঠাই ], এই ঠাইত প্ৰায়ে পানী থাকে দেখি ইয়াৰ নাম 'নাম্ টি' বা 'নামতি' থলে!

৫! নাম্ ডেঙ = ৰঙাপানী [ নাম = পানী, ডেঙ = ৰঙা ], নামডাং নৈৰ পানীবোৰ ৰঙা দেখি আহোম ৰজাই এই নৈ খনৰ নাম 'নাম ডেঙ' থলে। ইয়াৰ পৰা ঠাইডোখৰৰ নামো 'নাম ডেঙ হল। "নামডাং" 'নাম্ ডেঙ'ৰ অপভ্ৰংশ।

৬। টি অক = ঘিউৰ ঠাই [ টি = ঠাই, অক = ঘিউ ]। বোধকৰো ইয়াত ঘিউ তৈয়াৰ হৈছিল। 'টি অক'ৰ অপভ্ৰংশ 'তিয়ক' হৈছে।

৭। পাট্ কাই = কুকুৰা কট। ( পাট = কটা, কাই = কুকুৰা ) এই পাট্ কাই পৰ্ব্বতৰ আগৰ নাম "ডয় কাও ৰঙ" আছিল। [ ডয় = পৰ্ব্বত, কাও = ন, ৰঙ = গোটখোৰা ! অৰ্থাৎ নটা পৰ্ব্বত লগ লগা ঠাই ]। চুডাংফা বা বামুণী কোঁৱৰৰ ৰাজত্ব কালত নৰা ৰজা চুকুণফাই অসম দেশত তেওঁৰ বংশৰ ৰজা নাই বুলি তাওচুলাই কোঁৱৰৰ মুখে শুনি, তেওঁৰ ফালৰ তাচিন্ পৌ বৰ-গোঁহাইক এদল সৈন্য দি সেনাপতি কৰি অসম দেশ লৰৈলে পঠায়। নৰা সৈন্য অহা শুনি স্বৰ্গদেৱ চুডাংফাই ত্যাতনবিঙ্ বৰগোহাঁইক সেনাপতি পাতি এদল সৈন্য দি নৰা সৈন্যৰ বিৰুদ্ধে পঠায়। দুয়োদল সৈন্য মুখা-মুখী হ'লত নৰা বৰগোহাঁয়ে নৰা ৰজা চুকন্ ফাৰ বংশৰ ৰজা আছে বুলি জানি যুঁজ নকৰে বুলি কলে। তেতিয়া দুয়ো বৰগোঁহায়ে "ডয়-কাও-ৰঙ" পৰ্ব্বতৰ ওপৰত থকা বিলৰ ( যাক আহোম ভাষাত "নঙ ঞাঙ" বোলে। নঙ = বিল, ঞাঙ = আছে) পানীত হাত জুবুৰিয়াই কুকুৰা কাটি শপট কৰি সেই ঠাইকে দুয়ো ৰাজ্যৰ সীমা কৰিলে। শিলৰ ওপৰত দুয়োজনা বৰ-গোহাঁইৰ মূৰ্ত্তি কাটি থলে। এই ঘটনা ১৩২৩ শক বা ১৪০১ ইংৰাজী চনত হয়। এই সময়ৰ পৰা "ডয় কাও ৰঙ"ৰ নাম 'পাট-কাই' হয়।

৮। 'খাম টি'— সোণৰ ঠাই (খাম = সোণ, টি = ঠাই)। 'খাম টি' নাম হোৱাৰ বিষয়ে খামতিবিলাকৰ ভিতৰত এটা প্ৰবাদ আছে। সেই প্ৰবাদটো তলত দিলোঁ।—

খামতিবিলাকৰ দেশত এজোপা সোণৰ গছ আছিল। এই গছ জোপাই সোণৰ ফল দিছিল। তেওঁবিলাক অতিপাত ধনী হোৱাৰ ভয়ত, তেওঁবিলাকৰ শত্ৰুবোৰে তেওঁবিলাকক খাই ধ্বংস কৰিবৰ নিমিত্তে এটা দৈত্য পঠিয়াই দিয়ে। দৈত্যটো আহি সেই সোণ দিয়া গছ জোপাত বহি লয়হি আৰু সি মানুহবোৰক ভয় খুৱাবলৈ ধৰে। মানুহ বিলাকে আত্মৰক্ষাৰ নিমিত্তে গছ জোপা পুৰি পেলালে আৰু তাৰ লগত দৈত্যটোও মৰি থাকিল। সোণ দিয়া গছজোপা আছিল বুলিয়েই ঠাই ডোখৰত থকা মানুহবোৰক 'খামতি' বুলিলে।

(৯) ৰাই লুঙ = বৰ জিলিকা অৰ্থাৎ নাম জ্বলা ( ৰাই = জিলিকা, লুঙ = বৰ )। ঠাইখন ভাল আৰু সাকৰা থকা গতিকে 'ৰাই-লুঙ' নাম দিলে।

(১০) ছং টক্ = দুতোলা ( ছং = দুই, টক্ = তোলা )। চুকাফা ৰজাই নিগাজিকৈ নগৰ কৰি থাকিবৰ নিমিত্তে ঠাই বিচাৰি দিখৌ নৈয়েদি উজাই গৈ এখন নৈৰ মুখ পালেগৈ। তাতে তেওঁ দিখৌ নৈৰ পানী এটকা জুখি ইখন নৈৰ সিমান খিনি পানী



লৈ জুখিলত জোখত দুটকা হল। সেই কাৰণে নৈখনৰ নাম 'ছংটক্' ৰাখিলে। নৈৰ নাম ছংটক্ হলত তাৰ ওচৰৰ ঠাইৰ নামো 'ছংটক' ('চংতক্') হল।

(১১) লান্ মাক্ খু = বেঙেনাৰ সন্ততি ( লান = সন্ততি, মাক্ = গুটি বা ফল, খু = বেঙেনা )। চুকাফা ৰজা তিপামত থকাত এটা বৰাহীয়ে ( বুৰঞ্জীৰ এঠাইত বৰাহী আৰু আন এঠাইত মটক বুলিছে ) ৰজাক বেঙেনা যোগাইছিল। সেই আপাহত ৰজাই মানুহ ঘৰৰ নাম = 'লান মক্ খু' পৈ আহোম খেলৰ লগত সুমাই ললে। এই 'লান মাক্ খু'ৰ পৰাই লান মাৎক হল।

(১২) লুক খা খুন = ৰজাৰ লিগিৰীৰ পো [ লুক্ = পো, খা = লিগিৰী বা বেটী, খুন্ = ৰজা )। ৰজাৰ ফালৰ পৰা লিগিৰীত হোৱা লৰা। এই লৰাক ৰজাই ডাঙৰ কৰি 'লুক্ খা খুন' নাম দিলে। এওঁৰ পৰা বঢ়া খেলক 'লুক্ খা খুন' বোলে। এই 'লুক খা খুন'ৰ পৰা 'লুখুৰাখন' হৈছে।

(১৩) টি ফাই = জুহাল বা জুইশাল ( টি = ঠাই, ফাই = জুই ) 'টী ফাই' শব্দৰ ব্যৱহাৰ সৰুকালতে শুনিছিলো। এতিয়া ব্যৱহাৰ নাইকিয়া হল। বিশেষকৈ কোনো পাত্ৰত, কেৰাহী আদিত জুই ধৰিলে সেই পাত্ৰটোকহে 'টী ফাই' বুলিছিল।

(১৪) বু ৰণ-জী = নজনা-জনা ভঁৰাল ( বু = নজনা, ৰণ = জনা, জী ভঁৰাল )। নজনা কথা জনোৱা ভঁৰাল।

(১৫) 'ক্ৰঙ'ৰ পৰা 'কলহ'; 'টিঙ'ৰ পৰা 'তিয়হ'; 'পিকাই'ৰ পৰা 'ককাই'; 'তাম'ৰ পৰা 'তাত' আৰু "পৌ"ৰ পৰা 'পৰীয়া' হোৱাত অলপ সন্দেহ থাকে; কিন্তু হৈছে বুলি ললেও বিশেষ ক্ষতি নহব বুলি ভাবোঁ।

# অসমীয়া জন-সাহিত্যত—নাৰীৰ চিন্তাধাৰা।

*শ্ৰীযুক্ত শ্ৰীৰামচন্দ্ৰ দাস।*

বিয়া মানৱ জীৱনৰ অপৰিহাৰ্য্য অংশ। এই বিয়া অনাদি কালৰেপৰা পৃথিৱীৰ নানা সমাজত নানা ভাৱে চলি আছে। এই বিষয়ে বিজ্ঞশীল লোক সকলে বহল ভাৱে আলোচনা কৰিব পাৰে।

বিয়া বুলিলেই আমাৰ মনলৈ আহে বিয়াৰ গীতৰ কথা। বিয়া-গীত নহলে বিয়া শূন্য বা ৰসহীন হব। এই গীত বিলাক আমাৰ দেশৰ অনাখৰী নাৰী সকলৰ মস্তিস্কৰ পৰা বাহিৰ হোৱা। সেই ভাবেই এই শ্ৰেণীৰ গীত পদ সমূহক আমি আগতে সাহিত্য সভা পত্ৰিকাত "**নাৰী** ***সাহিত্য***" নাম দি আলোচনা কৰি আহিছোঁ।

তলত আমাৰ ঘৰৰ ওচৰত আগৰে পৰা চলি অহা পুৰণি গীত দুটা প্ৰকাশ কৰা হ'ল। দুয়োটা গীতৰেই ভিতৰত বিবাহিতা ছোৱালীৰ মনোভাৱ প্ৰকাশ পাইছে। গীত

ছুটাৰ সুৰ বৰ ভাল। শুনিলে এক অপূৰ্ব্ব আনন্দ ৰাজ্যত প্ৰবেশ কৰা যেন লাগে। আগেয়ে বিয়া গীতবিলাক বিয়া উৎসৱৰ প্ৰতিটো ভাগৰ লগত খাপ খুৱাই গোৱা হৈছিল। আজি কালি অনেক ঠাইত এই নিয়ম এৰি নতুন ধৰণৰ গীত পদ কিছুমান সুমুৱাই দিয়া হৈছে। আমাক নতুনো লাগে ; কিন্তু এই বিষয়ত পুৰণিক বিসৰ্জ্জন দিয়াটো উচিত নহয়।

প্ৰথম গীত :—

আই চাউল চালে চালনী ঘুঘুৰে
পিতাই তামোল কাটে সৰু
মৰমৰ জীয়াৰীক দিলা ধৰম বিয়া
উছৰ্গাত নিদিলা গৰু ॥
সৰুতে সৰু কাকা জাখা বুই দিছিলা,
বাউতে ধৰিলা ঘুণে,
নদী পাৰ কৰি বিয়া দি পঠালা
পুৱন মাছ মাৰিব কোনে ?
আগতে কৈছিলোঁ হে বুকুৰ কাকা
বাঁহ বাৰীত নিদিবা বিয়া ।
বাঁহৰে জেকনি মোৰ পিঠিত ছিডিব
মোৰে কুমলীয়া হিয়া ॥
আগ ফাল শুৱনী জাপৰা তামোল অ'
পাচ-ফাল শুৱনী পাণ ।
বৰ-ঘৰ শুৱনী গাভৰু ছোৱালী
উলিয়াই দিবলৈ টান ॥

দ্বিতীয় গীত :—

পুৱাই উঠি দেখোঁ খাৰী পৰ্ব্বত খেনি
সিখিনি আইথেৰ গাওঁ ।
আই উঠি বোলে মোৰ বেটী আহিব
ভালকে ভাতে ৰান্ধি থওঁ ॥
পুৱাই উঠি দেখোঁ খাৰী পৰ্ব্বত খেনি
সিখিনি পিতাথেৰ গাওঁ ।
পিতাই উঠি বোলে মোৰ বেটী আহিব
ভাল মাছে আনি থওঁ ।
পুৱাই উঠি দেখোঁ খাৰী পৰ্ব্বত খেনি
সিখিনি কাকাথেৰ গাওঁ ।



কাকাই উঠি বোলে মোৰ বইনী আহিব
গছৰ তামোল পাৰি থওঁ ॥
পুৱাই উঠি দেখোঁ খাৰী পৰ্ব্বত খেনি
সিখিনি বৌথেৰ গাওঁ ।
বৌই উঠি বোলে মোৰ ননন্দ আহিব
বাটত চুৱা খোলা থওঁ ॥

আইক সেৱা কৰোঁ হাত যোৰ কৰি
পিতাক সেৱা কৰোঁ কেশে ।
কাকাক সেৱা কৰোঁ পাটৰে চেলেঙে
বৌক সেৱা কৰোঁ তুঁহে ॥

ওপৰৰ গীতত দেখা যায়—গাৱঁৰ ছোৱালী এজনী নিলগত বিয়া দিলে কিন্তু তাইৰ নিজৰ জনম ভূমিলৈ প্ৰাণত তান থাকি গল। তাকেই গীতৰ ভিতৰত প্ৰকাশ কৰিছে। এই "খাৰী পৰ্ব্বত"খন আজি কালি ক'ত ? ই বোধ হয় শাৰী পৰ্ব্বতো হব পাৰে।

এই দৰেই বিয়া গীত বা অন্যান্য পুৰণি গীত-পদ আৰু ফকৰা যোজনাবিলাক সূক্ষ্ম ভাৱে আলোচনা কৰিলে আমাৰ আগৰ দিনৰ সমাজৰ কৃষ্টি আৰু সভ্যতাৰ বিষয়ে অনেক কথা বাহিৰ হব পাৰে। *

* * *

খেনি = খন। আইথেৰ = আইৰ, মাক-হঁতৰ। বেটী = ছোৱালী। বইনী = ভনী। জাপ্ৰা = জপুৰা। পুৱন = পোনা। জাখা = জাকৈ।

## অসমৰ জন-সাহিত্যত সীতা স্বয়ম্বৰ।

শ্ৰীযুক্ত লোকনাথ পাঠক।

অসম তথা ভাৰতৰ লোক সমাজত পৃথিৱীৰ আদি কাব্য ৰামায়ণৰ প্ৰভাৱ অতুলনীয়। বুৰঞ্জীয়ে ঢুকি নোপোৱা কালত আদি কবি মহৰ্ষি বাল্মীকিৰ দ্বাৰা ৰচিত ৰামায়ণৰ মহান প্ৰভাৱে অতীতৰেপৰা ভাৰতৰ সমাজ জীৱন তথা প্ৰত্যেক ব্যক্তিকে নিবিড় ভাবে প্ৰভাৱান্বিত কৰি আহিছে। ৰামায়ণ এখন ট্ৰেজিক বা বিয়োগান্ত করুণ কাব্য। নিঠুৰ ব্যাধৰ কাড়বিদ্ধ চৰাই এহালিৰ ট্ৰেজেদি নিৰীক্ষণ কৰিয়ে কৰি

* এই চমু প্ৰবন্ধটো ২৫।২।৫৫ তাৰিখ শুকুৰবাৰে তুপনৈ বুনিয়াদী শিক্ষা কেন্দ্ৰৰ সান্ধ্য প্ৰাৰ্থনাৰ পিচত পঠিত।

ঋষি বাল্মীকিয়ে জগতৰ প্ৰথম শ্লোকটো ৰচনা কৰিছিল। ৰামায়ণৰ আৰম্ভনী এই খিনিতেই। সেয়েহে জগতৰ প্ৰথম কাব্যিক শ্লোক ৰচনা কৰা বাল্মীকিৰ আদি কাব্য ৰামায়ণৰ মূল ঘটনা ট্ৰেজিক বা বিয়োগান্ত। সাহিত্যৰ কৰুণ ৰসেই আটাইতকৈ শ্ৰেষ্ঠ বুলি জনা যায়। মানুহ স্বভাৱতে মিলনান্ত সাহিত্যতকৈ বিয়োগান্ত সাহিত্যলৈ বেচিকৈ আকৃষ্ট। সেয়েহে কৰুণ ৰসেৰে ভৰা ৰামায়ণৰ সমাদৰ ভাৰতবৰ্ষ তথা গোটেই জগততে আছে।

• ৰুচিয়া বুদ্ধিজীৱি *মিশেলে* ৰামায়ণৰ মহান প্ৰতিভাত মুগ্ধ হৈ এই বুলি কৈছে, " যদি কোনোৱাই কিবা কৰিছে নাইবা কৰিব খুজিছে এই ৰামায়ণৰ পৰাই যৌৱন উপভোগ কৰক। পাশ্চাত্যত সকলো ঠেক। গ্ৰীস সৰু, তাতে আমাৰ উৎসাহ নিশাহ বন্ধ হৈ যায়। জুডিয়া শুকান, তাতো আমি ভাগৰি পৰো। মহান এচিয়াৰ কালে, গভীৰ প্ৰাচ্যৰ পিনে কিছু সময়ৰ কাৰণে চাবলৈ খোজো। তাত আছে আমাৰ মহান কাব্য; ভাৰত মহাসাগৰৰ নিচিনা বিশাল অতি মাধুৰ্য্যপূৰ্ণ মধুৰ সঙ্গীতৰ পুথি, তাত কতো সুৰ ভঙ্গ হোৱা নাই। নিৰ্ম্মল শান্তি পোৱা যায় তাতে,— বিৰোধৰ মাজতো অফুৰন্ত মাধুৰীমা, অসীম ভাতৃত্ব আছে সকলো জীৱতে। প্ৰেম, দয়া, দাক্ষিণ্যৰ অতল অসীম মহা সমুদ্ৰ।" • উচ্চ-নীচ, শিক্ষিত-অশিক্ষিত, জ্ঞানী-মুৰ্খ সকলোৱে ৰামায়ণ শ্ৰদ্ধা আৰু ভক্তিৰে চায়। ভাৰতৰ নাৰী সমাজতো ইয়াৰ প্ৰভাৱ অসীম। ৰামায়ণৰ প্ৰধান নায়ক নায়িকা শ্ৰীৰামচন্দ্ৰ আৰু সীতা দেৱী সকলোৰে আদৰ্শ। ৰাম আৰু সীতাৰ চৰিত্ৰক কেন্দ্ৰ কৰিয়ে ভাৰতৰ সকলো ভাষাতে বিভিন্ন গীত, পদ ৰচনা হৈছে। অসমতো ৰাম সীতাক কেন্দ্ৰ কৰি ৰচিত হোৱা বহুতো গীত, পদ লোক সমাজত প্ৰচলিত আছে। বিশেষকৈ অসমীয়া তিৰোতাৰ মুখত এনেকুৱা গীত শুনিবলৈ পোৱা যায়। ভাবিলে আচৰিত লাগে যে ক'লা আখৰ চিনি নোপোৱা অসমীয়া তিৰোতাৰ মস্তিষ্কৰ পৰাই কিমান মধুৰ গীত, পদ সুৰেৰে সৈতে ওলাইছে। অসমৰ বিভিন্ন উৎসৱ এনেকুৱা গ্ৰাম্য সঙ্গীতেৰে গীতি-মধুৰ হৈ উঠে।

বৰপেটাৰ বিভিন্ন উৎসৱত নানা ধৰণৰ গীত, পদ গোৱা হয়। অৱশ্যে প্ৰায় বিলাক গীত পদেই ৰচিত হৈছে বৈষ্ণৱী সাহিত্যক কেন্দ্ৰ কৰি। ৰঙালী-বিহু, ভোগালী-বিহু, বিবাহাদি উৎসৱত বৰপেটাৰ তিৰোতা বিলাকে বিভিন্ন ধৰণৰ গীত-পদ গায়। এই বিলাক গীত কোনে ৰচনা কৰিছে জনা নেযায়। মাথো মুখে মুখে চলি আহিছে। অৱশ্যে কিছুমান সুদক্ষ্য গীত গাব জনা তিৰোতাই এই গীত বিলাক নিজে ৰচনা কৰি ধুনীয়াকৈ ছন্দ মিলাই পদ সংযোগ কৰে। সুৰ ধৰি গালে এই গীত বিলাক শুনিবলৈ বৰ ভাল লাগে। ১৯৫৪ চনৰ শাৰদীয় সংখ্যা আৱাহনত "অসমীয়া জন-সাহিত্য" বুলি প্ৰৱন্ধত শ্ৰীযুত শ্ৰীৰামচন্দ্ৰ দাসে এনেকুৱা তিৰোতাই ৰচনা কৰা আৰু গোৱা গীতক অসমীয়া "নাৰী সাহিত্য" বুলি আখ্যা দিছে। এই নাৰী সাহিত্য সমূহ ভালকৈ সংগ্ৰহ কৰিব পাৰিলে অসমীয়া জন সাহিত্যৰ এটা ডাঙৰ অভাৱ পূৰ্ণ হ'ব।

ৰামায়ণত " সীতা-স্বয়ম্বৰ" এটা উল্লেখ-যোগ্য ঘটনা। ইয়াত একালে শ্ৰীৰামচন্দ্ৰ আৰু সীতা দেৱীৰ মধুৰ মিলন আনফালে শ্ৰীৰামচন্দ্ৰৰ ভৱিষ্যত জীৱনৰ এটি ইঙ্গিত দেখিবলৈ পোৱা যায়। সীতা স্বয়ম্বৰত শ্ৰীৰামচন্দ্ৰৰ বীৰত্ব, কৌশিক মুনিৰ শ্ৰীৰামচন্দ্ৰৰ প্ৰতি উৎসাহ উদ্গনি, ৰাজৰ্ষি জনকৰ দৃঢ়তা আৰু অন্যান্য ৰজাসকলৰ দুষ্ট বুদ্ধি

• Discovery of India.—Nebru. Page 111



আৰু দুৰ্ব্বলতা দেখা যায়। এই ঘটনাটোক কেন্দ্ৰ কৰিয়েই বহুত নাটক গীতপদ আদি ৰচিত হৈছে। তলত সীতা-স্বয়ম্বৰক কেন্দ্ৰ কৰি তিৰোতাসকলে গোৱা তিনিটা গীত দিয়া হ'ল। শ্ৰীৰামচন্দ্ৰই সীতা স্বয়ম্বৰলৈ যোৱাৰ আগতে মাক-বাপেকৰ পৰা বিদায় লোৱা দৃশ্য বৰ্ণনা কৰি প্ৰথম গীতটি ৰচিত হৈছে।

গীত :—

বিদায় দিয়া আই যাওঁ স্বয়ম্বৰক,
পাৰোঁ কি নোৱাৰো ভাঙৰা স্বয়ম্বৰ ধনুক।

পদ

কি বুলিব পিতা-মাতা কি বুলিব প্ৰাণ,
মিথিলা নগৰে জনক ৰজাই কৰে কন্যা দান।
সেই বাৰ্ত্তা পাই ৰাণীৰ আকুল-বিকুল কৰে মন,
কি শুনিলোঁ কি জানিলোঁ শ্ৰীৰামচন্দ্ৰৰ মধুৰ বচন।
আহাঁ মই কোলে লওঁ শ্ৰীৰামচন্দ্ৰ মোৰ প্ৰাণধন,
অনায়াসে ধনুভাঙা বিলম্বত নাই প্ৰয়োজন।
সাৰা ৰাতি দেৱ পূজিলো ৰাম আজি ৰাজা হব বুলি,
পাঁচ বছৰীয়া ৰামে অৱশেষে বিবাহে ওলালি।
লগত যাবো ভাই লক্ষ্মণ দুখৰে সময়,
ঋষি সমাজত শ্ৰীৰামচন্দ্ৰৰ আৰু ভয় নাই।
ৰামে বোলে বাপু লক্ষ্মণ চলা যাও যজ্ঞ ৰাখিবাক,
জনক ৰজাৰ নিমন্ত্ৰণ যাব লাগে সীতা স্বয়ম্বৰক।
আশীৰ্ব্বাদ কৰা আই ফিৰি আহি আৰু দেখা দিম,
স্বয়ম্বৰ ধনু ভাঙি সীতা দেৱীক লগতে আনিম।

উক্ত গীতত শ্ৰীৰামচন্দ্ৰক মাক কৌশল্যা দেৱীয়ে সীতা স্বয়ম্বৰলৈ যোৱাৰ কাৰণে উৎসাহ আৰু আশীষ দিছে। মাতৃ-ভক্ত শ্ৰীৰামচন্দ্ৰই ঋষি সমাজৰ যজ্ঞ ৰাক্ষসৰ অত্যাচাৰৰ পৰা ৰক্ষাৰ্থে সীতা স্বয়ম্বৰৰ হৰধনু ভাঙি সীতাক লাভ কৰিবৰ কাৰণে যোৱাৰ আগতে স্নেহময়ী মাতৃৰ পৰা বিদায় লৈছে। এই গীতটিত স্নেহময়ী মাতৃৰ সন্তানৰ প্ৰতি অফুৰন্ত স্নেহ আৰু শ্ৰীৰামচন্দ্ৰৰ অতুলনীয় মাতৃ ভক্তি ফুটি ওলাইছে। মাকৰ পৰা বিদায় লোৱাৰ আগতে আশাবাদী ৰামে হৰধনু ভাঙি সীতাক লৈ পুনৰ ফিৰি আহিম বুলি দৃঢ়তা প্ৰকাশ কৰিছে আৰু উদ্দেশ্য সফল হোৱাৰ কাৰণে মাকৰ আশীৰ্ব্বাদ বিচাৰিছে। সেয়েহে আজিও মাক থকা ভাৰতীয় সন্তানে কিবা উদ্দেশ্যে কৰবালৈ যোৱাৰ আগতে স্নেহময়ী মাতৃৰ পদধূলি আৰু আশীৰ্ব্বাদ লয়। মাতৃৰ আশীষ নহলে কোনো কামত ভালকৈ সফল হব নোৱাৰে বুলি আজিও ভাৰতীয় হিন্দু সন্তান সকলৰ বিশ্বাস। এই গীতটিত একালে মাতৃ ভক্তি, মাতৃ স্নেহ আনফালে শ্ৰীৰামচন্দ্ৰৰ লগত ঠাকুৰ লক্ষ্মণৰ গমনে ভাতৃ-প্ৰেম নিখুঁত ভাৱে বৰ্ণনা কৰা হৈছে।

দ্বিতীয় আৰু তৃতীয় গীতত হৰধনু ভঙাৰ আগতে শ্ৰীৰামচন্দ্ৰই গুৰু বিশ্বামিত্ৰৰপৰা আশীৰ্ব্বাদ বিচৰা আৰু গুৰুৰ ৰামৰ প্ৰতি হিয়া ভৰা আশীৰ্ব্বাদ সুন্দৰকৈ ফুটি ওলাইছে। স্বয়ম্বৰ থলীত সমবেত হোৱা শ্ৰীৰামচন্দ্ৰই ৰজা মহাৰজা সকলক চমকিত কৰি হৰ ধনু টিপতে ভাঙিলে আৰু সৰ্ব্বগুণ-সম্পন্না জগত সুন্দৰী সীতা দেবীক লাভ কৰিলে। জনক দুহিতা সীতাও পৰম আনন্দিতা হ'ল আজীৱন বাঞ্ছিত শ্ৰীৰামচন্দ্ৰৰ নিচিনা স্বামী পায়। ৰাজৰ্ষি জনকেও সীতাই যোগ্য স্বামী পোৱা দেখি পৰম সন্তুষ্ট হ'ল। স্বয়ম্বৰ থলীৰ এই মিলনান্ত দৃশ্যটোত তলত দিয়া গীত দুটিত ধুনীয়াকৈ বৰ্ণনা কৰা হৈছে।

বিশ্বামিত্ৰ গুৰু চৰণত ধৰু
কৰা মোকে আশীৰ্ব্বাদ।
পাৰোঁ কি নোৱাৰোঁ ধনু ভাঙিবাক
জনক ৰজাৰ সভাত॥

ভাঙিবা নোৱাৰবো লজ্জাত পৰিবো
জীৱনত কিবা কাজ।
অবোধ ছোৱাল মিলিছে জঞ্জাল
শুণা গুৰু ঋষি ৰাজ॥

বিশ্বামিত্ৰ ঋষি কয় হাসি হাসি
নাই ৰাম মনতে চিন্তা।
স্বয়ম্বৰ ধনু ভাঙিবা এখনি
বৰিবো ৰামকে সীতা॥

আশীৰ্ব্বাদ লোৱা শীঘে চলি যোৱা
জানকী আছা ঐ চাই।
জনকৰ ঘৰে সীতাই জন্ম ধৰে
ৰামত বিনে স্বামী নাই॥

শ্ৰীৰাম-লক্ষ্মণে চলে ৰঙ্গমনে
দেখি হাঁহে ৰাজাগণ।
পাঁচ বছৰীয়া কন্যা লুভীয়া
দেখা শিশু দুইজন॥

সকলে হাৰিলা ভাঙিবে নোৰিলা
সীতা স্বয়ম্বৰ ধনু।
দুগ্ধৰ ছোৱাল মুঠিয়া কঙ্কাল
আৰু সুকোমল তনু॥

কেনেকে ভাঙিবা ব্ৰজশীলা ধনু
বালকে কৰিছে সাহ।



কোননো ৰাজাৰ অদ্ভুত কুমাৰ
সীতাক কৰে অভিলায॥
কৰে গণ্ডগোল উঠে মহাৰোল
নাচে ৰামে কাকো ফিৰি।

গজেন্দ্ৰ গমনে চলে ৰামচন্দ্ৰ
স্বয়ম্বৰ ধনুৰ খৰী॥
বা হাতে ধৰিলা টিপতে ভাঙিলা
ৰাজাগণে আছে চাই।
পাচ বচৰীয়া শ্ৰীৰাম লক্ষ্মণ
ধনু ভাঙি সীতাক নেই॥

(৩) গীত—

যজ্ঞ ৰাখিবাবে মিথিলাই আহিলো
মিলিছে জঞ্জাল বৰ।
ছোৱাল কালতে বিবাহ মিলিছে
পাতিছে সীতা স্বয়ম্বৰ॥

চোলা যাওঁ বাপু লক্ষ্মণ
সীতা স্বয়ম্বৰ স্থলে।
গুৰু ঋষি ৰাজ কৰে আশীৰ্ব্বাদ
ধনু ভাঙো অৱহেলে॥

আগতে চলিছে বিশ্বামিত্ৰ ঋষি
মধ্যে ৰাম নাৰায়ণ।
পাচতে চলিছে সাৰথীৰ বেশে
কনিষ্ঠ ভাই লক্ষ্মণ॥

জনক ৰাজাই দেখি আনন্দে নিৰিখি
ৰাম সুকোমল তনু।
কিনো শুভাগিনী জানকী নন্দিনী
ৰামেহে ভাঙিবো ধনু॥

কোন শুভাগিনীৰ উদৰে জনম
সুন্দৰ দুই কুমাৰ।
নৱ দুৰ্ব্বাদল শ্যাম সুন্দৰ
দেখি লাগে চমৎকাৰ॥

ছোৱাল বালকে কি বুদ্ধি জানিছে
ধনু ভাঙিবাকে যাই।
অত ৰাজগণে আহিছে অকাৰণে
ধনু ভাঙিবাৰ শক্তি নাই॥

—X—

# "বহুজনৰ" সাহিত্য
## বা
## সাহিত্যৰ বিস্তীৰ্ণ ক্ষেত্ৰ।

**শ্ৰীযুক্ত যাত্ৰানাথ বৰুৱা।**

সাহিত্যৰ যি অপৰিসীম শক্তি, প্ৰভাৱ, বিভিন্ন ৰূপ আৰু ক্ষেত্ৰত প্ৰয়োগ কৰিব পৰা সম্ভাৱনা আছে, আমাৰ দেশৰ সাহিত্যিক সকলে উপলব্ধি কৰিছে যদিও তাৰ যথোচিত সদ্ব্যৱহাৰ কৰিবলৈ চেষ্টা কৰিছে বুলি ভাবিব নোৱাৰি। বিশেষকৈ অসমীয়া সাহিত্য সম্পৰ্কে এইটো ক'ব পাৰি যে সাহিত্য কেৱল সাহিত্য চৰ্চ্চাৰ উদ্দেশ্যেই নহৈ সকলো বিধ ভাৱনাত্মক প্ৰয়োজন পূৰণ কৰাৰ পিনে বিশেষ মনোযোগ দিয়া নাই। এই প্ৰয়োজনৰ বহল থলী খনত সাহিত্যৰ যথেষ্ট অৱদান দিব লগা আছে।

সাহিত্য যেনে মনোগ্ৰাহী আৰু মানুহৰ ওপৰত প্ৰভাৱশালী, তালৈ চাই এইটো ওলাই থকা কথা যে উচিত মতে প্ৰয়োগ কৰিব পাৰিলে সাহিত্যৰ দ্বাৰা মানুহৰ সকলো ভাৱ-চিন্তা আৰু চেষ্টা নিয়ন্ত্ৰণ কৰিব পাৰি। ইয়াৰ প্ৰমাণ আমাৰ ধৰ্ম্ম সম্পৰ্কীয় সাহিত্য, স্ত্ৰী-পুৰুষৰ মিলন বিৰহ আৰু যৌন-প্ৰেমাত্মক সাহিত্য আৰু স্বদেশানুৰাগ আৰু তাৰ কাৰণে চৰম আত্ম-দান দিবলৈ উদ্যত কৰোৱা সাহিত্য শ্ৰেণীলৈ লক্ষ্য কৰিলেই পোৱা যায়। বস্তুতঃ কম-বেচি পৰিমাণে ঘাইকৈ এই কেইটা শ্ৰেণীৰ ভিতৰতেই অসমীয়া সাহিত্য সীমাবদ্ধ হৈ আছে। পিচে নিজ নিজ বিষয়ত সেই সাহিত্যৰ প্ৰভাৱ জগতৰ অইন কোনো সেই সেই শ্ৰেণীৰ সাহিত্যৰ লগত তুলনা কৰিব পাৰি, এইটো আনন্দৰ কথা। ধৰ্ম্ম বিষয়ত শঙ্কৰী সাহিত্য, অন্যান্য বিষয়ত যথেষ্ট বিস্তীৰ্ণ পৌৰাণিক আৰু আধুনিক সাহিত্য গ্ৰন্থ, কিতাপ পুথি বিলাকে, আৰু অলিখিত কথা কাহিনী, গীত-মাত বিলাকেই অসমীয়া জাতিৰ বৰ্ত্তমান ভাৱাত্মক ৰূপ নিৰ্ণয় কৰিছে। অকল সেয়ে নহয়, জাতীয় জীৱনৰ সকলো চেষ্টা-যত্ন আৰু চৰিত্ৰ নিয়ন্ত্ৰিত কৰি, জীৱনৰ অৰ্থ আৰু লক্ষ্য নিৰ্দ্ধাৰণ কৰি দি অসমীয়া জাতি বুলি জগতৰ এটা বিশিষ্ট শ্ৰেণী প্ৰৱৰ্ত্তন কৰি আছে। তাৰে কিছুমান সাহিত্য সম্পদ এনে উচ্চ স্তৰৰ যে সেইবিলাক দেশ-বিদেশে প্ৰশংসা আৰু আদৰ পাবৰ যোগ্য আৰু গোটেই অসমীয়া জাতিক গৌৰৱানন্দৰ এটা উমৈহতীয়া স্বাৰ্থৰ ভাৱৰ একমুঠিকৈ বান্ধি ৰাখিব পাৰিছে।

কিন্তু তথাচ অসমীয়া সাহিত্যই মানুহৰ বিশেষকৈ আধুনিক যুগৰ বিবেচনাত ভাৱনাত্মক প্ৰয়োজনৰ বহু বিষয়ত অভাৱ পূৰণ কৰিব পৰা নাই বা তাৰ চেষ্টাকে কৰা নাই।

অসমীয়া সাহিত্যৰ চালিত ধাৰা এনেকুৱাই দেখা যায় যেন, কোমল মধুৰ আদি ৰস উৎপাদন কৰি মানুহৰ মনত তৃপ্তি আৰু আনন্দ দিয়াই সাহিত্যৰ প্ৰধান কাম;



তাৰ লগত থকা লোক-শিক্ষাৰ বিবেচনা যেন সিমান আৱশ্যকীয় নহয়। অন্ততঃ শিক্ষা দিয়াতকৈ আমোদ দিয়া, আৰু অনেক ক্ষেত্ৰত প্ৰায় দুৰ্ব্বোধ্য অৰ্থৰ আড়ম্বৰ পূৰ্ণ-সাহিত্য ৰচনাৰ দক্ষতা প্ৰকাশ কৰাৰ চেষ্টা যথেষ্ট স্পষ্ট ভাৱে দেখা যায়। অৱশ্যে ভাষা আৰু ৰচনা চাতুৰ্য্য সাহিত্যৰ অতি আৱশ্যকীয় আশ্ৰয়; শব্দ-যোজনা আৰু ৰচনা-প্ৰণালীৰ গুণাগুণৰ ওপৰত সকলো শ্ৰেণীৰ সাহিত্যৰ সফলতা নিৰ্ভৰ কৰে। কিন্তু উদ্দেশ্য বিহীন বা সামান্য সাৰ বস্তু থকা মাধুৰ্য্য বা আড়ম্বৰৰ বিশেষ কোনো সাৰ্থকতা নেথাকে। সাৰ আৰু ৰস দুয়ো উচিৎ মতে থাকিলেহে সাহিত্য অধিক মূল্যবান আৰু কাৰ্য্যকৰী হয়। কব পাৰি, অইন সকলো প্ৰয়োজনীয়তাৰ বাদেও সাহিত্যৰ কাৰণেও সাহিত্য লাগে। মনোমুগ্ধকৰ কৱিতা, ৰহস্যযুক্ত গল্প, মন্ত্ৰ-শক্তি সম্পন্ন শব্দ আৰু ছন্দৰ ঝঙ্কাৰ আৰু লালিত্য, মেধা আৰু চিন্তা শক্তিৰ পৰি-চালনাকাৰী শব্দাৰ্থৰ চতুৰালি খেলা' সংস্কৃতৰ শব্দ-ব্যাকৰণ অলঙ্কাৰ বিজ্ঞানৰ অসম্ভৱ-সম্ভাব্যতা, — এই বিলাকত থকা জ্ঞান আৰু শিক্ষা বা আন প্ৰয়োজনীয়তাৰ ভাগ বাদ দিলেও কেৱল ৰচনা-চাতুৰ্য্যতে পঢ়োতাৰ বিস্তৰ তৃপ্তি আৰু মানসিক বৃত্তিৰ উপকাৰ হয়। কিন্তু সাহিত্যৰ এই বিধ উপকাৰৰ ভাগ পোৱা মানুহৰ সংখ্যা অনুপাতত নিচেই তাকৰ। সৰ্ব্বসাধাৰণে তাৰ সোৱাদ লব নোৱাৰে — সি "বহুজনৰ" সাহিত্য নহয়।

বৰ্ত্তমান সময়ত সাহিত্যৰ এই গতানু-গতিক ৰূপ আৰু ৰক্ষণশীল ভাৱধাৰাৰ অলপ সাল সলনি আৰু প্ৰগতিশীল সাহিত্যৰ যুগ আৰম্ভৰ লক্ষণ দেখি আশাৰ সঞ্চাৰ হৈছে। ৰেডিঅ সাহিত্যই ও এইপিনে কিছু বৰঙণি যোগাইছে। স্বাধীন দেশৰ বহুমুখী প্ৰগতিৰ ই এটা প্ৰধান সোঁত হব লাগিব আৰু নিশ্চয় হব।

পৃথিবীক আৱৰি থকা ব্যোম মণ্ডল যেনেকৈ বায়ুৰে পৰিপূৰ্ণ থাকে, মানৱ জাতিৰ ইতিহাসৰ ভূত বৰ্ত্তমান ভৱিষ্যৎ জিনি থকা ত্ৰিকাল আধাৰ তেনেকৈ সাহিত্যৰ উপা-দানেৰে পূৰ্ণ হৈ আছে। মনুষ্য জীৱন সম্পৰ্কে যিমানবিলাক কথা বা প্ৰশ্ন হব পাৰে, সেই সকলোবোৰেই সাহিত্যৰ উপাদান বা বিষয় বস্তু আৰু সেই সকলো-বোৰৰ বিষয়ে সাহিত্য ৰচনা হব পাৰে আৰু অনেক ক্ষেত্ৰত হোৱা বাঞ্ছনীয়। সাহিত্যৰ এই বিস্তীৰ্ণ পৰিসৰক সঙ্কীৰ্ণ গণ্ডীৰ ভিতৰত ৰাখি কিছুমান নিৰ্দ্দিষ্ট ক্ষেত্ৰত মাত্ৰ সাহিত্যৰ প্ৰয়োগ আৰু উৎকৰ্ষ সাধনতে সন্তুষ্ট থকাটো, বিস্তীৰ্ণ বায়ুমণ্ডলৰ প্ৰাণ সঞ্জীৱনী উপাদানৰ অনন্ত সাগৰক নিচিনি পাত্ৰৰ ভিতৰত ঘণীভূত কৰি থোৱা বতাহকণকে হে মাত্ৰ বায়ু বুলি চিনি পোৱাৰ দৰে। সঙ্কীৰ্ণ গণ্ডীৰ বাহিৰলৈ ওলালে সাহিত্য অধিক জনপ্ৰিয় আৰু সাৰ্থক হব।

আগতে উনুকিওৱা মতে সাহিত্যৰ কাৰ্য্য ক্ষেত্ৰ কেৱল মানুহৰ মনৰ কোমল করুণ অনুভূতিৰ ওপৰত খেলা কৰা হৰ্ষ-বিষাদ, অনুৰাগ-বিৰাগ ৰঞ্জিত ভাৱসমূহ ৰূপায়িত কৰাতেই আৱদ্ধ নহয় বা হব নেলাগে। মানুহৰ জীৱনৰ আৱশ্যকীয় সকলো বিষয়ৰ জ্ঞান প্ৰদান, পাৰ্থিৱ অপাৰ্থিৱ সকলো প্ৰয়োজনৰ দাবী অভাৱ পূৰণ কৰা সাহিত্যৰ উদ্দেশ্য আৰু বিশেষ দায়িত্ব হব লাগিব।

এই প্ৰসঙ্গত অসমীয়া সাহিত্যই মনো-যোগ নিদিয়া দুই এটি বিষয় উল্লেখ কৰিম, যিবিলাক বিষয়ৰ জ্ঞান আৰু শিক্ষা আৰু বিভিন্ন দৃষ্টিকোণৰপৰা হোৱা ব্যাখ্যা

সৰ্ব্বসাধাৰণ মানুহৰ উপকাৰত আহিব পাৰে।

এই যুগৰ মানুহৰ জীৱন ধাৰণৰ উপায় চিন্তাতে নিজৰ প্ৰায় গোটেই সময় আৰু শক্তি প্ৰয়োগ কৰিব লগা হৈছে; সাহিত্য চৰ্চ্চাৰ কাৰণে ধৈৰ্য্য আৰু অৱসৰ কমেই থাকে। তথাচ যি পাৰে সাহিত্যৰ সোৱাদ লবলৈ আটাইৰে হেঁপাহ। সেই সাহিত্য যদি মানুহৰ জীৱনৰ দৈনন্দিন চিন্তা চৰ্চ্চাৰ বিষয় বিলাকৰপৰা আঁতৰি নেথাকি সেই বিলাকক বিষয় বস্তু কৰি লৈ তাত নিজৰ ৰহণ সানি মনোগ্ৰাহী আৰু উপভোগ্য কৰি মনৰ আগত ধৰে, তেন্তে পঢ়ুৱৈৰ পক্ষে সকলো প্ৰকাৰে উপকাৰ হয়। নিজৰ সমস্যা বিলাকত অইনৰ সহানুভূতি থকা অনুভৱ কৰি সেই বিলাকৰ সন্মুখীন হোৱাত অন্তৰত বল পায়; কোনো সময়ত নিজে সমাধান কৰিব নোৱাৰা একোটা সমস্যাৰ সমাধান পঢ়াতে পায়; বা সময়ত একোটা নতুন পোহৰ পায় যাৰ ফলত জীৱনৰ বাটত ভুল ধাৰণাৰ বশৱৰ্ত্তী হৈ চলাৰ পৰা হোৱা ভালেখিনি সমস্যা মুহূৰ্ত্তৰ ভিতৰতে অন্তৰ্হিত হয়। সংসাৰৰ কোনো বস্তু বা বিষয় অকাৰণত হোৱা নাই, সকলোৰে অৰ্থ আছে, সকলোৰে আৱশ্যকতা আছে। মানুহৰ জীৱনৰ কোনো কথা, অৱস্থা বা পৰিস্থিতি সাহিত্যৰ আলোচ্য বস্তু নহয় বুলি ভবা নিতান্ত ভুল, কিয়নো, মানুহে তেনে কথাৰ সংস্ৰৱত আহিব লাগে কাৰণেই তাৰ বিষয়ে শুদ্ধ আৰু সম্যক্ জ্ঞান দিয়া সাহিত্যৰ কৰ্ত্তব্য, – তাকে সাহিত্যৰ সুন্দৰ সুশ্ৰী সত্য প্ৰকাশৰ ভঙ্গিত কৰা হব লাগে। এই দৰে মানুহে জীৱনৰ বাটত আগ বাঢ়োঁতে সাহিত্যই উৎসাহ বাণী আৰু সুবিমল জ্ঞানালোকৰ কিৰণ ঢালিব লাগে। তেতিয়াহে সাহিত্যই জীৱন সহচৰ ৰূপে নিজৰ স্থান অধিকাৰ কৰিব পাৰিব।

উদাহৰণ স্বৰূপে ধৰক। অনেক সময়ত মানুহে অজ্ঞতাৰ বশত ভুলৰ পথত চলি নিজৰ আৰু আনৰ জীৱন কণ্টকময় কৰি তোলে। বিনা কাৰণত আত্মীয় বা প্ৰিয়জনৰ লগত সম্বন্ধ নিজে বেয়া কৰি লয়। কোনো স্বাৰ্থৰ বা আদৰ্শবাদৰ সংঘৰ্ষ নথকা কৈয়ো একমাত্ৰ ঘনিষ্ঠতাৰপৰা হোৱা অহৈতুকী বিৰাগৰ কাৰণে পাৰিবাৰিক জীৱন নিৰ্ব্বাহ অসম্ভৱ হৈ উঠে – যি সময়ত পৰিবাৰৰ ভিতৰৰ এজনৰ সুজ্ঞান আৰু মনোবলৰ সামান্য পৰশতে অৱস্থা বিপৰীত হৈ উঠিব পাৰিলহেঁতেন। এনে সুজ্ঞান আৰু উপযুক্ত মানসিক বৃত্তি দুই এটি পাৰিবাৰিক প্ৰৱন্ধ পাঠৰপৰা আচম্বিতে আহে আৰু সি পৰিয়ালৰ মাজত ভাৱধাৰাৰ যুগান্তৰ ঘটায়। আকৌ, অনেক সময়ত মানুহৰ মনত অযথা নৈৰাশ্যৰ ভাৱে বিকাৰ কৰে, যি ঠাইত তেনে কোনো বিশেষ নৈৰাশ্যৰ কাৰণ নাই। এই সময়ত উপযুক্ত সাহিত্যই আশঙ্কিতজনক আশ্বাস দি শান্ত আৰু উৎসাহিত কৰে।

জীৱনৰ প্ৰতিটো অৱস্থাত মানুহ সন্তুষ্ট থাকি যেই কোনো পাৰিপাৰ্শ্বিক পৰিস্থিতি আৰু বস্তুৰপৰা চৰম তৃপ্তি আহৰণ কৰিবলৈ শিকোৱা দৰ্শন আৰু মনোবল সাহিত্যৰ যোগেদি সহজে লাভ হব পাৰে। সকলো ক্ষয়কাৰী কুভাৱ, অযথা আশঙ্কা আৰু সঙ্কোচ পৰিহাৰ কৰি সবল সুন্দৰ আৰু সাৰ্থক জীৱন যাপন কৰিব জনা এটা কলা বিদ্যা, তাক শিকিব পাৰি সাহিত্যই দিবপৰা প্ৰকৃত জ্ঞানৰ সহায়ত। শান্তি প্ৰীতি, ত্যাগ, মিতাচাৰ, ঈশ্বৰ বিশ্বাস, সকলোৰে প্ৰতি আত্মীয় জ্ঞান, আত্মনিৰ্ভৰশীলতা, শ্ৰম-অনুৰাগ, মনোবল, আশাবাদ,



সৌন্দৰ্য্যৰ অনুভূতি ইত্যাদি সদ্গুণৰ কৰ্ষণ কৰি ভ্ৰান্ত ধাৰণা, অন্ধ বিশ্বাস, মনৰ দুৰ্ব্বলতা আৰু সঙ্কীৰ্ণতা, নৈৰাশ্য, অৱসাদ, আলস্য দূৰ কৰি, সংসাৰ আৰু জীৱনক যেনে অৱস্থাত পাইছে তেনে অৱস্থাতে নিজকে ভাগ্যৱান বুলি ভাবি বিৱেকৰ নিৰ্দ্দেশ মতে উন্নতি চেষ্টা কৰি যাবলৈ শিকাব লাগে সু সাহিত্যই – সৰল প্ৰাঞ্জল সহানুভূতিশীল ভাষাৰ আশ্বাসবাণীৰে প্ৰৱন্ধ, গল্প, কৌতুক আদিৰ সহায়েৰে।

এই বিলাকৰ বাদেও অন্যান্য বিবিধ বিষয় আছে যিবিলাকক সাহিত্যই সকলো দৃষ্টিকোণৰ পৰা আলোচনা বিলোচনা কৰি মানুহক সকলো প্ৰকাৰ জ্ঞান আৰু শিক্ষা দিব পাৰে। মানুহৰ ভাৱ আৰু বিচাৰ ধাৰা বহুকলীয়া পুৰণি সাঁচত ৰক্ষণশীল হৈ নেথাকি যদি বহল দৃষ্টিৰ আৰু প্ৰগতিশীল হব লাগে, সি সাহিত্যৰ যত্ন আৰু নেতৃত্বতে সম্ভৱ হব পাৰে।

এনেকুৱা সাহিত্য প্ৰচুৰ পৰিমাণে পঢ়িবলৈ সৰ্ব্বসাধাৰণ মানুহে অসমীয়া ভাষাত পোৱা দুৰূহ বুলিলে বিশেষ অন্যায় নহব যেন লাগে। এই বিধৰ সাহিত্যৰ কাৰণে ভাৰতীয় কোনো ভাষাই যদি বিশেষ চকু দিছে – অনুমান হয় হিন্দীয়ে। অসংখ্য হিন্দী আলোচনীৰ প্ৰায় পাতে পাতে পঢ়িবলৈ পোৱা যায় – সৰ্ব্বসাধাৰণৰ আৱশ্যকীয় জ্ঞান বা দৃষ্টি ভঙ্গিৰ সন্ধান থকা প্ৰৱন্ধ, গল্প, কৱিতা, প্ৰহসন টোকা ইত্যাদি। ইংৰাজীত ঘাইকৈ আমেৰিকান প্ৰকাশক সকলৰ এনে সাহিত্যৰ যোগান জগতৰ কল্যাণৰ কাৰণে এটি বিশিষ্ট অৱদান। এই সম্পৰ্কত “Readers' Digest” অৰ সাহিত্য সিন্ধু মন্থন কৰি বিলাই দিয়া অমৃতৰ সম্ভাৰ বিশেষ উল্লেখযোগ্য। এনে বিলাক সাহিত্যৰ বহুল অনুবাদ হৈ সমাজৰ কাৰণে সুলভ পুস্তিকা আকাৰে প্ৰকাশ হলেও অভাৱনীয় উপকাৰ হব।

মোৰ অসমীয়া এটা পুৰণি আৰু উচ্চ-শ্ৰেণীৰ সাহিত্যত চহকী ভাষা, ভাবিলে বুকু ওফন্দি আছে। তথাপি কওঁ, “অসমীয়া ভাষাত পঢ়িবলৈ একো নাই”— বোলা কথাটো যি সকলে কয় সেই সকলৰ সেই দৃষ্টি কোণৰ পৰা চালে অকণো যুক্তি নাই বুলিব নোৱাৰি। মানুহৰ আয়ুস চুটি। এগৰাকী উপদেষ্টাই কৈছে – “Do not read good books; life is too short for that Read only the best.” যিয়ে যি পঢ়িবলৈ বিচাৰে সেয়ে তাৰ কাৰণে best। হয়তো সেই best টো থাকিলেও সহজে পোৱা নেযায় – আনকি তাৰ সন্ধানো পোৱাৰ সহজ উপায় নাই। লিখকে অসমীয়া সাহিত্য পুথুৰীত অৱগাহন কৰাৰ দাবী কোনো জনমতে নকৰিব বা কৰিব নোৱাৰে; এনে ক্ষেত্ৰত এই প্ৰৱন্ধৰ কথাখিনি “ নগৈ গড়গাৱঁৰ বতৰা ” বুলি ধৰাটো নিচেই সহজ সম্ভাৱনা। কিন্তু মই কওঁ, গড়গাৱঁলৈ আজিৰ সৰ্ব্বসাধৰণে যাব নেজানে; গড়গাঁৱে মাতিব লাগিব আৰু নিজেও আহি পদূলিয়ে পদূলিয়ে ফুৰিব লাগিব, যদি হে নিজৰ সু-বতৰা জগতক বিলাব খোজে। পঢ়ুৱৈৰ অভাৱ নহয়, বৰঙণিৰ কিস্তি বাদ নপৰিব।

চলিত আলোচনী যুগ-সাহিত্যৰ দৰ্পণ। আলোচনী সমূহত সেই সময়ৰ প্ৰসূত সাহিত্যৰ আভাস ফুটি ওলায় বুলি স্বাভাৱিকতে ধৰিব পাৰি। অসমীয়া আলোচনী সমূহে এই ( ওপৰত আলোচনা কৰা ) বিষয়ত বৰ আশাপ্ৰদ কিবা সঙ্কেত দিয়ে যেন মনে নধৰে দেখোন!

প্ৰগতিশীল সাহিত্যিক জগতৰ মন্তব্য জানিব পৰা হলে বেয়া নাছিল।

# তিনিচুকীয়া শাখা সাহিত্য সভাৰ
# তৃতীয় বাৰ্ষিক অধিবেশনৰ সভাপতিৰ ভাষণ।

( মৌখিক বক্তৃতাৰ সাৰাংশ )

**শ্ৰীযুক্ত শৈলধৰ ৰাজখোৱা।**

অভ্যৰ্থনা সমিতিৰ সভাপতি ডাঙ্গৰীয়া, উপস্থিত সুধীবৃন্দ, আইদেউসকল আৰু সাহিত্য সভাৰ সদস্যসকল! আজি আপোনাসকলৰ সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনত মোক সভাপতিৰ আসনখনি যাচি সন্মানিত কৰাৰ বাবে জয়জয়তে মই আপোনাসকলক আন্তৰিক ধন্যবাদ জনাওঁ। সাহিত্যসভাৰ এই বছেৰেকীয়া অধিবেশনত মই সভাপতিৰ আসনৰপৰা লিখিত অভিভাষণহে দিয়া উচিত আছিল। কিন্তু আজি যি বিষয়ে বক্তৃতা দিবলৈ মই আপোনাসকলৰ আগত ঠিয় হৈছো সেই বিষয়ে লিখিত অভিভাষণ দিবলৈ ধৰিলে এখন আহল বহল নিবন্ধ ৰচনা কৰিব লগাত পৰে, আৰু পুৰণি পুথি আদি নোচোৱাকৈয়ে অলপ সময়ৰ ভিতৰতে এনে এখন ৰচনা লিখিলে তাত ভুল-ভ্ৰান্তি বহুতো থাকি যাব পাৰে। সেই কাৰণে লিখিত অভিভাষণ নিদি আমাৰ মাতৃ ভাষাৰ উৎপত্তি, স্থিতি আৰু বৰ্ত্তমানত তাৰ পৰিণতিৰ বিষয়ে যথা সম্ভৱ চমুকৈ হুআষাৰমান মুখেৰেই কৈ মোৰ বক্তব্যৰ সামৰণি মাৰিম। উপস্থিত সুধীবৃন্দই তাৰ ভিতৰৰ যি অংশ লাগতিয়াল বুলি ভাবে তাকে গ্ৰহণ কৰি অসাৰ ভাগ দলিয়াই পেলালেই লেঠা ছিগে।

আপোনাসকলে জানে যে বৰ্ত্তমান সময়লৈকে আমাৰ অসমীয়া ভাষাৰ বুৰঞ্জী লিখকসকলে আমাৰ ওচৰ-চুবুৰীয়া বঙ্গ ভাষাৰ বিষয়ে বিশেষ একো উল্লেখ কৰা নাই। কাৰণ বঙ্গ ভাষাৰ গাত হাত নিদিয়াকৈয়ে অসমীয়া ভাষাৰ বুৰঞ্জী লিখিবলৈ যথেষ্ট সঁজুলি আছে। কিন্তু বঙ্গ ভাষাৰ বুৰঞ্জী লিখকসকলে আমাৰ অসমীয়া ভাষাক এৰাপ নমৰাকৈ তেওঁলোকৰ ভাষাৰ বুৰঞ্জী লিখিবই নোৱাৰে। কাৰণ অসমীয়া ভাষা বাদ দিলে বঙ্গ ভাষাৰ বুৰঞ্জী লিখিবলৈ সঁজুলি প্ৰায় একোৱেই নাথাকে। কথাষাৰ উদাহৰণসহ অলপ বহলাই কওঁ। বঙ্গ ভাষাৰ বুৰঞ্জী লিখক সকলৰ ভিতৰত স্বৰ্গীয় ৰায় বাহাদুৰ দীনেশ চন্দ্ৰও এজন তেখেতে " বঙ্গ ভাষা ও সাহিত্য " নামে বঙ্গ ভাষাৰ বুৰঞ্জী এখন লিখি বহু বছৰৰ পূৰ্ব্বে ছপাই উলিয়াইছিল। দীনেশ বাবুৱে তেওঁৰ ভাষাৰ বুৰঞ্জীত শূন্য পুৰাণ, ডাক চৰিত, ডাকৰ বচন, খনাৰ বচন, আদি পুথিকে প্ৰাচীন বঙ্গ ভাষাৰ পুথি বুলি পৰিচয় দিছে। শূন্য পুৰাণ পুথখন মই দেখা নাই; তাৰ ভাষা কেনেকুৱা ক'ব নোৱাৰোঁ। কিন্তু অসমীয়া মাত্ৰেই জানে যে ডাক-চৰিত, ডাকৰ বচন আৰু খনাৰ বচন পুথিৰ ভাষা নিভাজ অসমীয়া। তদুপৰি দীনেশ বাবুৱে আমাৰ অসমৰ কবি অনন্ত কন্দলীৰ অনন্ত ৰামায়ণ পুথিখনো কৰবাত পাই তাকো তেওঁৰ ভাষাৰ বুৰঞ্জীত ঠাই দি কৈছে, এইখনো প্ৰাচীন বঙ্গ ভাষাৰ পুথি। কিন্তু আমাৰ সাহিত্যিকসকলে ইয়াৰ



প্ৰতিবাদ কৰা নাছিল সম্ভৱতঃ এই কাৰণে, যে বঙ্গালীসকলে যদি আমাৰ ভাষাটোকে তেওঁলোকৰ প্ৰাচীন বঙ্গ ভাষা বুলি থিৰাং কৰি আমাৰ পুৰণি পুথিবিলাককে তেওঁলোকৰ প্ৰাচীন বঙ্গ ভাষাৰ পুথি বুলি কয়, তেন্তে তাৰ দ্বাৰা তেওঁলোকেই প্ৰমাণ কৰে যে অসমীয়া ভাষাৰপৰাই বঙ্গ ভাষা ওলাই গৈ উচ্চাৰণ ভেদে এটা বেলেগ ভাষাৰ গঢ় লৈছে। কিন্তু বঙ্গালীসকলে কথাটোত পাক এটা দি আন প্ৰকাৰেহে ক'ব খোজে। এই বিষয়ে পিচত আলোচনা কৰিম। অনন্ত ৰামায়ণ খন বঙ্গ ভাষাৰ বুৰঞ্জীত ঠাই দিয়াত অসমীয়াই প্ৰতিবাদ নকৰিলে যদিও, এজন বঙ্গালী অধ্যাপকেই তাৰ প্ৰতিবাদ কৰি দীনেশ বাবুলৈ লিখিলে। তাৰ উত্তৰত দীনেশ বাবুৱে লিখা কথাখিনি পঢ়ি শুনাওঁ—

" বঙ্গভাষা ও সাহিত্য "— পৃষ্ঠা ১৩৫।

" সম্প্ৰতি পদ্মনাথ ভট্টাচাৰ্য্য মহাশয় আমাদিগকে জানাইয়াছেন যে, এই অনন্ত আসামবাসী। ইনি অনন্ত কন্দলী নামে আসামবাসীগণের নিকট পরিচিত। ইহার রচিত রামায়ণের অংশ বিশ্ববিদ্যালয়ের এন্ট্রেন্স পরীক্ষার জন্য পাঠ্য পুস্তকে উদ্ধৃত আছে। সুতরাং বঙ্গ ভাষা ও সাহিত্য হইতে ইহাকে বাদ দেওয়ার জন্যে আমাদিগের নিকট অনুরোধ আসিয়াছে। কিন্তু যে যুগের ভাষা ও সাহিত্যের ইতিহাস আমি লিখিতেছি, তখন আসামী ভাষা বঙ্গ ভাষা হইতে পৃথক ছিল না। আজ যদি ত্রিপুরায় কিম্বা শ্রীহট্টে তদ্দেশীয় প্রাদেশিক ভাষার আধিপত্য হয়, তবে সঞ্জয়, শ্রীকরনন্দী প্রভৃতি লেখকগণকে কখনই কি বঙ্গ-সাহিত্য হইতে বাদ দিতে পারি? অথচ প্রাদেশিকত্ব ধরিলে তাঁহাদের রচনাও অনন্ত রামায়ণ হইতে কম দুরূহ নহে। আসামের প্রাচীন কবিগণের বিষয় আমরা সম্পূর্ণ জ্ঞাত নহি। তাঁহাদের বিবরণ পাইলে আমরা এই পুস্তকে লিপিবদ্ধ করিতে প্রস্তুত আছি। আসামে অতি অল্প দিন হইল বঙ্গাক্ষর ও বঙ্গভাষার গৌরব নষ্ট হইয়াছে। কিন্তু আসামের ভাষাকে আমরা বঙ্গ ভাষার প্রাদেশিক ভেদ ভিন্ন স্বতন্ত্র ভাষা বলিয়া স্বীকার করি না।

কবি অনন্তের অপর নাম সরস্বতী। ইনি কামরূপবাসী ব্রাহ্মণ ছিলেন। আমরা অনন্ত কন্দলীকে এই পুস্তকে স্থান দিলেও আসামের গৌরবের দাবী করিতেছি না। চট্টগ্রামে কবি পরমেশ্বরকে আমরা যে রূপে আত্মসাৎ করিয়াছি অনন্তকেও সেইরূপে দাবী করিব। তিনি যে ভাষায় বই লিখিয়াছিলেন, তাহা বঙ্গদেশের পূর্ব্ব সীমান্তের ভাষা। তিনি আসামবাসী, কিন্তু বঙ্গ ভাষাভাষী। অর্থাৎ তাঁহার সময়ের আসাম প্রচলিত লিখিত ভাষার সঙ্গে তৎকালীন বঙ্গীয় কবিদের ভাষার তেমন কোন পার্থক্য নাই।"

বঙ্গভাষাৰ সাহিত্য লিখকৰ এই কথাখিনি পঢ়িলে তেওঁৰ যুক্তিৰ প্ৰকোপ দেখি ভাৰতৰ অন্যান্য ঠাইৰ শিক্ষিতসকলেও মিচিকিয়া হাঁহি এটি মাৰি তেওঁক পুতৌহে কৰিব। ভাৰতৰ ভিতৰত বুৰঞ্জী বিখ্যাত চিৰ স্বাধীন কামৰূপ ৰাজ্যৰ প্ৰাদেশিক ভাষাৰ স্বকীয়া অস্তিত্ব স্বীকাৰ নকৰোঁ বুলি কৈ বঙ্গ ভাষাৰ বুৰঞ্জী লিখকে ওচৰ-চুবুৰীয়া প্ৰাদেশিক ভাষাৰ বিষয়ে তেওঁৰ অজ্ঞতা কিমান গভীৰ তাৰহে মাথোন পৰিচয় দিলে। কিন্তু বঙ্গালীসকলৰ ভিতৰতো নিস্বাৰ্থ জ্ঞানী পুৰুষ কেজনমান পূৰ্ব্বেও আছিল আৰু এতিয়াও আছে। তেখেতসকলে স্বজাতিৰ অপ্ৰিয় ভাজন হোৱাৰ ভয়ত সত্য প্ৰকাশ

কৰিবলৈ অলপো কুণ্ঠিত হোৱা নাই। সেই সকলৰ ভিতৰত স্বৰ্গীয় চাৰ প্ৰফুল্ল চন্দ্ৰ ৰায়ো এজন। তেজপুৰত বহা অসম ছাত্ৰ সম্মিলনৰ বছেৰেকীয়া অধিবেশনত সভাপতি আসনৰপৰা চাৰ পি, চি, ৰায়ে কৈছিল যে অসমীয়া ভাষা বঙ্গ ভাষাতকৈও পুৰণি নহয় যদি ই বঙ্গ ভাষাৰ সমানে পুৰণি। তেখেতে আমাৰ কথা ভাগৰত পুথিখন দেখি কৈছিল যে আজি যদি কোনো অসমীয়াই ঠিয় হৈ কয়, বঙ্গালীয়ে অসমীয়াৰ পৰাই গদ্য ৰচনা কৰিবলৈ শিকিলে তেন্তে বঙ্গালীসকলে সেইটো মিছা বুলি প্ৰমাণ কৰিবলৈ বৰ টান পাব। চাৰ পি, চি, ৰায়ে প্ৰকাৰান্তৰে আমাক কৈ গল যে অসমীয়া ভাষা বঙ্গ ভাষাতকৈ বহু কালৰ পুৰণি ভাষা আৰু বঙ্গালীসকলে অসমীয়াৰ পৰাই গদ্য ৰচনা কৰিবলৈ শিকিলে। সম্প্ৰতি এই বিষয়ে চমুকৈ আলোচনা কৰিম।

বুৰঞ্জী পাঠক মাত্ৰেই জানে যে অসম বা প্ৰাচীন কামৰূপ ৰাজ্য ভাৰতৰ ভিতৰত এখন চিৰ স্বাধীন দেশ। পৌৰাণিক যুগত, অৰ্থাৎ বাণ, ভগদত্ত, নৰকাসুৰ আদিৰ দিনত কামৰূপ স্বাধীন আছিল। মহাৰাজ অশোকে গোটেই ভাৰতবৰ্ষ জয় কৰিছিল, কিন্তু তেওঁ কামৰূপ অধিকাৰ কৰা নাছিল। তেওঁৰ পিচত মগধৰ হৰ্ষবৰ্দ্ধনো এজন প্ৰতাপী দিগ্বিজয়ী ৰজা আছিল। কিন্তু তেওঁও কামৰূপ জয় কৰা নাছিল। বৰং তেওঁ কামৰূপৰ সেই সময়ৰ স্বাধীন ৰজা ভাস্কৰ বৰ্ম্মাৰ লগত মিত্ৰতা সূত্ৰতহে আবদ্ধ হৈছিল। তাৰ পিচত মুছলমান যুগতো পাঠান আৰু মোগল সকলে গোটেই ভাৰতবৰ্ষ জয় কৰিছিল। তেওঁবিলাকেও ষোলবাৰমান আক্ৰমণ কৰি অসম অধিকাৰ কৰিব পৰা নাছিল। কিন্তু মহাৰাজ নৰ-নাৰায়ণ আৰু তেওঁৰ ভায়েক চিলাৰাইৰ মৃত্যুৰ পিচত তেওঁবিলাকৰ বংশধৰসকলৰ ভিতৰত গৃহ-বিবাদৰ ফলত কামৰূপ ৰাজ্যৰ পশ্চিমাংশ, অৰ্থাৎ আমাৰ গোৱালপাৰা, ভাটীৰ ৰংপুৰ আৰু কোচবেহাৰ মুছলমান ৰাজ্য ভুক্ত হৈ বঙ্গদেশত চামিল হল। পিচত ইংৰাজসকলে গোৱালপাৰা জিলাখন কাটি আনি পুনৰ অসমতে জাপিলে। সেইহে গোৱালপাৰা বঙ্গালীৰ গ্ৰাসৰপৰা ৰক্ষা পৰিল। ভাটীৰ ৰংপুৰ জিলাখন প্ৰায় চাৰিশ মান বছৰৰ আগতে বঙ্গদেশত চামিল হৈছিল যদিও খৃষ্টাব্দৰ ১৯ শ শতিকাৰ আগ-ছোৱালৈকে ৰংপুৰৰ অধিবাসীসকল কামৰূপীয়া বুলিয়েই পৰিচিত আছিল আৰু তেওঁবিলাকৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, লিখিত আৰু কথিত ভাষাও কামৰূপীয়া বা অসমীয়াই আছিল। এই বিষয়েও আমাৰ বুৰঞ্জীমূলক প্ৰমাণ আছে। ইং ১৮০৭ চনত ভাৰত গভৰ্ণমেণ্টে ইংৰাজ অধিকৃত জিলাবিলাকৰ অধিবাসীসকলৰ ৰীতি-নীতি, আচাৰ ব্যৱহাৰ, ভাষা আৰু ধৰ্ম্ম আদিৰ বিষয়ে তথ্য সংগ্ৰহ কৰি প্ৰত্যেক জিলাৰে একোটা টোকা দিবলৈ Dr. Francis Buchanon Hamilton নামে চাহাব এজনক নিযুক্ত কৰিছিল। এই চাহাবজনে ৰংপুৰ, দিনাজপুৰ, পাৰ্ব্বতীপুৰ, কোচবেহাৰ আদি ঠাইত সাত বছৰমান থাকি এইবিলাক ঠাইৰ অধিবাসীসকলৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, ভাষা ধৰ্ম্ম আদিৰ বিষয়ে তথ্য সংগ্ৰহ কৰি এটা দীঘলীয়া ৰিপৰ্ট ভাৰত গৱৰ্ণমেণ্টলৈ পঠাইছিল। ভাৰত গৱৰ্ণমেণ্টৰ সেই সময়ৰ হোম চেক্ৰেটৰী Dr. Montgomeri Martin চাহাবে এই ৰিপৰ্ট পৰীক্ষা কৰি তাৰে সাৰ ভাগ সংগ্ৰহ কৰি 'Eastern India' নাম দি পুথি এখন ছপাই উলিয়ালে। Eastern India Vol. III. ত ৰংপুৰ জিলাৰ বিবৰণ আছে।



তেতিয়া গোৱালপাৰা জিলা ৰংপুৰ জিলাৰ অন্তৰ্গত আছিল। এই পুথিখনেই ফট-ফটীয়াকৈ প্ৰমাণ কৰে যে ইংৰাজে অসম অধিকাৰ কৰা সময়লৈকে ৰংপুৰ জিলাৰ অধিবাসীসকল জাতে-পাতে কামৰূপীয়া বা অসমীয়া আছিল আৰু তেওঁবিলাকৰ লিখিত আৰু কথিত ভাষাও অসমীয়া আছিল। বঙ্গালীসকলে এই ভাষাটো গ্ৰাম্য বঙ্গ ভাষা বুলি হেমিল্টন চাহাবক বুজাই দিছিল। তথাপি চাহাবে ঠায়ে ঠায়ে এই ভাষাটো "Vulgar language of Kamrup" বুলিহে উল্লেখ কৰিয়াই গৈছে। "Eastern India" ত লিখা ৰংপুৰ জিলাৰ বিবৰণ বহলাই আলোচনা কৰিবলৈ আমাৰ সময় নাই। হেমিল্টন চাহাবে সেই সময়ৰ ৰংপুৰ জিলাৰ জনসংখ্যাৰ বিষয়ে যি বিবৰণ দি গৈছে তাকে আপোনাসকলক পঢ়ি শুনাওঁ,—

| Moslims | Hindus | | Total |
|---|---|---|---|
| | Strangers | Kamrupi | |
| 1536000 | 264850 | 929500 | 1194350 |

| Asurik | Total |
|---|---|
| 4650 | 2735000 |

ওপৰত দেখুউৱা ৯২৯৫০০ কামৰূপীয়াৰ সৰহ ভাগেই আমাৰ কলিতা মানুহ আছিল। তাৰ ভিতৰত তিনি লাখমান গোৱালপাৰা জিলাৰ অধিবাসী বুলি বাদ দিলেও বাকী ৬ লাখমান কামৰূপীয়াক কলিতা সকলেৰে সৈতে বঙ্গালীয়ে কেনেকৈ গ্ৰাস কৰিলে হেমিল্টন চাহাবে সেই বিষয়েও বহলাই লিখি গৈছে। মুছলমান অধিবাসীসকলৰ বিষয়ে Eastern India Vol. III ৰ পৰাই কথাখিনি অলপ পঢ়ি শুনাওঁ,--

"Although the followers of Koran form a large proportion of the inhabitants of the district, there is little reason to suppose that many of them are intruders. They serve in general from their countenances to be the decendents of the original inhabitants, who have been converted in a great measure by the intolerence of the Kings of Bengal."

এতেকে এই মুছলমানসকলো প্ৰাচীন কামৰূপীয়া মানুহেই আছিল। বঙ্গভাষাৰ বুৰঞ্জীলিখক দীনেশ বাবুৱে কৈছে যে অনন্ত কন্দলীয়ে যি ভাষাত পুথি লিখিছে সেই ভাষা বঙ্গদেশৰ পূৰ্ব্ব প্ৰান্তৰ ভাষা। তাৰ দ্বাৰা তেওঁ ইয়াকে বুজাইছে যে সেই ভাষা গোৱালপাৰা, ৰংপুৰ আৰু কোচবেহাৰৰ ভাষা। কিন্তু এইবিলাক ঠাই যে তিনি শ মান বছৰৰ আগলৈকে চিৰ স্বাধীন কামৰূপ ৰাজ্যৰ অন্তৰ্গত আছিল, আৰু ইয়াৰ প্ৰাদেশিক ভাষাও যে কামৰূপীয়া ভাষাই আছিল, সেই বিষয়ে শিক্ষিত বঙ্গালীসকলে জানি শুনিও ওলোটা কথা কব পৰাটোহে আচৰিত কথা। বঙ্গালীসকলে আমাৰ অসম কামৰূপ ৰাজ্য পাণ্ডববৰ্জ্জিত বা দেশ বোলে। হেমিল্টন চাহাবে সেই সময়ত বঙ্গালীৰ মুখতে কথাবাৰ শুনি

গোৱালপাৰা সহ ৰংপুৰ জিলাখনকে পাণ্ডৱ-বৰ্জ্জিত দেশ বুলি উলুকিয়াই গৈছে। পিচে এতিয়ানো কোন যুক্তিৰে এই পাণ্ডৱবৰ্জ্জিত দেশৰ আৰু এক অংশ তেওঁবিলাকে গিলিবলৈ মুখ মেলিছে ?

বঙ্গালীসকলে আমাৰ ভাষাটোৱেই তেওঁবিলাকৰ প্ৰাচীন বঙ্গভাষা বুলি স্বীকাৰ কৰিছে ; কিন্তু আমাৰ ভাষাৰ পৰাই তেওঁ-লোকৰ ভাষা ওলাই উচ্চাৰণ ভেদে এটা বেলেগ ভাষাৰ গঢ় লৈছে বুলি স্বীকাৰ নকৰে। তেওঁলোকে কব খোজে যে এই ভাষাটোৱে বঙ্গদেশত জন্মগ্ৰহণ কৰি কালক্ৰমে উজাই আহি গোটেই অসমৰ প্ৰাদেশিক লিখিত আৰু কথিত ভাষাত পৰিণত হৈছিল। কিন্তু চিৰ-পৰাধীন বঙ্গদেশৰ প্ৰাদেশিক ভাষা কোন কালত আৰু কি উপায়েৰে মনে মনে কৰতোৱা পাৰ হৈ আমাৰ চিৰস্বাধীন কামৰূপ ৰাজ্যত শিপাব পাৰিলে সেই বিষয়ে বঙ্গালীসকলে যুক্তিপূৰ্ণ অনুমান বা প্ৰত্যক্ষ প্ৰমাণেৰে আমাক বুজাই দিব পাৰিবনে ? আমি কওঁ এই ভাষাটো কামৰূপত উদ্ভৱ হৈ কালক্ৰমে কৰতোৱা পাৰ হৈ গোটেই বঙ্গদেশত বিস্তৃত হৈ পৰিছিল। কথাষাৰ আমি গাৰ বলেৰে কোৱা নাই ; বুৰঞ্জীমূলক প্ৰমাণৰ বলতহে কৈছো। সম্প্ৰতি সেই বিষয়ে চমুকৈ দু আষাৰমান কওঁ।

ভাৰতৰ আৰ্যসকল কোন যুগত পোন প্ৰথমে কামৰূপলৈ আহি উপনিবেশ স্থাপন কৰিছিল সেইটো থিৰাং কৈ কোৱা টান। কাৰণ সেই কালৰ বুৰঞ্জী বা বিশ্বাসযোগ্য লিখিত বিৱৰণ পোৱা নাযায়। এটা পুৰণি সংস্কৃত শ্লোকৰ মতে সেই কালৰ আৰ্য্যসকলে অঙ্গ, বঙ্গ, কলিঙ্গ, সৌৰাষ্ট্ৰ, মগধ আদি দেশলৈ তীৰ্থযাত্ৰা বিনে অন্য কামত গলে তেওঁলোক জাতিভ্ৰষ্ট হোৱাৰ বিধান আছিল,—

" অঙ্গ, বঙ্গ, কলিঙ্গেষু সৌৰাষ্ট্ৰমগধেষু চ।
তীৰ্থযাত্ৰা বিনা গচ্ছন্ পুনঃ সংস্কাৰমৰ্হতি ॥"

কোনো কোনো পণ্ডিতৰ মতে এইটি মানৱ ধৰ্ম্মশাস্ত্ৰ প্ৰণেতা মনুৰ শ্লোক। ইয়াৰ ভাষায়ো তাকে প্ৰমাণ কৰে। এতেকে এই বিধান পৌৰাণিক যুগৰ, অথবা বৌদ্ধ যুগৰ বহুকাল পুৰ্ব্বৰ বিধান। ইয়াৰ ওপৰতে নিৰ্ভৰ কৰি কব পাৰি যে বৈদিক যুগত নাইবা তাৰ পিচৰ যুগত আৰ্য্যসকলে আৰ্য্যাবৰ্ত্তৰ দক্ষিণফালৰ অঙ্গ, বঙ্গ আদি দেশলৈ নগৈ উত্তৰে মিথিলা ৰাজ্যৰ ভিতৰেদি আহি পুণ্যভূমি কামৰূপত উপনিবেশ স্থাপন কৰিছিল। এই আৰ্য্যসকলে তেওঁবিলাকৰ লগত লিখিত আৰ্য্য ভাষা সংস্কৃত আৰু কথিত প্ৰাকৃত ভাষা লৈ আহিছিল। তেওঁ-লোকৰ কথিত প্ৰাকৃত ভাষাই এই দেশৰ আদিমবাসী মঙ্গোলীয়ান আৰু অষ্ট্ৰীক জাতিৰ ভাষাৰ শব্দ সামৰি লৈ এটা বেলেগ ভাষাৰ গঢ় ললে। সেয়ে আমাৰ প্ৰাদেশিক কামৰূপীয়া প্ৰাকৃত বা অসমীয়া ভাষাৰ গুৰি। কিন্তু আৰ্য্যসকলৰ কথিত প্ৰাকৃত ভাষাই একে দিনাই মোট সলাই অসমীয়া ভাষালৈ ৰূপা-ন্তৰিত হোৱা নাছিল। সেই কাৰণে আমাৰ ভাষাৰ জন্মৰ কোনো চন তাৰিখ নিৰ্দ্ধাৰিত কৰিব নোৱাৰি। বহু শকাব্দিৰ পিচত বৌদ্ধ যুগত চিন দেশৰ ভ্ৰমণকাৰী হিউৱেনচাং ভাৰতলৈ আহিছিল। খৃঃ সপ্তম শকাব্দিৰ মাজ ভাগত তেওঁ কামৰূপলৈ আহি ইয়াত এটা স্বকীয়া আৰ্য্য ভাষা দেখা পাইছিল। তেও লিখি থৈ গৈছে, " এওঁবিলাকৰ ভাষা মধ্য ভাৰতৰ ভাষাৰপৰা অলপ পৃথক।" তেতিয়া মধ্যভাৰতৰ ভাষা পালি বা মাগধী প্ৰাকৃতই আছিল ; আৰু সেই কালত বঙ্গদেশ মগধ ৰাজ্যৰ অন্তৰ্গত হৈ থকা বাবে



তেওঁবিলাকৰ কথিত আৰু লিখিত ভাষাও মাগধী প্ৰাকৃতই আছিল বুলি কব পাৰি। খৃঃ সপ্তম শকাব্দিৰপৰা দ্বাদশ শকাব্দিলৈকে অসম বুৰঞ্জীৰ অন্ধকাৰ যুগ। এই কাল ছোৱাৰ ভিতৰত আমাৰ ভাষাই কেনে গঢ় ললে আৰু কেতিয়া ই লিখিত ভাষাত পৰিণত হল কব নোৱাৰি। কিন্তু খৃঃ দ্বাদশ আৰু ত্ৰয়োদশ শকাব্দিত আমাৰ ভাষাটো ব্যাকৰণশুদ্ধ সম্পূৰ্ণ অৱস্থাত পোৱা গৈছে। ইয়াৰপৰা অনুমান কৰিব পাৰি যে তেতিয়াৰ-পৰা তিনি চাৰিশ মান বছৰৰ পূৰ্ব্বেই আমাৰ কথিত প্ৰাদেশিক ভাষা লিখিত ভাষাত পৰিণত হৈছিল। ডাকৰ বচন পুথি যদি খৃঃ দশম শতিকাৰ তেন্তে আমাৰ লিখিত ভাষাৰ জন্মকাল খৃঃ ৮ম বা ৯ম শতিকা নহৈ নোৱাৰি। কিন্তু সেই কালত ভাৰতৰ আন কোনো প্ৰাদেশিক ভাষা লিখিত ভাষাত পৰিণত হোৱাৰ প্ৰমাণ নাই।

খৃঃ দ্বাদশ শতিকাত অসমৰ বুৰঞ্জীৰ যুগ আৰম্ভ হয়। আহোমসকল এই সময়তে অসমলৈ আহি খৃঃ সপ্তদশ শতিকাৰ ভিতৰতে কামৰূপৰ এছোৱালৈকে গোটেই অসম জয় কৰি অসমীয়া ভাষাটোকে অসমৰ ৰাষ্ট্ৰভাষা বুলি গ্ৰহণ কৰিলে। এই কাল ছোৱাতে অসমৰ কবি সাহিত্যিক সকলেও শাস্ত্ৰবিলাক অনুবাদ কৰি নানা পদপুথি, অঙ্কীয়া নাট বৰগীত আদি ৰচনা কৰি অসমীয়া সাহিত্যৰ ভেটি যুগমীয়া কৰি পেলালে। খৃঃ অষ্টাদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ মাজভাগলৈকে অসমত ৰাষ্ট্ৰবিপ্লৱ। এই সময়ত আমাৰ পণ্ডিত সকলে ভাষা আৰু সাহিত্যৰ ফালে পিঠি দি আত্মৰক্ষা কৰাতে ব্যস্ত থাকিব লগাত পৰে। কিন্তু এই কালছোৱাত বঙ্গালী-সকলে ইংৰাজ সকলৰ শীতল ছাঁত বহি তেওঁলোকৰ পূৰ্ব্বৰ লিখিত ভাষাটো চাঁচি কাটি নতুন গঢ় দি বঙ্গ-সাহিত্য উন্নতিৰ পথত আগুৱাই নিবলৈ ধৰিলে। পূৰ্ব্বৰ লিখিত আৰু কথিত ভাষাৰ কোমল ঘৰুৱা শব্দবিলাক বাদ দি সেই বিলাকৰ ঠাইত সংস্কৃত শব্দ ভৰাই লিখিত ভাষাটোক কথিত ভাষাৰ পৰা বহুদূৰ আঁতৰাই নি তাক সৰ্ব্বসাধাৰণে, বিশেষকৈ মুছলমান সকলে বুজিব নোৱাৰা কৰিলে। বঙ্গালী-সকলে এই ভাষাটো 'বঙ্গলা প্ৰাকৃত' বা সাধু বঙ্গভাষা নাম দিছিল ; আৰু পূৰ্ব্বৰ পৰা প্ৰচলিত আমাৰ কামৰূপীয়া প্ৰাকৃত বা অসমীয়া ভাষাৰ নাম হল 'গ্ৰাম্য বঙ্গভাষা'। হেমিলটন চাহাবৰ বিৱৰণিত পোৱা যায় যে সেই কালত এই 'বঙ্গলা প্ৰাকৃত ভাষাটো ৰংপুৰ জিলাৰ সাধাৰণ মানুহে বুজা দূৰৰ কথা, পণ্ডিতসকলৰ তিৰোতা সকলেও নুবুজিছিল। পণ্ডিতসকলে সেই কালত ৰংপুৰ জিলাত পূৰ্ব্বৰে পৰা প্ৰচলিত কামৰূপীয়া বা অসমীয়া ভাষাহে লৰা-ছোৱালীক শিকাইছিল। আমাৰ ভাষাটোৱে 'গ্ৰাম্য-বঙ্গভাষা' নাম পোৱাৰ পৰাই বুজিব পাৰি যে এই ভাষাটোৱেই কৰতোৱা পাৰ হৈ উচ্চাৰণভেদে অলপ পৃথক হৈ গোটেই বঙ্গদেশৰে কথিত আৰু লিখিত ভাষা আছিল। সেই কাৰণেই বঙ্গালীসকলে আমাৰ পুৰণি পুথিবিলাকক তেওঁবিলাকৰ প্ৰাচীন বঙ্গভাষাৰ পুথি বোলে। বঙ্গভাষাক এনেকৈ নতুন গঢ় দিয়াত ইংৰাজসকলেও বঙ্গালী হিন্দু পণ্ডিত সকলক উৎসাহ দিছিল ; কাৰণ ইয়াৰ ভিতৰত তেওঁবিলাকৰ ভেদনীতিৰ শিপা সোমাই আছিল। বহু শত বছৰৰ পৰাধীন বঙ্গালী হিন্দুৱে ইংৰাজৰ কুটৰাজনীতি ভেদ কৰিব নোৱাৰি নিজৰ ঘৰতে মিত্ৰলাভৰ ঠাইত শত্ৰুলাভ কৰাৰ পথকে পৰিষ্কাৰ কৰিলে। স্বৰ্গীয় বঙ্কিমচন্দ্ৰকে আদি কৰি

সাহিত্যিক সকলেও এই পথকে অনুসৰণ কৰি আগৰেপৰা উমি উমি জ্বলি থকা জুইত আৰু কিছুমান ঘিউ ঢালি দিলে। তাৰ শেষফল সকলোৱেই জানে। বৰ্তমান সময়তো বঙ্গালীসকলে তেওঁবিলাকৰ শক্ৰ লাভ নীতিকে ওখ আসন দি অগ্ৰসৰ হৈছে। ইয়াৰো বা শেষফল ভৱিষ্যতত কি হবগৈ তাক একমাত্ৰ তেওঁবিলাকৰ ভাগ্য বিধতাইহে জানে। যা হওক, এইবিলাক বিষয়ে আলোচনা কৰা আজি আমাৰ উদ্দেশ্য নহয়। কথা প্ৰসঙ্গতহে এই কেই আষাৰ উনুকিয়ালো। সম্প্ৰতি মোৰ বক্তব্য এয়ে যে যি সময়ত অসমীয়া ৰাষ্ট্ৰবিপ্লৱত জুৰুলা হৈ আছিল, সেই সময়তে বঙ্গভাষাৰ সাহিত্য দোপত দোপে আগুৱাই গৈ অসমীয়া সাহিত্যক প্ৰায় এশ বছৰৰ পিচত পেলাই থলে। ইংৰাজসকলে অসম অধিকাৰ কৰাৰ পিচত এই সুযোগতে বঙ্গালীসকলে যেনে উপায়েৰে আমাৰ ৰংপুৰ, কোচবেহাৰ আদি ঠাই গ্ৰাস কৰিলে, সেই উপায়েৰেই তিওঁবিলাকৰ ভাষা আৰু কৃষ্টিৰ যোগে গোটেই অসমখনকে গ্ৰাস কৰিবলৈ মুখ মেলিলে। তেওঁবিলাকে ইংৰাজসকলক বুজাই দিলে যে অসমীয়া এটা পৃথক ভাষা নহয়। ই বঙ্গভাষাৰ অপভ্ৰংশ বা গ্ৰাম্য বঙ্গভাষাহে। ইংৰাজসকলেও সেই কথাকে বিশ্বাস কৰি গোটেই অসমতে অসমীয়া ভাষাৰ ঠাইত বঙ্গভাষা প্ৰচলন কৰিলে। আমি ক খ পঢ়িবলৈ ধৰা সময়লৈকে অসমৰ স্কুলবিলাকত বঙ্গ ভাষাহে চলিছিল। পিচত ভগৱানৰ কৃপাত, আৰু সেই সময়ৰ এমুঠি শিক্ষিত অসমীয়াৰ যত্নত ইংৰাজসকলে নিজৰ ভুল বুজিব পাৰি অসমত পুনৰ বঙ্গালী ভাষাৰ ঠাইত অসমীয়া ভাষা প্ৰচলন কৰিলে। সেই কাৰণেই বঙ্গভাষাৰ বুৰঞ্জী লিখক দীনেশ বাবুৱে কৈছিল যে অসমত বঙ্গ ভাষাৰ গৌৰৱ নষ্ট হোৱা অলপ দিনহে হৈছে। তেতিয়াৰে পৰা ইং ১৯২১ চনলৈকে স্বৰ্গীয় হেমচন্দ্ৰ গোস্বামী, শৰত চন্দ্ৰ গোস্বামী, লক্ষ্মীনাথ বেজবৰুৱা, পানীন্দ্ৰনাথ গগৈ, পদ্মনাথ গোহাঁই বৰুৱা, বেণুধৰ ৰাজখোৱা, চন্দ্ৰধৰ বৰুৱা, আনন্দ চন্দ্ৰ আগৰৱালা আদি সাহিত্যিক সকলৰ যত্নত অসমীয়া সাহিত্যৰ অৱস্থা ভালেমান টনকিয়াল হল; কিন্তু তেতিয়াও বঙ্গ সাহিত্যৰ ওচৰ চাপিব পৰা হোৱা নাছিল। ১৯২১ চনৰ ডিচেম্বৰ মাহত অসহযোগ আন্দোলন আৰম্ভ হয়। তেতিয়াৰপৰা ১৯৪৭ চনলৈকে আমাৰ সৰহ ভাগ উচ্চশিক্ষিত অসমীয়া ডেকাই ভাষা আৰু সাহিত্যৰ ফালে পিঠি দি ৰাজনৈতিক আন্দোলনত যোগ দিলে। সেই কাৰণে এই কালছোৱাত আমাৰ সাহিত্যৰ অৱস্থা যিমান উন্নত হোৱা উচিত আছিল সিমান নহল। এতিয়াও বঙ্গ সাহিত্যৰ হেঁচাত অসমীয়া সাহিত্যই মূৰ দাঙ্গিব পৰা নাই। আমাৰ অসমীয়াই অসমীয়া কিতাপ প্ৰায়েই নপঢ়ে। কাৰণ বঙ্গভাষাৰ নাটক উপন্যাস আদি পঢ়ি যি সোৱাদ পায়, অসমীয়া কিতাপ পঢ়ি তেনে সোৱাদ নাপায়। সেই কাৰণে পাঠক-পাঠিকাসকলক তাৰ বাবে দোষিব নোৱাৰি। এতিয়া আমাৰ উঠি অহা সাহিত্যিকসকলে বঙ্গ সাহিত্যৰ লগত ফেৰ মাৰিব পৰা ওখ খাপৰ নাটক, উপন্যাস, চুটি গল্প আদি লিখিবলৈ যত্ন কৰিব লাগে। তাৰ উপৰি ইংৰাজী আৰু অন্যান্য বিদেশী সাহিত্যৰ ওখ খাপৰ গল্প উপন্যাস আদি



অনুবাদ কৰি আমাৰ ভাষাৰ পাঠক সমাজ গঢ়ি তুলিব লাগে। এতিয়া দেশত শান্তি স্থাপিত হল। এতিয়াও আমাৰ ডেকাসকলে ভাষা আৰু সাহিত্যৰ ফালে পিঠি দিলে অসমীয়া সাহিত্যৰ ভৱিষ্যৎ পুনৰ অন্ধকাৰ হোৱাৰে আশঙ্কা।

উপস্থিত সুধীবৃন্দ :

কথা প্ৰসঙ্গত ভালেমান লাগ-বান্ধ নোহোৱা কথাৰ অৱতাৰণা কৰি আপোনা-সকলক আমনিহে দিলো। আপোনাসকলেও অতপৰে ধৈৰ্য্য ধৰি মোৰ বলকনি শুনাৰ বাবে সকলোকে আন্তৰিক ধন্যবাদ জনাইছো। মোৰ এইবিলাক কথা কোৱাৰ উদ্দেশ্য এয়ে যে আমাৰ কোনো উচ্চ শিক্ষিত ডেকাই যদি শিলৰ ফলি, পুৰণি পুথি আৰু পুৰণি চৰকাৰী দলিল পত্ৰ আদি ঘাটি ' Origin and development of the Assamese Language and literature ' শিতানত এখন আহল-বহল থেচিচ বা নিবন্ধ ইংৰাজী ভাষাত ৰচনা কৰি উলিয়াব পাৰে তেন্তে সেই পুথিখন আমাৰ এটা বহুমূলীয়া সম্পত্তি হব। মই ইয়াকে আশা কৰি এই বিষয়ে খপিয়াই জপিয়াই কিছুমান কথা উনুকিয়াই থলো। সম্প্ৰতি আমাৰ নকৈ ওলোৱা আধুনিক কবিতাৰ বিষয়ে দুআষাৰমান কৈ মোৰ বক্তব্য সামৰিম।

আধুনিক কবিতা মই বুজি নাপাওঁ। আধুনিক কবিতা বুলি প্ৰকাশ কৰা অমিতাক্ষৰ ছন্দত লিখা দুই চাৰিটামান কবিতাৰ বাহিৰে বাকীবিলাকৰ এশাৰীৰো অৰ্থ উলিয়াব নোৱাৰো। এতেকে আধুনিক কবিতাৰ বিষয়ে মতামত প্ৰকাশ কৰিবৰ মোৰ অধিকাৰ নাই। কিন্তু আধুনিক কবিতা ওলাবৰেপৰা বিশেষ ভাবে অনুসন্ধান কৰি জানিব পাৰিছো যে বৰ্তমান অসমৰ শতকৰা প্ৰায় নিৰানৈজন পাঠক-পাঠিকাই আধুনিক কবিতা বুজে আৰু নপঢ়ে। দেখাত আধুনিক কবিতাৰ ছন্দ নাই, শব্দ-বাছনি নাই, ভাষাৰ লালিত্যও নাই। সেই কাৰণে সুবুজাকৈয়ে পঢ়িবলৈকো ভাল নালাগে। কিন্তু এতিয়া আমাৰ এটি ডেকা দলে আধুনিক কবি নাম লবলৈহে হেপাহেৰে আগ বাঢ়িছে। তাৰ ফলত আমাৰ শ্ৰীযুত যতীন্দ্ৰনাথ দুৱৰা, শ্ৰীযুতা নলিনী বালা দেৱী, ৺গণেশ গগৈ আদিৰ নিচিনা কবি আৰু আৰু আগলৈ ওলোৱা সম্ভাৱনা নাই। ইয়াৰ দ্বাৰা আমাৰ সাহিত্যৰ উন্নতিয়ে হৈছেনে অৱনতিয়েই হৈছে, সাহিত্যিক সকলে দকৈ ভাবি চাবৰ সময় হল।

* সাহিত্য সভা পত্ৰিকাৰ সম্পাদকে মোৰ মৌখিক বক্তৃতাটোকে মনত পেলাই লিখি দিব লাগে বুলি কোৱাত এই ৰচনাখন লৰালৰিকৈ লিখি দিলো। " Eastern India " নামৰ পুৰণি ইংৰাজী পুথিখন শ্ৰীযুত বেণুধৰ শৰ্ম্মা ডাঙৰীয়াই বহু বছৰৰ পূৰ্ব্বে মোক পঢ়িবলৈ দিছিল। তাৰপৰা লাগতিয়াল কিছুমান কথা টুকি থৈছো। সেই সুবিধা দিয়াৰ বাবে শৰ্ম্মা ডাঙৰীয়াৰ ওচৰত মই কৃতজ্ঞ।

# অসম সাহিত্য সভাৰ বাহিৰে ভিতৰে

শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকা।

## কাৰ্য্য নিৰ্ব্বাহক সভা,– ৩য় অধিবেশন–

**স্থান– সন্দিকৈ ভৱন, যোৰহাট. তাৰিখ – ২৯ আগষ্ট, সোমবাৰ, আবেলি।**

শ্ৰীযুক্তা নলিনী বালা দেৱী শাৰীৰিক অসুস্থতাৰ বাবে উপস্থিত থাকিব নোৱাৰাত শ্ৰীমিত্ৰদেৱ মহন্তদেৱে সভাপতিৰ আসন গ্ৰহণ কৰে। তেখেতৰ বাহিৰেও সেই সভাত শ্ৰী (সকল) অতুল চন্দ্ৰ হাজৰিকা, প্ৰেমধৰ ৰাজখোৱা, হেম বৰুৱা, ৰত্নকান্ত বৰ কাকতী, যতীন গোস্বামী, পৰাগধৰ চলিহা, করুণাধৰ বৰুৱা, বিশ্বনাথ ৰাজবংশী, আনন্দ চন্দ্ৰ বৰুৱা, অশ্বিনী চৌধুৰী, দেবেন দাস শ্ৰীৰামচন্দ্ৰ দাস চৈয়দ আব্দুল মালিক আৰু শ্ৰীমান প্ৰফুল্ল গোস্বামী উপস্থিত আছিল।

জয় জয়তে সভাপতিৰ আসনৰ পৰা দাঙি ধৰা বৰ্ত্তমান অসমীয়া সাহিত্যৰ অন্যতম গুৰিয়াল, প্ৰবীণ সাহিত্যিক আৰু অসম সাহিত্য সভাৰ ধুবুৰী অধিৱেশনৰ সভাপতি ডাঙৰীয়া বেণুধৰ ৰাজখোৱা, অসমৰ প্ৰবীণ খ্যাতনামা সাহিত্যিক দণ্ডিনাথ কলিতা আৰু পুথি প্ৰকাশক গঙ্গাধৰ বৰকটকীদেৱৰ পৰলোক গমনত এটা শোক প্ৰস্তাৱ দাঙি ধৰা হয়। সমজুৱা সকলে এই শোক প্ৰস্তাৱ দুই মিনিট থিয় হৈ নীৰৱ প্ৰাৰ্থনাৰে গ্ৰহণ কৰে। সম্পাদক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই অধিৱেশনৰ কাৰ্য্য বিৱৰণী পাঠ কৰে আৰু সৰ্ব্বসম্মতি ক্ৰমে গৃহীত হয়। শ্ৰীকৰুণাধৰ বৰুৱাক নতুনকৈ সহকাৰী সম্পাদক নিযুক্ত কৰা হয়। শ্ৰীবৰুৱা আৰু শ্ৰীযতীন্দ্ৰ গোস্বামীয়ে যোৰহাটত সুবিধামতে কামৰ ভাগ বাটি লৈ কাৰ্য্যালয় পৰিচালনা, পত্ৰিকা পৰিচালনা, পুথি ভঁৰাল, ফুলনিৰ তত্বাৱধান আদি যাৱতীয় কাম সমিলমিল ভাৱে চলাবলৈ গাত লয়। এটা প্ৰস্তাৱৰ যোগেদি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা পোন প্ৰথম সন্মানসূচক উপাধি ডক্টৰেট লাভ কৰাৰ বাবে ডক্টৰ মহেশ্বৰ নেওগ, ডক্টৰ সত্যেন্দ্ৰ নাথ শৰ্ম্মা আৰু ডক্টৰ প্ৰফুল্লদত্ত গোস্বামীদেৱক অসম সাহিত্য সভাৰ পক্ষৰ পৰা সম্বৰ্দ্ধনা জনোৱা হয়। যোৱা যোৰহাট অধিবেশনৰ ত্ৰয়োদশ প্ৰস্তাৱ মতে খ্যাতনামা নীৰৱ মহিলা কৱি শ্ৰীযুক্তা ধৰ্ম্মেশ্বৰী দেৱী বৰুৱানীক 'কাব্য ভাৰতী' উপাধিৰে বিভূষিত কৰা হয়। এই সভাই গুৱাহাটীত অসম সাহিত্য সভাৰ ২৪শ অধিবেশনৰ বাবে ন্যায়াধীশ শ্ৰীহলিৰাম ডেকাক সভাপতি আৰু ডক্টৰ নেওগদেৱক প্ৰধান সম্পাদক পাতি অভ্যৰ্থনা সমিতি গঠন কৰাত আনন্দ প্ৰকাশ কৰে আৰু অহা বৰদিনৰ বন্ধতে অধিবেশন পতাৰ প্ৰস্তাৱত সন্মতি জনায়।

ইয়াৰ পিচত বিভিন্ন-সমিতিবোৰৰ মতামত আলোচনা কৰি তলত লিখাদৰে সিদ্ধান্ত গ্ৰহণ কৰা হয়।– বিভিন্ন পিচপৰা অঞ্চলত অসমীয়া ভাষা সাহিত্য প্ৰচাৰ সম্পৰ্কীয় এখনি বিশদ আঁচনি শ্ৰীপৰাগধৰ চলিহাই দাঙি ধৰে। বিতং আলোচনাৰ পিচত সামান্য সংশোধনেৰে সেই আঁচনি গ্ৰহণ কৰা হয়। সেই আঁচনিত থকা



"আচামিজ ট্ৰেইনিং চেণ্টাৰ" সম্পৰ্কে আৰু এখন বহল আঁচনি অনতিপলমে যুগুত কৰি দিবলৈ শ্ৰী (সকল) মিত্ৰদেৱ মহন্ত, পৰাগধৰ চলিহা, কৰুণাধৰ বৰুৱা, যতীন্দ্ৰনাথ গোস্বামী ( আহ্বায়ক ), চৈয়দ আব্দুল মালিকক ভাৰ দিয়া হয়। এই উপ-সমিতিৰ আঁচনি মূল অধিবেশনৰ প্ৰস্তাৱ মতে আহ্বায়ক শ্ৰীপৰাগধৰ চলিহাৰ যোগেদিয়েই কাৰ্যকৰী কৰা হব। ৺ৰাধাকান্ত সন্দিকৈৰ সোঁৱৰণী উপ-সমিতিৰ আঁচনি শ্ৰীঅতুল চন্দ্ৰ হাজৰিকাই দাঙি ধৰা মতে গ্ৰহণ কৰা হয়। পুথি-ভঁৰাল আঁচনিৰ লগত সহযোগ কৰিচন্দ্ৰ কান্ত ভৱনৰ পাচফালে 'ৰাধাকান্ত সন্দিকৈ স্মৃতি ভৱন' নাম দি এটা দুমহলীয়া ইটাৰ দালান সজাটো স্থিৰ কৰা হয়। এই দালানত আলহী ৰখাৰ আৰু পুথিভঁৰাল অধুনিক ভাৱে সুসজ্জিত কৰি ৰখাৰ দিহা কৰা হব। পুথিভঁৰাল উপ-সমিতিৰ আঁচনি পাঠ কৰি সেইমতে নতুন ঘৰ সজা, চৰকাৰী অনুদান বিচৰা আদি কাম কৰিবলৈ স্থিৰ কৰা হয়। চন্দ্ৰকান্ত ন্যাস সমিতিৰো সহযোগ আহ্বান কৰা হয়। এটি পুথিভঁৰাল সমিতিত (১) প্ৰধান সম্পাদক শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা, (২) সভাপতি, – যোৰহাট সাহিত্য সভা. (৩) শ্ৰীকৰুণাধৰ বৰুৱা, (৪) শ্ৰীনকুলচন্দ্ৰ ভূঞা, ( কাৰ্য্যনিৰ্ব্বাহক সভাৰ পৰা মনোনীত ) (৫) শ্ৰীযতীন্দ্ৰ নাথ গোস্বামী ( আহ্বায়ক আৰু সম্পাদক ) থাকিব। (৬) আৰু (৭) এই দুজন সভ্য পিচত এই পুথিভঁৰাল সমিতিয়েই মনোনীত কৰি লব। এই সমিতিৰ সভাপতিত্ব কৰিব প্ৰধান সম্পাদকে। এওঁৰ অনুপস্থিতিত যোৰহাট সাহিত্য সভাৰ সভাপতিৰ গাতেই এই ভাৰ থাকিব। শ্ৰীনৱদেৱ উপ সমিতিৰ আহ্বায়ক শ্ৰীমিত্ৰদেৱ মহন্তদেৱে এটা মৌখিক বিবৃতি দি কয় যে বনমালীদেৱৰ ছপা পুথি মূল পুথিৰ লগত মিলাই চোৱা হল। দামোদৰ দেৱৰ চৰিত পুথি মিলাবলৈ মূল পুথি বিচাৰি নোপোৱাত কাম অসমাপ্ত হৈ আছে। সেই সম্পৰ্কে এতিয়াও চেষ্টা চলাই থকা হৈছে। কাৰ্য্য নিৰ্ব্বাহক সভাৰ অহা অধিবেশনৰ আগতে এই সমিতিৰ মতামত দাখিল কৰিব পৰা হব বুলি শ্ৰীমহন্তদেৱে আশা প্ৰকাশ কৰে। শ্ৰীৰত্নকান্ত বৰকাকতীদেৱে দাঙি ধৰা উপাধি প্ৰদানৰ আঁচনি আলোচনা কৰি এই সাহিত্য সভাই দিব লগীয়া উপাধিৰ মূল স্বৰূপে একমাত্ৰ "ভাৰতী" শব্দটোকে গ্ৰহণ কৰে। সেই উপাধিতে আৱশ্যক মতে আন শব্দ লগাই ভৱিষ্যতে সাহিত্য সভাৰ পক্ষৰ পৰা উপাধি দিবলৈ স্থিৰ কৰা হয়। উপাধি দিবৰ পদ্ধতি স্থিৰ কৰি দিবলৈ ডক্টৰ শ্ৰীমহেশ্বৰ নেওগ, শ্ৰী ( সকল ) ৰজনীকান্ত দেৱ শৰ্ম্মা, উপেন্দ্ৰচন্দ্ৰ লেখাৰু, ৰত্নকান্ত বৰকাকতী, প্ৰধান সম্পাদকক ( আহ্বায়ক ) ভাৰ দিয়া হয়।

যোৱা জহৰ বন্ধত শ্ৰীযতীন্দ্ৰনাথ গোস্বামীয়ে প্ৰধান সম্পাদকৰ হৈ কাছাৰ জিলাৰ বিভিন্ন অঞ্চল পৰিভ্ৰমণ কৰি বিশদ বিৱৰণ সভাৰ আগত দাঙি ধৰে আৰু কত কেনে সাহায্যৰ আৱশ্যক সেই বিষয়ে মতামত জানিব দিয়ে। শিলচৰ সাহিত্য সভাৰ অধীনত সাজিবলৈ যো-জা কৰা প্ৰাইমাৰী স্কুল ঘৰৰ নিৰ্ম্মাণ কাৰ্য্যত সাহায্যৰ বিশেষ আৱশ্যক বুলি কয়। শিলচৰ সাহিত্য সভাৰ প্ৰাইমাৰী স্কুলৰ চৰকাৰী সাহায্যৰ কাৰণে শ্ৰীমান প্ৰফুল্ল গোস্বামী আৰু শ্ৰীবিশ্বনাথ ৰাজবংশীক যথাবিহিত চেষ্টাৰ ভাৰ দিয়া হয়। কাছাৰ অঞ্চলত সাহায্যৰ কাৰণে পাঁচশ টকা মঞ্জুৰ কৰা হয়। এই টকা সম্পাদকে সেই ঠাইৰ আৱশ্যকৰ গুৰুত্ব অনুসৰি খৰচ কৰিব পাৰিব।

কাৰ্য্য নিৰ্ব্বাহক সভাৰ যোৱা অধিবেশনৰ প্ৰস্তাৱ অনুসৰি কেবা বছৰো বন্ধ হৈ থকাৰ পিচত অহা ৯ ছেপ্তেম্বৰ তাৰিখে যোৰহাট কাৰ্য্যালয়ত চন্দ্ৰকান্ত সন্দিকৈ সোঁৱৰণী দিন পালন কৰিবলৈ স্থিৰ কৰা হয়। এই সম্পৰ্কে যাৱতীয় ব্যৱস্থা কৰিবলৈ শ্ৰীদেৱেশ্বৰ শৰ্ম্মা, শ্ৰীককণাধৰ বৰুৱা আৰু শ্ৰীযতীন্দ্ৰনাথ গোস্বামীক ভাৰ দিয়া হয়। সভাৰ অহা গুৱাহাটী অধিবেশনৰ সভাপতি নিৰ্ব্বাচনৰ কাম পৰিচালনা কৰিবলৈ এই কাৰ্য্যনিৰ্ব্বাহক সমিতিৰ হৈ শ্ৰীকামাখ্যাৰাম বৰুৱা, শ্ৰীভবেন চন্দ্ৰ বৰুৱা, প্ৰধান সম্পাদক ( আহ্বায়ক ) এই তিনিজন সভ্যৰে এটা নিৰ্ব্বাচনী সমিতি পাতি দিয়া হয়। ছৈয়দ আব্দুল মালিকৰ দ্বাৰা সংগৃহীত আৰু সম্পাদিত "জিকিৰ আৰু জাৰী" গীতসমূহ পৰীক্ষা কৰি মতামত দিবলৈ জনাব মফিজুল হক ( শিৱসাগৰ ), জনাব মহম্মদ তৈয়বুল্লা আৰু ডক্টৰ শ্ৰীপ্ৰফুল্ল দত্ত গোস্বামীক অনুৰোধ জনোৱা হয়। জনজাতীয় গ্ৰন্থ দুখনিৰ পৰীক্ষাৰ কাম তিনি গৰাকী পৰীক্ষকে সমাপ্ত কৰাৰ পিচত ৪ৰ্থ পৰীক্ষক শ্ৰীমান প্ৰফুল্ল গোস্বামীৰ হাতত পৰীক্ষণীয় অৱস্থাত থকা বুলি সম্পাদকে জানিবলৈ দিয়ে। শ্ৰীমান প্ৰফুল্ল গোস্বামীয়ে তেওঁৰ মতামত জনোৱাৰ পিচত পৰীক্ষক-সকলৰ মতামতৰ অনৈক্য নঘটিলে পৰীক্ষাৰ ফলাফল ঘোষণা কৰিবলৈ আৰু পুৰস্কাৰৰ টকা দিবলৈ সম্পাদকক ক্ষমতা দিয়া হয়।

নতুনকৈ স্বীকৃতি দিয়া সভা :—

ধিং সাহিত্য সভা ( নগাওঁ ), নিতাই পুখুৰী সাহিত্য সভা ( শিৱসাগৰ ), কালুগাওঁ সাহিত্য সভা ( শিৱসাগৰ ), ধুপধৰা সাহিত্য সভা ( গোৱালপাৰা ), হাজো সাহিত্য সভা ( কামৰূপ ),, উত্তৰ লক্ষীমপুৰ সাহিত্য সভা ( লক্ষীমপুৰ ), মণিপুৰ অসমীয়া সাহিত্য সভা, ডেৰগাওঁ সাহিত্য সভা ( শিৱসাগৰ ), জাজী সাহিত্য সভা ( শিৱসাগৰ ) আদিক সাহিত্য সভাৰ শাখাসভা হিচাপে স্বীকৃতি দিয়া হয়। চৰকাৰী সাহায্যৰ বাবে আবেদন জনাবলৈ এটা সজাতি দল গঠন কৰা হয়। এই সজাতি দলে শ্বিলঙত কৰ্ত্তৃপক্ষৰ লগত আৱশ্যক অনুসৰি দেখা শুনা কৰিব। সভ্যসকল হৈছে শ্ৰীযুত ( সকল ) মিত্ৰদেৱ মহন্ত, হলিৰাম ডেকা, হেম বৰুৱা, পৰাগধৰ চলিহা, ৰবীন্দ্ৰনাথ বৰুৱা, অতুল চন্দ্ৰ হাজৰিকা, শ্ৰীমান প্ৰফুল্ল চন্দ্ৰ গোস্বামী। আৱশ্যক অনুসৰি আৰু সভ্য লব পাৰিব। সাহিত্য সভাৰ মূল অভিভাষণ খিনিৰ বাহিৰে শাখা সভাৰ অভ্যৰ্থনা সমিতি আদিৰ অভিভাষণবোৰ ছপা কৰিবলৈ কোনো সদাশয় প্ৰকাশক ওলালে প্ৰধান সম্পাদকে যথাবিহিত স্বত্ত তেওঁৰ লগত সেই পুথি প্ৰকাশৰ বাবে চুক্তি কৰিব পাৰিব।

সদৌ শেষত সম্পাদকে দাঙি ধৰা ১৯৫৫-৫৬ চনৰ বাজেট সংশোধন আকাৰে সৰ্ব্বসম্মতিক্ৰমে গৃহীত হয়।

যোৱা অধিবেশনত স্থিৰ কৰা মতে শ্ৰীযুত মোহন চন্দ্ৰ মহন্ত বি এল দেৱে সাহিত্য সভাৰ অপপ্ৰচাৰমূলক এটা প্ৰবন্ধ যোৰহাটৰ জনমভূমি কাকতত প্ৰকাশ কৰাৰ বাবে সেই বিষয়ে তেওঁৰ কিবা কব লগীয়া থাকিলে ৰেজিষ্টাৰী চি ৰ যোগে সুধিবলৈ সম্পাদকক ভাৰ দিয়া হৈছিল। শ্ৰীযুক্ত মহন্তদেৱে সেই চিঠিৰ উত্তৰ পৰ্য্যন্ত নিদিয়াত আজিৰ সভাই দুঃখ প্ৰকাশ কৰে আৰু ভৱিষ্যতে এনে অপপ্ৰচাৰমূলক কাৰ্য্য নকৰিবলৈ তেখেতক সতৰ্ক কৰি দিয়া হয়।



## ১৯৫৫-৫৬ চনৰ বাজেট :—

*আয় :— জমা :—*

| | | | |
|---|---|---|---|
| ইম্পিৰিয়েল বেঙ্ক অব ইণ্ডিয়া | | ... | ৪৩২০৷৶০ অনা |
| য়ুনাইটেড " " | ... | ... | ২১৷৵০ " |
| এপেক্স বেঙ্ক, গুৱাহাটী | ... | ... | ৬০০০৲ |
| চন্দ্ৰ কান্ত হলৰ কেৰেয়া | ... | ... | ৪৮০৲ |
| পত্ৰিকাৰ বৰঙণি | ... | ... | ১০০০৲ |
| শাখা সভাৰ বৰঙণি | ... | ... | ৫০০৲ |
| যোৰহাট ডাকঘৰ | ... | ... | ৩৪৭৭৲ |
| গুৱাহাটী " | ... | ... | ৩০০৲ |
| হাতত জমা | ... | ... | ৭৩৮৷৶৬ পাই |
| | | | ১৬,৮৩৭৷৵৬ পাই |

| | | |
|---|---|---|
| ইম্পিৰিয়েল বেঙ্ক অব ইণ্ডিয়া – | ( ডিব্ৰুগড় ) ... | ৫০০০৲ |
| " " শ্বিলং | ( আজীৱন সভ্যৰ পুঁজি ) | ৫০০০৲ |
| গুৱাহাটী পোষ্টেল চাৰ্টিফিকেট | " | ৫০০০৲ |
| " বেঙ্ক জেনেৰেল | ... ... | ১০৬৪৷০ |
| " " | ( আজীৱন সভ্যৰ পুঁজি ) | ১০০২ ৵০ |
| যোৰহাট পোষ্ট অফিচ | ( নবদেৱ পুঁজি ) | ৩৬৪ ⁄০ |
| " " | ( কমলা দেৱীৰ পুঁজি ) | ১১১১ ৶১০ পাই |
| এপেক্স বেঙ্ক, যোৰহাট | " | ২০০০৲ |
| " " | ( চন্দ্ৰ কান্ত সোঁৱৰণী পুঁজি ) | ১৫৫০৲ |

*ব্যয় :— খৰচ :—*

| | | | | | |
|---|---|---|---|---|---|
| (১) | কৰ্ম্মচাৰীৰ দৰ্মহা :— | | | | |
| | কেৰাণী মাহে ৪০৲ হিঃ | | ... | ... | ৪৮০৲ |
| | পুথি ভঁৰালী মাহে ৪০৲ হিঃ | | ... | ... | ৪৮০৲ |
| | চকীদাৰ মাহে ৪৫৲ " | | ... | ... | ৫৪০৲ |
| | অস্থায়ী চকীদাৰ | | ... | ... | ৪০৲ |
| (২) | গুৱাহাটী কাৰ্য্যালয়ৰ ভাৰা :— | | | | |
| | মাহে ২৫ হিঃ | ... | ... | ... | ৩০০৲ |
| (৩) | পুৰস্কাৰ | ... | ... | ... | ৫০০৲ |
| (৪) | পুথি ভঁৰাল | ... | ... | ... | ২৫০৲ |
| (৫) | অনুদান | ( সন্দিকৈ স্মৃতি ভঁৰাললৈ ) | | ... | ৫০০৲ |
| (৬) | জাননী | ... | ... | ... | ১০০৲ |

| | | |
|---|---|---|
| (৭) | ফুলনি ... ... .. | ২৫০৲ |
| (৮) | সন্দিকৈ পুঁজিৰ জলপান ... ... ... | ৫০৲ |
| (৯) | সাধাৰণ ছপা খৰচ ... ... ... | ৩০০৲ |
| (১০) | পুথি প্ৰকাশ ... ... ... | ৫৭৮৫৲ |
| (১১) | মিউনিচিপেল টেক্স ... ... ... | ৯২৲ |
| (১২) | মাটিৰ খাজানা ... ... ... | ৫৭৲ |
| (১৩) | ভ্ৰমণ বানচ ... ... ... | ১৫০০৲ |
| (১৪) | সংগঠন ... ... ... | ১০০০৲ |
| (১৫) | পত্ৰিকা ... ... ... | ৩০০০৲ |
| (১৬) | প্ৰতীক ... ... ... | ১০০৲ |
| (১৭) | বিবিধ ... ... ... | ২১৩৷৶৬ পাই |
| (১৮) | স্মাৰক পত্ৰ ... ... ... | ৩০০৲ |
| (১৯) | কাৰ্য্যালয়ৰ খৰচ :– | |
| | কাগজ, চিয়াহী, ডাক টিকিট আদিৰ বাবে | ৫০০৲ |
| (২০) | কাছাৰ আদিৰ সাহায্য ... ... | ৫০০৲ |
| | | ১৬,৮৩৭৷৶৬ |

## গুৱাহাটীত অসম সাহিত্য সভাৰ ২৪শ অধিবেশন।

*অহা বৰদিনৰ বন্ধৰ ২৬ আৰু ২৭ ডিচেম্বৰত অসম সাহিত্য সভাৰ গুৱাহাটী অধিবেশনৰ প্ৰস্তুতিৰ কাম উলহ-মালহৰ মাজেদি চলিব লাগিছে। ইতিমধ্যে এই উদ্দেশ্যে এটি শক্তিশালী অভ্যৰ্থনা সমিতি গঠন কৰা হৈছে। এই সমিতিৰ সভাপতি ন্যায়াধীশ শ্ৰীযুত হলীৰাম ডেকা, যুটীয়া সম্পাদক ডক্টৰ মহেশ্বৰ নেওগ আৰু শ্ৰীযুত প্ৰবীন ফুকন, কোষাধ্যক্ষ, শ্ৰীযুত শান্তিৰাম লহকৰ নিৰ্ব্বাচিত হৈছে। এই অধিবেশনৰ মূল সভাৰ সভাপতিত্ব কৰিব সুকবি শ্ৰীযুত যতীন্দ্ৰ নাথ দুৱৰা-দেৱে। বুৰঞ্জী আৰু বিজ্ঞান শাখাৰ সভাপতিত্ব কৰিব যথাক্ৰমে ডক্টৰ শ্ৰীযুত বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ডক্টৰ শ্ৰীযুত ৰোহিণী কান্ত বৰুৱা-দেৱে। ২৫ ডিচেম্বৰ ৰাতিপুৱা ৮ বজাৰপৰা বিষয় বাছনি সভা বহিব।*

গুৱাহাটী—
৫।১২।৫৫ ইং।

শ্ৰীঅতুল চন্দ্ৰ হাজৰিকা
প্ৰধান সম্পাদক—
অসম সাহিত্য সভা।



## জন-জাতীয় গ্ৰন্থৰ বাবে বঁটা।

আজি দুবছৰৰ আগতে এখনি উৎকৃষ্ট জন-জাতীয় গ্ৰন্থৰ বাবে এটি ৫০০৲ শ টকীয়া বঁটা ঘোষণা কৰা হৈছিল। সম্প্ৰতি পৰীক্ষক সকলৰ সিদ্ধান্ত অনুসৰি শিলঙৰ শ্ৰীযুত ফণীধৰ শৰ্ম্মা বি-এচ-চি ক তেওঁ লিখা "অসমৰ পৰ্ব্বতীয়া জন-জাতি" নামৰ গ্ৰন্থৰ বাবে এই বঁটা দিবলৈ স্থিৰ কৰা হৈছে। পৰীক্ষকসকল আছিল ডক্টৰ সূৰ্য্য কুমাৰ ভূঞা, শ্ৰীযুত ৰূপনাথ ব্ৰহ্ম, অধ্যাপক মাধৱ চন্দ্ৰ গোস্বামী আৰু শ্ৰীমান প্ৰফুল্ল গোস্বামী। কিতাপখন ছপাব লাগিলে সংশোধনৰ আৱশ্যক হব বুলি পৰীক্ষকসকলে মত দিছে। অহা বছৰেকীয়া মুকলি অধিবেশনত শ্ৰীযুত শৰ্ম্মাক এই বঁটা দিয়া হব।

## পূৰ্ণানন্দ হাজৰিকা পুৰস্কাৰ।

অসম সাহিত্য সভাৰ সম্পাদক শ্ৰীযুত অতুল চন্দ্ৰ হাজৰিকাই জনাইছে যে ইতিপূৰ্ব্বে পূৰ্ণানন্দ হাজৰিকা বঁটাৰ ৫০০৲ শ টকীয়া পুৰস্কাৰ ঘোষণা কৰি শ্ৰীশঙ্কৰ-দেৱৰ পূৰ্ব্বৰ অসমীয়া সমাজ আৰু সংস্কৃতিৰ বুৰঞ্জী নামৰ ২৫০ পিঠীয়া ৰচনাৰ বাবে নিৰ্দ্ধাৰিত সময় উকলি যোৱাত পুনৰ সেই ৰচনা দাখিল কৰাৰ দিন অহা ৩১-৭-৫৬ লৈ বঢ়াই দিয়া হৈছে।

## শাখা সভা সমূহৰ কাৰ্য্যাৱলী।

অসম সাহিত্য সভাৰ শাখা সমূহৰ কাৰ্য্যাৱলী প্ৰধান সম্পাদকৰ যোগেদি আমাৰ হাতত বহুত পলমে আহি পৰাত সেইবিলাক বিস্তাৰিত ভাবে প্ৰকাশ কৰাৰ ইচ্ছা থকাতো সময় আৰু স্থানৰ অভাৱত কৰিব পৰা নহল বাবে বিভিন্ন শাখা সম্পাদক সকলৰপৰা অহা কাৰ্য্য বিৱৰণীৰ সাৰাংশকে প্ৰকাশ কৰা হ'ল।

সম্পাদক—সাহিত্য সভা পত্ৰিকা।

### *যোৰহাট সাহিত্য সভা :–*

যোৱা ২০।৩।৫৫ তাৰিখে বহা বছৰেকীয়া অধিবেশনত শাখা সভাৰ সম্পাদক শ্ৰীযুত টঙ্কেশ্বৰ চলিহাই কাৰ্য্য ভাৰ সোধাই দিয়াত ১৯৫৫। ৫৬ চনৰ কাৰণে নতুন বিষয়-ববীয়া নিৰ্ব্বাচিত হয় আৰু সৰ্ব্বমুঠ ১৭ জন সভ্যৰে এখনি কাৰ্য্য নিৰ্ব্বাহক সমিতি গঠিত হয়। উক্ত সমিতিত শ্ৰীযুত (সকল) দেৱেশ্বৰ শৰ্ম্মা, নকুল ভূঞা, ধীৰেশ্বৰ ভট্টাচাৰ্য্য আৰু ব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰী যথাক্ৰমে সভাপতি, সহঃ সভাপতি, সম্পাদক আৰু সহঃ সম্পাদক নিৰ্ব্বাচিত হয়।

যোৱা ৩১।১০।৫৫ তাৰিখ পৰ্য্যন্ত এই শাখা সভাই বাৰখন আলোচনা সভা আহ্বান কৰাৰ উপৰিও ছখন স্মৃতি সভা বহুৱাইছিল। আলোচনা সভাবিলাকত

বিশিষ্ট বক্তাৰূপে পোৱা শ্ৰীযুত (সকল) গোপালচন্দ্ৰ শৰ্ম্মা বৰুৱা, বেণুধৰ শৰ্ম্মা, আনন্দ বৰুৱা, সতীশ চন্দ্ৰ ৰাজখোৱা, যজ্ঞেশ্বৰ শৰ্ম্মা আৰু চৈয়দ আব্দুল মালিক আদিৰ নাম উল্লেখযোগ্য।

শ্ৰীধীৰেশ্বৰ ভট্টাচাৰ্য্য

সম্পাদক যোৰহাট শাখা।

***সবিতা সভা***, গুৱাহাটী। চলিত বছৰৰ ভিতৰত সবিতা সভাই কেইবাখনিও সোৱৰণী সভা পাতে, তাৰ ভিতৰত স্বৰ্গীয় (সকল) লক্ষ্মীনাথ বেজবৰুৱা, পদ্মনাথ গোহাঞি বৰুৱা, মথুৰামোহন বৰুৱা, বেণুধৰ ৰাজখোৱাদেৱৰ সোৱৰণী সভাই উল্লেখযোগ্য।

সবিতা সভাৰ যোগেদি এই বছৰৰ ভিতৰত দুখন কিতাপ প্ৰকাশ কৰিবলৈ লোৱা হৈছে। (১) জীৱনী মালা প্ৰথম খণ্ড) (২) স্বৰ্গীয় গোহাঞি বৰুৱাৰ সাহিত্য প্ৰতিভা। প্ৰস্তাবিত পুথিৰ প্ৰথম খনিত তাহানিৰ 'আসাম' কাকতৰ সম্পাদক স্বৰ্গীয় কলিৰাম বৰুৱা, সু সাহিত্যিক স্বৰ্গীয় সত্যনাথ বৰা আদিৰ জীৱনী আৰু সাহিত্য প্ৰতিভাৰ চমু আলোচনা যুগুত কৰা হৈছে। দ্বিতীয় খনিত স্বৰ্গীয় পদ্মনাথ গোহাঞি বৰুৱাৰ গদ্য পদ্য নাটকাদিৰ সমালোচনা-মূলক বহুল আলোচনা সন্নিবেশ কৰা হৈছে।

শ্ৰীহৰিচন্দ্ৰ ভট্টাচাৰ্য্য

সম্পাদক - সবিতা সভা।

## তিনিচুকীয়া সাহিত্য সভা :-

তিনিচুকীয়া শাখা সাহিত্য সভা প্ৰথমতে প্ৰতিষ্ঠা কৰিছিল স্বৰ্গীয় গিৰীশ চন্দ্ৰ ৰাই চৌধুৰীদেৱে। যোৱা মহা যুদ্ধৰ বহু পূৰ্ব্বে স্থাপিত হোৱা এই সভাখনিয়ে প্ৰায় বিলাক মূল অধিৱেশনতেই যোগ দান দি আহিছে। যোৱা ২৭।১০।৫৫ তাৰিখলৈকে এই শাখা সভাৰ সভাপতি আছিল শ্ৰীযুত উপেন্দ্ৰ নাথ দত্ত আৰু সম্পাদকৰ কাম যুটীয়া ভাবে চলাইছিল শ্ৰীযুক্ত প্ৰেমধৰ ৰাজখোৱা আৰু শ্ৰীযুক্ত যাত্ৰানাথ বৰুৱাই। তেখেত সকলৰ কাৰ্য্য কালৰ ভিতৰত স্মৃতি সভা, শোক সভা আৰু আলোচনা সভা লৈ মুঠ ১৭খন সভা বহুৱা হৈছিল। আলোচনা সভা সমূহত গল্প কবিতা পাঠ, আকস্মিক বক্তৃতা আৰু বিভিন্ন বিষয়ত তৰ্ক সভাৰ আয়োজন কৰা হৈছিল।

যোৱা ২৭।১১।৫৫ তাৰিখে নিজৰাৰ কবি আৰু প্ৰবীণ নাট্যকাৰ শ্ৰীযুক্ত শৈলধৰ ৰাজখোৱাৰ সভাপতিত্বত তৃতীয় বাৰ্ষিক অধিবেশন সম্পন্ন কৰা হয়। সভ্য সভ্যৰ বাহিৰেও স্থানীয় হিন্দুস্থানী আৰু মাৰোৱাৰী সম্প্ৰদায়ে অতি আগ্ৰহেৰে যোগ দান কৰাটোতেই এই অধিবেশনৰ বৈশিষ্ট্য। পূৰ্ব্বৰ কাৰ্য্যকৰী সমিতিয়ে পদত্যাগ কৰাত শ্ৰীযুক্ত উপেন্দ্ৰ নাথ দত্ত সভাপতি আৰু যোগেন্দ্ৰ নাথ শৰ্ম্মাক সম্পাদকৰূপে লৈ এখন ১১ জনীয়া কাৰ্য্যকৰী সমিতি গঠন কৰা হয় আৰু উক্ত সমিতিক বুদ্ধি পৰামৰ্শ দিবৰ কাৰণে পাঁচ জন উপদেষ্টাও মুকলি সভাই মনোনিত কৰে।

বাক্তিক চৰকাৰৰপৰা পোৱা মাটিত সভাৰ ঘৰ সজাৰ আচনি লোৱা হৈছে আৰু আলোচনা সভাত পঠিত গল্প প্ৰবন্ধৰ পুথি এখন প্ৰকাশ কৰাৰ আয়োজন বৰ্ত্তমান চলিত অৱস্থাত।

শ্ৰীযোগেন্দ্ৰ নাথ শৰ্ম্মা,

সম্পাদক।



## নাজিৰা সাহিত্য সভা :-

বহুকাল মৃত অৱস্থাত থকা নাজিৰা সাহিত্য সভাক পুনৰ্জীবন দান কৰি গ'ল সুসাহিত্যিক শ্ৰীযুক্ত ডিম্বেশ্বৰ নেওগদেৱে যোৱা ৩।৯।৫১ তাৰিখে নাজিৰা শাখা সাহিত্য সভাৰ উদ্যোগত পতা শ্ৰীগুৰু শঙ্কৰৰ তিথি মহোৎসৱত সভাপতিত্ব কৰি। তেতিয়াৰপৰা এই শাখা সভাই পুনৰ্জীবন লাভ কৰিলে আৰু নিয়মিত ভাবে মূল সভালৈ বৰঙণি যোগাই আহিছে। নাজিৰা সাহিত্য সভাৰ পুনৰ্গঠন কাৰ্য্যত বৰঙণি যোগোৱা নিম্ন উল্লেখিত সভাসকলৰ নাম বিশেষ ভাবে উল্লেখযোগ্য।

১। শ্ৰীযুক্ত প্ৰফুল্ল চন্দ্ৰ দত্ত।
২। „ পবন নাথ শৰ্ম্মা।
৩। „ ফণী দত্ত আদিৰ উপৰিও নাজিৰা টাউন কমিটিৰ তেতিয়াৰ ভাইচ চেয়াৰমেন আৰু বৰ্ত্তমান তিনিচুকীয়া শাখা সাহিত্য সভাৰ অন্যতম প্ৰধান উদ্যোক্তা শ্ৰীযুক্ত বুদ্ধধৰ চলিহা ডাঙৰীয়া।

শ্ৰীপ্ৰফুল্ল চন্দ্ৰ দত্ত, - সম্পাদক।

## বৰপেটা সাহিত্য সভা :-

শ্ৰীমন্ত অধ্যয়ন চক্ৰ আৰু বৰপেটা সাহিত্য সেৱীৰ চ'ৰা এই বছৰ বৰপেটা সাহিত্য সভাৰ চামিলে কৰি নতুন কাৰ্য্যকাৰক নিৰ্ব্বাচিত কৰা হয়। শ্ৰীমন্ত অধ্যয়ন চক্ৰই প্ৰকাশ কৰা সাচিপাত নামৰ আলোচনীখন বৰপেটা সাহিত্য সভাই উলিয়াবলৈ স্থিৰ কৰে। শ্ৰীযুক্ত মহেন্দ্ৰ নাথ দাস, সভাপতি, শ্ৰীযুক্ত অমৃত লাল শৰ্ম্মা, সহকাৰী সভাপতি আৰু তিলক দাস সম্পাদক নিৰ্ব্বাচিত হয়।

শ্ৰীতিলক দাস, - সম্পাদক।

## ৰংপুৰ সাহিত্য সভা :-

যোৱা দ্বিতীয় মহাসমৰে বিশ্বৰ বুকুলৈ অনা অস্থিৰ পৰিৱেশৰ প্ৰভাৱত পৰি ৰংপুৰ সাহিত্য সভাও বছৰ চেৰেক নিমাতে আছিল। কিন্তু অমৰণ দুৰবিৰ মৰণ নাই। ৰংপুৰ সাহিত্য সভা উজ্জ্বল ভবিষ্যতৰ প্ৰতিশ্ৰুতি লৈ আকৌ ঠন ধৰি উঠিল। আগৰ শিৱসাগৰ সাহিত্য সভাৰ ঠাইত ৰংপুৰ সাহিত্য সভা হৈ ভাষা সাহিত্যৰ সেৱাত ব্ৰতী হবলৈ ওলাল।

২৯।৯।৫৪ তাৰিখে ৰংপুৰ সাহিত্য সভাৰ প্ৰথম বাৰ্ষিক অধিৱেশন বহে আৰু ৯জন সভ্যৰে এখন কাৰ্য্যকৰী সমিতি পাতি দিয়া হয়। পূৰ্ব্বৰ সম্পাদক শ্ৰীযুত প্ৰিয় বৰবৰাই জিলা এৰি যাব লগীয়া হোৱাত তেখেতৰ ঠাইত শ্ৰীযুত লীলা গগৈক সম্পাদকৰ ভাৰ দিয়া হয়।

যোৱা ১৫।১৬ অক্টোবৰত দুদিনীয়া কাৰ্য্যসূচীৰে ৰংপুৰ সাহিত্য সভাৰ দ্বিতীয় বাৰ্ষিক অধিৱেশন পতা হয়। প্ৰথম দিনা কবি শ্ৰীযুত যতীন্দ্ৰ নাথ দুৱৰা আৰু অধ্যক্ষ পদ্মধৰ চলিহাক সম্বৰ্দ্ধনা জনাবলৈ স্থিৰ কৰা হয়। শাৰীৰিক অসুস্থতাৰ কাৰণে দুৱৰাদেৱ আহিব নোৱাৰাত চলিহাদেৱকেই সম্বৰ্দ্ধনা জনোৱা হয়।

সভাপতি শ্ৰীযুত দেবানন্দ ভৰালীদেৱে তেখেতৰ ভাষণত ভাষা আৰু লিপি বিষয়ক মৌলিক আলোচনাৰে কয় যে লিপি পৰিৱৰ্ত্তনৰ প্ৰস্তাৱ অবাস্তৱ আৰু অদূৰদৰ্শী। তেখেতে কয় যে অসমীয়া লিপি মৌলিক আৰু অতি পুৰণি। ই কাৰোপৰা ধাৰকৰা সম্পত্তি নহয়।

ৰংপুৰ সাহিত্য সভাই অধ্যক্ষ পদ্মধৰ চলিহাই অসমীয়া ভাষা সাহিত্য আৰু ৰংপুৰৰ অৱদান বিষয়ে লিখা পুথি এখন আৰু ৰংপুৰ সাহিত্য সভাৰ মুকলি অধিৱেশনৰ বিভিন্ন বক্তৃতাৰ সাৰাংশ সংগ্ৰহ

কৰি ছপা কৰিবলৈ শ্ৰীযুত ফটিক চলিহাক আহ্বায়ক স্বৰূপে লৈ এখন সমিতি গঠন কৰি দিয়ে।

১৯৫৫। ৫৬ চনৰ বাবে শ্ৰীযুত পদ্মধৰ চলিহাক সভাপতি শ্ৰীযুত ভুৱন চন্দ্ৰ সন্দিকৈ আৰু মুহিবুল হুচেইনক সহকাৰী সভাপতি, শ্ৰীযুত লীলা গগৈক প্ৰধান সম্পাদক পাতি ১৯ জন সভ্যৰে এখন কাৰ্য্যকৰী সমিতি গঠন কৰি দিয়া হয়।

শ্ৰীলীলা গগৈ— সম্পাদক।

### নগাওঁ সাহিত্য সভা :–

নগাওঁ সাহিত্য সভাৰ ফালৰপৰা কেইবাটিও আলোচনা চক্ৰৰ অধিৱেশন বহুৱা হয়। আলোচ্য বিষয় সমূহৰ ভিতৰত অধ্যক্ষ যজ্ঞেশ্বৰ শৰ্ম্মাদেৱৰ সাহিত্য সভাৰ কৰ্ত্তব্য সম্বন্ধে বক্তৃতা, শ্ৰীযুত ৰত্নকান্ত বৰকাকতিদেৱৰ 'সাহিত্যৰ স্বৰূপ' আৰু 'সংস্কৃতি আৰু উপনিষধ' নামৰ দুটি প্ৰবন্ধ, শ্ৰীযুত হৰিপ্ৰসন্ন তামুলি ফুকনদেৱৰ 'পতঞ্জলিৰ যোগপদ্ধতি' সম্বন্ধে বক্তৃতা আৰু অধ্যাপক যজ্ঞেশ্বৰ শৰ্ম্মাদেৱৰ 'গীতাৰ যোগদৰ্পণ' বিষয়ে দিয়া বক্তৃতাই উল্লেখযোগ্য। ইয়াৰ উপৰি এই অধিৱেশনবিলাকত দুটি গল্প আৰু লঘু ৰচনা আদিও পাঠ কৰা হয়।

এইবাৰ কেইবাজনো প্ৰবীণ সাহিত্যিকৰ পৰলোক ঘটে। নগাওঁ শাখা সভাৰ ফালৰপৰা শোক সভা আহ্বান কৰি তেখেতসকলৰ আত্মাৰ সদগতি কামনা কৰি প্ৰাৰ্থনা জনোৱা হয়।

এই সভাই বৰ্ত্তমান এটি প্ৰবন্ধ সংগ্ৰহ আৰু এটি গল্প সংগ্ৰহ প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছে। বৰ্ত্তমান এই সভাৰ সভাপতি শ্ৰীযুত মহীচন্দ্ৰ বৰা, শ্ৰীযুত হৰেশ্বৰ গোস্বামী আৰু শ্ৰীযুত মহিম বৰা হ'ল যুটীয়া সম্পাদক। নগাৰত এটি সাহিত্য সভা ভৱন স্থাপন কৰিবৰ কাৰণে ৰাজহ মন্ত্ৰী শ্ৰীযুত মতিৰাম বৰাৰ কাৰ চপাত তেখেতে এডোখৰ মাটি দিম বুলি আশ্বাস দিয়ে।

শ্ৰীমহিম বৰা
শ্ৰীহৰেশ্বৰ গোস্বামী
যুটীয়া সম্পাদক।

### মঙলদৈ সাহিত্য সভা :—

যোৱা দহ মাহৰ ভিতৰত মঙলদৈ সাহিত্য সভাৰ যোগেদি সৰ্ব্বমুঠ ১৭ খন সভা পতা হয়। তাৰ ভিতৰত বাৰখন আছিল মৃত্যু তিথি আৰু মহাপুৰুষসকলৰ তিথিৰ উপলক্ষে আহ্বান কৰা সোৱৰণী সভা আৰু তিনিখন আছিল শোক সভা বাকী দুখন হৈছিল বিশেষ অধিৱেশন। এই সভাই মঙলদৈ অঞ্চলৰ স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এখনি ৰচনা প্ৰতিযোগিতাৰ আয়োজন কৰিছে। স্বৰ্গীয় দণ্ডিনাথ কলিতাদেৱৰ ৰাঙ্গ সাহিত্যৰ বিষয়ে শ্ৰেষ্ঠ ৰচনা লিখকৰ প্ৰতি মঙলদৈৰ উৎসাহী সাহিত্যিক শ্ৰীযুত ভদ্ৰকান্ত শৰ্ম্মাই এটি বঁটা ঘোষণা কৰিছে।

শ্ৰীভৱানন্দ ৰাজখোৱা
সম্পাদক।

### কহিমা সাহিত্য সভা :

যোৱা ১৮।৭।৫৫ তাৰিখে অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ সভ্য শ্ৰীযুত ভৱানন্দ ৰাজখোৱাদেৱৰ আপ্ৰাণ-শুধীয়া যত্নত কহিমাত অসম সাহিত্য সভাৰ এখনি শাখা সভা স্থাপিত হয়। শ্ৰীযুত ইন্দিবৰ গগৈ, বি এ, দেৱক শাখাৰ সভাপতি আৰু শ্ৰীযুত বাচা বৰুৱাক শাখাৰ সম্পাদক পদত নিৰ্ব্বাচিত কৰা হয়। পৰ্ব্বত ভৈয়ামৰ সম্প্ৰীতিৰ মাজেদি অসমীয়া ভাষা, কৃষ্টিৰ উন্নতিৰ অৰ্থে আৰু পৰ্ব্বতীয়া ভাইসকলৰ অপ্ৰকাশিত গীত-পদ, সাধুকথা আদিৰ প্ৰচাৰৰ অৰ্থে চেষ্টা কৰাই এই সভাৰ মুখ্য উদ্দেশ্য। এই সভাৰ যোগেদি তিনি মহীয়া আলোচনী এখন প্ৰকাশ কৰিবলৈ চেষ্টা কৰা হৈছে। ইয়াৰ বাহিৰেও মহাপুৰুষসকলৰ তিথি আদিও সভাৰ যোগেদি পালন কৰা হয়। বৰ্ত্তমান চালুকীয়া অৱস্থাত থকা এই সভাই পৰ্ব্বতীয়া ভাইসকলক সভাৰ অন্তৰ্ভূক্ত কৰিবলৈ আগ বাঢ়িছে।

শ্ৰীবাচালাল বৰুৱা, সম্পাদক,
কহিমা সাহিত্য সভা।

### জাঁজী সাহিত্য সভা :–

বহুত বছৰ গুপ্তাৱস্থাত থকা জাঁজী শাখা সাহিত্য সভাখনি পুনৰ ঠন ধৰি উঠিল ১৯৫৪ চনত, কিন্তু সেই বছৰ নিৰ্দ্দিষ্ট সময় উকলি যোৱাত "অসম সাহিত্য সভাৰ" অন্তভূক্তি ল'ব পৰা নহল। স্বীকৃত সভা ৰূপেই যোৰহাটত বহা প্ৰাদেশিক অধিৱেশনত প্ৰতিনিধিত্ব কৰি এই এবছৰ কাল সুচাৰুৰূপে কাম কৰা হ'ল। এই শাখাৰ সভাপতি হ'ল কবি শ্ৰীযুত বিনন্দচন্দ্ৰ বৰুৱা, যুটীয়া সম্পাদক হ'ল শ্ৰীযুত কোমেশ্বৰ বৰঠাকুৰ আৰু শ্ৰীযুত পুণ্যমোহন গোহাঞি বৰুৱা। এই শাখাৰ অধ্যয়ন চক্ৰৰ যোগেদি আধুনিক অসমীয়া সাহিত্য, পুৰণি অসমীয়া সাহিত্য, অসমীয়া সাহিত্যৰ ফকৰা যোজনাৰ স্থান, অসমীয়া সঙ্গীত, বেজবৰুৱা সাহিত্য আদি বিষয়বোৰ আলোচনা কৰি সৰ্ব্বসাধাৰণৰ মাজত প্ৰেৰণা যোগাবলৈ যত্ন কৰা হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ৰচনা, কবিতা, চুটি গল্প আদিৰ প্ৰতিযোগিতা পাতি শ্ৰেষ্ঠ স্থান লাভ কৰোঁতা সকলক পুৰস্কৃত কৰি সাহিত্য ক্ষেত্ৰত আগ বাঢ়িবলৈ উছাহ উদগনি দি অহা হৈছে।

এই শাখা সভাই পুথি প্ৰকাশৰ ফালেও চকু দিছে আৰু শ্ৰীযুত কোমেশ্বৰ বৰঠাকুৰৰ কবিতা পুথি "জীৱন জ্যোতি" আৰু সামাজিক উপন্যাস "নতুন-সংসাৰ" ছাপা কৰাত এই শাখাৰ অৱদান যথেষ্ট।

শ্ৰীকোমেশ্বৰ বৰঠাকুৰ
সম্পাদক।

### মনিপুৰ অসমীয়া সাহিত্য সভা :—

যোৱা ১৬।৭।৫৫ তাৰিখে অসম সাহিত্য সভাৰ কাৰ্য্য নিৰ্ব্বাহক সমিতিৰ অন্যতম সভ্য শ্ৰীযুক্ত ভৱানন্দ ৰাজখোৱাদেৱৰ উদ্যোগত সাহিত্য সভাৰ এখনি শাখা স্থাপন কৰা হয়। শাখা স্থাপনৰ উদ্দেশ্য বৰ্ণনা কৰি শ্ৰীযুক্ত পূৰ্ণলাল দাস ডাঙৰীয়াই ঘোষণা কৰে যে মনিপুৰত অসমীয়া ভাষা, সাহিত্য আৰু কৃষ্টি প্ৰচাৰ আৰু প্ৰসাৰৰ কাৰণে আৰু মনিপুৰৰ স্থানীয় ভাষা কৃষ্টিৰ যোগেদি পৰস্পৰ আদান প্ৰদানৰ উদ্দেশ্যে এই শাখাই যত্ন কৰিব।

যোৱা ১৪।৮।৫৫ তাৰিখৰ সভাত বিষয়ববীয়া সকল নিৰ্ব্বাচন কৰা হয়। সেই সভাৰ সিদ্ধান্ত মতে শ্ৰীযুক্ত পূৰ্ণলাল দাস সভাপতি আৰু শ্ৰীযুক্ত প্ৰফুল্ল বৰদলৈ সম্পাদক নিৰ্ব্বাচিত হয়। উক্ত সভাত অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক শ্ৰীযুক্ত অতুলচন্দ্ৰ হাজৰিকাদেৱে দান স্বৰূপে পঠোৱা ১৮ খন পুথিৰে আৰম্ভ কৰি মনিপুৰত এটি অসমীয়া পুথি ভঁৰাল স্থাপন কৰিবলৈ স্থিৰ কৰা হয়। এইবাৰ শাখা সভাৰ যোগেদি মনিপুৰত সৰ্ব্বপ্ৰথম বাৰৰ কাৰণে মহাপুৰুষ সকলৰ তিথি আৰু শ্ৰীকৃষ্ণৰ জন্ম মহোৎসৱ সমাৰোহেৰে পালন কৰা হয়।

আমাৰ এই চালুকীয়া পুথি ভঁৰাললৈ শ্ৰীযুক্ত (সকল) ব্ৰজেন্দ্ৰ চন্দ্ৰ বৰপূজাৰীদেৱে

৪ খন, কৃষ্ণ প্ৰসাদ বৰঠাকুৰদেৱে ৪ খন, প্ৰেমধৰ ৰাজখোৱাদেৱে ১৬ খন আৰু বৰকটকী কোম্পানীয়ে ১০ খন পুথি দান স্বৰূপে আগ বঢ়োৱাত সভাই তেখেত সকলৰ শলাগ লয়।

শ্ৰীপ্ৰফুল্ল বৰদলৈ—সম্পাদক।

## শুৱালকুছি জ্যোতি সাহিত্য সভাঃ--

এই নৱ প্ৰতিষ্ঠিত শাখা সভা খনিৰ নাম জ্যোতি সাহিত্য সভা ৰখা হয় আৰু যোৱা ২০ চেপ্তেম্বৰ তাৰিখৰ ৰাজহুৱা সভাৰ সিদ্ধান্ত মতে শ্ৰীযুক্ত হৰমোহন কাকতি আৰু শ্ৰীযুক্ত ভগৱান মড়ল দেৱক যথাক্ৰমে সভাপতি আৰু সম্পাদক নিৰ্ব্বাচন কৰা হয়। এই কম সময়ৰ ভিতৰতে জ্যোতি সাহিত্য সভাই এটি উন্নত ধৰণৰ পুথি ভড়াল সহ এখনি "অধ্যয়ন চক্ৰ" পাতি ৰাইজৰ অন্তৰত জ্ঞান স্পৃহা সজাগ কৰিবৰ কাৰণে অহো পুৰুষাৰ্থ কৰিছে। আৰু লগতে শুৱালকুছি অঞ্চলৰ এখনি বুৰঞ্জী সঙ্কলনৰ বাবেও দিহা কৰিছে।

যোৱা ১৩ নবেম্বৰ তাৰিখে অধ্যাপক শ্ৰীযুক্ত অতুল চন্দ্ৰ হাজৰিকা দেৱৰ সভাপতিত্বত আৰু অধ্যাপক শ্ৰীযুক্ত প্ৰমোদ ভট্টাচাৰ্য্যৰ আতিথ্যত মহা সমাৰোহ আৰু বিপুল উছাহ উদ্দীপনাৰ মাজত নানা তৰহৰ দীঘলীয়া কাৰ্য্যসূচীৰে এই শাখা সভাৰ প্ৰথম বছেৰেকীয়া অধিবেশন সম্পন্ন কৰা হয়।

শ্ৰীভগৱান মড়ল সম্পাদক।

## ধুপধৰা শাখা সাহিত্য সভা ঃ—

গোৱালপাৰা জিলাৰ এই অতি পিচপৰা অঞ্চলত অসম সাহিত্য সভাৰ প্ৰথম আলোক ৰেখাপাত হয় যোৱা ১৬।৭।৫৫ তাৰিখে ধুপধৰা মিলন সঙ্ঘৰ ভৱনত। গোৱালপাৰা জিলাৰ বঙ্গভুক্তিৰ দাবী প্ৰতিক্ৰিয়া বিলাকৰ ভিতৰত এই প্ৰচেষ্টাকো ধৰি লোৱাটো যুগুত হব।

১০।৮।৫৫ তাৰিখে এখন ডাঙৰ সভা আহ্বান কৰা হয় আৰু এই সভাতেই শাখা সাহিত্য সভাৰ সভাপতি আৰু সম্পাদকক লৈ এঘাৰ জন সভ্যৰে এখনি কাৰ্য্যনিৰ্ব্বাহক সমিতি গঠিত হয়। এই শাখাৰ উদ্যোগত যোৱা ২৬।৯।৫৫ তাৰিখে শ্ৰীশঙ্কৰদেৱৰ তিথি পালন কৰা হয়।

শ্ৰীঅনন্ত কুমাৰ দাস—সম্পাদক।

## নলবাৰী সাহিত্য সমাজ ঃ—

১৯৪৫ চনতে স্থাপিত হোৱা নলবাৰী সাহিত্য সমাজে প্ৰতি মাহে মাহে একোখন সাধাৰণ অধিবেশন পাতি কোনো এটা গধুৰ বিষয়ৰ ৰচনা পাঠ কৰা আৰু তাৰ ওপৰত আলোচনা চলোৱা কাৰ্য্য ভালে কেইটি বছৰ চলাই আহিছে। তাৰ উপৰিও উক্ত সমাজে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীক চুটি গল্প, কবিতা, ৰচনা, প্ৰবন্ধাদি লিখি পাঠ কৰিবলৈ সুবিধা দি কোমলমতি ছাত্ৰ সমাজৰ সাহিত্য চৰ্চ্চালৈ আগ্ৰহ বঢ়াই তুলিছে। এই সভাৰ এটি সঙ্গীত শাখাও আছে। এই শাখাটো সম্প্ৰতি অসম সঙ্গীত সম্মিলনৰ শাখা হিচাপে পৰিগণিত হৈছে। সঙ্গীত শাখাৰ যোগেদি নলবাৰী সাহিত্য সমাজে ভাওনা, গান, অভিনয় আদিৰ উৎকৰ্ষ সাধনত আত্ম নিয়োগ কৰিছে। এই শাখাৰ সৌজন্যত যোৱা বছৰ এখনি বিৰাট কৃষ্টি প্ৰদৰ্শনী অনুষ্ঠিত হয়। এই প্ৰদৰ্শনীৰ যোগেদি অসমীয়া সংস্কৃতিৰ বিভিন্ন অংশবোৰ প্ৰদৰ্শিত কৰিবলৈ চেষ্টা কৰা হয়। চাৰিদিন ব্যাপি হোৱা এই প্ৰদৰ্শনীয়ে অসমীয়া সংস্কৃতিৰ বিভিন্ন ৰূপ প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল।

যোৱা বছৰ এই সভা অসম সাহিত্য সভাৰ স্বীকৃত সভা হিচাপে পৰিগণিত হয়। এইবাৰ এই সভা অসম সাহিত্য সভাৰ শাখা সভাত পৰিণত হৈছে।

শ্ৰীউমাকান্ত শৰ্ম্মা
সম্পাদক।

## উত্তৰ গুৱাহাটী সাহিত্য সভা ঃ—

১৯৫৩ চনত প্ৰতিষ্ঠিত উক্ত শাখাখনিয়ে অতি কম সময়ৰ ভিতৰতে ভালেমান লেখত ল'ব লগীয়া কাম কৰিবৰ বাবে সক্ষম হৈছে। এই শাখা সভাৰ সৌ গ্যত স্থাপিত হোৱা আলোচনা চক্ৰৰ বছৰটোৰ ভিতৰত কেবা খনিও অধিবেশন পাতি তাত সাহিত্য সম্পৰ্কীয় আলোচনাৰ উপৰিও কবিতা, চুটি গল্প, হাস্যৰসমূলক ৰচনা আদি পাঠ কৰোৱাৰ আয়োজন কৰা হয়। ৺লক্ষ্মীনাথ বেজবৰুৱা, ৺চন্দ্ৰকুমাৰ আগৰৱালা আদি চিৰস্মৰণীয় কবি সাহিত্যিকসকলৰ সোঁৱৰণী দিন পালন কৰাৰ উপৰিও সাহিত্য সেৱী ৺জ্ঞানদাভিৰাম বৰুৱা, ৺দণ্ডিনাথ কলিতা ৺বেণুধৰ ৰাজখোৱাৰ মৃত্যুত শোকসভা পাতি মৃতকসকলৰ আত্মাৰ সদগতি কামনা কৰা হয়। এই শাখা সভাই এটি জীৱন চৰিত ছিৰিজ প্ৰকাশৰ প্ৰচেষ্টা ব্যাপক ভাবে চলাইছে। চলিত বছৰত সভাৰ উদ্যোগত শ্ৰীৰমেশচন্দ্ৰ বৰকাকতীয়ে লিখা সোণাৰাম চৌধুৰীৰ জীৱনীখনিৰ প্ৰকাশ কাৰ্য্য সম্পাদিত হৈছে। এই ছিৰিজলে প্ৰথম পুথি " ভাষাবিদ কালীকান্ত কাকতী " নামৰ জীৱনী খনিৰ দ্বিতীয় তাঙৰণ সম্প্ৰতি ছাপাশালত দিয়া হৈছে।

ভোগালী বিহু উপলক্ষে সভাৰ যোগেদি এখনি আকৰ্ষণীয় সঙ্গীত সম্মিলনৰো আয়োজন কৰা হৈছিল।

শ্ৰীদুৰ্গেশ্বৰ শৰ্ম্মা
শ্ৰীবলীন্দ্ৰ কুমাৰ বৰদলৈ
যুটীয়া সম্পাদক।

## ডিমৌ সাহিত্য সভা ঃ—

এই বছৰ ডিমৌ সাহিত্য সভাৰ সময়ে সময়ে বৈঠক বহি, সাহিত্যিকৰ মৃত্যুত শোক প্ৰকাশ কৰা (৺দণ্ডিনাথ কলিতা, ৺বেণুধৰ ৰাজখোৱা) মহাপুৰুষ শ্ৰীশঙ্কৰদেৱ আৰু মাধৱদেৱৰ তিথি পালন কৰা..তেৰা সবৰ চৰিত্ৰ আৰু সাহিত্য চৰ্চ্চা কৰা, সাহিত্যিকৰ (৺লক্ষীনাথ বেজবৰুৱা) সাহিত্য আলোচনা কৰা আদি কাৰ্য্য সুকলমে সম্পাদন কৰা হয়। অতি শীঘ্ৰে সাহিত্য সভাৰ এটি স্থায়ী কাৰ্য্যালয় আৰু এটি পুথি ভঁৰাল স্থাপন কৰিবলৈকো কাম হাতত লোৱা হয়।

সভ্যসকলৰ নাম সহ সভাৰ উদ্দেশ্য আৰু কাৰ্য্যকৰী পন্থাৰ আচনি উল্লেখ কৰি বহুল প্ৰচাৰৰ অৰ্থে এখনি প্ৰচাৰ পত্ৰও প্ৰকাশ কৰা হয়।

শ্ৰীমোহন ৰাম শইকীয়া
সম্পাদক।
ডিমৌ সাহিত্য সভা।

## উত্তৰ লক্ষীমপুৰ সাহিত্য সভা ঃ—

যোৱা বছৰ ৰসৰাজ বেজবৰুৱাদেৱৰ মৃত্যু তিথি পালন কৰা হয়;— বেজবৰুৱা সাহিত্যৰ আলোচনা পূৰ্ণ ৰচনা আদিৰে। আহাৰৰ এক তাৰিখে " মেঘদূত উৎসৱ " কলা সুলভ পৰিবেশৰ মাজত পালন কৰা হয়— কালিদাস আৰু মেঘদূতৰ আলোচনা পূৰ্ণ ৰচনা পাঠ আৰু ভাষণ হয়। এই সভাৰ বছেৰেকীয়া অধিবেশন ২৭ নবেম্বৰত পতাৰ

আয়োজন হৈছিল। বিশেষ অসুবিধাত ডিচেম্বৰলৈ স্থগিত ৰখা হৈছে। আমাৰ সভাৰ আলোচনা চক্ৰ পাতি সাহিত্য-সংস্কৃতি সম্বন্ধীয় আলোচনা ২। ৩ বাৰ কৰা হৈছে।

শ্ৰীশিৱনাৰায়ণ শাস্ত্ৰী
সম্পাদক।

## হাইলাকান্দি সাহিত্য সভা ঃ—

এই বছৰ এই সভাৰ কাম পূৰ্ণ উদ্যমে চলিব লাগিছে। যোৱা বছৰ এই সভা অসম সাহিত্য সভাৰ স্বীকৃত সভা আছিল। এই বছৰ শাখা সভা হিচাপে পৰিগণিত হৈছে। এই সভাৰ যোগেদি এই বছৰ জ্যোতি প্ৰসাদ আগৰৱালা, কালিৰাম মেধি আদিৰ মৃত্যু দিৱস পালন কৰা হৈছে। চৰকাৰৰপৰা দুকঠা মাটি বিচৰা হৈছে—সভাৰ স্থায়ী কাৰ্য্যালয় নিৰ্ম্মাণৰ বাবে। ইতিমধ্যে স্থায়ী কাৰ্য্যালয় সজাৰ আঁচনি হাতত লোৱা হৈছে। সভাৰ পুথি ভঁৰালৰ বাবে সাহিত্য সভাৰ ৫০৲ পঞ্চাশ টকা দান আৰু সম্পাদক শ্ৰীঅতুলচন্দ্ৰ হাজৰিকাৰ পৰা ব্যক্তিগত দান স্বৰূপে দেৰ শ খন কিতাপ পোৱা হৈছে।

শ্ৰীআব্দুল কাহিৰ লস্কৰ
সম্পাদক
হাইলাকান্দি সাহিত্য সভা।

## নিতাই পুখুৰী সাহিত্য সভা ঃ -

এই শাখাখনি যোৱা বছৰেই গঠন কৰা হয়। যথা সময়ত মূল সভাৰ অন্তৰ্ভুক্ত হ'ব নোৱাৰাৰ কাৰণে স্বীকৃত সভাৰূপেই যোৰহাট অধিৱেশনলৈ প্ৰতিনিধি পঠায়। যোৱা বছৰ ১০।১২।৫৪ তাৰিখে শ্ৰীযুত হৰিপ্ৰসাদ শৰ্ম্মাদেৱৰ সভাপতিত্বত প্ৰথম অধিৱেশন বহে আৰু শ্ৰীযুত সাধিৰাম শইকীয়া আৰু শ্ৰীযুত দুৰ্গেশ্বৰ বৰুৱা যথাক্ৰমে সভাপতি আৰু সম্পাদক নিৰ্ব্বাচিত হয়। ৫।১।৫৫ তাৰিখে শ্ৰীযুত নবীন চন্দ্ৰ গগৈদেৱৰ সভাপতিত্বত এই সভাৰ দ্বিতীয় অধিৱেশন বহে। উক্ত সভাত সম্পাদকে দাখিল কৰা হিচাপ হিচাপ-পৰীক্ষকৰ অনুমোদন সাপেক্ষে গ্ৰহণ কৰা হয়। এই সভাতে সম্পাদক শ্ৰীযুত দুৰ্গেশ্বৰ বৰুৱাই চৰকাৰী কামত এই ঠাই এৰিব লগীয়া হোৱাত শ্ৰীযুত ফুলেশ্বৰ দত্ত-দেৱক সম্পাদকৰ ভাৰ দিয়া হয় কিন্তু সেই একে কাৰণতে দত্তদেৱেও নিতাই পুখুৰী এৰি যাব লগীয়া হোৱাত যোৱা ২২ ৫।৫৫ তাৰিখৰ সভাত শ্ৰীযুত ফণীধৰ লাহনদেৱক সম্পাদক পতা হয়।

## মঙ্গলদৈ সুৰভি সমাজ ঃ—

সুৰভি সমাজে চলিত বছৰত নিয়মীয়া পষেকীয়া অধিৱেশনৰ বাহিৰে দুটা উল্লেখ-যোগ্য কাম কৰিছে, এটা বৰ্ষা অধিৱেশন আৰু আনটো "সুৰভি" নামেৰে প্ৰকাশ কৰা সঙ্কলনটি। নিয়মীয়া অধিৱেশনত সদস্য সকলৰ দ্বাৰা গল্প, কৱিতা আদিৰ উপৰিও গদ্যৰ প্ৰবন্ধ পাতিও পাঠ কৰা আৰু আলোচনা কৰা হয়।

বৰ্ষা অধিৱেশনত সভাপতিত্ব কৰিছিল মহকুমাধিপতি শ্ৰীযুত কুসুম কুমাৰ ফুকন, বি-এল ডাঙৰীয়াই। নিৰ্দ্দিষ্ট বক্তা আৰু প্ৰবীণ অতিথি আছিল শ্ৰীযুত দেৱেন্দ্ৰ নাথ ভট্টাচাৰ্য্য আৰু অধ ক্ষ মনোৰঞ্জন শাস্ত্ৰী।

সমাজৰ নিৰ্দ্দেশমতে বিভিন্ন অধিৱেশনত পঠিত প্ৰবন্ধৰপৰা নিৰ্ব্বাচন কৰি সুৰভি সম্পাদন কৰি উলিয়ায় প্ৰভাত গোস্বামী, কৰুণা শৰ্ম্মা আৰু ইব্ৰাহিম আলিয়ে।



## আঞ্চলিক শাখা সাহিত্য সভা, বেবেজীয়া ঃ—

বেবেজীয়া অঞ্চলৰ সাহিত্যানুৰাগী লোক সকলৰ তৎপৰতাত এই আঞ্চলিক শাখা সভা স্থাপন কৰা হয় যোৱা ২০ জুন তাৰিখে আৰু সোতৰ জন সভ্যৰে এখন কাৰ্য্য-নিৰ্ব্বাহক সমিতি গঠন কৰা হয়। শ্ৰীযুত জুৰসিং ডেকা, শ্ৰীযুক্ত পোৱল চন্দ্ৰ গোস্বামী আৰু শ্ৰীযুক্ত ৰোহিত চন্দ্ৰ বেজ-বৰুৱা এই আঞ্চলিক শাখা সাহিত্য সভাৰ যথাক্ৰমে সভাপতি, সহঃ সভাপতি আৰু সম্পাদক নিৰ্ব্বাচিত হয়। এই শাখাই এটি স্থায়ী অধ্যয়ন চক্ৰ গঠন কৰে আৰু কাৰ্য্য পৰিচালনা কৰিবলৈ শ্ৰীযুত মতিৰাম কাকতি ডাঙৰীয়াক সম্পাদক পাতি এটি শাখা কমিটি গঠন কৰা হয়। ১২।১১।৫৫ তাৰিখে স্থানীয় হাইস্কুল প্ৰাঙ্গণত শ্ৰীযুত মহিচন্দ্ৰ বৰা ডাঙৰীয়াৰ সভাপতিত্বত ইয়াৰ মুকলি অধিৱেশন সম্পন্ন কৰা হয়। উক্ত সভাত স্থানীয় হাইস্কুলৰ শিক্ষক শ্ৰীযুত প্ৰফুল্ল চন্দ্ৰ হাজৰিকাই তেখেতৰ স্বৰ্গীয় পিতৃদেৱতাৰ সোঁৱৰণত এই অঞ্চলৰ লিখক সকললৈ শিশুৰ উপযোগী শ্ৰেষ্ঠ চুটি গল্পৰ পুথি এখনিৰ বাবে দু শ টকাৰ এটি বঁটা আগ বঢ়াইছে।

শ্ৰীৰোহিত চন্দ্ৰ বেজবৰুৱা
সম্পাদক।

## হাজো আঞ্চলিক সাহিত্য সভা ঃ—

যোৱা ১৭ চপ্তেম্বৰ তাৰিখে হাজো আঞ্চলিক সাহিত্য সভাৰ প্ৰথম সাধাৰণ সভা শ্ৰীকালী প্ৰসাদ শৰ্ম্মা বি, এল ডাঙৰীয়াৰ সভাপতিত্বত গেৰুৱা প্ৰাইমেৰী স্কুলত বহে। সভা আৰম্ভণিৰ লগে লগে সভাৰ সম্পাদক শ্ৰীগোবিন্দ মহন্তই অসম সাহিত্য সভাৰ চমু বিৱৰণী এটি দাঙি ধৰে আৰু আঞ্চলিক সাহিত্য সভাৰ দায়িত্ব আৰু ইয়াৰ দ্বাৰা মূল সভাৰ উপকাৰিতা সম্বন্ধে বুজাই দিয়ে। এই সভাই এখন কাৰ্য্যকৰী কমিটি গঠন কৰি শ্ৰীকালী প্ৰসাদ শৰ্ম্মাক সভাপতি আৰু শ্ৰীগোবিন্দ চন্দ্ৰ মহন্তক সম্পাদকৰ বাব দিয়ে।

শ্ৰীগোবিন্দ চন্দ্ৰ মহন্ত—সম্পাদক।

## গোলাঘাট সাহিত্য সভা ঃ—

গোলাঘাট সাহিত্য সভাৰ এতিয়ালৈকে পোৱা কাগজ পত্ৰাদিৰ পৰা জানিব পৰা গৈছে যে, ১৯২১ চনৰ পৰা ১৯৩৯ চন পৰ্য্যন্ত গোলাঘাট শাখা সাহিত্য সভাৰ যাবতীয় কাৰ্য্য কলাপ সুদক্ষ আৰু আন্ত-ৰিকতাপূৰ্ণ সুনিপুণ কৰ্ম্মী সাহিত্যিক সকলৰ যত্নত আৰু চেষ্টাত সুচাৰু ৰূপেই পৰিচালিত হৈছিল। কোনো অজ্ঞাত কাৰণত গোলাঘাট শাখা সাহিত্য সভাৰ ক্ৰমে চিনচাপ নোহোৱা হৈ যোৱাৰ সুদীৰ্ঘ কেইবছৰ মানৰ পিচত শ্ৰদ্ধেয় শ্ৰীযুত দীনেশ্বৰ দত্তদেৱৰ পৰা পোৱা খা-খবৰৰ দ্বাৰাই জানিব পাৰি ১৯৫৩ চনৰ অসম সাহিত্য সভাৰ শিলং অধিৱেশনৰ আগতে পুনৰ সভ্যভুক্ত কৰি সভা পুনৰ সংগঠন কৰা হয়। এই বছৰ শাখা সভাৰ নপুৰণি কিছু সংখ্যক সভ্য ভুক্ত কৰি নতুন শাখা সমিতি গঠন কৰি কাৰ্য্যভাৰ চলাবলৈ স্থিৰ কৰা হয়। গোলাঘাট টাউন হাইস্কুলকে কেন্দ্ৰ কৰি গোলাঘাটত সাহিত্য চৰ্চ্চাৰ পৰিসৰ বৃদ্ধিৰ অৰ্থে প্ৰতি মাহে স্থানীয় সাহিত্যানুৰাগী, ছাত্ৰ, যুবক, শিক্ষাবিদ লোকসকলৰ সমাবেশৰ ব্যৱস্থা হাতত লোৱা হৈছে।

শ্ৰীঅযোধ্যা প্ৰসাদ গোস্বামী,
সম্পাদক।

### দেৰগাওঁ সাহিত্য সভা :

২৬।৩।৫৫ তাৰিখে দেৰগাওঁ হাই-স্কুলত শ্ৰীযুত চাৰু চন্দ্ৰ শাস্ত্ৰী মহোদয়ৰ সভাপতিত্বত বেজবৰুৱা স্মৃতি-বাৰ্ষিকী পালন কৰা হয়। সেই সভাতেই স্বৰ্গীয় জ্ঞানদাভিৰাম বৰুৱাৰ মৃত্যুত শোক প্ৰকাশ কৰা হয়।

১৭।৫।৫৫ তাৰিখে স্থানীয় বাপুজী মন্দিৰত শ্ৰীপ্ৰফুল্ল ঠাকুৰ বি, এ মহোদয়ৰ সভাপতিত্বত অসমীয়া ভাষা সাহিত্যৰ গুৰু ৺হেমচন্দ্ৰ বৰুৱাৰ স্মৃতি দিৱস পালন কৰা হয়।

লব্ধ প্ৰতিষ্ঠ সাহিত্যিক দণ্ডিনাথ কলিতা আৰু বেণুধৰ ৰাজখোৱাৰ পৰলোকত দুখনি শোক সভা অনুষ্ঠিত হয়।

মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱৰ আৱিৰ্ভাৱ তিথি নানা কাৰ্য্য সূচীৰ মাজেদি পালন কৰা হয়। এই সভাত সভাপতিত্ব কৰে অসমৰ সু-সাহিত্যিক আৰু কলাবিদ শ্ৰীইন্দ্ৰেশ্বৰ বৰঠাকুৰ মহোদয়ে।

শ্ৰীৰবীন্দ্ৰ নাথ হাজৰিকা
সম্পাদক
দেৰগাওঁ সাহিত্য সভা।

### অভয়াপুৰী সাহিত্য সভা :-

এই বছৰত কাৰ্য্য নিৰ্ব্বাহক কমিটিৰ এখন অধিবেশন বহিছে। যোৱা বছৰতকৈ এই বছৰত সভ্যসকলৰ কাৰ্য্যতৎপৰতা বেচি পৰিমাণে পৰিলক্ষিত হৈছে। আশা কৰা যায় এই বছৰত গুৱাহাটীত বহিব লগা অসম সাহিত্য সভাৰ বছেৰেকীয়া অধিবেশনত যোগ দিবলৈ এই সভাই প্ৰতিনিধি পঠাবলৈ সক্ষম হ'ব। এই সভাৰ সম্পাদকে গোৱালপাৰা জিলাৰ সাহিত্য বুৰঞ্জী শিতানত এটি প্ৰবন্ধ-পুস্তিকা আকাৰে ছপাবলৈ গোৱালপাৰা জিলাৰ সাহিত্য সভাৰ সম্পাদক শ্ৰীদেৱেন্দ্ৰ চন্দ্ৰ দাস ডাঙৰীয়াক দিছে। এই জিলাৰ প্ৰবীণ সাহিত্যিক ৺অমৃত ভূষণ অধিকাৰী, ৺নগেন্দ্ৰ নাৰায়ণ চৌধুৰী ৺প্ৰভাত চন্দ্ৰ অধিকাৰী, শ্ৰীসীতানাথ ব্ৰহ্ম চৌধুৰী, শ্ৰীশশী ভূষণ বৰ্ম্মা মৌজাদাৰ, শ্ৰীসুৰেন্দ্ৰ মোহন দাস এম, এ দেৱসকলৰ চমু জীৱনী সংগ্ৰহ কৰিবলৈ যোজা কৰা হৈছে। এই জিলাৰ বুৰঞ্জীমূলক ঘটনাৰে ভৰপূৰ কিছুমান ঠাইৰ তথ্য সংগ্ৰহ কৰিবলৈ আগ বাঢ়িছে। মাহেকৰ মূৰত একোখন অধিবেশন পাতি প্ৰবন্ধাদি পাঠ আৰু আলোচনাৰ কাম হাতত লৈছে।

এম, মফিজুদ্দিন আহমদ
সম্পাদক।

### চাৰিগাওঁ মৌজা সাহিত্য সভা :—

এই শাখা সভাৰ জন্ম হয় মাত্ৰ যোৱা ১৭ চেপ্তেম্বৰ তাৰিখে। এই তাৰিখে বহা সাহিত্যানুৰাগীসকলৰ এখন ৰাজহুৱা সভাত "চাৰি গাওঁ মৌজা সাহিত্য সভা" গঠন কৰা হয় আৰু শ্ৰীবংশীধৰ বৰুৱা, শ্ৰীসিদ্ধেশ্বৰ তামুলী আৰু শ্ৰীডম্বৰুধৰ মেধিক যথাক্ৰমে সভাপতি, সহঃ সভাপতি আৰু সম্পাদক নিৰ্ব্বাচিত কৰা হয়।

এই সভাৰ উদ্যোগত প্ৰথম প্ৰচেষ্টা হিচাপে এখনি বৈঠক যোৱা ১৮ অক্টোবৰৰ দিনা অনুষ্ঠিত হয়।

সাহিত্য আৰু কৃষ্টিকলা বিষয়ৰ সময়োপযোগী আলোচনাৰ যোগেদি উঠি অহা শিক্ষাৰ্থীসকল আৰু সাহিত্যানুৰাগীসকলক যুগৰ সাহিত্য আৰু কৃষ্টি কলাৰ লগত খোজ মিলাই আগ বাঢ়িবলৈ সুবিধাৰ যোগান ধৰিবৰ কাৰণে এই সাহিত্য সভাই চেষ্টা কৰিছে। তদুপৰি এই সভাৰ পক্ষৰপৰা এখনি শিশু আলোচনী প্ৰকাশৰ পৰিকল্পনাও কৰা হৈছে।

শ্ৰীডম্বৰুধৰ মেধি
সম্পাদক।

## পুথি সমালোচনা

### নিয়তিৰ নিৰ্ম্মালি :—

লিখক শ্ৰীযুত প্ৰেমনাৰায়ণ দত্ত। মূল্য ৩॥০। ডিটেকটিভ উপন্যাস আৰু হাস্যৰসাত্মক গল্পাদিৰ যোগেদি আমি লিখকৰ লিখনিৰ সোৱাদ বহুত পাইছোঁ। কিন্তু উপন্যাস বোধকৰো তেখেতৰ এয়ে প্ৰথম। প্ৰথম নহলেও তেখেতৰ অন্য সামাজিক উপন্যাস পঢ়িবলৈ আমাৰ সুবিধা হোৱা নাই বাবেই প্ৰথম বুলি ভাবিব লগীয়া হৈছে।

উপন্যাসখনিৰ নামৰ লগত গল্পটোৰ পৰিণতিৰ সুন্দৰ সামঞ্জস্য আছে। উপন্যাসৰ চৰিত্ৰ অঙ্কনত লিখকে কৃতীত্ব প্ৰকাশিবলৈ সক্ষম হৈছে। বৰ্ত্তমান যুগত অসমীয়া উপন্যাসৰ অভাৱ বুলি কবলৈ ভাল নালাগে যদিও যথাৰ্থতে উপন্যাস বুলিবপৰা উপন্যাসৰ অভাৱ সচাকৈয়ে আছে। 'ডাৱৰ আৰু নাই' 'আজিৰ মানুহ' আদি খনদিয়েক উচ্চ ধৰণৰ উপন্যাস পঢ়িবলৈ পাই আমি যি দৰে সুখী হৈছোঁ, দত্তদেৱৰ 'নিয়তিৰ নিৰ্ম্মালি'য়েও আমাক সেইদৰেই আনন্দ দিছে। অসমীয়া সাহিত্যই দত্তদেৱৰপৰা আৰু আশা কৰে।

পুথিখনিত ব্যৱহাৰ কৰা দুই চাৰিটা শব্দই আমাক অলপ আহুকালত পেলাইছে আৰু কিছুমান শব্দ ব্যাকৰণ অথবা অভিধান মতে শুদ্ধ হ'লেও বহুকাল অন্য ৰূপে উচ্চাৰিত আৰু ব্যৱহৃত হৈ অহাৰ কাৰণে সেই অশুদ্ধ শব্দকেই শুদ্ধ ৰূপে গ্ৰহণ কৰা হৈছে। 'বাইদেও' শব্দটো অভিধান মতে শুদ্ধ হ'লেও উ' উচ্চাৰণ কৰা হয় আৰু লিখাও হয় 'বাইদেউ' 'পিতাদেউ' 'দদাইদেউ' ৰূপে (অন্ততঃ উজনি অসমত) তাৰ উপৰিও 'খোৱা-বোৱা' আৰু 'খোৱা-লোৱা' এই দুটিৰ অৰ্থৰ ভিতৰত আকাশ পাতাল পাৰ্থক্য,— কিন্তু নিয়তিৰ নিৰ্ম্মালিত একে অৰ্থতে ব্যৱহাৰ কৰা হৈছে। সি যিয়েই নহওক মুঠৰ ওপৰত 'নিয়তিৰ নিৰ্ম্মালি' যে এখন উচ্চ ধৰণৰ সামাজিক উপন্যাস তাক সকলোৱে স্বীকাৰ কৰিব আৰু পঢ়ুৱৈ সমাজৰ সমাদৰ নিশ্চয় লাভ কৰিব।

### লুইত পাৰৰ কেঁচা ইতিহাস :—

লিখক শ্ৰীকুশ দত্ত। প্ৰকাশক সৌমাৰ সাহিত্য পৰিষদ,— তিনিচুকীয়া। বেচ এটকা। উঠি অহা ডেকা সাহিত্যিক শ্ৰীকুশ দত্তৰ গল্প-কবিতা আদি সময়াসময়ে কাকতৰ পাতত আমি পঢ়িবলৈ পাই আহিছোঁ। বৰ্ত্তমান লুইত পাৰৰ কেঁচা ইতিহাস নামৰ যি খনি সৰু পুথি প্ৰকাশ হৈছে, সেই খনি এক নতুন ধৰণৰ ইতিহাস বুলিব পাৰি। প্ৰকৃততে অভিধানৰ অৰ্থত ইয়াক ইতিহাস বুলি কব নোৱাৰি বাবেই বোধকৰো কেঁচা ইতিহাস নাম দিয়া হৈছে।

অসমৰ প্ৰাচীন নগৰ ডিব্ৰুগড়ত সিদিনা ব্ৰহ্মপুত্ৰই যি তাণ্ডৱ-লীলা দেখুৱালে, তাৰেই এটি নিখুট বিৱৰণ সন্নিবিষ্ট কৰি "কেঁচা ইতিহাস"ত স্থান দিয়া হৈছে। সমুদায় পুথি খনি ১৬টা সৰু সৰু খণ্ডত ভাগ কৰি "মলঙা ইতিহাস"ৰ পৰা আৰম্ভ কৰি "সেতু বন্ধন আৰু শ্ৰমদান" অধ্যায়তে সামৰণি মৰা হৈছে। বোলখন ছবি আৰু দুখন মেপেৰে সুন্দৰকৈ ছপোৱা পুথি খনিয়ে ৰাইজৰ সমাদৰ নিশ্চয় পাব আৰু

ডিব্ৰুগড়ৰ খহনীয়া কাহিনী যিমানেই পূৰণ হৈ আহিব, এই পুথি খনিৰ প্ৰতি ৰাইজৰ আগ্ৰহ সিমানেই বাঢ়িব বুলি আশা কৰিব পাৰি।

পুথি খনিৰ পাতনি লিখিছে মুখ্য মন্ত্ৰী মেধি ডাঙৰীয়াই। মেধি ডাঙৰীয়াৰ ভাষাতেই আমিও কওঁ, "লিখকৰ সতেজ আৰু সাবলীল ৰচনা নৈপুণ্যই সহজেই পাঠকৰ মন আকৰ্ষণ কৰে। তেওঁৰ লিখনিৰ গতি অব্যাহত হৈ থাকক। ইয়াকেই কামনা কৰি·························তেওঁৰ সজ উদ্দেশ্যৰ শলাগ লওঁ।"

### দুষ্ট ছোৱালীজনী :–

লিখক, – শ্ৰীপ্ৰভাত গোস্বামী, মঙ্গলদৈ। বেচ ৰাৰ অনা। ১৯৪৯ চনতে প্ৰথম প্ৰকাশ হোৱা উক্ত পুথিৰ ২য় প্ৰকাশ ইতিমধ্যে বাহিৰ হোৱা দেখি আমি ৰং পাইছোঁ। পুথি খনি শিশু সাহিত্য শ্ৰেণী-ভুক্ত কৰাৰ সজ উদ্দেশ্যেই যুগুত কৰিছে আৰু সেই উদ্দেশ্যও সফল হৈছে বুলি কব পাৰি। পুথিখনি Norwagian Fairy Tales অৰ অনুবাদ।

শিশু সাহিত্যৰ অভাব আমাৰ চিৰ-কালেই আছে। গোস্বামীদেৱে সেই অভাৱ পূৰণ কৰিবলৈ কৰা চেষ্টাৰ আমি শলাগ লৈ তেনে ধৰণৰ নতুন অৱদানৰ বাবে আশা পালি ৰলোঁ।

**সুৰভি :**– মঙ্গলদৈৰ সুৰভি সমাজ'ৰ দ্বাৰা সঙ্কলিত। সুৰভি সমাজৰ হৈ সম্পাদন কৰিছে শ্ৰীপ্ৰভাত গোস্বামী, শ্ৰীককণা শৰ্ম্মা আৰু এম্ ইব্ৰাহীম আলিয়ে। সুৰভি সমাজ হৈছে অসম সাহিত্য সভাৰ স্বীকৃতি পোৱা এখনি সভা। প্ৰধান সম্পাদকৰ ভিতৰে বাহিৰে চ'ৰাৰ শাখা সভা আৰু স্বীকৃতি সভা সমূহৰ দীঘলীয়া তালিকাখনিত ভালে কেইখনি শাখা সভাই এনে ধৰণৰ সঙ্কলন আৰু আলোচনী আদি প্ৰকাশৰ ভাব পোষণ কৰাৰ বিষয়ে লিখিছে। কিন্তু আমি জনাত সুৰভি সমাজেহে মাত্ৰ নিজ সঙ্কল্প কাৰ্য্যত পৰিণত কৰিবলৈ সক্ষম হৈছে। তাৰ বাবে সমাজখনিৰ কাৰ্য্যকৰ্ত্তা সকলৰ শলাগ লওঁ।

পুথি খনি চাকচিক্য আৰু আড়ম্বৰহীন ভাৱে প্ৰকাশিত। গদ্য পদ্য সকলো ধৰি সৰ্ব্বমুঠ ১৫ টি প্ৰবন্ধ সন্নিবিষ্ট কৰা হৈছে। সকলোবিলাক প্ৰবন্ধৰ সুৰ সমান্তৰাল নহলেও কেইটিমান প্ৰবন্ধ আমোদদায়ক। সুৰভি সমাজৰ প্ৰচেষ্টা অন্য শাখাৰো অনুকৰণীয়।

## সম্পাদকৰ চ'ৰা

### অসম সাহিত্য সভাৰ ২৪ শ অধিবেশনৰ সভাপতি –

কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা সম্মানিত হোৱা সাহিত্যিক পেন্সনাৰ শ্ৰীযুত যতীন্দ্ৰ নাথ দুৱৰা এই বাৰ ২৪শ অধিৱেশনৰ কাৰণে অসম সাহিত্য সভাৰ সভাপতি নিৰ্ব্বাচিত হোৱাত আমি অতিশয় আনন্দিত আৰু শ্ৰীযুত দুৱৰাদেৱলৈ আমাৰ ওলগ জনাইছোঁ। যোৱা ২৩শ অধিৱেশনতো এই আসন তেখেতলৈ আগ বঢ়োৱা হৈছিল। কিন্তু



শাৰীৰিক অসুস্থতাৰ কাৰণে তেখেতে গ্ৰহণ কৰিবলৈ অপাৰগ বুলি দুঃখ প্ৰকাশ কৰিলে। বৰ্ত্তমানো তেখেতৰ স্বাস্থ্য ভগ্ন অৱস্থাতেই বুলিব পাৰি। তথাপি সাহিত্যানুৰাগী দুৱৰাদেৱে ভগ্ন স্বাস্থ্যৰেই এইবাৰ সভাপতিৰ আসন গ্ৰহণ কৰিবলৈ সন্মতি জনোৱাতোৱেই তেখেতৰ সাহিত্য সভাৰ প্ৰতি থকা আন্তৰিক অনুৰাগৰ পৰিচয়।

স্বভাৱ কবি দুৱৰাদেৱে আজি আঠৈ কুৰি বছৰে আশা শুধীয়া ৰূপে সাহিত্য সেৱা কৰি আহিছে। প্ৰথম কথা কবিতা প্ৰকাশ কৰা দুৱৰাদেৱে কবিতা লিখে, তাক পঢ়ি নিজেই উপভোগ কৰে আকৌ ফালি পেলায়, এয়ে হৈছে তেখেতৰ বৈশিষ্ট্য। নৱম বছৰৰ তৃতীয় সংখ্যা আৱাহনত 'বনফুল'ৰ কবি, দুৱৰাদেৱৰ কবিতাত ৰোমাণ্টিচিজিমৰ বিষয়ে লিখা কথা কেই ষাৰিমান উদ্ধৃত কৰি দিলেই তেখেতৰ প্ৰকৃত পৰিচয় পোৱা হ'ব। তাত লিখিছে, "········ তেওঁ অসমৰ কাব্য সাহিত্যৰ এজন গুৰিয়াল। তেখেত কবি সঁচা,– কিন্তু কবিতা বৰকৈ নিলিখে। লিখে – দিনটোত দুই বা তিনিটাও লিখে। পঢ়ি পঢ়ি আনন্দত উপচি পৰে,– আকৌ দুখ বেজাৰেৰে হৃদয় গধুৰ হৈ আহিলে সেই কবিতা ফালি ছিৰাছিৰ কৰি পেলায়। কি প্ৰকৃতি! কি ৰহস্য!! সেই বাবেই তেওঁৰ কবিতা প্ৰায় প্ৰকাশ হবলৈ নাপায়। কবিতা লিখা সময়ত সৌভাগ্যবশতঃ কোনোবা এজন গৈ ওলাব পাৰিলে আৰু বলেৰে টুপিয়াই আনিব পাৰিলেহে;– নহলে কবিৰ শোৱা কুঠৰীত সি টুকৰা-টুকৰ হৈ পৰি থাকে। আমি কত চেষ্টা কৰি কবিৰ অপ্ৰকাশিত কবিতাসমূহ— হাতত সাৰে ভৰিত সাৰে চুৰ কৰা দৰে আনি আমাৰ ৰচনাত দিব লগা হৈছে। ভাল কৱিতা কেইটা কবিয়ে তেওঁৰ জীৱন্ত কালত হেনো কাকো নিদিয়ে,– সি অদৃশ্যৰ কোলাত থাকিব।······ নিদিওঁ নিদিওঁ বুলি সৰু লৰাই পুতলা লোৱাৰ দৰে কবিতাৰ ৰহীবোৰ বুকুৰ মাজত সুমাই লয়গৈ। কবিৰ প্ৰকৃতি বিচিত্ৰপূৰ্ণ। "··············· আনন্দৰ জগতলৈ নিৰানন্দ আহিব, বিধৱাই ব্যথাভৰা সুৰ শুনিলে মৰ্ম্মাহত হ'ব।" সেইবাবে কবিৰ আদেশ— "নি বি চা ৰি বা"

আনন্দৰ জগতলৈ নিৰানন্দ নাহিলেও, কবি দুৱৰাদেৱৰ কবিতাৰ ব্যথাভৰা সুৰে কেৱল বিধৱাকে নহয় আমাকো মৰ্ম্মাহত কৰি আহিছে চিৰকাল। সেই চিৰপূজ্য কবি দুৱৰাদেৱৰ সভাপতিত্বত অসম সাহিত্য সভাৰ এই গুৰুত্বপূৰ্ণ ২৪শ অধিৱেশন আৰু তাৰ পাচৰ কালছোৱা যাতে কৰুণাময়ৰ কৃপাত নতুন ৰূপ লব পাৰে তাকেই আমি পৰম পিতা পৰমেশ্বৰৰ চৰণত কাতৰ প্ৰাৰ্থনা জনাওঁ। কবি দুৱৰা চিৰঞ্জীৱী হওক।

### শাখা সভা সমূহৰ তৎপৰতা :–

চলিত বছৰৰ ভিতৰত গোটেই অসমতে শাখা সভা সমূহে মূৰ দাঙি উঠাটো যে সাহিত্য সভাৰ পক্ষে এক শুভ লক্ষণ তাক নকলেও হ'ব। মাৰ্ঘেৰিতা অধিৱেশনলৈকে শাখা সভাৰ প্ৰতিনিধিৰ অভাৱত কেৱল মাত্ৰ আজীৱন সভ্যৰ দ্বাৰা পৰিচালিত হৈ থকা এই অসম সাহিত্য সভা খনিয়ে ২২শ অধিৱেশনৰ পাচৰ পৰাই পুনৰ ঠন ধৰি উঠিল আৰু বিশেষকৈ এই বছৰটোৰ ভিতৰত স্বতঃস্ফূৰ্ত্ত ভাৱে কেউফালে শাখা সভা স্থাপিত হৈ, অধ্যয়ন চক্ৰৰ যোগে আলাপ আলোচনা কৰি সাহিত্যাদি আলোচনাত ৰত হৈ যি এক অপূৰ্ব্ব সাহিত্যালোড়নৰ সৃষ্টি কৰিছে, তাৰপৰা আমি অসমৰ সাহিত্য গগণত ৰূপালী ৰেখাৰ চানেকী দেখিবলৈ পাইছোঁ।

মূল অধিৱেশনৰ লগে লগে ৰৰঙণি

ক্ষেৰা সোধ কৰি প্ৰতিনিধিত্ব কৰি আহি পুনৰ অচল অৱস্থাৰ সৃষ্টি কৰা বুলি যি এটা কু-নাম প্ৰচলিত আছিল, সেই কুনাম দূৰ কৰিবলৈ সক্ষম হোৱা শাখা সমূহৰ গুৱিয়াল সকলৰ আমি শলাগ লওঁ।

ভালেমান শাখাই ইতিমধ্যে নিয়মিত ভাবে বছেৰেকীয়া অধিৱেশন পতাৰ বাতৰিও আমি পাইছোঁ। এতিয়া প্ৰতিখন জিলাতে স্থাপিত হোৱা শাখা সমূহ এক মুঠ হৈ জিলা সাহিত্য সভাৰ অধিৱেশন পতাৰ কথা যদি চিন্তা কৰে আমাৰ বোধেৰে গাই গুটীয়া ভাবে শাখা অধিৱেশন পতাতকৈ বেচি কাম হ'ব আৰু কাৰ্য্যকৰ্ত্তাসকলৰ উৎসাহ উদ্দীপনাও বৃদ্ধি পাব। ন পুৰণা শাখা সমূহৰ আমি দীৰ্ঘায়ু কামনা কৰো।

## ৰাহুৰ গ্ৰাসত অসমীয়া ভাষা কৃষ্টি :

অসমীয়া ভাষা বিপদৰ সন্মুখীন হোৱা আজিৰ কথা নহয়। ইয়াণ্ডাবু সন্ধিৰ পিচৰপৰা অসমীয়া ভাষা কৃষ্টিৰ অস্তিত্ব লোপ পেলাবলৈ যত্ন কৰা সেই বঙালীসকলৰ সতি সন্ততিয়ে এতিয়া আকৌ এক নতুন অভিনৱ পন্থা আবিষ্কাৰ কৰিছে ; – সেইটো হৈছে অসম দেশখন দ্বিভাষী কৰাৰ প্ৰচেষ্টা।

ৰাজ্য পুনৰগঠন আয়োগে ত্ৰিপুৰাক অসমৰ লগত অন্তৰ্ভূক্তিৰ মত দিয়াত পছিম বঙ্গই পোন প্ৰথমে গৰজি উঠি গোৱালপাৰাৰ লগতে ত্ৰিপুৰাকো বঙ্গ ভূক্তিৰ দাবী কৰি বৃহত্তৰ " বাংলা ভূমি " স্থাপনৰ সপোন দিঠকত পৰিণত কৰিবলৈ প্ৰচেষ্টা চলাইছিল। বঙ্গীয় নেতাৰ প্ৰৰোচনামূলক বাক্যত মুগ্ধ হৈ সৰলচিতীয়া ত্ৰিপুৰাবাসীয়েও সেই কথাতেই হয় দি উক্ত আন্দোলনত ইন্ধন যোগোৱাৰ কথাও আমাৰ অবিদিত নহয়। ইয়াৰ পিচত পছিম বঙ্গৰ বাতৰি কাকত আৰু তথাকথিত নেতাসকলে অন্ত এটি বিকল্প প্ৰস্তাব উত্থাপন কৰিলে ; – সেইটো হৈছে ত্ৰিপুৰাক স্বতন্ত্ৰ হিচাপে কেন্দ্ৰীয় চৰকাৰৰ অধীনত ৰাখিব লাগে।

সিদিনা হঠাতে বঙ্গীয় নেতৃবৰ্গৰ ভাবৰ বিকৃতি ঘটাত নিজৰ দেশৰ কথা এৰি অসমৰ ৰাজ্যিক ভাষাৰ সম্পৰ্কে অনিমন্ত্ৰিত মত দাখিল কৰিবলৈ প্ৰয়াস কৰিলে আৰু ক'লে যে ত্ৰিপুৰা আমাক নালাগে আসামেই লওক। কিন্তু অসম দ্বিভাষী প্ৰদেশ বুলি ঘোষণা কৰিব লাগে। অসম দ্বিভাষী হওক বা ত্ৰিভাষীয়েই হওক তাত তথাকথিত বঙ্গীয় নেতাৰ মূৰ ফুৰণি হোৱাৰ কাৰণ আমি নেদেখো আৰু আমি নেদেখো কি (?) আজি কেইবা বছৰো ধৰি " অসমত অসমীয়া ভাষাক ৰাজ্য ভাষা " বুলি ঘোষণা কৰিবলৈ অসমৰ পৰ্ব্বত ভৈয়ামৰ সদৌ ৰাইজে এক মুঠে একবাক্যে দাবী জনোৱাতো ৰাজ্যিক চৰকাৰ সেই বিষয়ে নীৰৱ-নিস্তব্ধ কিয় ? অসম সাহিত্য সভাৰ ২১শ অধিবেশনত ৰাজ্যিক ভাষা সম্বন্ধে জনোৱা দাবীৰ কোনো প্ৰত্যুত্তৰ ৰাজ্যিক চৰকাৰৰপৰা পোৱা নাই যদিও সেই দাবী আজিও বাতিল হোৱা নাই।

বঙ্গীয় মুখ্য-মন্ত্ৰী ডাঃ বিধান চন্দ্ৰ ৰায় ডাঙৰীয়াৰ ইতিমধ্যে দেখিছো এক অদ্ভুতপূৰ্ণ চেতনা সঞ্চাৰ হৈছে আৰু তেওঁ মত প্ৰকাশিব খোজে যে যেহেতু গোৱালপাৰা অসমেৰেই অঙ্গ অসমতে থকা উচিত। এই বিলম্বিত মতৰ বাবে ৰায় ডাঙৰীয়াক আমি ধন্যবাদেই দিম নে গৰিহণাই দিম কব নোৱাৰো। ৰাজ্য পুনৰগঠন আয়োগৰ আগমনৰ পূৰ্ব্বে এনে এটি মনোভাব ব্যক্ত কৰা হলে নিশ্চয় তেওঁ আমাৰ ধন্যবাদৰ পৰা বঞ্চিত নহলহেঁতেন।

আমি আৰু বুজিব পাৰিছো যে বঙ্গীয় নেতাসকলে বৰ্ত্তমান অতীতৰ সুৰ সলনি



কৰি কেৱল মাত্ৰ ত্ৰিপুৰাক অসমভূক্তি কৰাত সমৰ্থন কৰিয়েই ক্ষান্ত থকা নাই, সেই অসমভূক্তিৰ বিষয়ে দাবী জনাই একে লেঠাৰিয়ে কেন্দ্ৰীয় চৰকাৰলৈ তাঁৰ যোগে অনুনয় বিনয় কৰিছে। অৱশ্যে অসমভূক্তিৰ স্বৰ্ত্তত তেওঁবিলাকে বান্ধি দিছে যে ত্ৰিপুৰাক অসমৰ লগত ভূক্ত কৰি দিলেও ত্ৰিপুৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত থাকিব লাগিব আৰু সমগ্ৰ অসম দ্বিভাষী ৰাজ্য বুলি ঘোষণা কৰিব লাগিব। সেয়ে হলে ত্ৰিপুৰাৰ পূৰ্ব্ব প্ৰস্তাবিত স্বতন্ত্ৰ অস্তিত্ব অথবা বঙ্গভূক্তিৰ দাবী প্ৰকাৰান্তৰে প্ৰত্যাখ্যান কৰা হব। এই প্ৰস্তাবিত মায়াজালৰ ভিতৰত কাছাৰ আৰু ত্ৰিপুৰাক লৈ অসম প্ৰদেশৰ ভিতৰতে এখনি বঙ্গালী প্ৰধান উপপ্ৰদেশ স্থাপনৰ ষড়যন্ত্ৰ যে নিহিত আছে সেই কথা সুস্পষ্ট ভাবে প্ৰকাশিত হোৱাতো আজি আমাৰ নেতৃবৃন্দ নীৰৱ আৰু নিস্তব্ধ।

এই বিষয়ে অসম সাহিত্য সভাৰো কৰ্ত্তব্য নাইনে ?

## অশ্ৰু অঞ্জলি।

অসমৰ পৈণত ৰাজনীতিজ্ঞ পুৰুষ, কম বেচি তিনি যুগ কাল ৰাজনীতি ক্ষেত্ৰত সক্ৰিয় ভাবে জড়িত থাকি, বিদেশী শাসকৰ দ্বাৰা নিৰ্য্যাতিত হোৱা, অসমৰ ভূত-পূৰ্ব্ব ৰাজহ মন্ত্ৰী আৰু বৰ্ত্তমানৰ সংসদী সদস্য, ডাঙৰীয়া ৰোহিণী কুমাৰ চৌধুৰী আৰু ইহ জগতত নাই। এই ডিচেম্বৰ মাহৰ ১৬ তাৰিখ শুকুৰবাৰে আবেলি ২ বাজি ৫৫ মিনিট যোৱাত দীৰ্ঘ কাল অসুখত ভোগি, ৱেলচ্ মিচন হাস্পটালত তেখেতে শেষ নিশ্বাস ত্যাগ কৰিলে। চৌধুৰীদেৱৰ লগে লগে অসমে তাহানিৰে এজন বিচক্ষণ ৰাজনীতিজ্ঞ হেৰুৱালে, অসমী সন্তানে এখনি মৰমিয়াল অন্তঃকৰণ হেৰুৱালে, বাস্তুহাৰা সৰ্ব্বহাৰাসকলে হেৰুৱালে এজন প্ৰকৃত পৃষ্ঠপোষক আৰু গুৱাহাটী চহৰে হেৰুৱালে দেশভক্ত ফুকন আৰু কৰ্ম্মবীৰ বৰদলৈদেৱে উকভা কৰি যোৱা চহৰ খনিক উদ্ভাসিত কৰি ৰখা এজন সুনিপুণ প্ৰবীণ নাগৰিক ; – ভৰলু পাৰ হৈ পৰিল নিজম নিস্তব্ধ।

স্বৰ্গীয় চৌধুৰীদেৱ আছিল সঁচাকৈয়ে এজন কোমল কঠোৰ সংমিশ্ৰণৰ প্ৰতীক, – তেখেতৰ গুৰু গম্ভীৰ আৰু ভয়াবহ অথচ স্নেহ বিজড়িত দৃষ্টি অতিক্ৰম কৰি তেখেতৰ কাষ চাপিব পাৰিলেহে দেখা পোৱা গৈছিল তেখেতৰ অন্তৰত চিৰ-প্ৰবাহমান এখনি অন্তৰসলিলা ফল্গু। অনাশ্ৰিতক আশ্ৰয় দান কৰা, বুভুক্ষুক অন্নদান কৰাৰ উপৰিও অভ্যাগতসকলক যথোচিত সন্মানিত ভাবে অভ্যৰ্থনা কৰাটো তেখেতৰ আছিল এক বৈশিষ্ট্য। তেখেতে কোনো দিনাই অভ্যাগতসকলৰ মাজত উচ্চ-নীচ প্ৰভাবশালী অথবা ধনী নিৰ্ধনীৰ তাৰতম্য নকৰিছিল। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰপৰা সংসদী সদস্য পৰ্য্যন্ত সকলোকে সমান ভাবে অভ্যৰ্থনা জনোৱাত কাৰ্পণ্য নকৰি নিজ অভিজাত বংশৰ মৰ্য্যদা ৰক্ষা কৰি তিনি কুৰি ছয় বছৰ বয়সত নশ্বৰ দেহা ত্যাগ কৰিলে।

স্বাধীনতা আন্দোলনৰ সৰ্ব্ব প্ৰথম যোদ্ধাসকলৰ অন্যতম শেষ যোদ্ধা চৌধুৰী ডাঙৰীয়াৰ অসমীয়া ভাষা সাহিত্যৰ প্ৰতি থকা প্ৰতিভা বিকশিত হবলৈ যে নাপালে তাৰ প্ৰমাণ পোৱা যায় পুৰণি, – অতি পুৰণি আলোচনী " বাঁহী " পত্ৰিকাৰ জৰিয়তে।

স্বৰ্গীয় চৌধুৰীদেৱৰ উদ্দেশ্যে আমি অশ্ৰু অঞ্জলিৰে তেখেতৰ পবিত্ৰ আত্মাৰ সদগতি কামনা কৰি শোকদগ্ধ পৰিয়ালবৰ্গলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিলো।

